# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

ত্ৰয়োদশ সংখ্যা ঃ ১৯৯৭-৯৮, ৯৮-৯৯ বৰ্ষ




সম্পাদক ঃ শ্ৰীউৎপল খনিকৰ (১৯৯৮-৯৯ বৰ্ষ)

শ্ৰীইন্দ্ৰ বুঢ়াগোহাঁই (১৯৯৭-৯৮ বৰ্ষ)

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

ত্ৰয়োদশ সংখ্যা ঃ ১৯৯৭-৯৮-৯৯ বৰ্ষ

আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছাৰে -

শ্ৰী..........................................................লৈ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনীখন আগবঢ়ালোঁ ।

সম্পাদক

সম্পাদক ঃ ইন্দ্ৰ বুঢ়াগোহাঁই-১৯৯৭-৯৮ বৰ্ষ

উৎপল খনিকৰ - ১৯৯৮-৯৯ বৰ্ষ

# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় আলোচনী

## ত্ৰয়োদশ সংখ্যা ঃ ১৯৯৭-৯৮-৯৯ বৰ্ষ
## নিতাইপুখুৰী ঃ শিৱসাগৰ

### সম্পাদনা সমিতি

*মুখ্য সম্পাদক ঃ*
শ্ৰীযুত লোহিত শইকীয়া
(ভাৰপ্ৰাপ্ত অধ্যক্ষ)

*উপদেষ্টা ঃ*
শ্ৰীযুতা ভদ্ৰাৱতী গগৈ
শ্ৰীযুত ৰেৱকান্ত বড়া

*তত্ত্বাবধায়ক ঃ*
শ্ৰীযুতা ক্ষীৰপ্ৰভা গগৈ লাহন
(অসমীয়া বিভাগ)
শ্ৰীযুত আলোক গোহাঁই
শ্ৰীযুত সুধীৰ দাস
(ইংৰাজী বিভাগ)

*সম্পাদক ঃ*
উৎপল খনিকৰ
(১৯৯৮-৯৯ বৰ্ষ)
ইন্দ্ৰ বুঢ়াগোহাঁই
(১৯৯৭-৯৮ বৰ্ষ)

*সদস্য ঃ*
পংকজ বৰা
দীপক দত্ত
হেমপ্ৰকাশ মাউত
মমতা শইকীয়া

## সূচীপত্ৰ


| | | পৃঃ |
|---|---|---|
| ❑ হেম বৰুৱাৰ 'মমতাৰ চিঠি ঃ এটি চিৰ নতুন কবিতা | ❖ দিগন্ত গগৈ | ১৩ |
| ❑ কালজয়ী বিপ্লৱী গণশিল্পী বিষ্ণুৰাভা | ❖ গীতালি শইকীয়া | ১৫ |
| ❑ শিশুৰ ব্যক্তিত্ব গঠনত বংশগতি আৰু পৰিৱেশৰ প্ৰভাৱ | ❖ সুৰজ বড়া | ১৮ |
| ❑ শংকৰদেৱৰ ধৰ্ম দৰ্শন ঃ সাম্প্ৰতিক কালত ইয়াৰ প্ৰতিফলন | ❖ গায়ত্ৰী দত্ত | ২০ |
| ❑ গণশিল্পী জ্যোতি প্ৰসাদ আগৰৱালা | ❖ প্ৰজ্ঞাজোনাক দত্ত | ২২ |
| ❑ শতিকাৰ সন্ধিয়াত অসমৰ ধূসৰিত ক্ৰীড়াংগণ | ❖ ঘনশ্যাম সন্দিকৈ | ২৪ |
| ❑ অৱবোহনৰ পথত অসমীয়া সংস্কৃতি | ❖ নিৰঞ্জন দুৱৰা | ২৬ |
| ❑ শিক্ষা ব্যৱস্থা আৰু আজিৰ সামাজিক পৰিৱেশ | ❖ দীপক দত্ত | ২৭ |
| ❑ অসমৰ লোক সংস্কৃতি | ❖ সুৰভী দাস | ২৯ |
| ❑ গোবিন্দ ককাৰ গুণানুকীৰ্ত্তন | ❖ হেম প্ৰকাশ মাউত | ৩৩ |
| ❑ শৰীৰ চৰ্চা আৰু প্ৰাত্যহিক জীৱনত ইয়াৰ গুৰুত্ব | ❖ কৃষ্ণজ্যোতি ফুকন | ৩৫ |
| ❑ অপৰাধ প্ৰৱণতাঃ কাৰণ আৰু প্ৰতিকাৰ | ❖ পংকজ বৰুৱা | ৩৬ |
| ❑ জাতীয় জীৱনত পুথি ভঁৰালত ভূমিকা | ❖ ময়ুৰী বৰঠাকুৰ | ৩৭ |
| ❑ প্ৰতিবাদী পদক্ষেপ | ❖ মিছ মমতা শইকীয়া | ৩৮ |
| ❑ দুঃস্বপ্ন | ❖ উৎপল খনিকৰ | ৪২ |
| ❑ অপেক্ষা | ❖ সুশীলা দেউৰী | ৪৪ |
| ❑ ধুমুহাৰ শেষত | ❖ দেৱব্ৰত গগৈ | ৪৬ |
| ❑ স্বীকৃতি | ❖ সুৰভী দাস | ৪৮ |
| ❑ সাফল্যৰ নেপথ্যত | ❖ পূৰবী বৰা | ৫০ |
| ❑ বিশ্বাস ঘাটক | ❖ মঃ চহিদুৰ ৰহমান | ৫১ |
| ❑ বনলতা | ❖ দ্বিপেন শইকীয়া | ৫২ |
| ❑ অনীমা অকলশৰীয়া নহয় | ❖ নীতুমণি দত্ত | ৫৩ |
| ❑ উপলব্ধি | ❖ কবিতা শইকীয়া | ৫৪ |
| ❑ আৱৰ্তন | ❖ পূৰ্ণ কোঁৱৰ | ৫৬ |
| ❑ অস্থিৰ হিমালয় | ❖ কন্দৰ্প লাহন | ৫৮ |
| ❑ চিৰতা | ❖ ইন্দুভূষণ গোস্বামী | ৬১ |
| ❑ বৰ্ণালৈ এখন চিঠিৰে | ❖ দিব্য গগৈ | ৬৩ |

# কবিতা


❑ ওমলা ঘৰ ❖ দিগন্ত গগৈ ৬৫
❑ নির্জনতাত কিছুপৰ ❖ সোণমণি শেনচোৱা, ❑ জননী ❖মৃণাল দত্ত ৬৬
❑ কৃষকৰ কবিতা ❖নির্মল দত্ত, ❑ বন্দনা ❖ জয়ন্ত গগৈ ৬৭
❑ সময় গতিশীল ❖ খগেন গগৈ, ❑ সংগ্ৰাম,❖ জীমা বেগম, ❑ স্বাধীনতা ❖ দীপক দত্ত ৬৮
❑ মোৰ আশা ❑ লোহিত গগৈ, ❑ আহ্বান ❖ নির্মল দুৱৰা ৬৯
❑ হেমন্তৰ গধূলি ❖ ৰিবন গগৈ, ❑ বসন্তৰ বিৰিখত ❖ তৰুণী টায়ে ৭০
❑ বিপ্লৱী বন্ধু ❖ মেৰী চাংমাই, ❑ বসন্ত তুমি নালাগে আহিব ❖ ৰীতা বুঢ়াগোঁহাই ৭১
❑ আই জননী ❖ মাধুশ্ৰী বৰা, ❑ আইৰ বেদনা ❖ কৰবী বৰা ❑ তোমাৰ বাবে ❖ নলীন দিহিঙ্গীয়া ৭২
❑ কবিতা ❖ ঘনশ্যাম সন্দিকৈ, ❑ উপলব্ধি ❖ পূর্ণিমা গগৈ ৭৩
❑ হৃদয়ৰ মাজত দুখৰ ৰাজত্ব ❖ প্ৰতাপজ্যোতি, ❑ অগ্নিগৰ্ভা আই ❖ মৃণাল দত্ত ৭৪


## বিভাগীয় সম্পাদসকলৰ প্ৰতিবেদন


❑ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন (১৯৯৭-৯৮ বৰ্ষ) ৭৫
❑ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন (১৯৯৮-৯৯ বৰ্ষ) ৭৭
❑ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ৭৯
❑ সমাজসেৱা বিভাগৰ প্ৰতিবেদন ৮০
❑ ছাত্ৰ জিৰণী চ'ৰা বিভাগৰ প্ৰতিবেদন ৮১
❑ ছাত্ৰী জিৰণী চ'ৰা সম্পাদিকাৰ প্ৰতিবেদন ৮২
❑ সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ৮২
❑ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৮৩
❑ তৰ্ক সাহিত্য আৰু আলোচনী বিভাগৰ ফলাফল ৮৫


## ENGLISH SECTION


❑ Job Charnock- The Founder of the city of Calcutta ❖ Dambarudhar Neog 87
❑ Tragedy : an Introduction ❖ Sudhir Kumar Das 88
❑ North Estern Region and It's potentialities of Economic Development ❖ Sanjib Kr. Borgohain 90
❑ Library - A Storehouse of knowledge ❖ Tarun Gogi 93
❑ The Assam Association : Its Contributions to the National Movement ❖ Reba Kanta Borah 94
❑ Role of Reference Service in a Library ❖ Nakul chandra Sarmah 96
❑ The Romantic Period of English Literature ❖ Rajlakshmi Goswami 98
❑ Orgin And Development Of English Drama ❖ Dulu Oraon 100


❖❑❖







## শতিকাৰ উৎসৰ্গা

*আয়ে দিয়া বিহু গামোচাৰে*
*গুলী খোৱা তেজ মচি*
*ৰণ দেৱতাৰ ৰঙা থাপনাত*
*জ্বলাওঁ শলিতাগছি ।*

দেশৰ স্বাধীনতা, জাতিৰ মুক্তি, দেশৰ অখণ্ডতা ৰক্ষাৰ বাবে যিসকলে আইমাতৃৰ পূজাৰ বেদীত নিজকে নিবেদিলে-

যিসকলৰ অমৰ লেখনীৰে ধন্য হ'ল অসমীয়া ভাষা, সাহিত্য -

কৃষ্টিৰ বিশাল বৰণীয়া পথাৰখনত যিসকলৰ প্ৰচেষ্টাত অসমীয়া কৃষ্টিয়ে বিশ্বদৰবাৰলৈ বুলি বাট বুলিবলৈ সক্ষম হ'ল-

যিসকলৰ অতুলনীয় কৰ্মৰাজিৰে পূৰ্ণ গৌৰৱক সাক্ষী কৰি অসমীয়া জাতিয়ে আগন্তুক শতিকাটোলৈ বুলি টঙালি বান্ধিছে -

জ্ঞাত-অজ্ঞাত সেইসকল মহান আত্মাৰ পৱিত্ৰ সোঁৱৰণত শতিকাৰ সন্ধিয়াত এয়া হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ক্ষুদ্ৰ নিবেদন ।

- সম্পাদক

# VICE -CHANCELLOR DIBRUGARH UNIVERSITY

**DIBRUGARH : PIN - 786004 (ASSAM)**

**Dr. D. Kakati,**
*Vice-Chancellor*

Phone : 70239 (Off.)
23557 (Res.)
Fax No. 0373-70323


No. DU/VC/99/1199 Date : 4th November, 1999

To

The Teacher In-charge
Megazine Section of
Hemchandra Dev Goswami College
Intaipukhuri,
Sivsagar (Assam)

Dear Editor,

I am very happy to leran that you are going to bring out the annual issue of your College magazine. A College magazine gives lot of scope for creative activities amongst the students as well the faculty members. I am sure you would have received enthusiastic cooperation from all concerned in this endeavour. I extend my good wishes to the teachers, students and staff of your college and hope the magazine would be a great success.

Yours sincerely,

(Dr. Devdas Kakati)



# সম্পাদকীয়....

জয়জয়তে জাতীয় অস্তিত্ব, দেশৰ অখণ্ডতা ৰক্ষাৰ বাবে যিসকলে প্ৰাণ আহুতি দিলে, যিসকল খ্যাত-অখ্যাত সমাজকৰ্মী শিল্পী-সাহিত্যিকে মাতৃৰ অশ্ৰু বোৱাই মৃত্যুক সাবটিলে, সেইসকল মহান আত্মালৈ শ্ৰদ্ধাঞ্জলি যাঁচিছো।

সম্পাদকীয় লিখিবলৈ লওঁতে ৰাজ্যখনৰ আৰ্থ-সামাজিক দিশৰ বিবৰ্ণ ৰূপটোৰ কথাহে মনলৈ আহিছে। বানপানী, নিবনুৱা, সন্ত্ৰাসবাদ, দুৰ্নীতি, অপসংস্কৃতিৰ পোহাৰ ইত্যাদিৰ মাজত ৰাজ্যখনক, জাতিটোক এক সুস্থিৰ ৰূপ দিয়াৰ দায়িত্ব আজি নিশ্চয়কৈ নতুন পুৰুষৰ হাতত। গান্ধীজীয়ে কৈছিল- -"অসমে সমগ্ৰ পৃথিৱীৰ সৈতে যুঁজি হ'লেও নিজৰ অস্তিত্ব ৰাখিব লাগিব, নহলে মই ক'ম অসমত মানুহ নামধাৰী জঁকাহে আছে।"

'Society, friendships and love
Divinely bestoword upon man,
Oh, had I the wings of a dove
How soon I taste you again'

দেশৰ যুৱশক্তিৰ উন্নতিয়েই হ'ল জাতিটোৰ ভৱিষ্যত প্ৰগতিৰ সোপান; কিন্তু আজিৰ যুৱসমাজৰ নৈতিক অধঃপতনে প্ৰতিজন সচেতন ব্যক্তিকে ভৱাই তুলিছে। অতীত গৌৰৱৰ প্ৰতি আওকাণ আৰু বৰ্তমানৰ প্ৰতি অবহেলা অব্যাহত থাকিলে ভৱিষ্যতৰ বাবে সেইটো জাতিয়ে কেতিয়াও নিজকে প্ৰস্তুত কৰিব নোৱাৰে। অথচ, হত্যা, ধৰ্ষণ, লুটপাত, অপহৰণ আদিৰে পূৰ্ণ সমাজৰ কলুষিত পৰিৱেশটোৱে ভৱিষ্যতৰ সেই অশুভ দিশটোলৈকে আঙুলিয়াইছে। অৰ্থসৰ্বস্ব সমাজ জীৱন, বিলাসৰ প্ৰতি অত্যাধিক আগ্ৰহ, পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণ ইত্যাদিৰ মাজত সুস্থ ব্যক্তিত্বৰ বিকাশ আশা কৰিব নোৱাৰি।

শিক্ষা ব্যৱস্থাটোৱেও দায়ৰ হাত সাৰিব নোৱাৰে। শিক্ষাৰ উদ্দেশ্য যদি মানুহ সৃষ্টি হয়, তেনেহলে ক'ব লাগিব, এই ক্ষেত্ৰত শিক্ষা ব্যৱস্থা ব্যৰ্থ হৈছে গুৰিতেই। সময়ৰ লগত খাপ খাব পৰাকৈ আমাৰ শিক্ষা ব্যৱস্থাৰ সংশোধন আজিও হোৱা নাই। শিক্ষা হ'ল জাতিৰ মেৰুদণ্ড। সুস্থ আৰু পৰিকল্পিত শিক্ষা ব্যৱস্থাইহে এটা সুস্থ জাতি গঢ়িব পাৰে।

বহুসময়ত বাধ্য হৈ ৰাজনৈতিক দিশত ছাত্ৰ শক্তি নামি পৰিব লগা হোৱা অৱস্থা, চৌদিশে নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলন, কৰ্মমুখী আঁচনিৰ অভাৱৰ ফলত লাখ লাখ নিবনুৱাৰ হুমুনিয়াহ ইত্যাদিৰ মাজত আজি মাথোঁ এক অন্ধকাৰ প্ৰতিছবি। গতিকে এক আমূল নৈতিক পৰিবৰ্তন (moral change) হোৱাটো হৈ পৰিছে সময়ৰ দাবী।

**মনৰ কথা ঃ**

দায়িত্বভাৰ লোৱাৰ পিছতে ভাৱিছিলো এখন সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশ কৰি উলিয়াম; কিন্তু বন্ধু-বান্ধৱীসকলৰ পৰা লিখনি সংগ্ৰহ কৰোঁতেই বহুত দিন লাগিল। সাহিত্যক যদি জাতিৰ দাপোণ বুলি লোৱা যায়, তেনেহ'লে ক'ব লাগিব সাহিত্য চৰ্চাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অনাগ্ৰহ জাতিৰ বাবেই শুভফল নহয়। সীমিত পুঁজিৰ বাবেও আলোচনীখন ভবামতে আকৰ্ষণীয় হৈ নুঠিল। নানা অবাঞ্চিত বাধা-বিঘিনিৰ মাজেৰেই আলোচনীখন প্ৰকাশ কৰি উলিয়ালো। ছাত্ৰ-ছাত্ৰীসকল সামান্য উপকৃত হ'লেও কষ্ট সাৰ্থক হোৱা বুলি ভাবিম।

**কাৰ্যকালৰ এক চমু খতিয়ান ঃ**

অসম বিজ্ঞান সমিতি ডিব্ৰুগড় শাখাৰ সৌজন্যত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ডঃ নিলোফাৰ ৰহমান শইকীয়া সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ এটি দলৰ অংশ গ্ৰহণ, ১৫/১২/৯৮ ত মহাবিদ্যালয়ত তৰ্ক প্ৰতিযোগিতা অনুস্থিত, ৯/৮/৯৯ তাৰিখত শিৱসাগৰ প্ৰেছ-ক্লাবৰ সৌজন্যত নাট্যমন্দিৰত হোৱা সাংবাদিক কমলা শইকীয়া সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ এটি দলৰ অংশ গ্ৰহণ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ১৪/৮/৯৯ তাৰিখত স্ব-ৰচিত কবিতা পাঠ আৰু পৰ্য্যালোচনা শীৰ্ষক এটি মনোজ্ঞ অনুষ্ঠান পতা, মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'উত্তৰণ'ৰ মহাবিদ্যালয়ৰ বঁটা বিতৰণী সভাতেই উন্মোচন ইত্যাদিয়েই আছিল উল্লেখনীয়।

**কৃতজ্ঞতা ঃ**

আলোচনীখন সম্পাদনাৰদৰে গুৰুদায়িত্ব দিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনাইছোঁ।

আলোচনীখন প্ৰকাশ কৰিবলৈ অনুমতি দিয়াৰ বাবে অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়াচাৰক কৃতজ্ঞতা জনাইছোঁ। উপদেষ্টা, অধ্যাপক আলোক গোঁহাই, ক্ষীৰপ্ৰভা গগৈলাহন, সুধীৰ দাস, দিগন্ত গগৈ, দেবেশ্বৰ চাংমাই আদি সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

বিভিন্ন দিশত মোক সহায়-সহযোগ কৰা মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱীসকল—হেমপ্ৰকাশ, ৰঞ্জিত, দিলীপ, ৰুবুল, পংকজ, ৰিবন, চহিদুৰ, পূৰ্ণ, কন্দৰ্প, অমল, বান্ধৱী তুলুমণি, গায়ত্ৰী, প্ৰজ্ঞাজোনাক, নৱনীতা, ভাইটি ঘনশ্যাম আৰু ভণ্টী মমতালৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

অৰ্থৰ অভাবতে আলোচনীখনৰ পৰিসৰ সৰু হোৱাত ভালেকেইটা প্ৰকাশযোগ্য লেখাক স্থান দিব নোৱাৰিলোঁ। তাৰ বাবে ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লোঁ।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি ইয়াতে সামৰিছোঁ।

উৎপল খনিকৰ
সম্পাদক, ১৯৯৮-৯৯ বৰ্ষ







মহাবিদ্যালয়খনক এক নতুন ৰূপ দিয়াৰ ক্ষেত্ৰত বদ্ধপৰিকৰ
ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত লোহিত কুমাৰ শইকীয়া



সম্পাদনা সমিতি ঃ থিয় হৈ বাওঁফালৰ পৰা ঃ সদস্য/সদস্যা ঃ মমতা শইকীয়া, পংকজ বৰা, ইন্দ্ৰ বুঢ়াগোঁহাই, উৎপল খনিকৰ, হেমপ্ৰকাশ মাউত
বহি ঃ অধ্যাপক আলোক গোঁহাই, ভদ্ৰাৱতী গগৈ, ক্ষীৰপ্ৰভা গগৈ লাহন, লোহিত শইকীয়া (ভাৰপ্ৰাপ্ত অধ্যক্ষ) বেৰকান্ত বড়া, বাণীকান্ত গগৈ, সুধীৰ দাস ।



মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকল ।



মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ চিত্ৰসেন ৰাজকুমাৰদেৱক শিক্ষক গোট তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱাৰ এচি দৃশ্য ।

# ছাত্ৰ একতা সভা ঃ ১৯৯৮-৯৯



শ্ৰীপঙ্কজ বৰা
সাধাৰণ সম্পাদক



শ্ৰীদীপক দত্ত
উপ-সভাপতি



শ্ৰীমতী ডিম্পী বৰুৱা
সহঃ সাধাৰণ সম্পাদিকা



শ্ৰীপুলিন দিহিঙ্গীয়া
সম্পাদক
সংগীত আৰু সাংস্কৃতিক বিভাগ



শ্ৰীউৎপল খনিকৰ
আলোচনী সম্পাদক



শ্ৰীলোহিত গগৈ
খেলবিভাগৰ সম্পাদক
(বৰ্হি বিভাগ)



শ্ৰীবিজু গগৈ
সম্পাদক
ছাত্ৰ জিৰণি চ'ৰা



মঃ ছহিদুৰ ৰহমান
সম্পাদক
সমাজসেৱা বিভাগ



শ্ৰীপ্ৰাঞ্জল প্ৰতিম দত্ত
সম্পাদক
ক্ৰীড়া বিভাগ

## ছাত্ৰ একতা সভা ঃ ১৯৯৮-৯৯



শ্ৰীমতী নৱনীতা সন্দিকৈ
সম্পাদিকা
ছাত্ৰী জিৰণি চ'ৰা



শ্ৰীহেমপ্ৰকাশ মাউত
সদস্য
আলোচনী বিভাগ

## হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ৯৭-৯৯ বৰ্ষৰ বিভিন্ন দিশত শ্ৰেষ্ঠতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল



শ্ৰীৰুবুল গগৈ
শ্ৰেষ্ঠ সমাজ সেৱক
স্নাতক ১ম বৰ্ষ



শ্ৰীমতী ৰূপা শইকীয়া
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী



শ্ৰীসুকুমৰ বৰা
বি. এ. প্ৰথম খণ্ডৰ শিক্ষা বিষয়ত
কৃতিত্ব অনুসাৰে প্ৰথম শ্ৰেণী পাই
মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।



শ্ৰীদীপেন শইকীয়া
শ্ৰেষ্ঠ গায়ক

# ।। হেম বৰুৱাৰ 'মমতাৰ চিঠি' ঃ এটি চিৰনতুন কবিতা।।

দিগন্ত গগৈ
অধ্যাপক ঃ অসমীয়া বিভাগ

কবিতা মানুহৰ সুন্দৰতম চিন্তাৰ বাংময় ৰূপ।

কবিতা মানুহৰ বৈচিত্ৰ্যময় অনুভূতি জগতৰ বৰ্ণাঢ্য চিত্ৰশালা।

বিষাদ-বিধ্বস্ত মানুহৰ বাবে কবিতা প্ৰেম আৰু মমতাৰে ভৰা এখনি শান্তিৰ আশ্ৰম স্বৰূপ, যাৰ নিবিড় সান্নিধ্যত মানুহে পাহৰিব পাৰে দুখ, উদ্‌যাপন কৰিব পাৰে ফুল ফুলা ঋতুৰ উৎসৱ।

অসমীয়া কাব্য-কাননৰ যিবোৰ ৰসোত্তীৰ্ণ কবিতাৰ আবেদনে চিৰকালে পাঠক-মন আলোড়িত কৰি আহিছে, তেনেবোৰ কবিতাৰ ভিতৰত হেম বৰুৱাৰ 'মমতাৰ চিঠি' এটি চিৰনতুন যুগজয়ী কবিতা। মমতাৰ চিঠিৰ শাশ্বত নিৰ্যাস নিয়ৰসিক্ত শেৱালিৰ দৰে স্নিগ্ধ আৰু সুবাসিত।

এগৰাকী বিধবা নাৰীৰ জীৱনৰ আনন্দ আৰু বিষন্নতাবোধ, প্ৰেমৰ লগত জড়িত হৈ থকা জীৱন-মমতা, নিৰাশাৰ মাজতো জিলিকি উঠা আশাৰ ৰেঙণি, বিষাদৰ মাজতো মন ৰঙাই তোলা অতীত স্মৃতি ৰোমন্থন আদি উপজীব্যৰ সমাহাৰত বিৰিঙি উঠিছে মমতাৰ চিঠিৰ মাধুৰ্য।

হেম বৰুৱাই মমতাৰ চিঠিৰে কবিতাৰ কাৰেং নিৰ্মাণ কৰিবলৈ যাওঁতে বাটচ'ৰা সজাইছে—চিত্ৰকল্পবাদী আন্দোলনৰ অন্যতম গুৰিধৰোঁতা আমেৰিকাৰ কবি এজৰা পাউণ্ডৰ কবিতাৰ এটি মনোৰম চিত্ৰকল্পসমৃদ্ধ স্তৱকৰ উদ্ধৃতিৰে ঃ

*"If you are coming down through the*
*narrows of the river kiang*
*Please let me konw before hand,*
*And I will come out to meet you*
*As far as Cho-fu-sa."*

এই মানস-চিত্ৰ আধাৰিত উপলব্ধিৰ প্ৰতিফলন ঘটিছে মমতাৰ চিঠিৰ সামৰণীৰ ফালে ঃ

*"আৰু কি লেখিম? বিশেষ একো নাই।*
*মোৰে শপত, তুমি যিদিনা উলটি আহিবা,*
*মোক আগতীয়াকৈ জনাব দেই। মই*
*ভোগদৈয়েদি ভটীয়াই গৈ বুঢ়া লুইতৰ*
*বুকুৰপৰা তোমাক ৰিঙিয়াই মাতিম,*
*তুমি যিদিনা উলটি আহিবা।"*

নিয়তিয়ে কেতিয়াবা জীৱনলৈ কঢ়িয়াই আনে কাৰুণ্যৰ বোৱতী সুঁতি। কাৰুণ্যৰ সুঁতিয়েদি উটি যায় জীৱনৰ যত ৰঙীয়াল স্বপ্ন, থানবান হৈ যায় আশাৰ আকাশ, কিন্তু কাৰুণ্যকো পৰম মংগলময় ভগৱানৰেই দান বুলি গ্ৰহণ কৰিব জানিলে অদৃষ্ট-প্ৰেৰিত দুখ-যান্ত্ৰণাই জীৱনক জৰ্জৰিত কৰি তুলিব নোৱাৰে। বৈধব্য জীৱনতো এগৰাকী নাৰীয়ে স্বামীৰ সতে গ্ৰথিত নিবিড় আত্মিক প্ৰেমৰ বান্ধোনেৰে বান্ধখাই থাকিব পাৰে। মমতা তাৰেই চানেকি। মমতা হ'ল ভাৰতীয় জীৱন-দৰ্শনপুষ্ট আদৰ্শ নাৰীৰ প্ৰতিভূ। অলেখ স্বপ্ন বুকুত বান্ধি আপোনজনৰসতে ন-কৈ ঘৰপতাৰ বিপুল বাসনা লৈ নতুন জীৱনটোৰ পাতনি মেলোতেই নিষ্ঠুৰ নিয়তিয়ে মমতাৰ শিৰৰ সেন্দুৰ মচি নিলে যদিও মমতাৰ মনৰ মণিকূটত সজীৱ হৈ ৰৈ গ'ল আপোনজনৰ সান্নিধ্যলৈ অহা মধুময় অতীতৰ স্মৃতিঃ

*" সাত বছৰৰ আগৰ কথাবোৰ তোমাৰ*
*বাৰু মনত আছেনে? আমিয়ে নতুন*
*জীৱনটোৰ পাতনি মেলিছিলো।....*
*মোৰ গাত সেই অচিনাকি নিচা বাৰুকৈয়ে লাগিছিল।*
*সিদিনা আছিল কাতিৰ কুঁৱলীসনা*
*এটা কোমল পুৱা, পদূলিত তল-সৰা*
*শেৱালিবোৰ উপচি আছিল। আৰু*
*সন্ধিয়া, মই তোমালোকৰ ঘৰলৈ নকৈ*
*আহিবৰ দিনা, আকাশৰ মেঘৰ মোহনাত*
*হালধীয়া জোনটো নাওখন হৈ*
*আমাকয়ে ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।"*

অতীত জীৱনৰ সজীৱ স্মৃতিৰাজিয়েই মমতাৰ নিঃসংগ জীৱনৰ সংগী, আনন্দ আৰু প্ৰেৰণাৰ উৎস। স্মৃতিৰাজিয়েই চিৰপ্ৰবাহিত কৰি ৰাখিছে মমতাৰ জীৱনৰ প্ৰেমৰ অন্তঃসলিলা।

"আই তই নতুন ঘৰত হাঁহি-মাতি থাকিবি।" বুলি বিয়াৰ পাছত মমতালৈ দেউতাকে চিঠিত লিখা কথাষাৰ মমতাৰ জীৱনৰ বীজমন্ত্ৰস্বৰূপ। সেইবাবেই মমতাৰ চিঠিত

অপ্রাপ্তিৰ অতৃপ্তি নাই। নাই কোনো পাই হেৰুৱাৰ দুৰ্বিসহ যন্ত্ৰণাৰ ছবি।

বৈধৱ্য জীৱনত মমতাৰ প্ৰেম আৱৰ্তিত হৈছে সন্তানক কেন্দ্ৰ কৰি। সন্তান মমতাময়ী মাতৃৰ অমল আনন্দৰ উৎস। মমতাই আপোনজনৰসতে যুৱীয়া জীৱনৰ পাতনি তৰাৰ স্বাক্ষৰ হ'ল 'বাবুল'। বাবুলক লৈয়ে আগুৱাব লাগিছে মমতাৰ জীৱন-ৰথ। মমতাৰ ভাষাত ঃ

*"তোমাৰ বাবুল এতিয়া বৰটো হৈছে।*
*তাৰ ওপৰ পাৰিত এধানমান ডালিম-গুটি*
*যেন দাঁত অকণি গজিছে। সি মোক*
*একেবাৰে এৰিকে নিদিয়ে। (কেতিয়াবা*
*মোৰ যে ইমান খঙ উঠে, তুমি নাই*
*নহয়, সেই কাৰণে)।*

বাবুলৰ সান্নিধ্যত মমতাই পাহৰি থাকে বৈধৱ্য জীৱনৰ বিষন্নতা আৰু নিঃসংগতা। বাবুলৰ মাজতে মমতাই দেখা পায় এচেৰেঙা আশাৰ ৰেঙণি ঃ

*"বাবুল এতিয়া বৰটো হৈছে, বুজিছা?*
*(আৰু ডাঙৰ হ'লে ইস্কুলত তাক নাম লগাই দিম।*
*ইস্কুলত থকা সি সময়খিনি মোৰযে*
*বুকুখন তেনেই উদং হৈ থাকিব, ভাই।)*

মমতাৰ স্মৃতিপটত প্ৰিয়জনৰ স্মৃতি চিৰসেউজীয়া। মমতাৰ দৃষ্টিত তেওঁৰ স্বামী "কোনোবা দূৰ বিদেশৰ স্বপ্নাতুৰ আলোকৰ মানুহ।" আৰু মমতা নিজে" যেন তলসৰা এপাহ শেৱালি।" পৰমাত্মাৰ সতেহে যেন আত্মাৰ সনাতন সম্বন্ধ! গাঁৱৰ এগৰাকী ৰঙীয়াল মনৰ পত্নীয়ে প্ৰবাসী স্বামীলৈ ঘৰুৱা বা-বাতৰি জনাই লিখাৰদৰে মমতায়ো চিঠিৰ শেষত পুনঃ লিখিছেঃ

*"এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ*
*জুইকুৰা বৰ ৰঙাকৈ জ্বলিছিল।.....আমাৰ*
*আইতাৰ ক'লী ছাগলীজনীৰ দুটা পোৱালি*
*জগিছে। এটা শুধ বগা। আৰু আনটো পখৰা।"*

প্ৰতীকী ব্যঞ্জনাৰ্থত ইয়াতে নিহিত হৈ আছে মমতাৰ জীৱনৰ আশাবাদী আৰু ইতিবাচক দৃষ্টিভংগীৰ ইংগিত।

মমতাৰ চিঠিৰ আংগিক নিৰ্মাণ অভিনৱ। নাটকীয় সংহতিৰ আধাৰত বিন্যস্ত সাৰ্থক চুটিগল্পৰ নিচিনাকৈ সজ্জিত হৈছে মমতাৰ চিঠিৰ ৰূপসজ্জা ঃ

*"মৰমৰ ঃ*
*এয়া মম এডাল জ্বলাই লৈছোঁ*
*আজি বহুদিনৰ মূৰত তোমালৈ*
*চিঠি লেখোঁ বুলি। বাহিৰৰ উৰুঙা*
*বতাহজাকে মমডাল আহি কোবাইছেহি।*
*...চাওঁ খিৰিকীখন জপাই দিওঁ..."*

ৰূপ আৰু ভাবৰ নিটোল বিন্যাসত মমতাৰ চিঠি হৈ পৰিছে ৰমণীয় আৰু সুখপাঠ্য। মমতাৰ চিঠি নিঃসন্দেহে হেম বৰুৱাৰ সুক্ষ্ম অৰ্নদৃষ্টি আৰু নিপুণ শিল্প প্ৰতিভাৰ পৰিচায়ক। ড° হীৰেন গোহাঁইৰ ভাষাত "তেওঁৰ সমসাময়িক আৰু পৰৱৰ্তী কবিসকলৰ শব্দৰ ইন্দ্ৰজাল কালৰ বতাহে যেতিয়া বিবৰ্ণ কৰি পেলায়, তেতিয়াও নিজৰ মহিমাতে সৰস সজীৱ হৈ থাকিব হেম বৰুৱাৰ 'মমতাৰ চিঠি'।।"

❖❖❖❖

- ***ধৰ্মই এইটোকে শিক্ষা দিয়ে যে জীৱ মাত্ৰেই শেষত একেই, দেখাত আৰু বুজাতহে ভিন ভিন।***
  ***- মহাত্মা গান্ধী***
- ***এজন ছাত্ৰৰ মুখ্য উদ্দেশ্য হৈছে মন আৰু শৰীৰটোক প্ৰশিক্ষণ দিয়া, চিন্তা উপলব্ধি আৰু কামৰ এক উপযুক্ত সঁজুলি কৰি তোলা। - জৱাহৰলাল নেহৰু।***
- ***কৈশোৰ আৰু ছাত্ৰ জীৱন অতি সুন্দৰ। কিন্তু ইয়াক কঠোৰ বিধি নিষেধৰ দ্বাৰাই সংযম কৰিব লাগিব। - শ্বেক্সপীয়েৰ।***
- ***বিচাৰ শক্তিৰদ্বাৰা ভাগ্যক অৱহেলা কৰা মানুহে চিন্তা কৰিব পৰালৈকে তেওঁলোক মুকলিমূৰীয়া।***
  ***- বাণীকান্ত কাকতি।***
- ***পৃথিৱীৰ আটাইতকৈ ডাঙৰ মহাসাগৰ হ'ল চিয়াঁহীৰ মহাসাগৰ। মহাসাগৰত যেনেকৈ জাহাজ ঘূৰি ফুৰে, তেনেকৈ চিয়াঁহীৰ মহাসাগৰত ঘূৰি ফুৰে অসংখ্য কিতাপ। - উইল ডুৰাণ্ট।***



# কালজয়ী বিপ্লৱী গণশিল্পী বিষ্ণুৰাভা

গীতালি শইকীয়া
*প্ৰৱক্তা, ইংৰাজী বিভাগ*

*"তুমি হেনো শিল্পী*
*অকল শিল্পীয়ে জানো!*
*মোৰ দৃষ্টিত তুমি কিন্তু বহু ওপৰত*
*হিমালয় গিৰিৰদৰে উচ্চ শিখৰত।"*
*—কবি দেৱেন্দ্ৰনাথ চলিহা*

সেইজনেই হ'ল গণশিল্পী, কালজয়ী বিপ্লৱী গণশিল্পী বিষ্ণুপ্ৰসাদ ৰাভা। 'ৰূপতীৰ্থৰ যাত্ৰী, ঝঞ্জাবিজয়ী আত্মাৰ গৰাকী, সীমাহীন অতল সাগৰত ডুব দিওতা মাণিক মুকুতাৰ সন্ধানী যাযাবৰী বিষ্ণুৰাভাক বুজিবলৈ হ'লে, মানুহজনৰ কৰ্মনিপুণতাত গণশিল্পী ৰূপটো কিদৰে মূৰ্তমান হৈছে, সেয়া বুজিবলৈ হ'লে, কালজয়ী বিপ্লৱী গৰাকীৰ কৰ্ম, চিন্তাধাৰাৰ সম্যক জ্ঞানৰ প্ৰয়োজন। চৌষষ্ঠি কলাৰ মুখ্য কলা সংগীত নাট-নৃত্যৰ সাৰ্থক পূজাৰীৰ ৰূপত বিষ্ণুৰাভাক দেখি 'কলাগুৰু আখ্যা" দিয়া হ'ল; তথাকথিত শিক্ষিত চহৰবাসীয়ে ৰাভাক এই ৰূপতহে চিনি পায়; কিন্তু দেশৰ হাজাৰ হাজাৰ নিপীড়িত, শোষিতৰ বাবে কৰা ৰাভাৰ ৰৰ্মৰাজিৰ আৰু ত্যাগৰ বাবে সৰ্বহাৰা জনগণৰ কাৰণে ৰাভা হ'ল "অগ্নিযুগৰ ফিৰিঙটিস্বৰূপ, যিজনাই সৰ্বহাৰা শ্ৰমিক বনুৱা, হালোৱা হজুৱাৰ মাজত ইখন গাঁৱৰপৰা সিখন গাঁৱলৈ দিবাৰাত্ৰি, আহাৰ, নিদ্ৰা পৰিহাৰ কৰি ব্যথিত হিয়াত জনতাৰ দুখৰ তীব্ৰ দুখ বেদনাৰ বোজালৈ আৰ্তজনতাক উদাত্ত কণ্ঠেৰে অন্যায় আৰু শোষণৰপৰা চিৰমুক্তিৰ বাবে বিদ্ৰোহৰ অগ্নিবাণী দৃঢ়তাৰে ঘোষণা কৰি ফুৰিছিল। অসমৰ গাঁৱে ভূঞে থকা হাজাৰ হাজাৰ খ্যাত-অখ্যাত জনতাৰ মাজত ভাঁহি থাকিল ৰাভাৰ সহজ-সৰল অনাড়ম্বৰ দিব্য মুৰ্ত্তি। সেয়েহে জনতাৰ শিল্পী ৰাভাদেৱ মৰিও অমৰ।

কোচ বিহাৰত পঢ়ি থকা কালতেই তাত চলি থকা ৰিজেন্ট আৰু দেৱান বিৰোধী আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ৰাজবাৰীৰ সিংহদ্বাৰত

'ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা
ৰাজ্যেৰ যদি মংগল চাও
দুইটি পাঠাই বলি দাও।'

বুলি বঙালীত 'ছড়া' ছন্দ লিখি আঁৰি দিবলৈকো কুণ্ঠাবোধ নকৰিছিল। ৰাভাৰ এই সাহস বিপ্লৱৰ আৰম্ভণিহে মাথোঁন।

১৯৪৭ চনৰ স্বাধীনতা সংগ্ৰামৰ অন্তত স্বাধীনতাৰ আনন্দত সকলো মতলীয়া হৈছিল; তেতিয়া ৰাভাৰ জীৱনত নিৰাপত্তা নোহোৱা হৈছিল। ৰাভা হ'ল অজ্ঞাতবাসী। কিন্তু তেঁওৰ মনত কোনো দুখ নাই। স্থিত প্ৰজ্ঞ ৰাভাই এহাতে ষ্টেনগান আৰু আনহাতে কলম লৈ 'দহ হাজাৰ টকীয়া পুৰস্কাৰৰ বিপদ' বহন কৰি অসমৰ চুকে-কোণে পৰ্বতে-পাহাৰে ধুমুহাৰ গতিৰে ঘূৰি-ফুৰি সৰ্বহাৰা জনতাৰ মাজত নিজকে বিলাই দি তেওঁলোকৰ হিয়াৰ দুখ-বেদনাৰ বুজ লৈছিল। চৰকাৰী দমন উৎপীড়নৰ বিৰুদ্ধে সংগঠিত কৰিছিল শোষিত-নিষ্পেষিতক।

মহৰ্ষি কালমাৰ্ক্সে পৃথিৱীৰ ইতিহাসৰ সমুদ্ৰ মন্থন কৰি জগতত যি নতুন বৈপ্লৱিক চিন্তাৰ প্ৰবাহ বোৱাই দি এই নিপীড়তসকলৰ মুক্তিৰ পথৰ সন্ধেদ দি গ'ল, সেই পীড়িত দলিতৰেই দৰদীস্বৰূপে ৰাভাই অশেষ নিকাৰ ভুঞ্জিও গীত ৰচিলে, নাট ৰচিলে, গালে-বালে নাচিলে ঃ

"গাম পীড়িতৰ চিৰ বিজয়ৰ গান
ফিৰাই আনিম দলিতৰ সন্মান
মৰা জগতৰ হৃদয়ত ঢালি প্ৰাণ
আনি ধৰাত চিৰ শান্তিৰ আভাস।'

কৃষক বনুৱাহে দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা, ভাষা-সংস্কৃতিৰ কৰ্ণধাৰ আৰু বাহক সেই কথা ৰাভাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। অজ্ঞাত বাসৰ সময়ত ৰাভা আছিল বহুৰূপী। কোনোবা এখন গাৱঁত যদি বুঢ়া-মেঠাৰ লগত 'হাই দাংগীত' গাইছিল, অন্য ক'ৰবাত তেওঁ ডেকা-গাভৰু এদল গোটাই গাইছিল ঃ

'শেষ যুদ্ধৰ আমি ৰণুৱা
পৃথিৱীৰ হালোৱা বনুৱা
হ'ম বিজয়ী আমি দুখীয়া
ক'ত ৰবি ধনী এইবাৰ
হুঁচিয়াৰ হুঁচিয়াৰ ।'

দ্বিতীয় মহাযুদ্ধৰ সময়ত সমগ্ৰ বিশ্বৰ মানুহ যেতিয়া নিজৰ জীৱনক লৈ সন্ত্ৰস্ত হৈ পৰিছিল, তেতিয়া অসমীয়া সংস্কৃতিৰ বিপন্নতাৰ কথা ভাবিহে ৰাভাদেৱ উদ্বিগ্ন হৈ পৰিছিল। অতি সহজে গাৱঁৰ খেতিয়ক ৰাইজৰ লগত আত্মীয়তা গঢ়ি তুলিব পৰা আচৰিত ক্ষমতাৰ অধিকাৰী ৰাভাই গাইছিল ঃ

'ব'ল ব'ল ব'ল ব'ল
কৃষক শক্তি দল
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল ।'

ৰাভাই মৰ্মে মৰ্মে অনুভৱ কৰিলে যে অসমীয়া কৃষ্টি-সংস্কৃতি সভ্যতাক এই অনাদৃত, শোষিত, নিষ্পেষিত সকলেহে জীয়াই ৰাখিছে ; এই সকলহে পূৰ্ণ-সংস্কৃতিৰ বাহক ।

মাৰ্ক্সবাদ গ্ৰহণ কৰিলেও ৰাভাক মাৰ্ক্সবাদৰ পূৰ্ণপৰ্যায়ৰ ঋত্বিক বুলিব নোৱাৰি । প্ৰথম অৱস্থাত তেওঁ মাৰ্ক্স, গান্ধী আৰু শংকৰী আদৰ্শৰ ভেঁটিত জীৱনক গঢ় দিব বিচাৰিছিল, পাছলৈ মাৰ্ক্সবাদ আৰু লেলিনবাদেই তেওঁৰ জীৱনলৈ আনি দিছিল 'সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা' । মাৰ্ক্সবাদ অভিজ্ঞতাৰে পুষ্ট হৈ ৰাভাই অসমৰ বিভিন্ন জাতি-উপজাতিৰ মাজত সমন্বয়ৰ পৰিকল্পনা ঃ 'অসমৰ কলিজাৰ এডুখৰি, বুকুৰ এফালৰ যিসকল গৈছে আৰু আছে সকলোৰে হিয়া আকুঁহি মৰমৰ চেনেহেৰে প্ৰীতি শ্ৰদ্ধাভক্তিৰে অসমীয়াৰ হিয়াৰ মাজত টানি আনি একেলগ কৰোঁ ।' কৌটিকলীয়া অসমখনৰ মানচিত্ৰ পৃথিৱীৰ মানচিত্ৰৰ পৰা খহি যাবলৈ নিদিওঁ । লাখ লাখ বছৰীয়া ভিন্ ভিন্ জাতি-উপজাতি আৰু জনজাতিসকলক বৈচিত্ৰ্যৰ মাজেৰে ঐক্যৰ গুঠনিৰে গুঠি মহান শক্তি হিচাপে কৰিবলৈ দিও । লাখ লাখ বছৰৰ সাধনাৰ ফলতপতা অসমীয়া কৃষ্টি আৰু সংস্কৃতিৰ যাউতি যুগীয়াকৈ বাচি পুনৰ চিৰউজ্জ্বল কৰি তোলোঁ ।'

এটা সুন্দৰ ভৱিষ্যত নিৰ্মাণৰ বৈপ্লৱিক প্ৰয়োজনৰ তাগিদাতে তেওঁ শিল্প-চৰ্চা কৰিছিল । তেওঁৰ নিজৰ ভাষাতে তেওঁ আছিল 'জনতাৰ প্ৰাণ স্পন্দন কলাত ফুটাই তোলা শিল্পী। আজীৱন এই জনতাপ্ৰীতিৰ বাবেই সাম্ৰাজ্যবাদী জাপানীসকলৰ আক্ৰমণত কৌটিকলীয়া অসমীয়া সংস্কৃতি ধ্বংস হ'ব বুলি আশংকা কৰিছিল । জনসংস্কৃতিৰ পক্ষ লৈয়েই তেওঁ ত্ৰিপুৰাৰ ৰাজ্য সভাৰ নিমন্ত্ৰণকো হেলাৰঙে প্ৰত্যাখ্যান কৰিছিল। মৃত্যুৰ আগে আগে জীয়া গাভৰুৰ পাৰৰ অধিবাসী আৰু জনজাতীয় ৰাইজৰ ভূমি সমস্যা অমাধান অৱস্থাতে ৰোৱাত ৰাভাই অনুভৱ কৰা গভীৰ দুখ উদঙাই দিছে - কালজয়ী বিপ্লৱী গণশিল্পী বিষ্ণুৰাভা জনতাৰ কিমান আপোন ! জনতাৰ শিল্পী হেমাংগ বিশ্বাসে ৰাভাৰ দৰে গণশিল্পীৰ বিষয়ে লিখিছে - 'অসমৰ দৰিদ্ৰক্লিষ্ট জনসাধাৰণৰ পৰা সম্পূৰ্ণ বিছিন্ন এই শিল্পী সাহিত্যিকসকলে যেতিয়া ক্ষয়িষ্ণু দুৰ্বোধ্যতাৰ কল্পনাৰে গল্প-উপন্যাসত মধ্যবিত্তৰ অৱক্ষয়ী অসুস্থ মানসিকতাৰ মনস্তত্ব বিশ্লেষণত ব্যস্ত, তেতিয়া বিষ্ণুৰাভাৰ বলিষ্ঠ জীৱনবোধ ইয়াৰ বিপৰীতমুখী এক বিস্ময়ৰ চেলেঞ্জ।' যিটো চলমান প্ৰক্ৰিয়া তাৰ মাজতেই তেওঁ চাবলৈ চেষ্টা কৰিছিল অসমীয়া জাতিসত্তাৰ স্বৰূপটো ।

প্ৰকৃততে ৰাভা এগৰাকী সমাজ বিপ্লৱীহে । সৰ্বহাৰা নিৰন্ন দৰিদ্ৰৰ আৰু শোষিত জনজাতীয় ৰাইজৰ সামাজিক অধঃপতিত অৱস্থাৰ পৰা মুক্তিৰ প্ৰেৰণাইহে প্ৰকাৰান্তৰে তেওঁক ৰাজনৈতিক বিপ্লৱীৰূপে সজাইছিল । কিম্বদন্তীত পৰিণত হৈ পৰা এইজনেই বিষ্ণু প্ৰসাদ ৰাভা-যিজনে কান্ধৰ জোলোঙাত ষ্টেনগান লৈ অসমৰ হাবি-বননি আৰু গাঁও-পথাৰ মহতিয়াই ফুৰি বছৰৰ পাছত বছৰ ধৰি অজ্ঞাত বাসত কটাইছিল আৰু শুই থকা মানুহক ফেঁচু চৰাইৰ দৰে জগাই ফুৰিছিল। ৰাভাৰ ষ্টেনগানৰ পৰা কাহানিও এটাও গুলি ফুটা নাছিল, অথচ তেনেকুৱা এক সম্ভাব্য পৰিস্থিতিৰ মাজতেই আছিল বিপ্লৱী ৰাভাৰ ৰাজনৈতিক জীৱন । ৰাভাই সশস্ত্ৰ বিপ্লৱত বিশ্বাস কৰিছিল আৰু তাৰেই প্ৰতীক আছিল সেই অস্ত্ৰটো । ইয়াৰ অৰ্থ এইটো নাছিল যে দাখন আৰু নাঙলটোৰ বাদে আন অস্ত্ৰৰ মুখ নেদেখা সাধাৰণ দৰিদ্ৰ ৰাইজে সমৰাস্ত্ৰ হাততলৈ অতি পৰাক্ৰমী আৰু সংগঠিত ৰাষ্ট্ৰশক্তি এটাৰ বিৰুদ্ধে যুঁজত নামক। শস্ত্ৰ বিপ্লৱক ৰাভাই ক্ৰোধৰ বিপ্লৱত পৰিণত কৰিছিল । তেওঁৰ সেই সময়ৰ গীত-মাত আৰু ভাষণত এই কথা পৰিষ্কাৰ ভাৱে ফুটি উঠিছিল । সতৰ্ক, সচেতন আৰু মাৰ্গভ্ৰষ্টা জনেই হৈছে আচল বিপ্লৱী । ৰাভাও তেনে এজন বিপ্লৱীয়েই ।

গণশিল্পী ৰাভাৰ সংস্কৃতি চৰ্চাৰ তাৎপৰ্য্যপূৰ্ণ বৈশিষ্ট্য হ'ল গণকেন্দ্ৰিকতা । ৰাভাৰ গীত-মাত, নাট- আলেখ্যত এই কথা পৰিষ্কাৰ হৈ আছে যে তেওঁৰ সংস্কৃতি চিন্তা তথা শিল্প সৃষ্টিৰ কেন্দ্ৰ বিন্দু হ'ল মাটিৰ মানুহ । এওঁলোকক মানুহৰ প্ৰকৃত মৰ্যাদাৰে জীয়াই ৰাখিব লাগিব । যুগৰ চেতনা-প্ৰেৰণাৰে এওঁলোকক সঞ্জীৱিত কৰি তুলিব লাগিব । শোষণ-শাসন



অত্যাচাৰৰ পৰা এওঁলোকক মুক্ত নকৰিলে অসমীয়া জাতিটোৱেই মৃত্যুৰ মুখত পৰিব । সেয়েহে ৰাভাই লিখিছিলঃ

'দুখীয়াৰ কলিজা নিঙাৰি লৰ
টুপি টুপি তেজ সুহি সুহি পিৰ
কৰি কৰি মঙহ চোৱাই খাব
কুৰুকি হাড় কেইডালো চোৱায়
হুচিয়াৰ ! হুচিয়াৰ !!
ধনী ! মহাজন !!! জমিদাৰ
হুচিয়াৰ ! হুচিয়াৰ !!'

স্বাধীনতা লাভ কৰাৰ পাছত সমাজত এহাতে দেখিছিল শাসক-শোষকৰ দল আৰু অন্যহাতে দুখীয়া মানুহৰ ঘৰমুখী গতি । এই নিকৰুণ পৰিস্থিতিয়ে ৰাভাক বৰকৈ মৰ্মাহত কৰিছিল ঃ

'সুদা মজিয়াত অকলশৰীয়া
বিনায় কোলাত হিয়া লগবীয়া
পুৱায় লঘোণ ভাত নাইকিয়া
হায় ! হায় !! হায় !!! দুৰকপলীয়া
কান্দে দুখীয়া বনুৱা ।'

শ্ৰমিকৰ দুখ-দুৰ্গতি দেখিও ৰাভাৰ অন্তৰে কান্দিছিলঃ

'কাৰখানাৰে চিটিৰ হুমুনিয়া
কলৰ ঘৰঘৰনি বুকু কপোঁৱা
শুনি শুনি কাঁহৰ মাত কঠুৱা ,
কান্দে দুখীয়া বনুৱা ।'

কঁপাল থপৰিয়াই, হিয়া ভুকুৱাই কান্দি থাকিলেও কেৱল কৰুণাকে পোৱা দুখীয়া জনতাৰ 'চিৰবিজয়ৰ গান গাই ৰাভাই 'গণৰাজ' প্ৰতিষ্ঠাৰ আদৰ্শৰে গাইছিল ঃ

'স্বাধীন চিতীয়া হালোৱা ডেকা বনুৱা
পঞ্চাৰতী যুগৰ ন-মনেৰে মনুৱা।
যুঁজিব সময়ত নগৰীয়া বনুৱা ।'

'মুক্তি দেউলত সুখৰ পঞ্চায়ত ৰাজ প্ৰতিষ্ঠা কৰিবলৈ পণ লোৱা ৰাভা ডেৰ হাজাৰ বিঘা মাটিৰ মালিকৰ সন্তান হৈও আছিল 'সম্পদহীন '। তেওঁ যেন সৰ্বহাৰাৰ মাজৰে এজন ।

অসমৰ ঐতিহ্যপূৰ্ণ সত্ৰীয়া ওজাপালি নাচ বহিৰ্জগতত পৰিৱেশন কৰা ৰাভাদেৱ 'পাহাৰ আৰু সমতলৰ সবাতোকৈ আপোন মানুহ-সমন্বয়ৰ সেতু ।' নিৰ্মোহ গণশিল্পী বিপ্লৱী ৰাভাদেৱ অসমৰ জনজীৱনৰ শিৰাই শিৰাই অনুভূত হ'ব 'চিফুং বাঁহীৰ সুৰত । মাটিৰ গৰ্ভত মনুষ্যত্বৰ ফুল ফুলাব বিচৰা ৰাভাই অসম মাতৃৰ অতৃপ্তি, সংশয়, বিফলতা নিজৰ বুকুত বহন কৰি লৈ ফুৰিছিল । মাটিৰ মনুষ্যত্বক জীয়াই তুলিব বিচৰা ৰাভাদেৱৰ মাজত মুৰ্ত্তমান হৈ উঠিছিল অসমীয়া জনজীৱনৰ আশা-আকাংক্ষা ।

দুখৰ বিষয় ৰাভাৰ দৰে ত্যাগী শিল্পীৰ অসীম চেষ্টা সত্বেও আজি অসমত অপ সংস্কৃতিয়ে গা কৰি উঠিছে । বিপ্লৱৰ ব্যাখ্যা বিকৃত হৈছে । আমাৰ দেশবাসী কেৱল অন্ন-বস্ত্ৰৰ দৰিদ্ৰতাতে ভোগা নাই - এই দৈন্যই চিন্তা, চৈতন্য আৰু বৌদ্ধিক জগতত প্ৰৱেশ কৰিছেহি । এনে ভয়ানক পৰিস্থিতি আৰু মানসিক দৈন্যৰ পৰা পৰিত্ৰাণ পাবলৈ বিষ্ণুৰাভাৰ দৰ্শন আৰু জীৱনবোধে নতুন পুৰুষক নিশ্চয় বাট দেখুৱাব । তাৰ বাবে লাগিব আমাৰ অৱস্থাৰ উন্নয়নৰ প্ৰতি আন্তৰিক প্ৰচেষ্টা । ৰাভাৰ অক্লান্ত পৰিশ্ৰমৰ মৰ্যাদা প্ৰদানেৰে তেখেতৰ মতাদৰ্শক ভুল ব্যাখ্যা নিদি নতুন পুৰুষৰ মাজত সঠিক ভাৱে প্ৰচাৰ কৰাটোহে আজি অতীব প্ৰয়োজন হৈ পৰিছে । দেশখনক দুৰ্যোগৰ পৰা ৰক্ষা কৰিবলৈ, সাংস্কৃতিক অৱক্ষয় ৰোধ কৰিবলৈ আমি বিষ্ণুৰাভাৰ বিপ্লৱী মনীষাক অন্তৰেৰে উপলব্ধি কৰিব লাগিব।

❖❖❖

*''অসমলৈ যুগ যুগ ধৰি মানুহ আহিছে। তেওঁবিলাকে নতুন নতুন সম্বল আনিছে। যোগ-বিয়োগৰ চিৰাচৰিত ৰীতি-নীতি মানি অনেক উপাদান সংযোজিত হৈছে। অনেক উপাদানে এনেকৈ জীণ গৈছে যে, তাক আমি আজি বিশ্লেষণ কৰি বিচাৰি উলিওৱা টান। বৈচিত্ৰ্যৰ মাজত ঐক্য সাধনেই অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য।'' - ড: লীলা গগৈ*

# শিশুৰ ব্যক্তিত্ব গঠনত বংশগতি আৰু পৰিৱেশৰ প্ৰভাৱ

❑ সুৰজ বড়া
স্নাতক ৩য় বৰ্ষ

শিশুৰ ব্যক্তিত্ব গঠনত বংশগতি আৰু পৰিৱেশৰ প্ৰভাৱ সাম্প্ৰতিক কালত বিচাৰ কৰি চোৱাটো অতিকে গুৰুত্বপূৰ্ণ। ব্যক্তিত্ব বুলিলে -এজন মানুহৰ জন্মগত মনোবৃত্তি, বৌদ্ধিক সত্তা, আবেগ অনুভূতি, অনুৰাগ, জ্ঞান আৰু অভিজ্ঞতাৰ পৰা লাভ কৰিব পৰা স্বভাৱৰ সমষ্টিক বুজায়। মানুহৰ অভিজ্ঞতা, বোধ শক্তি, কল্পনাশক্তি, জন্মগত প্ৰবৃত্তি, অভ্যাস, ভাৱ, চেতনা আদি সকলোবোৰেই ব্যক্তিত্ব গঢ় দিয়াত অৰিহণা যোগায়।

ব্যক্তিত্ব শব্দৰ ইংৰাজী প্ৰতিশব্দ personality। এই শব্দটো লেটিন ভাষাৰ 'persona' শব্দৰ পৰা উৎপত্তি হৈছে। এই persona শব্দৰ অৰ্থ হ'ল ভাৱৰীয়াৰ মুখা। প্ৰাচীন গ্ৰীক সকলে এই persona মুখা পিন্ধি যিদৰে দৰ্শকসকলক বিমোহিত কৰিছিল ঠিক তেনেকৈ ব্যক্তিত্বয়ও আনৰ আগত ব্যক্তিক চিনাকি দিয়ে। ব্যক্তিয়ে সমাজত নানা ধৰণৰ আচৰণ তথা ব্যৱহাৰ প্ৰদৰ্শন কৰে। এই আচৰণবোৰ সমাজৰ লোকৰ আগত ধৰা পৰাৰ ফলত সমাজে বিবেচনা কৰি ব্যক্তিৰ গুণ অনুযায়ী কেনে ব্যক্তিত্বৰ অধিকাৰী তাক চিহ্নিত কৰি নামাকৰণ কৰে।

ব্যক্তিত্ব হৈছে এটা অমূৰ্ত ধাৰণা। ব্যক্তিত্বৰ সংজ্ঞা সম্পৰ্কে মনোবিজ্ঞানীসকলৰ মাজত মত বিৰোধ দেখা যায়। তথাপি সকলো বিলাক সংজ্ঞা বিবেচনা কৰি মনোবিজ্ঞানী আলপোৰ্টে (Alport) দিয়া সংজ্ঞাটোকে গ্ৰহণযোগ্য যেন অনুভৱ কৃৰি এনেদৰে দাঙি ধৰিব পাৰি -

'মানুহজনৰ যিবিলাক অন্তৰৰ মনোশাৰীৰি প্ৰণালীয়ে পাৰিপাৰ্শ্বিকতাৰ লগত অতুলনীয়ভাৱে খাপ খুৱাব পাৰে সেইবিলাকৰ গতিমূলক সংগঠনকে ব্যক্তিত্ব বুলি ক'ব পাৰি।'

ব্যক্তিত্ব হ'ল ব্যক্তিৰ এক জন্মগত আৰু পৰিবেশৰপৰা লাভ কৰা কিছুমান নিহিত হৈ থকা গুণৰ সমষ্টি যাৰ সহায়ত এজন ব্যক্তি সমাজত তেওঁৰ গুণ আৰু বৈশিষ্ট অনুযায়ী নামাংকিত হয়। গতিকে সমাজত এজন শিশুক ভাল ব্যক্তিত্বৰ অধিকাৰী হিচাবে প্ৰতিষ্ঠা কৰিবলৈ হ'লে তাক জন্মৰেপৰা সমাজে তথা পৰিয়ালে গঢ় দিব লাগিব। তেতিয়াহে ভৱিষ্যতে বিচৰামতে এজন গুণৱন্ত ব্যক্তিত্বৰ অধিকাৰী ব্যক্তি পোৱা যাব। জন্মসূত্ৰে শিশুৱে কেনেধৰণৰ গুণলৈ পৃথিৱীলৈ আহিছে তাক বিচাৰ কৰিব লাগিব আৰু জন্মগত গুণবিলাক বিৱেচনা কৰি পৰিৱেশে উপযুক্তভাৱে গঢ় দিব লাগিব। তেহে এজন সু ব্যক্তিত্বৰ অধিকাৰী লোক পোৱা যাব। এই ব্যক্তিত্বক গঢ় দিওঁতে বংশগতি আৰু পৰিৱেশে যথেষ্ট প্ৰভাৱ পেলায়।

**বংশগতি ঃ** (Heredity) প্ৰত্যেক মানুহৰ নিজাকৈ এটা শৰীৰ আৰু এটা মন আছে। কিছুমান শাৰীৰিক আৰু কিছুমান মানসিক বৈশিষ্ট্য আছে। যিবোৰৰ কাৰণে এজন ব্যক্তি আন এজনৰ লগত নিমিলে। উপজি আহোঁতেই শিশুৱে কিছুমান শাৰীৰিক আৰু মানসিক দোষ-গুণ পিতৃ-মাতৃৰ পৰা উত্তৰাধিকাৰ সূত্ৰে পায়। এনে বৈশিষ্ট্যমূলক বংশানুক্ৰমিক বা বংশগত (Hereditary) বোলা হয় আৰু প্ৰকৃতিৰ এই ব্যৱস্থাক বংশগতি (Heredity) বোলা হয়। সকলো প্ৰাণী আৰু উদ্ভিদ বংশগতিৰ নিয়মসমূহৰ অধীন। প্ৰাণী বা উদ্ভিদ মাত্ৰেই কিছুমান সৰু সৰু কোষৰ (cell) সমষ্টি। মানুহ বা অন্যান্য জন্তুবোৰৰ অংগবোৰ এই কোষবোৰৰেই সমষ্টি। উদ্ভিদৰ বেলিকাও একে কথাই খাটে। কিন্তু সকলো জীৱৰে জীৱকোষ একে নহয়। প্ৰতিবিধ জীৱৰ নিজ বৈশিষ্ট্য জীৱ কোষত নিহিত হৈ থাকে। জীৱ কোষত নিউক্লিয়াছ নামৰ এক বিশেষ জীৱ বীজ থাকে। এই নিউক্লিয়াছটো দেখাত কণীৰ নিচিনা ঘূৰণীয়া। কিন্তু আকাৰত অতি ক্ষুদ্ৰ (tiny)। এই নিউক্লিয়াছৰ ভিতৰত সূতাৰ আকৃতিৰ ক্ৰম'জম (chromosomes) থাকে। জীৱ ভেদে ক্ৰম'জমৰ সংখ্যা বেলেগ বেলেগ হয় যদিও একে জাতিৰ মাজত সদায় সমান থাকে। মানুহৰ এই ক্ৰম'জমৰ সংখ্যা ৪৬ ডাল। এই ক্ৰম'জম বিলাকত 'জিন' (gene) নামৰ অতি ক্ষুদ্ৰ এবিধ জৈৱিক পদাৰ্থ নিহিত হৈ থাকে। ক্ৰম'জমত জিনৰ অৱস্থান এডাল সূতাৰে গাঠি থোৱা মণিৰ দৰে। এই জিনবোৰেই জীৱদেহৰ শাৰীৰিক আৰু মানসিক বৈশিষ্ট্যবোৰ পূৰ্বপুৰুষৰ পৰা উত্তৰপুৰুষলৈ কঢ়িয়াই আনে। জিনবোৰে নিজৰ জাতীয় বৈশিষ্ট্যবোৰৰ উপৰি পিতৃ-মাতৃৰ পৰা বিশেষ কিছুমান ব্যক্তিগত বৈশিষ্ট্য কঢ়িয়াই অনা দেখা যায়। এই বৈশিষ্ট্যবোৰ প্ৰকট (Dominent) বা সুপ্ত (Resessive) হ'ব পাৰে। প্ৰকট বৈশিষ্ট্য সন্তানৰ দেহত প্ৰকাশ পোৱা দেখা নাযায়। কিন্তু সুপ্ত বৈশিষ্ট্যও কোনো এক পুৰুষত প্ৰকট হৈ উঠিব পাৰে। ইয়াৰ লগতো সৃষ্টিৰ ৰহস্যৰ এক গুৰুত্বপূৰ্ণ নীতি নিয়মৰ সম্বন্ধ আছে।

দেখা গ'ল যে বংশগতিৰ বৈশিষ্ট্য সমূহ নিৰূপণ কৰাত 'জিন' নামৰ জৈৱিক পদাৰ্থই প্ৰধান ভূমিকা গ্ৰহণ কৰে। জীৱৰ বৰণ, প্ৰকৃতি, সামৰ্থ্য, বুদ্ধি আদি বৈশিষ্ট্য বোৰ পিতৃ-মাতৃৰ পৰা জিনৰ সহায়ত সন্তানে বংশানুক্ৰমে আহৰণ কৰি লয়। সেয়েহে শিক্ষাত বংশ পৰিচয়ে এক অপৰিহাৰ্য্য স্থান অধিকাৰ কৰা দেখা যায়।

এতিয়া দেখা গ'ল - এই জীৱকোষবোৰেই জীৱ-জন্তু, চৰাই-চিৰিকতি, পোক-পৰুৱা, গছ-গছনিৰ মূল একক।

**পৰিৱেশ ঃ** পৰিৱেশক সাধাৰণতে চাৰিটা ভাগত ভাগ কৰিব পাৰি। যেনে ঃ-

(১) প্ৰাকৃতিক পৰিৱেশ
(২) পৰিয়াল
(৩) সমাজ আৰু
(৪) শিক্ষা-ব্যৱস্থা



এই আটাইকেইটা উপাদানেই শিশুৰ দৈহিক, মানসিক উৎকৰ্ষ সাধন, আচাৰ-ব্যৱহাৰ, জীৱন-যাত্ৰাৰ প্ৰণালী আদিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। যি স্থানত শিশুৱে বাস কৰে তাৰ বৈশিষ্ট্য, জলবায়ু, গছ-গছনি আদিক শিশুটোৰ প্ৰাকৃতিক পৰিৱেশ বুলিব পাৰি। এই পৰিৱেশৰ অন্তৰালত শিশুৱে তাৰ ব্যক্তিত্ব গঠন কৰি ল'ব লগা হয়। পৰিয়ালৰ আচাৰ-আচৰণ, নীতি-নিয়ম, মাত-কথা, শিক্ষা-দীক্ষা, খোৱা-বোৱা সকলোবোৰে শিশুৰ স্বাস্থ্য, ধৰণ-কৰণ স্বভাৱ চৰিত্ৰৰ ওপৰত প্ৰভাৱ পেলায়। অলপ বুজিব পৰা হোৱাৰ পৰাই সমাজে শিশুৰ ওপৰত আনকি ঘৰুৱা পৰিৱেশ প্ৰতিকূল হ'লেও কেতিয়াবা প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদিয়েই সামাজিক পৰিৱেশ নিৰ্ণয় কৰে। চাৰিওটা পৰিৱেশৰ ভিতৰত শিক্ষা ব্যৱস্থাই মানুহে সৃষ্টি কৰিব পৰা আৰু নিয়ন্ত্ৰণ কৰিব পৰা পৰিৱেশ। আনবিলাক পৰিৱেশ শিশুৰ আৱশ্যক অনুযায়ী সহজে পোনাই পজৰাই ল'ব নোৱাৰি; কিন্তু শিক্ষা ব্যৱস্থা চেষ্টা কৰিলে প্ৰত্যেক শিশুৰ কাৰণে আৱশ্যক অনুযায়ী উপযুক্ত কৰি তুলিব পাৰি। সেইবাবে শিক্ষা ব্যৱস্থাকেই মানৱ সমাজৰ কাৰণে আটাইতকৈ গুৰুত্বপূৰ্ণ পৰিৱেশ বুলি ক'ব পাৰি। যি সকলে এই পৰিৱেশৰ দায়িত্ব বহন কৰিব পাৰে ভৱিষ্যত সমাজৰ বিকাশ তেওঁলোকৰ ওপৰতে নিৰ্ভৰ কৰিব।

**বংশগতিৰ প্ৰভাৱ ঃ** দেহৰ উচ্চতা, জঁকা, অংগসমূহ, স্নায়ুমণ্ডলী এইবিলাক বংশগত। এনেবোৰ কাৰণতে কৌশলৰ ক্ষেত্ৰত বংশগতিৰ প্ৰভাৱ বৰ বেছি। সেয়েহে নিগ্ৰোসকলৰ বহুতেই অলিম্পিক বিজয়ী হোৱা দেখা গৈছে। বুদ্ধি, সুকুমাৰ কলা বিদ্যাৰ প্ৰতি অনুৰাগ, কলা-কৌশল প্ৰৱণতা আদিৰ অংকুৰ বংশগত। যিহেতু স্নায়ুমণ্ডলী আৰু দেহ গ্ৰন্থী বংশগত ভাৱ প্ৰৱণতাৰ মূলও বংশগত। ইয়াৰ প্ৰভাৱৰ বাবেই কিছুমান লোক স্বভাৱতে খিংখিণ্ডীয়া হয়। এটি সন্তানে জন্মতে কিছুমান গুণ লৈ আহে। এই গুণ সমূহে লাহে লাহে সন্তানটিৰ জীৱনত নিজৰ ঠাই নিৰূপণ কৰাত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। জীৱনত নিজৰ স্থান ক'ত সেই আভাস পোৱাৰ লগে লগে মানুহৰ দৃষ্টি ভংগী, বিশ্বাস সমূহ আৰু মূল্যবোধ আদিয়ে সেই অনুসাৰে ৰূপ ল'য়। ভয় খালে পলোৱা বা আত্ম ৰক্ষা কৰিবলৈ চেষ্টা কৰা, চকুৰ পৰা আপোনা-আপুনি জাপ খোৱা এইবোৰ সহজাত প্ৰবৃত্তি। পৰিৱেশৰ তাত কোনো প্ৰভাৱ নাই। সুখ,দুখ, বিস্ময়, বিৰক্তি আদি গুণবোৰ জন্মগত।

**পৰিৱেশৰ প্ৰভাৱ ঃ** শাৰীৰিক দোষ-গুণ বংশগত ভাৱে পালেও, পৰিৱেশে কিছু দূৰ পৰিবৰ্ত্তন কৰিব পাৰে। বহুমূত্ৰ ৰোগ বংশগত। কিন্তু উপযুক্ত খাদ্য আৰু চিকিৎসাৰ সহায়ত তাক নিয়ন্ত্ৰণ কৰি দীৰ্ঘজীৱন লাভ কৰিব পাৰি। বুদ্ধি, সুকুমাৰ কলা, বিদ্যাৰ প্ৰতি অনুৰাগ আদিবোৰ বংশগত যদিও তাৰ বিকাশ সাধনত পৰিৱেশৰ প্ৰয়োজন আছে। মানুহৰ দৃষ্টিভংগী বিশ্বাস আৰু মূল্যবোধ এই তিনিওবিধ মানসিক প্ৰবৃত্তি প্ৰকৃত পক্ষে পোনপটীয়াকৈ পৰিৱেশৰ দ্বাৰাহে পৰিচালিত হয়। যি ধৰণৰ সংস্কৃতিৰ মাজত পালিত হয় শিশু তাৰ দ্বাৰা এই ক্ষেত্ৰত প্ৰভাবিত হয়। আৰ্জিত গুণ, জ্ঞান, আৰু কৰ্ম দক্ষতা এইবিলাক সম্পূৰ্ণ ভাৱে পৰিৱেশৰ দ্বাৰা প্ৰাপ্ত। এক পুৰুষৰ দ্বাৰা আন পুৰুষলৈ বংশগত ভাৱে ইয়াক অধিকাৰ কৰা অসম্ভৱ। দেহৰ বাক যন্ত্ৰ আৰু বাগ্মীতা যদিও বংশগত ভাষা সহজাত নহয়। ওপজাৰ পিছত পৰিৱেশৰ যি ভাষা তাকেই শিশুৱে অনুকৰণ কৰে।

**বংশগতি আৰু পৰিৱেশৰ যুটীয়া প্ৰভাৱ ঃ-** বংশগতিৰ প্ৰকৃতি সমূহ সহজে ইফাল সিফাল নহয়। স্থায়ী ভাৱে শিশুৰ মনত বা শৰীৰত থাকি যায়। বংশগত গুণবিলাকৰ অংকুৰটোহে শিশুৱে লাভ কৰে; এই অংকুৰটি লালন পালন কৰি বিকশিত কৰাত পৰিৱেশেহে সহায় কৰে। পৰিৱেশে বংশগতিৰ মৌলিক পৰিবৰ্ত্তন কৰিব নোৱাৰিলেও পৰিৱেশৰ সহায়তহে বংশগত গুণ বিলাকৰ বিকাশ সাধন কৰিব পাৰি আৰু বংশগত দোষৰ মাত্ৰা হ্ৰাস কৰিব পাৰি। আনহাতে পৰিৱেশ জনিত প্ৰকৃতিবোৰৰ পুনৰ আন এটা পৰিৱেশেই আমূল পৰিবৰ্ত্তন সাধন কৰিব পাৰে।

শিশুৰ বংশগত গুণবিলাকৰ পৰিৱেশৰ দ্বাৰা অনেক উৎকৰ্ষ সাধন কৰিব পাৰি। অৱশ্যে মাটিক যেনেকৈ লো কৰিব নোৱাৰি, সেইদৰেই বংশগত দোষ-গুণবোৰৰো আমূল পৰিবৰ্ত্তন কৰিব নোৱাৰি। আনহাতে শিশুৰ গাত অনেক ভাল বংশগত গুণৰ অংকুৰ থাকিলেও উপযুক্ত পৰিৱেশ নহ'লে সেইবোৰ লাহে লাহে লোপ পায়। শিশুৰ মানসিক সামৰ্থ্য বা বুদ্ধি পৰিৱেশতকৈ বংশগতিয়েহে নিৰ্ণয় কৰে। শতকৰা প্ৰায় আশী (৮০) ভাগ মেধাশক্তিৰ ছাত্ৰ বংশগত আৰু বেছি ভাগ পৰিৱেশৰ পৰা হোৱা শিশুৰ মেধাশক্তিৰ পৰিমাণ বুদ্ধাংক জীৱনৰ আৰম্ভণিতে যিমান বেলেগ বেলেগ ধৰণৰ শিক্ষা আৰু পৰিৱেশৰ অন্ততো সিমানেই থাকে।

যদি সেয়েই হয় তেন্তে শিক্ষাৰ প্ৰয়োজন কিহৰ? আগতেই উল্লেখ কৰা হৈছে যে বংশগত প্ৰবৃত্তিৰ বিকাশৰ কাৰণে পৰিৱেশৰ আৱশ্যক মেধাবী হৈ জন্ম গ্ৰহণ কৰিলেও উপযুক্ত পৰিৱেশ নাপালে বুদ্ধিৰ বিকাশ সাধন হ'ব নোৱাৰে। আনহাতে কম মেধা সম্পন্ন শিশুৱেও সুস্থ পৰিৱেশত আৰু অনুশীলনৰ সহায়ত বেছি কষ্ট কৰি যথেষ্ট জ্ঞান অৰ্জন কৰিব পাৰে। এই খিনিতে আমাৰ মনত এটা প্ৰশ্ন উদয় হয় যে - শিশুৰ বংশগতি আমি নিয়ন্ত্ৰণ কৰিব পাৰোনে? বৈজ্ঞানিক দৃষ্টিত এইটো নিশ্চয় সম্ভৱপৰ। প্ৰজনন বিজ্ঞানৰ সহায়ত আমি অধিক উৎপাদনক্ষম ধানৰ সৃষ্টি কৰিব পাৰো। কিন্তু মানৱৰ ক্ষেত্ৰত বা সমাজ ব্যৱস্থাৰ স্বাৰ্থত মানুহৰ ক্ষেত্ৰত এনে প্ৰজনন বিজ্ঞানৰ প্ৰচলন অবাঞ্চনীয়। তেনেহ'লে আমি ভাল ব্যক্তিত্বৰ শিশু গঢ় দিয়াত কি উপায় অৱলম্বন কৰিম?

কণমানি শিশুৰ যিবোৰ মানসিক আৰু শাৰীৰিক বৈশিষ্ট্য দেখা পাওঁ সেইবোৰৰ ওপৰত পৰিৱেশৰ উপযুক্ত প্ৰভাৱ পৰিবলৈ দিব লাগিব। ওপৰত কৰা আলোচনাৰ পৰা ক'ব পাৰি যে সু-শিক্ষা লাভৰ যোগ্যতা বংশগত; কিন্তু সেইবুলি শিক্ষাৰ ফল বংশগত হ'ব নোৱাৰে। আনহাতে শিশুক পৰিৱেশে সম্পূৰ্ণ নতুন এটি মানসিক শক্তিৰ অংকুৰ দান কৰিব নোৱাৰে। অৰ্থাৎ এই ক্ষেত্ৰত প্ৰকৃতিয়ে পৰিৱেশক চেৰ পেলায়। কিন্তু পৰিৱেশৰ সাহায্য নহ'লে বংশগত গুণৰ অংকুৰৰ উৎকৰ্ষ সাধন হ'ব নোৱাৰে। এই ক্ষেত্ৰত পৰিৱেশে প্ৰকৃতিক (বংশগতিক) চেৰ পেলায়।

শেষত ক'ব পাৰি যে বংশগতি আৰু পৰিৱেশৰ কোনো এটাকে বেছি বা কোনো এটাকে কম গুৰুত্ব প্ৰদান কৰিব নোৱাৰি। বংশগতি আৰু পৰিৱেশৰ পাৰস্পৰিক সম্বন্ধ ইহে এটা শিশুক উন্নত তথা ভাল ব্যক্তিত্বৰ অধিকাৰী হিচাবে প্ৰতিষ্ঠা কৰিব পাৰিব। ❖❖

# শংকৰদেৱৰ ধৰ্ম-দৰ্শন ঃ সাম্প্ৰতিক কালত ইয়াৰ প্ৰতিফলন

**গায়ত্ৰী দত্ত**
স্নাতক ২ য় বৰ্ষ

*ত্ৰিভুবন বন্দন দৈৱকীনন্দন যোহৰি মাৰল কংস*
*জগজন তাৰণ দেব নাৰায়ণ শংকৰ তাকেৰি অংশ।*

মাধবদেৱৰ ভাষাৰে শংকৰদেৱ হ'ল ত্ৰিভূবনে বন্দনা কৰা, কংসক নিপাত কৰা দৈৱকীনন্দন কৃষ্ণৰ অংশ। একেদৰে হৰিদেব চৰিতত বৰ্ণনা কৰিছে–

*শ্ৰীশংকৰ নামে আসি অবতাৰ হৈব*
*জ্ঞান ভক্তি উপদেশে লোক নিস্তাৰিব।।*
*জ্ঞান ভক্তিৰে পৃথিবীৰ লোকক আপ্লুত কৰা –*

মহাপুৰুষজনাৰ বিষয়ে দামোদৰ দেৱৰ চৰিততো লিখিছে-

*ঈশ্বৰ মহিমা যাৰ লীলা বিপৰীত।*
*তাহাৰ চৰিত্ৰ কোনে পাৰয় বৰ্ণিত।।*

দামোদৰদেৱৰ চৰিত পুথিৰ আঁত ধৰিয়েই ক'ব পাৰি সেইজন ঈশ্বৰৰ অৱতাৰ শ্ৰীশংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ বিষয়ে আলচ কৰাটো মুঠেই সহজ কথা নহয়। ক্ষুদ্ৰ মগজুৰে তেৰাৰ ধৰ্ম-দৰ্শনৰ তত্ত্ব, আধ্যাত্মবাদ বুজি উঠাটোৱেই যথেষ্ট কঠিন কাম। প্ৰাক্‌শংকৰী যুগতো অসমত বৈষ্ণৱ ধৰ্ম প্ৰচলিত আছিল আৰু মহেন্দ্ৰ কন্দলী, হেমসৰস্বতী, মাধব কন্দলী আদিসকলে ইয়াৰ গুৰি ধৰিছিল। কিন্তু সৰ্বসাধাৰণৰ বাবে সেয়া তেতিয়াও বহু দূৰৈত আছিল। মহাপুৰুষজনাই 'পৰম বেদান্ত' আখ্যা দিয়া ভাগৱতৰ মৰ্মাৰ্থ সহজ-সৰল ভাষাৰে সকলোৱে বুজিব পৰাকৈ ভাঙনি কৰি সেই সময়ৰ 'অন্ধকাৰ সমাজখনক' পোহৰাই তুলিলে।

শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি

মধ্যযুগত নৱ-বৈষ্ণৱ আন্দোলনে গুৰুনানক, হৰিব্যাস, কবীৰ, চৈতন্যদেব আদিসকলৰ নতৃত্বত সমগ্ৰ ভাৰতবৰ্ষত এক নতুন যুগৰ সূচনা কৰাৰ সময়ত অসমত ইয়াৰ গুৰি ধৰে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে। কোৱা বাহুল্য অসমত নৱবৈষ্ণৱ আন্দোলন প্ৰচাৰৰ বাবে পৰিৱেশ অনুকুল নাছিল। ৰাজকীয় পৃষ্ঠ-পোষকতাত ব্ৰাহ্মণ্যবাদে শক্তিশালী ৰূপত ভুমুকি মাৰিছিল। কোচ, কছাৰী, ন'ৰা, চুতীয়া ইত্যাদি জাতিৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত বেলেগ বেলেগ ধৰ্মীয় আচাৰ নীতি-নিয়মে গা কৰি উঠিছিল। এনে এক পৰিৱেশতে গুৰুজনাই তেৰাৰ স্বকীয় প্ৰতিভাৰ সকলোবিলাক বাধা অতিক্ৰম কৰি দেশবাসীৰ মাজত শান্তি প্ৰতিষ্ঠা কৰা আৰু সৰ্বজনৰ হিত সাধন কৰিব পৰাকৈ এটি সৰ্বজনৰ মনোগ্ৰাহী, শাস্ত্ৰসন্মত ধৰ্মমত প্ৰতিষ্ঠা কৰি সমাজ সংস্কাৰত নামি পৰে। বিভিন্ন ধৰ্মৰ ধৰ্মশাস্ত্ৰসমূহ অধ্যয়ন কৰি, তীৰ্থস্থানসমূহ পদব্ৰজে ভ্ৰমণ কৰি তেখেতে এটা সহজ অথচ সকলো শাস্ত্ৰৰদ্বাৰা স্বীকৃত ধৰ্মমত প্ৰতিষ্ঠা কৰে –সেয়াই হ'ল একশৰণ নামধৰ্ম। বিভিন্ন দেৱ-দেৱীৰ ঠাইত এক ঈশ্বৰবাদ তথা এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ, এয়ে একশৰণ নামধৰ্ম। তেওঁ লিখিছে–

অন্য দেৱীদেব নকৰিবা সেৱ,
গৃহো নপসিবা তাৰ
মূৰ্ত্তিকো নচাইবা প্ৰসাদো নখাইবা
ভক্তি হৈব ব্যভিচাৰ।
এক কৃষ্ণদেব কৰিওক সেৱ
ধৰিও তাহ্ন নাম
কৃষ্ণ দাস হৈয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তাৰ কাম।

এয়ে এক শৰণ ভক্তি ধৰ্মৰ মূল তত্ত্ব। বিভিন্ন মতাৱলম্বী লোকসকলক এই একেশ্বৰবাদলৈ আহ্বান কৰাৰ লগে লগে গুৰুজনাই কঠোৰভাৱে এটি নিৰ্দ্দেশনাও দিছে— "নিনিন্দিবা, নবন্দিবা অন্যত্ৰ ধৰ্ম্মক" ইয়াৰ যোগেদি তেৰাই ভক্ত সমাজত সহনশীলতাৰ মনোভাৱৰ উদ্ৰেক ঘটাইছে।

গুৰুজনাৰ এই একশৰণ নামধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যাওঁতেই অসমীয়া জাতিৰ বাবে সৃষ্টি হ'ল জগততে অতুলনীয় সাংস্কৃতিক সম্পদৰাজি, যাকলৈ অসমবাসী এটি জাকত জিলিকা জাতি হিচাবে আজি পৰিচিত।

সমাজৰ বৰবিহ স্বৰূপ অস্পৃশ্যতা আঁতৰাবৰ বাবে শঙ্কৰদেৱে নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই আদি বাৰটা সম্প্ৰদায়ৰ বাৰজন বৈষ্ণৱ গোটাই একেলগে নামপ্ৰসঙ্গ কৰি, প্ৰসাদ খাই তেওঁ একতা আৰু সম্প্ৰীতিৰ এনাজৰীডাল মজবুত কৰি তুলিছিল।



নামঘৰত চৈধ্যপ্ৰসঙ্গ কৰা হৈছিল। চৈধ্যপ্ৰসঙ্গৰ বাবে প্ৰয়োজন হোৱা বৰতালে, টোটয়, চপয় গুণমালা, লীলামালা আদি গীত মাত অসমীয়াৰ সংস্কৃতি বৰভঁড়ালৰ আপুৰুগীয়া সম্পদ।

সাধাৰণ শ্ৰেণীৰ লোকৰ মাজত ধৰ্ম্ম-প্ৰচাৰৰ বাবে মহাপুৰুষ শঙ্কৰদেৱে প্ৰথম 'চিহ্নযাত্ৰা' ভাওনা কৰে আৰু ছখন অঙ্কীয়া নাটো ৰচনা কৰে। ইয়াৰ বাবে প্ৰয়োজনীয় খোল যাক 'দেৱবাদ্য' বুলি কোৱা হৈছিল তেওঁ নিজেই তৈয়াৰী কৰিছিল।

তেখেতে ১২ কুৰি বৰগীত ৰচনা কৰিছিল আৰু নিজেই আছিল তাৰ গায়ক আৰু সুৰকাৰ। তেখেতে নিজে সৃষ্টি কৰা ভাওনাত নিজে আছিল বায়ন সূত্ৰধাৰ আৰু ভাৱৰীয়া।

শঙ্কৰদেৱে সাধাৰণ মানুহে বুজিব পৰাকৈ সংস্কৃত শাস্ত্ৰসমূহৰ অসমীয়া, সাবলীল ভাষাত ভাঙনি কৰি প্ৰচাৰ কৰিছিল।

তদুপৰি শঙ্কৰদেৱ আছিল 'ব্ৰজাৱলী' নামৰ এটি নতুন ভাষাৰ সৃষ্টিকৰ্ত্তা। অসমীয়া, হিন্দী, উড়িয়া, বঙালী, ৰাজস্থানী আদি মানুহে নিজৰ ভাষা বুলি ভাবিবপৰা ই এটি ভাষা - যিটো তেখেতৰ অসমীয়া সাহিত্য জগতলৈ এক অভিনৱ দান। তেখেতৰ অঙ্কীয়া নাটসমূহৰ ভাষা আছিল এই 'ব্ৰজাৱলী' ভাষা।

মহাপুৰুষ শঙ্কৰদেৱৰ যি সংস্কৃতি তাক একে আষাৰে ক'বপৰা যায় 'কৃষ্ণ সংস্কৃতি' বুলি। কৃষ্ণ শব্দৰ অৰ্থ ঘোষাত কোৱা হৈছে এই বুলি,—

"কৃষ হেন শব্দ ইটো পৃথিৱী বাচক ভৈলা
ন আনন্দত, প্ৰৱৰ্ত্তয়।
দুইৰ এক পদ ভৈলে পৰম ব্ৰহ্মৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়।।"

এতেকে কৃষি শব্দৰ লগত তেখেতৰ সংস্কৃতিৰ সম্বন্ধ। তেখেতে কৰ্ম বিমুখ এটা সংস্কৃতিৰ পোষকতা কৰা নাই। মহাপুৰুষজনাই জগতবাসীক গৃহাশ্ৰমখনিহে ধৰ্মপালনৰ বাবে উপযুক্ত আশ্ৰম বুলি দি গৈছে। "গৃহতে থাকিয়া সুখে সংসাৰক তৰা" বুলি উপদেশ দিছে। এতেকে গৃহাশ্ৰম ধৰ্ম পালনৰ বাবে আমাৰ যেনেকৈ কৰ্ত্তব্য ঠিক তেনেকৈ ভগৱানৰ বাণী বেদৰ নীতি নিৰ্দেশনাও সমানে নিষ্ঠাৰে পালন কৰি যোৱাটো আমাৰ কৰ্তব্য। শ্ৰীমন্ত শঙ্কৰদেৱে ভগৱান কৃষ্ণৰ জন্ম কৰ্ম্মৰ বৰ্ণনাৰে তেওঁৰ প্ৰতি জগতবাসীক আকৃষ্ট কৰিবৰ বাবে যিবিলাক সংস্কৃতিৰ জন্ম দিছে তাক এই অৰ্থতে 'কৃষ্ণ সংস্কৃতি' বুলি কোৱা হৈছে।

ইয়াৰ পাছত আমি আঁহো তেখেতৰ ধৰ্ম বৰ্তমান সমাজৰ ওপৰত কেনেদৰে প্ৰতিফলিত হৈছে এই বিষয়লৈ। মহাপুৰুষজনাই অজ্ঞান অন্ধকাৰত ডুবগৈ কি ধৰ্ম্ম, কি সংস্কৃতি সকলোতে দিশহাৰা হৈ কক্‌বকাই থকা জগতবাসীক উদ্ধাৰৰ হেতু জীৱনযোৰা সাধনাৰে যি বিমল ধৰ্ম্ম আৰু সংস্কৃতিৰ ঢল বোৱাই আনিছিল, সেই নিজৰাত অৱগাহন কৰি জগতৰ পাপী-তাপি, সকলো লোকেই উদ্ধাৰৰ হেতু পথ বিচাৰি পাইছিল। সমাজ-জীৱনক পঙ্কিলতাৰ অতল গহবৰৰপৰা তুলি আনি ভগৱতমুখী কৰাই বিমল আনন্দ দানেৰে সৰগৰ সুখ প্ৰদান কৰিছিল; কিন্তু অতি পৰিতাপৰ কথা এই যে তেখেতৰ পৰবৰ্তী কালত ধৰ্ম্ম গুৰুসকলে পুনৰ নিজ নিজ স্বাৰ্থপূৰণৰ বাবে ধৰ্ম্মৰ মাজত সঙ্কীৰ্ণতাক প্ৰশ্ৰয় দিবলৈ ধৰিলে। তাৰ ফলত অসম দেশ ভাগি সাতখন হ'ল, বৰ অসমৰ মানচিত্ৰ এতিয়া মাত্ৰ এখন জাকৈৰ সমানহে হৈছেগৈ। অৱশিষ্ট এই ক্ষুদ্ৰমান দেশখনিত আকৌ বিভিন্ন জনগোষ্ঠীসমূহে বিদ্ৰোহ ঘোষণা কৰিছে। কোনোবাই হয়তো স্বায়ত্ত শাসন বিচাৰিছে, কোনোবাই বিচাৰিছে সাৰ্ব্বভৌমত্ব। ফলত গোষ্ঠী সংঘৰ্ষত হেজাৰ হেজাৰ নিৰিহ লোকে প্ৰাণ বিসৰ্জ্জন দিব লগা হৈছে। নিৰ্ঘাতি সত্য এইযে গুৰুজনাৰ ধৰ্ম্মৰ সমাজত সম্যক প্ৰতিফলন নোহোৱাটোৱেই এই অনৰ্থসমূহৰ মূল।

লক্ষ্মীনাথ বেজবৰুৱাই আৰু প্ৰথিতযশা সাহিত্যিক ড° ডিম্বেশ্বৰ নেওগেও শঙ্কৰদেৱক জাতীয় গুৰুৰূপে আৱিষ্কাৰ কৰি জাতিৰ পুনৰুত্থানৰ বাবে শঙ্কৰ সাধনাত ব্ৰতী হৈছিল। সেয়ে ড° নেওগে লিখিছে "অসমীয়া সাহিত্য তথা জাতিৰ চিন্তাৰ আকাশত শঙ্কৰদেৱক একে নতুন সূৰ্য্য বুলিব পাৰি। শঙ্কৰ সূৰ্য্য উদয়ত অসমীয়া সমাজত এক নতুন যুগৰ অৱতাৰণা হয়। পঞ্চদশ শতিকাৰ জাগতিক চৈতন্যৰ লগত অসমীয়া জাতীয় চৈতন্য যোৰা নোখোৱা হ'লে অসমীয়া জাতিৰ বস্তি চিৰকাললৈ নুমাই থাকিলহেঁতেন। শঙ্কৰদেৱৰ সেই বিশ্বজনীন নীতি অনুসৰণ হ'লে অসমে চিৰকালেই নানা সাময়িক সংকটৰপৰা সহজে নিজক ৰক্ষা কৰি চলিব পাৰিলেহেঁতেন নিশ্চয় আৰু তেতিয়াহে আমি অৱশিষ্ট অসমখনি ছিন্ন ভিন্ন নোহোৱাকৈ ৰক্ষা কৰাৰ উপৰি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে গুৰু ধৰ্মৰ প্ৰভাব পৰিব আৰু বিশ্বৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ বাণী প্ৰচাৰ কৰি বিশ্বশান্তি প্ৰতিষ্ঠাতো অৰিহণা যোগাবলৈ সমৰ্থ হ'ব পাৰিম।

*"শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব*
*প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি।*
*ইহাঙ্ক নজানি নৰে জীৱিকাৰ অৰ্থে ফুৰে*
*আপোনাৰ মহত্ব বখানি"*

নামঘোষাৰ এই মহান বাণীৰে সুধী সমাজলৈ ভক্তিভৰা সেৱা জনাই লেখা সামৰা হৈছে। ❖❖

# গণশিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা


শ্ৰীপ্ৰজ্ঞাজোনাক দত্ত

স্নাতক দ্বিতীয় বাৰ্ষিক


উপজিয়েই বিশ্বনাগৰিক হৈ জন্মগ্ৰহণ কৰা শিল্পী মনীষা জ্যোতিপ্ৰসাদ আগৰৱালা অকল অসমৰেই গণজীৱনৰ শিল্পী নহয়, বৰং বিশ্ব গণজীৱনৰ শিল্পীৰূপে নিজকে প্ৰতিষ্ঠা কৰি গৈছে। নিজে ধনীৰ দুলাল হৈয়ো পৃথিৱীৰ চিৰ দুখীয়াৰ মুক্তিৰ কাৰণে সংগ্ৰামী জীৱন বৰণ কৰি ল'লে। তেওঁৰ নিজৰ ভাষাৰেই——

*বিদ্বান পণ্ডিত*
*কৰি আজীৱন*
*অনুশীলন সংস্কৃতিৰ*
*শিক্ষা দীক্ষাৰে গৈ*
*সাৱটিবপৰা হয় বিশ্ববাসীক*
*মই কিন্তু শিল্পী প্ৰাণে*
*গাঁৱৰ গণ্ডীতো থাকি*
*উপজিয়ে হৈ আহোঁ বিশ্ব নাগৰিক।*

বিপ্লৱী কবিয়ে আন্ধাৰৰ সতে যুঁজ কৰি পোহৰলৈ গৈছে। চিৰসুন্দৰৰ চিৰ আৰাধনা কৰি মানুহৰ বুকুলৈ, মানুহৰ মনলৈ, মানুহৰ সৃষ্টিলৈ চিৰসুন্দৰক নমাইছে।

*হাবিৰ বনফুল যেন*
*ওপজা গাঁৱৰ মোৰ বকুলতলৰপৰা*
*জুৰিটিৰ পাৰে পাৰে*
*বনঘোষা বিহুনাম গাই*
*লুইতৰ দুপাৰৰ কহুঁৱা বনত*
*বনগীত গাওঁ।*

গাৱঁলীয়া বনগীত, বনঘোষা, বিহুনাম গাই গাই জ্যোতিপ্ৰসাদে নিজেই জনজীৱনৰ -

*শিল্পী সপোনৰ*
*নৰতম মানৱৰ*
*জন-জীৱনৰ*
*শিল্পৰ যত গুণাগঁথা,*
*দুখীয়াক সুখীয়াক*
*নগৰীয়া, চহৰীয়া, গাৱঁলীয়াক*
*ৰণুৱাক, বনুৱাক*
*হজুৱাক, চহুৱাক*
*মুনিহ আৰু তিৰোতাক*
*অভিনৱ ভাষাৰে শুনাওঁ।*

এই অভিনৱ ভাষাৰে শিল্পী মনৰ কথা শুনোৱা মানুহজন এনে ভাৱেই গণজীৱনৰ শিল্পী হৈ পৰিছিল। তেওঁৰ মানত----

*লভি জন্ম মানুহৰ*
*দেখি এই বিশ্বমনোহৰ*
*ভাবোঁ মোৰ ঘৰ*
*যাকে দেখোঁ তাকে ভাবোঁ আপোনাৰ জন বুলি*
*কেওঁ নোহে পৰ*

বিচিত্ৰ পৃথিৱীৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰি শিল্পী মনৰ কথা কৈছে। শিল্পী জীৱনৰ যাউতিযুগীয়া অসম বুৰঞ্জীৰ ঐতিহ্যপূৰ্ণ এক গৌৰৱময় অধ্যায়ৰ জয়মতী কুঁৱৰীৰ আধুনিক কথাছবি নিৰ্মানৰ যোগেদি অসমৰ ঐতিহ্যপূৰ্ণ অৱস্থাৰ প্ৰতি সন্মান জনায় নিজে অসমীয়া কথাছবিৰ বাটকটীয়াৰূপে প্ৰতিষ্ঠিত হৈছে।

ভাৰতৰ স্বাধীনতা আন্দোলনত শিল্পী জ্যোতিপ্ৰসাদ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪১-৪২ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনীৰ সংগঠনৰ কামত নিবিড়ভাৱে আত্মনিয়োগ কৰিছিল। জ্যোতিপ্ৰসাদে সক্ৰিয় প্ৰতিভাৰে আন্দোলনৰ আৰম্ভণিৰেপৰা শেষলৈকে গীত-মাত, নাটক আৰু বিপ্লৱী বক্তৃতাৰে, বিপ্লৱী ৰচনাৰে আন্দোলনলৈ ইন্ধন যোগাইছিল। জাতীয় চেতনা উদ্দীপক বিদ্ৰোহী গীত-মাতেৰে জনতাক দেশৰ কাৰণে সাজু হ'বলৈ আহ্বান জনাইছিল।

*সাজু হ সাজু হ, ন জোৱান*
*তই কৰিব লাগিব অগ্নিস্নান*
*জীৱন যৌৱন*
*কৰি প্ৰাণপণ*
*ৰাঙলী কৰি দে ৰণাঙ্গণ*
*জয় শঙ্খ বজা*
*পৃথিৱী কঁপাই*
*অত্যাচাৰকো কৰি বৰণ*
*আৰু*
*বিশ্ববিজয়ী নৱ জোৱান*
*বিশ্ববিজয়ী নৱজোৱান*
*শক্তিশালিনী ভাৰতৰ*
*ওলাই আহাঁ, ওলাই আহাঁ*



*সন্তান তুমি বিপ্লৱৰ*
*সমুখ সমৰ ভয় নকৰিবি*
*মুক্তি যুঁজাৰু হুঁচিয়াৰ*
*মৃত্যুবিজয় কৰিব লাগিব*
*স্বাধীনতাৰ খুলি দুৱাৰ।*

আদি জুই সদৃশ গান লিখি স্বাধীনতা আন্দোলনত জনতাৰ মাজত উদ্দীপনা জগাইছিল।

জ্যোতিপ্ৰসাদে নিজা চিন্তা উদ্ভাৱনাৰে গাৱঁলীয়া চহা গীত-মাতক ৰাইজৰ বৰমেললৈ আগবঢ়াই আনিছিল। অনাদৰী গাঁৱৰ লখিমীজনীক অভিনৱ পন্থাৰে সন্মানৰ শৰাই যাচিছিল। উদাহৰণস্বৰূপে---

*গছে গছে পাতি দিলে*
*ফুলৰে শৰাই ৰাম ৰাম*
*কলীয়া ভোমোৰা*
*গুঞ্জৰি আহে গোন্ধতে ধিয়াই ৰাম ৰাম ইত্যাদি।*

অসমীয়া সংস্কৃতিৰ প্ৰসংগত "মহাপুৰুষ শংকৰদেৱে এই অসমীয়া সংস্কৃতিৰ পূৰ্ণৰূপ দিওঁতা। ভাৰতীয় মধ্যযুগীয় সাংস্কৃতিক আন্দোলনে শংকৰ প্ৰতিভাত যি প্ৰতিক্ৰিয়া কৰিছিল-তাৰেপৰাই ফুলে-পাতে বিকশি উঠিল অসমীয়া সংস্কৃতি।" অসমীয়া গণ সংস্কৃতিক এনেভাৱেই জ্যোতিপ্ৰসাদে সংস্কৃতিক বুকুৰ আপোন কৰি লৈছিল।

সাহিত্য-সংস্কৃতি আৰু কলা সম্পৰ্কে জ্যোতিপ্ৰসাদৰ স্বকীয় ধাৰণা আছিল। বিলাতলৈ যোৱাৰ আগতে তেওঁ কিছু গীত, কবিতা, গল্প আৰু নাটক ৰচনা কৰিছিল আৰু সেইবোৰৰ দ্বাৰাই তেওঁৰ সাহিত্যিক আৰু সাঙ্গীতিক প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন পৰিস্ফুট হৈছে। জ্যোতিপ্ৰসাদ আছিল জীৱন শিল্পী আৰু জনতাৰ শিল্পী। এই প্ৰসংগত তেওঁৰ নিজৰ মতামত স্পষ্টভাৱে লিখিছে —

"শিল্পী, সাহিত্যিক, কবি-দাৰ্শনিক হৈ দেশক সাংস্কৃতিক ভ্ৰষ্টাচাৰৰপৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্তব্য অৱহেলা কৰিব, নিজৰ ৰাইজৰ প্ৰতি কৰ্তব্য উপলব্ধি নকৰি মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ, দেশৰ বেমেজালিৰপৰা আতঁৰি সপোনৰ মায়া জালৰ বুলনি চ'ৰাতেই থাকিব খুজিব, সেইসকল নিশ্চয় আদি বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্তব্য পালন নকৰাৰ দোষত পৰিব লাগিব।" তেওঁৰ ধাৰণা মতে, যি শিল্পীয়ে জনতাক স্পৰ্শ কৰিব নোখোজে তেনে শিল্পী মোহগ্ৰস্ত। এই বিষয়ত 'শিল্পীৰ পৃথিৱীত' নিজৰ মতামত এইদৰে প্ৰকাশ কৰিছে--

যি জনতাই সদায় দুষ্কৃতিৰ আক্ৰমণত কেঁচুৱাতে ধ্বংস হ'ব খোজা সংস্কৃতিক নিজৰ বুকুত সুমুৱাই তুলি-তালি ডাঙৰ-দীঘল কৰে, যি জনতাই সংস্কৃতিৰ পৰাজয় হ'লেই দুষ্কৃতিৰ অত্যাচাৰ মূৰ পাতি ল'ব লগা হয়, যি জনতাৰ অন্তৰত সংস্কৃতিলৈ মৰম নুনুমুৱা বেলিৰদৰে সদায় জ্বলি থাকে, যি জনতা সংস্কৃতিৰ বাঁহীতে চিৰকাল মুগ্ধ, যি জনতাই দেখা মাত্ৰকে সংস্কৃতিক চিনি পায়, যি জনতাই নিজৰ বুকুৰ তেজ যুগে যুগে দিয়ো সংস্কৃতিক জীয়াই ৰাখি দুষ্কৃতিৰপৰা সিহঁতৰ যাউতিযুগীয়া দুখ-কষ্ট গুচাই জীৱনৰ হাঁহি ফুলাব বুলি বাট চাই আছে, আজি শিল্পীয়ে প্ৰথমেই সকলো ভয়, দুৰ্বলতা, ভ্ৰান্তি গচকি-খচকি সুকুমাৰ কলাৰ অস্ত্ৰলৈ সেই দুৰ্ভগীয়া জনতাৰ মাজত থিয় হ'বগৈ লাগিব--মোহমুক্ত অৰ্জুনে যেনেকৈ থিয় হৈছিল সংগ্ৰামৰ কাৰণে।"

ৰূপতীৰ্থৰ যাত্ৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে বিপ্লৱী গীত-মাতেৰে, সুৱদী সুৰীয়া সুৰেৰে মৃত্যুৰ আগলৈকে নাটক, কবিতা, জীৱনী, শিশু-কাব্য আদি সাহিত্যৰ বিবিধ ক্ষেত্ৰত বিচৰণ কৰি ৰচনা আৰু সুৰ সংযোজনাত অভিনৱত্বপূৰ্ণ বুজন সংখ্যক গীতৰ মাজেদি আধুনিক অসমীয়া সংগীতৰ নতুন ৰূপদান, বিভিন্ন অনুষ্ঠানত সাহিত্য-সঙ্গীত-কলা-সংস্কৃতি বিষয়ক মৌলিক চিন্তা আৰু অধ্যয়নপুষ্ট ভাষণ প্ৰদান।" তদুপৰি চাহ-বাগানৰ মালিকহৈয়ো শ্ৰমিক-মালিক সম্পৰ্কৰ নতুন ৰূপদানৰ প্ৰচেষ্টা চিৰ আদৰণীয় গণ বিপ্লৱীৰ গণচিন্তা।

সামৰণিত জ্যোতিপ্ৰসাদ আগৰৱালা হ'ল--অস্থিয়ে মজ্জাই শিল্পী। প্ৰকৃত শিল্পী সদায় বিপ্লৱী, কাৰণ নতুন ৰচনা কৰিবলৈ, নতুন পথেদি যাবলৈ আনে দুবৰী বন মাৰি থোৱা পথেদি নগৈ নতুন পথ ল'বলৈ হ'লে বিপ্লৱী মনোভাৱ আৰু সাহসৰ প্ৰয়োজন।" এই বিপ্লৱী মনীষাৰ প্ৰতীক জ্যোতিপ্ৰসাদৰ নিজৰ ভাষাৰে--

*মানুহৰ কৌটিকলীয়া সউ*
*সোণালী সপোন*
*পৃথিৱীৰ জনতাই*
*যালৈ বাট চায় ব্যাকুল*
*মনীষা আকুল।*

পৃথিৱীৰ জনগণক জোনাকী বাটেৰে লৈ যাবলৈ কৰা প্ৰচেষ্টাৰ বাবেই জ্যোতিপ্ৰসাদ আগৰৱালা সঁচাকৈয়ে গণশিল্পী। বিশ্বকবি ৰবীন্দ্ৰনাথৰ ভাষাৰে—

*জনগণ মন অধিনায়ক জয় হে*
*ভাৰত ভাগ্য বিধাতা*
*'সেই অসমৰ জনগণৰ অধিনায়ক*
*জ্যোতিপ্ৰসাদ তোমাৰো জয় হওক।'*

❖❖❖❖

ক্ৰীড়াংগণ ঃ

# শতিকাৰ সন্ধিয়াত অসমৰ ধূসৰিত ক্ৰীড়াংগণ

❑ ঘনশ্যাম সন্দিকৈ
স্নাতক প্ৰথম বৰ্ষ

চাওঁতে চাওঁতেই বিদায় ল'লোঁহি আপোন শতিকাটোৱে। মহাকালৰ অমোঘ নিৰ্দেশতে ইয়াৰ বুকুত বাগৰি পৰিল চিনাকি শতিকাটো । থৈ গ'ল বহুজনৰ বাবেই স্মৃতি বিজড়িত অনেকবোৰ আৱেগৰ মুহূৰ্ত্ত । কোনো দিনেই পুনৰাই ঘূৰি আহিব নোৱাৰাকৈ কালৰ বুকুত হেৰাই যোৱা শতিকাটোৱে বিগত সময়ছোৱাত বহুতকেই কিবা-কিবি দি গ'ল । যিখিনিক সাৰটি নতুন শতিকাটোত সেইসকলে খোজ পেলাব নতুন উদ্যমেৰে । মানৱ সমাজৰ অন্যান্য দিশৰ লগতে শতিকাটোৱে খলকনি তুলি গ'ল বিশ্বক্ৰীড়াংগণতো । বিশ্বকাপ ফুটবল, হকী, ক্ৰিকেট ইত্যাদিৰপৰা আৰম্ভ কৰি বিশ্ব এথ্‌লেটিকচ্, অলিম্পিক ইত্যাদিয়ে বৰ্ণাঢ্য ৰূপ প্ৰদানেৰে এক নতুন সাজত সজাই থৈ গ'ল আগন্তুক শতিকাটোৰ বাবে ।

শতিকাৰ বিশ্বক্ৰীড়াংগণত আমাৰ দেশৰ সফলতাৰ পষ্টমৰ্টেন কৰিলে এখন ধূসৰ ছবিহে ভাঁহি উঠে । আমাৰ দেশে ১৯৩০ চনৰপৰা আৰম্ভ হোৱা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজিলৈকে যোগদানৰ যোগ্যতাই অৰ্জন কৰিব নোৱাৰিলে । ১৯৫০ চনত মাত্ৰ এবাৰৰ বাবে সুযোগ পাইছিল যদিও গ্ৰহণ কৰিব নোৱাৰিলে -- প্ৰথমে আছিল আৰ্থিক দিশ আৰু দ্বিতীয়তে আচৰিত যেন লাগিলেও বুট জোতা পিন্ধি খেলাৰ অভ্যাস নথকাৰ বাবেই সেই সুযোগো হেৰুৱাব লগা হয় । অলিম্পিক হকীত সাত বাৰকৈ স্বৰ্ণপদক বিজয়েৰে ইতিহাস সৃষ্টি কৰা ভাৰতীয় হকীৰ আজি জকাটোহে আছেগৈ। ইয়াৰ বাহিৰে ১৯৮৩ চনত লৰ্ডচত কপিলদেৱৰ নেতৃত্বত বিশ্বকাপ ক্ৰিকেট জয় কৰাৰ বাহিৰে চমৎকাৰ সাফল্য ভাৰতীয় ক্ৰীড়াত নাই । শেহতীয়াকৈ '৯৬ ৰ আটলাণ্টা অলিম্পিকত টেনিছত লিয়েণ্ডাৰ পেজে ব্ৰঞ্জৰ পদকেৰে দেশৰ সন্মান সামান্য হ'লেও উজ্জ্বল কৰে ।

বিশ্বক্ৰীড়াংগণত ভাৰতীয় ক্ৰীড়াৰ ছবিখনক যদি ধূসৰ বুলি কোৱা যায় । তেনেহ'লে ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ ছবিখন বিবৰ্ণ বুলিয়েই ক'ব লাগিব । শতিকাৰ সন্ধিয়াত এক জৰাজীৰ্ণ অৱস্থাৰেই অমসৰ ক্ৰীড়াংগণ আগবাঢ়িছে নতুন শতিকাটোলৈ। ক্ৰিকেটৰ কথাই চোৱা যাওঁক । বৰ্ত্তমানৰ বিশ্বক্ৰীড়াগণত ক্ৰিকেটে হ'ল এক অন্যতম জনপ্ৰিয় খেল । বিশেষকৈ ৰোমান্স, উত্তেজনা, মাদকতাৰে ভৰা এদিনীয়া ক্ৰিকেটৰ অভাৱনীয় জনপ্ৰিয়াতই এইবিধ খেলক তুলি নিছে অতি জনপ্ৰিয়তাৰ শীৰ্ষলৈ। বিশ্বক্ৰিকেটত ভাৰতে এতিয়াও এক সন্মানজনক আসন অধিকাৰ কৰি আছে । পলী উমৰিগড়, নবাব পাটাউডী, লালা অমৰনাথ, বিন মানকাডৰপৰা আৰম্ভ কৰি বিজয় মাঞ্জেৰেকাৰ, দিলীপ সৰদেশাই নাৰী কন্ট্ৰেকটৰ, অজিত ৱাডেকাৰক ধৰি চোলকাৰ, বেদী প্ৰসন্ন চন্দ্ৰশেখৰ, গাভাস্কাৰ, মহীন্দৰ অমৰনাথ, বিশ্বনাথ, কপিলদেৱ আৰু শেহতীয়াকৈ শচীন, ৰাহুল দ্ৰাবিড় ইত্যাদিসকলে মহীয়ান কৰি আহিছে এই বিধ ক্ৰীড়াক; কিন্তু বৰ্ত্তমানৰ শচীন, দ্ৰাবিড়, গাংগুলীৰ নামত আনন্দত সাত জাপ মৰাৰ সময়ত আমি সমূলি পাহৰি যাওঁ যে, বিশ্বত চাঞ্চ্যলৰ সৃষ্টি কৰা ভাৰতীয় ক্ৰিকেটত কিন্তু অসমৰ এজন খেলুৱৈয়েও আজিলৈকে সুযোগ পোৱা নাই । অথচ অসমত আজি ধাৰাসাৰে ক্ৰিকেটেই চলি আছে । অসমে ৰঞ্জী ট্ৰফী খেলিবলৈ যোৱা ৪৮ বছৰ হ'লহি; কিন্তু আজিলৈকে উল্লেখনীয় সাফল্য একো নাই । একে অৱস্থা কোচ বিহাৰ ট্ৰফিতো । দুটা বছৰৰ আগত বিজয় মাচেন্ট ট্ৰফীত অসমৰ চেমনীয়া দলটোৱে ফাইনেলত প্ৰৱেশ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল যদিও চিনিয়ৰ পৰ্যায়ত আজিলৈকে কোনো এজন খেলুৱৈয়ে বিচাৰকৰ দৃষ্টি আকৰ্ষণ কৰিবপৰা নাই । যি সময়ত দিল্লী, মহাৰাষ্ট্ৰ, কৰ্ণাটক, তামিলনাডু, বংগ, পঞ্জাব আদি ৰাজ্যৰ খেলুৱৈয়ে দপ্‌দপাই ফুৰিছে, সেই সময়ত অসমৰ ক্ৰিকেটে বিহাৰ বা উৰিষ্যাৰ হাততে শোচনীয়ভাৱে পৰাস্ত হৈছে । অসমৰ ক্ৰিকেটৰ এই ধাৰাৱাহিক ব্যৰ্থতাৰ কাৰণ বিশ্লেষণ কৰি চালে ক'ব পাৰি, ভৌগলিক কাৰণতে অসমত ক্ৰিকেট খেলাৰ সময় নিচেই কম । অত্যধিক বৰষুণৰ বাবেই অসমত ক্ৰিকেটে খুউব কম সময়হে পায় । উন্নত প্ৰশিক্ষণ আৰু আৰ্থিক নিৰাপত্তা অহিবনে এজন খেলুৱৈৰপৰা বিশেষ কিবা আশা কৰাটো ভুল । ডাঙৰ কথা অসমত ক্ৰীড়াক জীৱিকাৰ উপায় হিচাপে ল'বপৰা পৰিৱেশ এতিয়াও গঢ় লৈ উঠা নাই । ৰিভিন্ন সময়ত বাহিৰলৈ খেলিবলৈ যাওঁতে আৰ্থিক



দিশত কেনে তিক্ত অৱস্থাৰ সন্মুখীন হ'বলগা হয় সেয়া গৌতম, ৰাজেশ, নিশান্ত, অংশুমানহঁতেই বুজে । মাদ্ৰাজত এম আৰ এফ ফাউণ্ডেচনে ডেনিচ লিলিৰ তত্বাৱধানত যি দৰে শ্ৰীনাথ, আগৰকাৰৰ দৰে খেলুৱৈৰ সৃষ্টি কৰিছে, ৰমাকান্ত আচ্ৰেকাৰৰ প্ৰশিক্ষণত যি দৰে শচীন টেণ্ডুলকাৰৰ, বিনোদ কাম্বলিৰ দৰে খেলুৱৈ সৃষ্টি হৈছে । সেই সময়ত অসমৰ খেলুৱৈয়ে চৰকাৰী সুবিধা কিমানখিনি পাইছে সেয়াও বিচাৰ কৰি চোৱা প্ৰয়োজন। ইয়াৰ বিপৰীতে দেখা গৈছে অসমত আজি টেনিছ বল ক্ৰিকেটহে অধিক জনপ্ৰিয় । নিৰ্দিষ্ট ৫.৫ পাউণ্ড ওজনৰ কাঠৰ ৰলটোৰ সলনি টেনিছ বলেৰে খেলি ক্ৰিকেটৰ ব্যাকৰণ কিমান শিকিব, সেয়াও চিন্তনীয় বিষয় ।

একে অৱস্থা ৰাজ্যৰ ফুটবল জগতখনৰো । চাব্ জুনিয়ৰ পৰ্যায়ত ১৯৭৯-৮০ আৰু ৮৩ ত একেৰাহে তিনিবাৰ ৰাষ্ট্ৰীয় চেম্পিয়ন হোৱা (শেষৰবাৰ কেৰালাৰ সৈতে যুগ্ম বিজয়ী) অসমৰ ফুটবল আজি ক'বলৈ গ'লে জীৰ্ণ-শীৰ্ণ ৰূপেৰে মৃতপ্ৰায় অৱস্থাত । অথচ ৬০-৭০ ৰ দশকততে ৰাষ্ট্ৰীয় পৰ্যায়তে নহয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো খলকনি তুলিছিল টালিমেৰণ আও, চন্দ্ৰমোহন গঞ্জু, কমলা নাথ, পুণ্যেশ্বৰ কছাৰী, গিলবাৰ্টচন চাংমা, অৰুণ বৰঠাকুৰ, স্বাধীন ডেকাৰজা ইত্যাদিসকলে; কিন্তু কালৰ গতিত আজি সকলো হেৰাই গ'ল। একালত অসম পুলিচ, অইল ইণ্ডিয়াৰ খেল বুলিলে দৰ্শকৰ লানি নিছিগা সোঁত বৈছিল । পুলিচ দলৰ লগত খেলিবলৈ ভঁয় কৰিছিল দেশৰ আগশাৰীৰ দলসমূহেও । মহমেদান স্পটিং, ডেম্প স্পটচ্, ইষ্ট বেংগল আদিৰ দৰে দলক বৰদলৈ ট্ৰফীত স্তব্ধ কৰি দিয়া অসম পুলিচৰ খেলত আজি সেই গৌৰৱময় অতীতৰ ছাঁটোও নাই । অথচ এই দলতে ভিৰ কৰিছিল চন্দ্ৰমোহন, কমলা নাথ, গিলবাৰ্ট, মমিন কালিমুদ্দিন আদিৰ দৰে খেলুৱৈয়ে । একে অৱস্থা অইল ইণ্ডিয়া দলটোৰো । অৰুণ বৰঠাকুৰ, ৰেবতি ফুকন, জেফৰিণ পিনাৰু, ডম্বৰু খনিকৰ, সুবোধ চৌধুৰী, গল ৰক্ষক মুকুল শ্বৰ্মাৰ্চ ইত্যাদিৰে পুষ্ট এই দলটোৱে খলকনি লগাইছিল ফুটবলৰ পথাৰত । আজি সেই সকলোবোৰেই অতীত হৈ গ'ল । আনহাতে যোৰহাটৰ দ্বিতীয় অসম সংৰক্ষিত বাহিনী, মোনাবাৰীৰ উইলিয়ামচন মেগৰ, গুৱাহাটীৰ মহাৰাণা, ডায়নামো আদি কেইটামান দলে ৰাজ্যিক ফুটবলৰ মানদণ্ড কোনোমতে বজায় ৰাখিছে যদিও ৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা পাবলৈ এতিয়াও বহু বাকী । অৱশ্যে সৰ্বভাৰতীয় পৰ্যায়ত অসমৰ ফুটবলাৰক বঞ্চিত কৰাৰ অভিযোগো একেবাৰে মিছা বুলি ক'ব নোৱাৰি । আনহাতে কেৰালাৰ এফ, চি, কোচি, গোৱাৰ চাৰ্চিল ব্ৰাডাৰ্চ্ ইত্যাদি ৰাজ্যত এজন বা একাধিক ব্যক্তিয়ে যিদৰে ফুটবল উন্নতিৰ কাৰণে আগভাগ লৈছে, জগতজিৎ কটন টেক্সটাইল মিলে যি দৰে পঞ্জাবৰ ফুটবলৰ কাৰণে চেষ্টা কৰিছে, পশ্চিম বংগত ৰাজ্যিক চৰকাৰৰ ক্ৰীড়া বিভাগে যি দৰে আগভাগ লৈছে তাৰ তুলনাত অসমত ব্যক্তি বিশেষ বা সংগঠনৰ আগ্ৰহৰ পৰিলক্ষিত হোৱা নাই । আনহাতে পুণ্যেশ্বৰ কছাৰী, কমলা নাথ আদিৰ দৰে খেলুৱৈৰ চিকিৎসাৰ অভাৱত মৃত্যু, সুধীৰ চৌধুৰীৰ দৰে খেলুৱৈয়ে মানসিক ভাৰসাম্য হেৰুৱাবলগা হোৱা অৱস্থা, জুৱেল বে'ৰ দৰে খেলুৱৈয়ে সুদীৰ্ঘ বছৰ ধৰি দেশৰ হৈ প্ৰি অলিম্পিক, প্ৰি ৱৰ্ল্ডকাপ, ছাফ গেমচ এচিয়ান গেমচ সকলোতে ভাগ লোৱাৰ পিছতো সামান্য এটা চৰকাৰী চাকৰিৰপৰা বঞ্চিত হৈ থাকিব লগা হোৱা অৱস্থাই ৰাজ্যখনৰ ফুটবলৰ এক অন্ধকাৰ ছবিহে দাঙি ধৰিছে ।

বেডমিণ্টন, সাতোঁৰ, টেনিছ ইত্যাদিতো একেই অৱস্থা। বহ্নিমান বৰাৰ দৰে খেলুৱৈয়ে বেডমিণ্টনত, এলভিছৰ দৰে সাতোঁৰবিদে সামান্য নাম কৰিছে যদিও সেয়া যথেষ্ট বুলি ক'ব নোৱাৰি । মনালিছা, মদানসাৰ লগতে অসমৰ টেবুল টেনিছো যেন শেষ হৈ গ'ল । যি সময়ত চীন, ইন্দোনেচীয়া কোৰিয়া আদি দেশত খেলুৱৈক কণমান বয়সৰপৰাই আন্তঃৰাষ্ট্ৰীয় প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণকে ধৰি আৰ্থিক নিৰাপত্তা প্ৰদান কৰিছে, সেই পৰ্যায় অন্ততঃ অসমৰ খেলুৱৈৰ কাৰণে এতিয়াও আকাশৰ তৰা হৈয়েই আছে ।

সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ, দেশৰ সম্পদ । জাতীয় ক্ৰীড়াৰ উন্নতিৰ ক্ষেত্ৰত অসমৰ যুৱ সমাজেৰে পুষ্ট অসমৰ মহাবিদ্যালয়ৰসমূহেও বিশেষ অৰিহণা যোগাবপৰা নাই । নিয়ম তান্ত্ৰিকভাৱে পাতি অহা মহাবিদ্যালয় সপ্তাহৰ নামত হাজাৰ হাজাৰ টকা খৰচৰ বাহিৰে বাস্তৱিক দিশত লাভৰ ঘৰত শূন্য। আনহাতে একোজন সফল খেলুৱৈ সৃষ্টিৰ আঁৰত থাকে একোজন সংগঠকৰ নীৰৱ প্ৰচেষ্টা । এইসকল নীৰৱ সংগঠকক পোহৰলৈ উলিয়াই অনাটো জাতীয় ক্ৰীড়াৰ স্বাৰ্থতে অতি প্ৰয়োজন । পৃষ্টপোষকৰ অভাৱকো এই ক্ষেত্ৰত আঙুলিয়াব পাৰি । উন্নত প্ৰশিক্ষণ, সংগঠক আৰু উদ্যোক্তাক বাহিৰলৈ উলিয়াই আনিবলৈ প্ৰচাৰ মাধ্যমসমূহে ল'ব লগা দায়িত্ব, চৰকাৰী সাহায্য আৰু সৰ্বোপৰি জনসাধাৰণৰ সচেতনতা, এই সকলোবোৰৰ সমাহাৰ ঘটিলেহে আগন্তুক শতিকাটোত ক্ৰীড়াৰ ক্ষেত্ৰত অসমে মূৰ দাঙি থিয় হ'ব পাৰিব । ইয়াৰ উত্তৰ নিশ্চয়কৈ সময়ৰ হাতত । ❑

# অৱৰোহণৰ পথত অসমীয়া সংস্কৃতি

❑ নিৰঞ্জন দুৱৰা
উঃ মাঃ প্ৰথম বৰ্ষ

ভাৰতৰ উত্তৰ-পূব দিশৰ সীমান্ত ৰাজ্য অসম । মহাবাহু ব্ৰহ্মপুত্ৰৰ জলৰাশিৰে বিধৌত পাহাৰ-পৰ্বতেৰে পৰিপূৰ্ণ অতুলনীয় সৌন্দৰ্যৰ ৰাজ্যখন অতীজৰেপৰা প্ৰাকৃতিক সম্পদত চহকী । প্ৰধানকৈ ভৌগলিক পৰিৱেশৰ বাবেই অঞ্চলটোত ধাৰষাৰ বৰষুণ হয় আৰু কৃষিকাৰ্যৰ বাবে সমগ্ৰ উত্তৰ-পূব অঞ্চলটোৱেই বিখ্যাত । প্ৰকৃতিয়ে অকৃপণভাৱে দান কৰা হাবি-জংঘলসমূহ, যিবিলাকৰ বহু অংশ আজি সংৰক্ষিত বনাঞ্চল ৰূপে ঘোষণা কৰা হৈছে সেইবোৰ দেশ-বিদেশৰ পৰ্যটকৰ বাবে অতিকে আকৰ্ষণীয় । লুইতৰ লগত অসমীয়া জাতিৰ সম্পৰ্ক অতি নিবিড় । অসমীয়া জাতীয় জীৱনৰ লগত জড়িত হৈ আছে ইয়াৰ সেউজ উপত্যকা ।

ভিন ভিন সময়ত অসমলৈ আহি বাস কৰিবলৈ লোৱা বিভিন্ন জাতি-উপজাতিসমূহৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে মহান অসমীয়া সংস্কৃতি । ত্ৰয়োদশ শতিকাৰ আগভাগত চুকাফাৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজত্ব কৰিবলৈ লোৱা আহোমসকলৰ সময়ৰপৰাই অসমীয়া ভাষা আৰু সংস্কৃতিয়ে এক স্বকীয় ৰূপ লয় । অতীতৰেপৰা ভিন ভিন জনগোষ্ঠীসমূহৰ আচাৰ নীতি-নিয়মক আঁকোৱালি লৈ সমন্বয়ৰ প্ৰতীক হিচাপে বিৱৰ্তনৰ মাজেৰে গতি কৰা অসমীয়া সংস্কৃতি আজি কুৰি শতিকাৰ সন্ধিয়াত কিন্তু বিপন্ন । শত বছৰৰ ঐতিহ্যক আজি ভৰিৰে মোহাৰি পেলোৱা হৈছে । যুগ যুগ ধৰি একতাৰ ডোলেৰে বান্ধ খাই থকা বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত আজি দেখা গৈছে সন্দেহৰ বীজ । নিজ অস্তিত্ব বিপন্ন হোৱাৰ আশংকাত সকলো গাইগুটীয়াভাৱেই যোদ্ধাৰ হৈ উঠিছে। শতিকাৰ সন্ধিক্ষণত নিজ অস্তিত্ব ৰক্ষাৰ বাবে ব্যস্ত হ'ব লগা হোৱাটো জাতিটোৰ বাবেই অশুভ লক্ষণ ।

অসমীয়া সংস্কৃতিৰ ওপৰত আজি আক্ৰমণ চলিছে অপসংস্কৃতিৰ । অন্ধভাৱে আনক অনুকৰণ কৰাৰ মানসিকতাৰ ফলত অসমীয়া কৃষ্টিয়ে আজি নিজ পথৰপৰা আতৰি আহিছে বহুদূৰ । অৱস্থা এনেকুৱা পাইছেগৈ যে, অসমীয়াৰ বাপতি সাহোন বিহুৱে ইয়াৰ স্বকীয়তা বহু পৰিমাণে হেৰুৱাইছে । গ্লেমাৰৰ ৰঙীণ আবাহনত গা এৰি দিয়া সকলে কৌটিকলীয়া বিহুগীতক প্ৰকৃত সুৰৰপৰা নি কোনোবাখিনি পোৱালেগৈ । বিহু নৃত্যৰ বিষয়ে আমি আজি নাজানো । বিহুৰ বিষয়ে ক'বলগা হ'লে লিখিব লগা হ'লে আমি কিতাপৰ পাত লুটিয়াব লগা হয় । কোনোবা কালতে অজ্ঞাত লেখকৰ ৰচনাৰে ধন্য হোৱা বিহুগীত -- য'ত অসমীয়া গ্ৰাম্য জীৱনৰ স্থিৰ চিত্ৰ একোখন সুন্দৰকৈ ফুটি উঠিছিল, সেয়া আজি শুনিবলৈ নাই। সময়ৰ পৰিৱৰ্তনৰ লগতে গছৰ তল, গৃহস্থৰ চোতালৰপৰা বিহু আহি মঞ্চ পালেহি । একে অৱস্থা কাতি বিহু আৰু ভোগালী বিহুৰো।

ধৰ্মীয় দিশতো একেই বিবৰ্ণ ছবি । অসমত নৱবৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা মহাপুৰুষজনাৰ ধৰ্মীয় আদৰ্শকো আজি ভাগ ভাগ কৰি পেলোৱা হৈছে । জাতিটোক ধৰ্মীয় একতাৰ ডোলেৰে বান্ধিবৰ চেষ্টা কৰা মহাপুৰুষজনাৰ মৃত্যুৰ পিছতে চাৰিটা ভাগত বৈষ্ণৱ ধৰ্ম বিভক্ত হৈ পৰে । সিমানতো অন্ত পৰা নাই । নিতে নতুন পন্থাৰ আবিৰ্ভাৱ হ'বই লাগিছে । মতাদৰ্শৰ মিল নোহোৱাৰ বাবেই ধৰ্মৰ নামত সমাজত আজি ভাগ-বটোৱা চলিছে । জাতীয় ঐক্য ৰক্ষাৰ ক্ষেত্ৰত এই লক্ষণ নিশ্চয় শুভ নহয় । মহাপুৰুষজনাৰ পৰম দান সত্ৰীয়া সংস্কৃতিক আমি বাহিৰলৈ উলিয়াই আনিবৰ বাবে যি উমৈহতীয়া প্ৰচেষ্টাৰ প্ৰয়োজন আছিল সেয়াও পৰিলক্ষিত হোৱা নাই ।

জাতীয় পোছাক, লোকাচাৰসমূহৰ ক্ষেত্ৰতো একেই অৱস্থা । অসমীয়াৰ জাতীয় পোছাক কি বুলি ক'লে প্ৰকৃতাৰ্থত ক'বলৈ একো নাই । অসমীয়া শিপিনীৰ তাঁত শিল্প দেখি মহাত্মা গান্ধীয়ে কৈছিল --' অসমীয়া শিপিনীয়ে তাঁতৰ পাটত সপোনৰ ফুল ৰচিব পাৰে ।' সেই সপোনৰ ফুল ৰচা অসমীয়া শিপিনীয়ে আজি তাঁতৰ পাটত বহিবলৈ এৰিলে । বাপতি সাহোন বিহুৱানখন আজি অসমে কিনিব লগা হয় তামিলনাডুৰপৰা । সময়ৰ সোঁতত‌েই যেন সকলো হেৰাই গ'ল । বিবাহ অনুষ্ঠানকে ধৰি বিভিন্ন দিশত সংস্কৃতিৰ বৰঘৰলৈ অৰিহণা যোগোৱা লোকাচাৰৰ বিভিন্ন অংগসমূহ যেনে -- বিয়ানাম, বৰগীত, বনগীত, ওজাপালি, ঢোল, খোল, মৃদং ইত্যাদিৰ ওপৰত দখল থকা লোকৰ সংখ্যা আজি আঙুলিৰ মূৰত লিখিবপৰা । ভাষাৰ ক্ষেত্ৰতো একেই অৱস্থা । বানানা বিভ্ৰাটৰ ফলত অসমীয়া ভাষাৰ ব্যাকৰণে এনে ৰূপ লৈছেগৈ যে, সেয়া হয়তো ভাষা-সংস্কৃতিৰ কাণ্ডাৰীসকলে কেতিয়াও আশা কৰা নাছিল । অসমীয়া ভাষা শুদ্ধকৈ কোৱা আৰু লিখিবপৰা লোকৰ সংখ্যা শিক্ষিতসকলৰ মাজতেই যথেষ্ট কম । ইংৰাজী শব্দৰ অবাধ প্ৰচলনে বহুবিলাক অসমীয়া ঘৰুৱা শব্দক অকালতে কবৰ দিছে । মুঠতে ভাষা, কৃষ্টি আচাৰ সকলোতে আমাক অন্ধকাৰে অনুকৰণে কৰাৰ ফলতেই ঐতিহ্যমণ্ডিত অসমীয়া সংস্কৃতি বিপদাপন্ন । এই অৱস্থা বিচাৰ কৰি থাকিলে আগন্তুক দিনবিলাকত জাতীয় সংস্কৃতিয়ে কেনে ৰূপ ল'বগৈ সেয়া এতিয়াই কোৱা টান । ❑



# শিক্ষা ব্যৱস্থা আৰু আজিৰ সামাজিক পৰিৱেশ

দীপক দত্ত
স্নাতক তৃতীয় বৰ্ষ

এটা জাতিৰ বৌদ্ধিক বিকাশৰ অবিহনে জাতিটোৰ সৰ্বাংগীণ উন্নতি আশা কৰিব নোৱাৰি । সুপৰিকল্পিত শিক্ষা ব্যৱস্থাই জাতিৰ বৌদ্ধিক উন্নয়নৰ লগতে সুস্থ হ'বলৈও শিকায় । আনহাতে যুগৰ লগত খাপ খাব পৰাকৈ শিক্ষা ব্যৱস্থাও পৰিবৰ্তনশীল হোৱা প্ৰয়োজন। বৈদিক যুগৰ পৰাই ভাৰতীয় শিক্ষা ব্যৱস্থাই এক বিবৰ্তনৰ মাজেৰে গতি কৰি আহিছে । প্ৰাচীন যুগ, মধ্য যুগ আৰু আধুনিক যুগ এই তিনিটা ভাগত যদি ভাৰতীয় শিক্ষা ব্যৱস্থাটোক ভাগ কৰি চোৱা হয় তেনেহ'লে দেখিম প্ৰাচীন বা বৈদিক যুগৰ শিক্ষাৰ তুলনাত মধ্য যুগ বা বৰ্তমানৰ বিজ্ঞানৰ যুগৰ শিক্ষা ব্যৱস্থাইও প্ৰকৃত অৰ্থত মানৱসম্পদ গঢ়ি তোলাত ব্যৰ্থ হৈছে ।

আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পিছত শিক্ষা ব্যৱস্থাটোক যুগৰ লগত খাপ খাব পৰাকৈ অনেকবোৰ সু-চিন্তিত আঁচনি গ্ৰহণ কৰা হ'ল, বিধি কাৰ্য্যকৰী হ'ল, কাৰিকৰী অনুষ্ঠান, বিশ্ববিদ্যালয়কে ধৰি উচ্চ শিক্ষাৰ অনেকবোৰ অনুষ্ঠান গঢ় লৈ উঠিল । তথাপি কিন্তু এই ক্ষেত্ৰত আমূল পৰিবৰ্তন আমাৰ বাবে এতিয়াও সুদূৰ পৰাহতে পচি ৰ'ল । স্বাধীনতাৰ ৫৩ টা বছৰৰ পিছটো মাত্ৰ ৫৩% লোক স্বাক্ষৰ হোৱা, বছৰি হাজাৰ হাজাৰ নিবনুৱাৰ সৃষ্টি, অৰ্থ ব্যৱস্থাৰ ভেটি নিৰ্মাণত গৰিষ্ঠসংখ্যক শিক্ষিত লোকৰ ব্যৰ্থতা ইত্যাদিবোৰে দেশৰ শিক্ষা ব্যৱস্থাৰ বিফলতাৰ ছবিখনহে দাঙি ধৰে ।

শিক্ষাৰ উদ্দেশ্য যদি 'মানুহ' সৃষ্টি হয় তেনেহ'লে ক'ব লাগিব আমাৰ শিক্ষা ব্যৱস্থা ব্যৰ্থ হৈছে গুৰিতেই । বৰ্তমানৰ শিক্ষা ব্যৱস্থাই যিমান সংখ্যক দুৰ্নীতি পৰায়ণ বিষয়া, লাভখোৰ ব্যৱসায়ী, বিবেকহীন চিকিৎসক, অৰ্থ আৰু ক্ষমতালোভী ৰাজনীতিবিদ, নীতিজ্ঞান হীন শিক্ষকৰ সৃষ্টি কৰিছে সিমানখিনি মানুহ সৃষ্টি কৰিব পৰা নাই । অৱশ্যে এই ক্ষেত্ৰত আহি পৰা আন কেতবোৰ বিষয়ো বিবেচনা কৰি চাবলগীয়া আছে । অৰ্থ-সৰ্ব্বস্ব সমাজ ব্যৱস্থা, পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণ, গ্লেমাৰৰ ৰঙীণ আৱাহন, বিলাসৰ প্ৰতি অত্যধিক আগ্ৰহ , কলুষিত সামাজিক পৰিৱেশ ইত্যাদিবিলাকৰ মাজত শিক্ষা ব্যৱস্থাটোৱে ততাতৈয়াকৈ এক আমূল পৰিবৰ্তন আনিব বুলি ভবাটোও ভুল ।

শিক্ষাৰ মূল চালিকা শক্তি হৈছে ছাত্ৰ আৰু শিক্ষকৰ মাজৰ সম্পৰ্ক । বৈদিক যুগৰ গুৰুকুল পদ্ধতিৰ ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক আজি আশা কৰা নাযায় যদিও ন্যূনতম আন্তৰিক সম্পৰ্কৰো আজি অভাৱ । ছাত্ৰ-শিক্ষকৰ সম্পৰ্কৰ কথা আলোচনা কৰিলেই এখন হতাশাৰ ছবিহে ভাঁহি উঠে । অমনোযোগী ছাত্ৰক অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলা, নতুন নতুন বিষয়ৰ প্ৰতি কৌতুহলী কৰি তোলা, শিক্ষাৰ উপযোগিতা আৰু সময়ৰ লগত খাপ খাব পৰাকৈ নিজকে গঢ় দিয়া ইত্যাদি বিষয়ত শিক্ষকেই ছাত্ৰক পথ দেখুৱাব লাগিব । কিন্তু আজিৰ ব্যৱস্থাটোক পাঠদানত নিয়োজিত শিক্ষকৰ যোগ্যতাক লৈয়ো সৃষ্টি হৈছে সন্দেহৰ । আনহাতে কলুষিত ৰাজনীতিয়ে ছাত্ৰ সমাজকো আগুৰি ধৰাত শিক্ষাগ্ৰহণৰ প্ৰকৃত উদ্দেশ্য কলিতেই মষিমূৰ হৈছে ।

ঔপনিৱেশিক শাসন কালত দেশ শাসনৰ উপযোগীকৈ বৃটিছে স্থাপন কৰি যোৱা শিক্ষা ব্যৱস্থাটোৰ পৰা আমাৰ শিক্ষা ব্যৱস্থা প্ৰকৃতাৰ্থত আজিও মুক্ত হ'ব পৰা নাই । অনেকবোৰ সংস্কাৰৰ কাৰ্য্যসূচী লোৱা হৈছে যদিও কাৰ্য্যতঃ ফলৱতী হোৱা নাই । নিৰক্ষৰজনক শিক্ষিত কৰিবৰ কাৰণে গ্ৰহণ কৰা প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি নামতহে পৰ্য্যবসিত হৈছে । বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰ দেশখনত আশানুৰূপ ভাৱে এতিয়াও হৈ উঠা নাই । ফলত লাখ লাখ নিবনুৱাৰ সৈতে এক অন্ধকাৰ ছবি লৈহে নতুন শতিকালৈ আমাৰ শিক্ষা জগতখন আগবাঢ়িছে ।

যুগৰ লগত খাপ খোৱাকৈ শিক্ষা-ব্যৱস্থাটোৰ এক আমূল পৰিবৰ্তন অতি প্ৰয়োজনীয় আছিল । কিন্তু এই ক্ষেত্ৰত চৰকাৰী ব্যৰ্থতাই সৃষ্টি কৰিছে নতুন নতুন সমস্যাৰ । বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰচলিত শিক্ষাৰে শিক্ষিত ছাত্ৰই বাস্তৱিক জীৱনত তাল মিলাব পৰা নাই । সৃষ্টি হৈছে বছৰি হাজাৰজন নিবনুৱাৰ । এই অসাৰতা লক্ষ্য কৰিয়েই ছাত্ৰ সমাজ হৈ উঠিছে অমনোযোগী । দ্বিতীয়তে বিভিন্ন সময়ত প্ৰয়োজনৰ তাগিদাতে ৰাজনীতিত অংশ ল'ব লগা হোৱাটোও উল্লেখনীয় । প্ৰকৃততে বৰ্তমান দেশত ন্যস্ত স্বাৰ্থ জড়িত ৰাজনীতিৰ প্ৰভাৱে ছাত্ৰসমাজক চুই গৈছে বাৰুকৈয়ে । একেদৰে হত্যা, লুণ্ঠনেৰে পৰিপূৰ্ণ কলুষিত সামাজিক পৰিৱেশ, কম আয়াসতে টকা ঘটাৰ সংস্কৃতি ইত্যাদিকো আঙুলিয়াব পাৰি । কাম কৰাৰ ক্ষেত্ৰত অসমীয়া মানুহৰ অনীহা জাতিটোৰে এক চাৰিত্ৰিক বৈশিষ্ট্য । কাৰিকৰী শিক্ষাৰে শিক্ষিত লোকেও আজি চৰকাৰী সাহায্যৰে নিজাকৈ সৃষ্টিমূলক কৰ্মত নিয়োজিত হোৱাতকৈ চৰকাৰী চাকৰিৰ প্ৰতিহে অধিক আগ্ৰহান্বিত । আনহাতে অত্যধিক আৰামপ্ৰিয় হোৱাৰ বাবেই অসম

আজি পৰিণত হৈছে বিদেশীৰ চৰণীয়া পথাৰত । ভাষা-সংস্কৃতিৰ ক্ষেত্ৰতো একে অৱস্থা। অসমীয়া ভাষাটো শুদ্ধকৈ কোৱা বা লিখাৰ ক্ষেত্ৰত আমাৰ এলাহ। কথাই প্ৰতি ইংৰাজী শব্দৰ ব্যৱহাৰ কৰাৰ ফলত শুদ্ধ অসমীয়া ভাষা আমি লিখিবলৈকে পাহৰিছোঁ ।

জাতীয় পোছাক, জাতীয় কৃষ্টিৰ ক্ষেত্ৰতো একেই কথা । অসমীয়া জাতিৰ মানুহে কি পিন্ধে বুলি সুধিলে আমাৰ ক'বলৈ অসুবিধা । কৃষ্টি ৰক্ষাৰ নামত লোকক দেখুৱাই হ'লেও তিনিটাকৈ বিহু পতা হয় যদিও বছৰত অৰ্থনীতিৰ মূল উৎস কৃষি কাৰ্য কিন্তু এৰাৰহে কৰা হয় । অসমীয়া সংস্কৃতিৰ কাণ্ডাৰী শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱকে ধৰি জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা ইত্যাদি বৰেণ্য পুৰুষসকলক স্মৰণ কৰা হয় যদিও সেয়াও প্ৰকৃততে আন্তৰিকতা শূন্য। মহাপুৰুষ দুজনাৰ আদৰ্শক আমি কেতিয়াবাই ভৰিৰে মোহাৰি পেলাইছোঁ, বিষ্ণুৰাভা, জ্যোতি প্ৰসাদৰ আদৰ্শৰ আমি ওচৰেই চাপিব পৰা নাই। যদি কিবা পাৰিছোঁ -সেয়া হৈছে পশ্চিমীয়া সংস্কৃতিক অন্ধভাৱে অনুকৰণ কৰিবলৈ লৈছোঁ । যাৰ ফলত জাতীয় অস্তিত্বৰ প্ৰতি এক সংকটে দেখা দিছেহি। এই মূহুৰ্তত যি ৰাজ্যখনৰ জনসাধাৰণক পথ দেখুৱাব লাগিছিল, সেই বৌদ্ধিক সমাজ, চৰকাৰ সমূলি ব্যৰ্থ হৈছে। এই অৱস্থা চলি থাকিলে খুউব কম সময়ৰ ভিতৰতে অসমীয়া জাতিটো এদিন নিঃশ্চিহ্ন হৈ যাব- সেয়া ধূৰুপ ।

গতিকেই অৱস্থাটোৰ এক পৰিবৰ্তন অনাটো জাতীয় অস্তিত্বৰ স্বাৰ্থতে অতি প্ৰয়োজনীয় হৈ পৰিছে । অসমীয়া সংস্কৃতিক বিশ্ব-সংস্কৃতিৰ চৰণীয়া পথাৰখনত পুনৰায় প্ৰতিষ্ঠা কৰিব লাগিব, ভাষা-সাহিত্যত জাতিটোক চহকী কৰি তুলিব লাগিব, অৰ্থনৈতিক দিশত মানুহখিনিক পুনৰ কৰ্মমুখী কৰি তুলিব লাগিব । সৰ্বোপৰি আগন্তুক শতিকাটোত এক সুস্থ-সবল জাতিৰূপে জীয়াই থাকিবলৈ টঙালি বান্ধিব লাগিব । এই ক্ষেত্ৰত পথ দেখুৱাব লাগিব অসমৰ বৌদ্ধিক সমাজখনেই । ছাত্ৰ সমাজক আহিলা ৰূপে লৈ নতুন উদ্যমেৰে আগবাঢ়ি গ'লে অন্ততঃ অনাগত দিনবোৰত স্বকীয় বৈশিষ্ট্যৰে সৈতে জীয়াই থাকিব পাৰিব । তাৰবাবে অসমৰ ছাত্ৰ আৰু বৌদ্ধিক সমাজ শতিকাৰ সন্ধিয়াতে সাজু হ'বৰ হ'ল । ❑❑

## জানিবলগীয়া

- *প্ৰথম অসমীয়া ৰাজ্যপাল কোন আছিল ?*
- *বিষ্ণুৰাম মেধি ।*
- *ভাৰতৰ প্ৰথম মহিলা পাইলট কোন আছিল ?*
- *দুৰ্বা বেনাৰ্জী ।*
- *কোন দেশত মাদাৰ টেৰেছাৰ জন্ম হৈছিল ?*
- *এলবেনিয়াত ।*
- *'মাদাৰ' কিতাপখন কোনে লিখিছিল ?*
- *মেক্সিম গৰ্কীয়ে ।*
- *সাহিত্য একাডেমীৰ দ্বাৰা পুৰস্কৃত গ্ৰন্থ 'মামৰে ধৰা তৰোৱাল'ৰ লেখিকা কোন ?*
- *ড° মামনি ৰয়চম গোস্বামী (১৯৮২ চনত)*
- *চলচ্চিত্ৰৰ ৰূপ লোৱা প্ৰথম অসমীয়া উপন্যাসখন কি ?*
- *ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' ।*
- *পুথি আকাৰত ছপা হৈ ওলোৱা প্ৰথম অসমীয়া উপন্যাসখন কি ?*
- *পদ্মনাথ গোহাঞি বৰুৱাৰ 'লাহৰী' ।*

*সংগ্ৰাহক ঃ একলব্য বৰগোহাঁই*



# অসমৰ লোক-সংস্কৃতি

❑ সুৰভী দাস
স্নাতক ২য় বৰ্ষ

'লোক-সংস্কৃতি ' অসমৰ ভৌগলিক পৰিসীমাৰ ভিতৰত নানা জাতি-উপজাতিৰ উপাদানৰ সমন্বয়ত গঢ় লৈ উঠিছে । 'লোক সংস্কৃতিক' এখন বোৱতী নদীৰ লগত তুলনা কৰিব পাৰি । নৈ এখনৰ মূল প্ৰৱাহক বিভিন্ন সময়ত আৰু বিভিন্ন স্থানত সংযোগ ঘটা উপনৈ আৰু জান-জুৰিবিলাকে যিদৰে প্ৰৱল আৰু শক্তিশালী কৰি তোলে, ঠিক সেইদৰে এটা জাতিয়ে সামগ্ৰীকভাৱে সৃষ্টি কৰা শিল্পবস্তু সমষ্টিয়ে জাতিটোৰ ' লোক-সংস্কৃতি' ক প্ৰৱল আৰু শক্তিশালী কৰি তোলে ।

'বিৰিঞ্চিকুমাৰ বৰুৱা'ৰ মতে জাতিৰ লোক সংস্কৃতিৰ স্বৰূপ লোক-সাহিত্য আৰু লোক-বিশ্বাস সমূহত প্ৰকাশ পায় । অসমীয়া লোক-সংস্কৃতিৰ বিষয়ে চৰ্চা কৰিবলৈ সেই কাৰণে প্ৰথমে অসমৰ এই অলিখিত অমূল্য সাহিত্যৰাজিৰ সংগ্ৰহ আৰু বিশ্লেষণ প্ৰয়োজন । জাতিৰ আদিম অৱস্থাৰপৰা সভ্যন্তৰলৈকে আঁত মিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই হ'ল লোক-সাহিত্য । ই গদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্টি আৰু সংৰক্ষিত । ধৰ্ম -অনুষ্ঠান সৃষ্টি, পূজা-পাতল, লোক-বিশ্বাস, নিয়ম-কানুন, সাধু-উপাখ্যান, পুৰাণ -কাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্য-নাট্য, অভিনয়, ক্ৰিয়া-কৌতুক এই সকলোৰে সমাহাৰত লোক-সংস্কৃতি গঢ় লৈ উঠিছে ।

**লোক-সাহিত্য ঃ-**

ড° লীলা গগৈৰ মতে লোক-সাহিত্য লোক মনোধৰ্মী । লোক মানসত প্ৰতিফলিত হয় লোক-জীৱনৰ আৱেগ, অনুভূতি, অভিজ্ঞতা । মানুহৰ সামূহিক আবেগে সাহিত্যিক ৰূপ পৰিগ্ৰহণ কৰে স্বভাৱ কবিৰ কবিতাত, বুঢ়ী আইৰ সাধুত, বিহুৱাৰ বিহুনামত, আয়তীৰ বিয়া নামত ! লোক-সাহিত্যত সময়ৰ সীমা নাই, ৰক্ষণশীলতাৰ চাপ নাই, গতিহীনতাৰ ধৰ্ম নাই । লোক-সাহিত্যৰ অন্যতম বাহন মুখ । যুগৰ সীমা চেৰাই, লোক-সাহিত্য মানুহৰ মুখে মুখে চলি আহিছে । এইদৰে আঁহোতে সময়ৰ আঁচোৰ লাগিছে । শব্দৰ পলস পৰিছে, কল্পনাৰ ৰহণ লাগিছে । বোৱতী নৈৰ গতি, লোক-সাহিত্যৰ ধৰ্ম, কিন্তু অতীতৰ আদিম সত্য জঁকাটো চিৰস্থায়ী ।

লোক-সাহিত্য সামাজিক জীৱনৰ বুৰঞ্জী । লোক- সাহিত্যৰ ৰচনাকাল সময়ৰ সীমা বান্ধি নিৰ্ণয় কৰা টান । লোক-সাহিত্যৰ এটা প্ৰধান লক্ষণ হৈছে নৈৰ্ব্যক্তিকতা । লোক-সাহিত্যৰ আন এটা প্ৰধান লক্ষণ হৈছে সৰলতা । ভাৱৰ স্বচ্ছতা, ভাষাৰ সৰলতা আৰু শব্দৰ কোমলতা গীতি-সাহিত্যৰ মূলবস্তু । লোক-সাহিত্য জনসাধাৰণৰ সম্পদ । লোক-সাহিত্যৰ মূলবস্তু । লোক-সাহিত্য জনসাধাৰণৰ সম্পদ । লোক-সাহিত্যৰ আন এটা লক্ষণ হৈছে বিশ্বজনীনতা । সকলো গীততে বা সাহিত্যৰ অন্যান্য অংশত এই লক্ষণটো আৰোপ কৰিব নোৱাৰিলেও বহুতো প্ৰৱচন, সাধু-কথা আৰু লোক-বিশ্বাসত আন্তৰ্জাতিক ঐক্য সুৰ শুনিবলৈ পোৱা যায় ।

অসমীয়া লোক-সাহিত্যক প্ৰধানকৈ চাৰিভাগত ভাগ কৰা হৈছে ক্ৰমে (১) লোকগীত (২) সাধুকথা (৩) ফকৰা যোজনা, ডাকৰ বচন বা প্ৰৱচন আৰু (৪) মন্ত্ৰ-সাহিত্য আদি ।

**(১) লোকগীত ঃ-**

জীৱনৰ পথত বুলোতে মানুহে যি অভিজ্ঞতা সঞ্চয় কৰে ; সেই সঞ্চিত অভিজ্ঞতাৰ ভেঁটিত জীৱনৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, প্ৰেম-প্ৰণয় আদি বিভিন্ন অনুভূতি প্ৰকাশ কৰিবলৈ যাওঁতে স্বতঃস্ফূৰ্ত ভাৱে যিবোৰ গীত-মাত ৰচিত হয় সেইবোৰকে লোকগীত আখ্যা দিয়া হয় । লোকগীতসমূহক তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে । ক্ৰমে (ক) আখ্যানমূলক (খ) অনুষ্ঠানমূলক (গ) বিবিধ -বিষয়ক লোকগীত ।

**(ক) আখ্যানমূলক ঃ-**

যিবোৰ কাহিনী ভিত্তিত গীত-মাত জনসাধাৰণৰ মুখে ৰচিত হয় তেনে গীতকে আখ্যানমূলক লোকগীত বুলি আখ্যা দিয়া হয় । যেনে ঃ- ফুলকোঁৱৰৰ গীত, বৰফুকনৰ গীত, মণিকোঁৱৰৰ গীত, মণিৰাম দেৱানৰ গীত, চিকণ সৰিয়হৰ গীত আদিৰ কথা উল্লেখ কৰিব পাৰি । এনে আখ্যানমূলক গীতসমূহক কোনোৱে কাহিনী বা মালিতা বুলিও কয় । এনে শ্ৰেণীৰ গীতক ইংৰাজীত বেলাড বুলি কোৱা হয় । পুৰণি আখ্যানমূলক গীতসমূহৰ উপৰি আধুনিক কামতো এনে শ্ৰেণীৰ গীত ৰচিত হোৱা দেখা যায় । চন্দ্ৰকুমাৰ আগৰৱালাৰ তেজীমলা নামৰ কবিতাটো এটা উৎকৃষ্ট আধুনিক বেলাড । পুৰণি গীতসমূহৰ ৰচকৰ পৰিচয় পোৱা নাযায় ।

**(১) মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীত ঃ-**

অসমীয়া লোকগীতত অতি জনপ্ৰিয়তা অৰ্জন কৰা মণিকোঁৱৰ - ফুলকোঁৱৰৰ কাহিনী ভাগত বুৰঞ্জীৰ সত্যতাৰ আঁত বিচাৰি পোৱা টান । অন্যান্য ভাষা-সাহিত্যৰ দৰেই অসমীয়া সাহিত্যৰো মৌখিক সাহিত্যৰ যুগত বহুতো কল্পিত কাহিনীৰ সৃষ্টি হৈছিল । এই ফালৰপৰা চাবলৈ গ'লে মণিকোঁৱৰ- ফুলকোঁৱৰ গীতৰ মূল জুমুঠিটোৰ জন্ম অসমীয়া মৌখিক সাহিত্যৰ যুগৰ ।

মণিকোঁৱৰৰ গীত এটিৰ চানেকী তলত উল্লেখ কৰা হ'ল-

আউলী কাঁচনে বাউলী ধৰিলে
আজুৰি ছিঙিলে কেশ;
ধূলিতে লেটিয়াই হিয়াতে ভুকুৱাই
ছিন ভিন কৰিলে কেশ ।

মণিকোৱঁৰৰ মৃত্যুত পোৱা যন্ত্ৰণাই কাঁচনমতীৰ যন্ত্ৰণাৰ শেষ

নহয় । এদিন কাঁচনমতীৰ এটি সন্তান জন্ম হ'ল । নাম ফুলকোঁৱৰ । 'ক' বৰ শুনিছো বোপাই মণিকোঁৱৰ চকুৰে নাপালোঁ দেখা ।' পুতেক ফুলকোঁৱৰ পিতৃ সন্ধানৰ এই কথাই কাঁচনমতীৰ হিয়া-মন ডেই-পুৰি মাৰে । ফুলকোঁৱৰ বাপেকৰ সন্ধান বিচৰাত লাগিল -

কাঠৰ পখী ঘোঁৰাত উঠি ফুলকোঁৱৰে
চাবুকৰ কোবটি দিলে
দেৱেও নমনে মণিছে নমনে
বিজুলী সঞ্চাৰে চলে ।

**(২) মণিৰাম দেৱানৰ গীত ঃ-**

মণিৰাম বৰভাণ্ডাৰ বৰুৱাই প্ৰথমতে বৃট্রিছক তোষামোদ কৰিছিল আৰু সেইবাবে স্বদেশপ্ৰেমী; স্বাধীনমনা অসমীয়াই তেওঁক ঘৃণা কৰিছিল । গতিকে স্বভাৱ কবিৰ কণ্ঠত প্ৰকাশ পাইছিল মণিৰামৰ প্ৰতি দুৰ্বাৰ ঘৃণা । অসমীয়া মানুহে দেশদ্ৰোহীক ঘৃণা আৰু স্বদেশ প্ৰেমীক সদায়েই শ্ৰদ্ধা কৰে । সেইবাবে প্ৰথমতে দেশৰ অহিত চিন্তাৰ বাবে মণিৰামৰ মৃত্যুত সন্তুষ্টি আৰু স্বদেশপ্ৰেমী পিয়লীৰ মৃত্যুত দুখ কৰাৰ ইঙ্গিত তলৰ গীতাংশৰ প্ৰকাশ পাইছে ঃ

মণিৰামক মাৰিলি ভালকে কৰিলি
পিয়লিক মাৰিলি কিয় !
সেইনো কথা শুনি ৰংপুৰ আমোলৰ
আকাশে উৰি গ'ল জীৱ ।

**(৩) বদন বৰফুকনৰ গীত ঃ-**

বুৰঞ্জীৰ জনপ্ৰিয় কাহিনীৰ পটভূমিত ৰচনা কৰা কাহিনী গীতবোৰৰ ভিতৰত বৰফুকনৰ গীতেই স্বয়ংসম্পূৰ্ণ আৰু অধিক বুৰঞ্জীসন্মত । বৰফুকনৰ গীতত অসম বুৰঞ্জীৰ এছোৱা সময়ৰ বিস্তৃত বুৰঞ্জী প্ৰকাশ পাইছে । কাব্যিক কল্পনা বহণৰ বাদে বাকীখিনি হুবহু বুৰঞ্জীয়েই । সিয়ে হ'লেও তীব্ৰ ক্ষোভ প্ৰকাশক গ্ৰাম্য গালি, শাও-শপনি আৰু গ্ৰাম্য জীৱনৰ বিভিন্ন চিত্ৰই বৰফুকনৰ গীতৰ কাব্যিক মূল্য বহুখিনি উজ্জ্বলাই তুলিছে ।

**(৪) চিকণ সৰিয়হৰ গীত ঃ-**

চিকন সৰিয়হৰ গীতবোৰে সময়ৰ স্বাক্ষৰ বহন কৰি আছে । স্বৰ্গদেউসকলৰ ৰাজত্বকালৰ উপাস্যা দেৱী, পাৰ্বতী, কেচাঁইখাতী গোসাঁনী আৰু অন্যান্য দেৱতাৰ ভিতৰত ইন্দ্ৰ, থলেশ্বৰ, লাংকুৰি নাখাম আদিৰ উল্লেখ আছে । চিকণ সৰিয়হৰ গীতত লোক বিশ্বাসৰো কিছু ইঙ্গিত পোৱা যায় ।

একাংশ গীতত আছে -

কোৱাই কেলকেলাই ঘৰত
ৰাতি ৰাতি আলচি
ঘৰত মেল কৰে
কলী কুমাৰণীৰ ঘৰত ।

**(খ) অনুষ্ঠানমূলক লোকগীত ঃ-**

সামাজিক অনুষ্ঠান উপলক্ষ্যে যিবোৰ গীত-মাত ৰচিত হয় তেনে গীত -মাত সমূহক অনুষ্ঠানমূলক লোকগীত বুলি কোৱা হয় । অনুষ্ঠানমূলক লোকগীতক প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰা হৈছে । ভাগকেইটা হ'ল -

(১) বিহুগীত (২) বিয়ানাম (৩) ভেকুলীবিয়া নাম আৰু (৪) ভক্তিমূলক গীত ।

**(১) বিহুগীত ঃ-**

বিহুগীত প্ৰধানকৈ পোৱা হয় অসমীয়া জাতীয় উৎসৱ ৰঙালী বিহুৰ নৃত্যৰ লগত । এই উৎসৱক বসন্ত উৎসৱৰে অন্য ৰূপ বুলি ক'ব পাৰি । বিহুগীতবিলাক প্ৰধানত ঃ প্ৰেমমূলক । বিশেষকৈ যৌৱনপ্ৰাপ্ত প্ৰাণৰ আৱেগ অনুভূতিৰাজিৰ বিহুগীতৰ মাজেদি প্ৰকাশ পায় । বিহুগীতৰ এটি চানেকী তলত উল্লেখ কৰা হ'ল -

'পৰ্বতে পৰ্বতে বগাব পাৰো মই
লতা বগাবলৈ টান
যুৰীয়া হাতীকে বলাব পাৰো মই
তোমাক বলাবলৈ টান ।'

**(২) বিয়ানাম ঃ-**

অসমীয়া বিৱাহ উৎসৱৰ বিভিন্ন উপলক্ষ্য ত গোৱা পানীতোলা , গোঁসাইপূজা কৰা, দৰা-কইনা গা-ধুৱা , সুবাস তোলা, দৰা আদৰা, গীতবোৰত স্মৃতি শাস্ত্ৰৰ নীতিৰ দ্বাৰা সংযত পৱিত্ৰ মিলনৰ মধুৰ সুৰ শুনিবলৈ পোৱা যায় । বিয়ানামৰ মাজেদি বিশেষকৈ সন্তানৰ প্ৰতি পিতৃ-মাতৃৰ স্নেহ, কৰুণা, হাস্যৰস আদি প্ৰকাশ পায় ।

হাস্য ৰসাত্মক বিয়া নামবিলাকক যোৰানাম বুলিও কয় । এনে যোৰানামৰ চানেকী তলত উল্লেখ কৰা হ'ল -

পাণ খালে পুৰিব চুণ খালে ডাকিব
আমাৰ বাইদেউক নিবলৈ হেলিকপ্টাৰ লাগিব ।

অথবা -

বনে বনে ফুৰিলো
ফুলৰ মালা গাথিঁলো
বেয়া নাপাব দেই
ধেমালিহে কৰিলোঁ ।

**(৩) ভেকুলী বিয়াৰ নাম ঃ-**

ভেকুলী বিয়া পাতিলে বৰষুণ হয় । এনে এটি লোক বিশ্বাসৰ ওপৰতেই এই বিয়ানামৰ সৃষ্টি হৈছে । এনে অলৌকিক কল্পনাই প্ৰাধান্য লাভ কৰিছে । যেনে ঃ-

'ৰাম ৰাম ভেকুলীৰ বিয়ালৈ
ৰাম ৰাম আহে ইন্দ্ৰদেৱে
ৰাম ৰাম বতাহ বৰষুণত তিতিহে ।'

**(৪) ভক্তিমূলক গীত ঃ-**

উল্লিখিত ভক্তি নিৰপেক্ষ গীতৰ উপৰি আইনাম, সূচনীৰ নাম, জগন্নাথৰ নাম, দেৱীৰ নাম, আউলা পূজাৰ নাম, গোঁসানীৰ নাম, লখিমীৰ সবাহৰ গীত, অপেশ্বৰী সবাহৰ গীত আদি এই গীত বোৰকে ভক্তিমূলক গীত বুলি কোৱা হয় ।

**(৫) বিবিধ বিষয়ক লোকগীত ঃ-**

এই বিষয়ৰ গীতৰ ভিতৰত ধাইনাম বা নিচকুণি গীত, দেহবিচাৰৰ গীত, নাওখেলৰ গীত, গৰখীয়াৰ গীত, ম'হখেদোৱাৰ গীত আদি ।

মাতৃয়ে অথবা ধাইয়ে সন্তানক নিচুকাবলৈ গোৱা গীত সমূহক নিচুকণি বা ধাইনাম বুলি কোৱা হয় । যেনে ঃ-

'আমাৰে মইনা শুব এ
বাৰিতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰিব
আমাৰে মইনাই বুটলী খাব ।'

দেহবিচাৰৰ গীতৰ উদাহৰণ ঃ-

'কেনৈ আহিলা মাঁয়া বজাৰলৈ
চাকিত তেল শলিতা নহ'ল বেহাবলৈ
বজাৰত গধূলি হ'ল ।'

**সাধুকথা ঃ-**

অসমীয়া লোক সংস্কৃতিৰ আন এক বিশিষ্ট উপাদান হ'ল জনসাধাৰণৰ মুখে মুখে প্ৰচলিত হৈ অহা সাধুকথা । অসমীয়া সাধুকথাসমূহৰ ভিতৰত তেজীমলাৰ সাধু, তুলা আৰু তেজাৰ সাধু, কুকুৰী কণাৰ সাধু, শিয়ালৰ সাধু আদিৰ কথা উল্লেখ কৰিব পাৰি । সাধু কথা সমূহ সাহিত্য গুণ নিসৃদ্ধ । সাধু কথা সমূহ কোনে কেতিয়া ৰচনা কৰিছিল তাক জনা নাযায় ।

**ফকৰা যোজনা প্ৰৱচন বা ডাকৰ বচন ঃ-**

ফকৰা যোজনা, প্ৰৱচন বা ডাকৰ বচন আদিও লোক সংস্কৃতিৰ এক বিশিষ্ট অংগ । ফকৰা যোজনা, ডাকৰ বচন কিম্বদন্তী আদিৰ মাজেদি জনজীৱনৰ সঞ্চিত অভিজ্ঞতাৰাজিৰ প্ৰকাশ পায় । ড° লীলা গগৈ মতে ফকৰা মানে এফাকি কথা ; কিন্তু সাধাৰণ কথা নহয় পাৰমাৰ্থিক অৰ্থবোধক কথাহে । আজিকালি ফকৰা মানে প্ৰৱচন জাতীয় যোজনা, পটন্তৰ আটাইবোৰকে সামৰি লোৱা দেখা যায় । সেইটো সময়ৰ সোঁতত পৰিসৃষ্টি হোৱা অৰ্থতহে অতীতৰ ফকৰা শব্দটোৱে গোপন আৰু গভীৰ অৰ্থবোধক নিৰ্দিষ্ট সংখ্যক কথাকহে বুজাইছিল । ফকৰা যোজনাৰ উদাহৰণ ঃ-

ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা
ৰুদ্ৰক নিদিবা ঠাই ;
মহা মহা মহন্তক মৰিয়াই মাৰিবা
তেহে ভকতিক পাই ।

ড° লীলা গগৈ মতে 'ডাকৰ বচন' ব্যৱহাৰিক জ্ঞানৰ ভঁৰাল । ডাকৰ বচনবিলাক বহুতো ভাগত ভাগ কৰিব পাৰি । পূৰ্বতে এনে কোনো নিৰ্দ্ধাৰিত ভাগ আছিল নে নাই জনাৰ সুবিধা নাই; কিন্তু কিছুমান পুৰণি সাঁচিপতীয়া পুথিত ডাকৰ বচনবোৰ বিষয় অনুযায়ী লিখা আছে । ডাকৰ বচনৰ উদাহৰণ -

'মাটি কিনিবা মাজ-খাল
ছোৱালী আনিবা জাত ভাল ।'

**মন্ত্ৰ সাহিত্য ঃ-**

অসমীয়া লোক সংস্কৃতিৰ লোক সাহিত্যৰ ভিতৰত মন্ত্ৰ ,সাহিত্যকো অন্তৰ্ভুক্ত কৰা হয় । কিছুমান দুৰ্বোধ্য । মন্ত্ৰ সাহিত্যৰ ৰচনাকাল নিৰ্ণয় কৰা উজু কথা নহয় । অসমীয়া ৰুদ্ৰ কৰতি আৰু ব্ৰহ্ম কৰতি পুথিৰ আৰম্ভণীতে আছে -

অনন্ত গোসাঞি শুনিয়া আছন্ত
বাজ ভৈল চাৰি বেদ নিশ্বাস কাঢ়ন্তে ।
হুঙ্কাৰ শব্দে অথৰ্ব বেদ ভৈল ।
অথৰ্ব বেদক আদ্য কৰতি কহে,
কৰতি মন্ত্ৰ জগতত ৰহে ।

ড° লীলা গগৈ মতে মন্ত্ৰ বিষয়টোৱে গোপনীয়তা আৰু ৰক্ষণশীলতাৰ দ্বাৰা আচ্ছাদিত হৈ থকা বাবে অধিকাংশ মন্ত্ৰ পুথিয়েই ছপা হৈ শুনোৱা নাই । লোক-সাহিত্যৰ অন্যান্য ঠালৰ দৰেই মন্ত্ৰ সাহিত্যও মুখে মুখে চলি আহিছিল ; কিন্তু পিছৰ যুগত সাহিত্যৰ সংৰক্ষণশীলতা বৃদ্ধি পোৱাৰ লগে লগে লিখিত ৰূপলৈ আহে কিন্তু গোপনীয়তাৰ গঁৱালত সোমাই অধিকাংশ মন্ত্ৰ এতিয়াও মৌখিক ৰূপতেই পুৰুষাণুক্ৰমে চলি আহিছে । বিশেষকৈ কু-মন্ত্ৰসমূহ অতি গোপনে সংৰক্ষিত হৈছে ।

**(২) লোক-বিশ্বাস ঃ-**

জাতিৰ লোক বিশ্বাসবোৰ বহুসময়ত কিছুমান অন্ধ বিশ্বাসৰ ওপৰত গঢ় লৈ উঠিলেও লোক-বিশ্বাসবোৰৰ মাজেদিয়ে জাতিটোৰ ধ্যান-ধাৰণা, মানসিকতা, ৰুচি-অভিৰুচি, আৰু জাতীয় সংস্কৃতি এই সকলোবোৰৰ আভাস পোৱা যায় । দৰাচলতে জনসমষ্টিৰ মনত যুগ যুগ ধৰি সঞ্চিত হোৱা কিছুমান অভিজ্ঞতাই লোক-বিশ্বাস কিছুমানৰ জন্ম দিয়ে আৰু সেইবাবেই এটা জাতিৰ লোক-বিশ্বাস জাতিটোৰ সভ্যতাৰ বুৰঞ্জীস্বৰূপ ।

নিৰ্মলপ্ৰভা বৰদলৈয়ে লোক-বিশ্বাসক সুকীয়াকৈ ওলগ জনাইছে আৰু অসমৰ লোক-সংস্কৃতিত সৰু-সুৰা অজস্ৰ বিশ্বাসৰ নিজাকৈ মৰ্য্যাদা দিছে ।

লোক-বিশ্বাস জীৱ-জন্তু, ভূত-প্ৰেত, চৰাই-চিৰিকতি আৰু কৃষিক অৰ্ন্তভুক্ত কৰি তলত আলোচনা কৰা হ'ল -

**জীৱ-জন্তু ঃ**

জীৱ-জন্তু সম্পৰ্কীয় লোক-বিশ্বাসত নিৰ্মলপ্ৰভা বৰদলৈয়ে উল্লেখ কৰিছে যে কেচুঁৱাৰ মাত ফুটাৰ সাধাৰণতে সময় থাকে, যদি সেই সময় পাৰ হৈ যোৱাৰ পাছতো কেচুঁৱাৰ মাত নুফুটে, তেতিয়া জনসমাজে বিশ্বাস কৰে যে কেচুঁৱাৰ গাত কিবা লাগিছে । এই কিবা আঁতৰাবলৈ ছাগলীৰ জিভা পুৰি খুৱাব লাগে বুলি সৰ্বসাধাৰণতে বিশ্বাস কৰে । নতুনকৈ ওপজা ল'ৰা বা ছোৱালী মানুহৰ ঘৰত ফুৰাবলৈ নিলে গৃহস্থ ঘৰে কেচুঁৱাটোৰ মূৰত তেল দিব লাগে, নহ'লে গৃহস্থৰ ঘৰত নিগনিৰ উপদ্ৰৱ হয় বুলি বিশ্বাস । ল'ৰা-ছোৱালীয়ে অনবৰত লেলেতিয়াই থাকিলে দুটামান এৰাপাতৰ ভাত লেলাৱতিৰে সানি কুকুৰক দিলে লেলাৱতি বন্ধ হয় বুলি পূৰ্বাপৰ চলি অহা ধাৰণা আছে ।

যাত্ৰাৰ শুভাশুভ বিচাৰতো বহুতো বিশ্বাস জড়িত । কোনাবা শুভকাৰ্য্যলৈ বুলি যাত্ৰা কৰোঁতে দামুৰিয়ে ওহাৰ পি থকা দেখিলে, হাতী দেখিলে শুভ যাত্ৰা হয় বুলি বিশ্বাস ।

ৰাতি মেকুৰীয়ে ঘৰত মেও-মেও কৰি চিঞৰিলে ক'ৰবাত বিপদৰ আশংকা হৈছে বা কোনোবা অসুখত পৰিব বুলি নিশ্চিত ধাৰণা প্ৰচলিত । কুকুৰে বিনোৱাও অশুভ লক্ষণ বুলি খ্যাত । ক'লা মেকুৰীৰ ভূত-প্ৰেত আদিৰ লগত সম্বন্ধ থাকে বুলি বিশ্বাস কৰা হয়। মেকুৰী মাৰিব নেপায় আৰু মাৰিলে সোণৰ মেকুৰী দিব লাগিব বুলিও সকলোৱে বিশ্বাস কৰে ।

**চৰাই-চিৰিকতি ঃ**

চৰাই-চিৰিকতি লগত জড়িত বিশ্বাসৰ ভিতৰত আনৰ ঘৰৰপৰা আহি ৰাতি ঘৰ লোৱা বগা পাৰচৰাই সৌভাগ্যসূচক । চোতলত বা ঘৰৰ চালত পৰি কাউৰীয়ে কল্ কলালে ঘৰলৈ অতিথি অহাৰ আগজাননী দিয়ে বুলি যিদৰে বিশ্বাস কৰা হয়, সেইদৰে

কাউৰীয়ে ছট্‌ফটাই কা-কা কৰি দাঁত কৰিচিলে ক'ৰবাত বিপদৰ আশংকা হৈছে বা কোনোবা অসুখত পৰিব বুলি নিশ্চিত ধাৰণা প্ৰচলিত। ৰাতি পাওকৰা, ম'ৰাচৰাই, হুদুৰে মাতিলে বা ফেঁচাই নিউ নিউকৈ চিঞৰিলে দেশত অমঙ্গল হয় আৰু ওচৰৰ কাৰোবাৰ পদূলিত আহি মৃত্যু থিয় দিছেহি বুলি মন বিৰ্ণ হৈ পৰে।

মৌৰে আহি ঘৰ-বাৰীত বাঁহ লোৱা আৰু এৰি যোৱাত একে ধাৰণাপ্ৰসূত। ম'ৰাচৰাই মাঙ্গলিক চৰাই। ম'ৰা পাখীৰে সজা বিচনীৰ বাই ৰোগ নিবাময় কৰে আৰু ম'ৰাচৰাইৰ প্ৰতীক যদি ঘৰৰ চালত লগাই থোৱা থাকে তেনেহ'লে ধুমুহা-বৰষুণৰ পৰা ঘৰটো ৰক্ষা হৈ থাকে বুলি বিশ্বাস কৰা হয়।

**কৃষি ভিত্তিক বিশ্বাস ঃ-**

ধৰ্মীয় উৎসৱ অনুষ্ঠানৰ উপৰি এনে কিছুমান জাতীয় উৎসৱ আছে; যিবোৰ প্ৰাচীন কালত কৃষি বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠিছিল আৰু পিছলৈ এইবোৰ অনুষ্ঠান অধিক জনপ্ৰিয় হৈ আনন্দ -উৎসৱলৈ ৰূপান্তৰ হ'ল। এনে কৃষি ভিত্তিক আনন্দ - উৎসৱৰ বিহু প্ৰধান উৎসৱ। প্ৰাচীন কালত বহাগ, কাতি আৰু মাঘ-মাহত অৰ্থাৎ তিনিটা বিশেষ ঋতুত কৃষি কৰ্মৰ উদ্দেশ্যে প্ৰাচীন কৃষক সমাজে সূৰ্য, অগ্নি, পৃথিৱী, আকাশ আদি দেৱতাৰ সন্তুষ্টিৰ অৰ্থে পূজা-অৰ্চনা কৰিছিল। কালক্ৰমত পূজা-অৰ্চনা প্ৰধান ধৰ্মীয় বিশ্বাসবোৰ লোপ পালে আৰু আনন্দ-উৎসৱ প্ৰধান হৈ পৰিল।

আমাৰ জাতীয় উৎসৱ বিহু কৃষি ভিত্তিক উৎসৱ বাবেই অসমৰ সকলো জনগোষ্ঠীয়েই এই বিহু পালন কৰে। অসমৰ বড়ো -কছাৰী সকলে মাঘ বিহুক দোমাসী বা দোমাহী বোলে। মাঘ বিহুৰ মেজিটোক 'বিলাগুৰ' বুলি কয়। খৰালি খেতি পথাৰ চপোৱা অন্ত কৰি বাঁহ আৰু ধানখেৰেৰে 'বিলাগুৰ' সাজে আৰু 'বিঙি' অৰ্থাৎ বীণা লৈ ৰাতি ঘৰে ঘৰে কণী, পইচা, চাউল সংগ্ৰহ কৰি ফুৰে। পুহ আৰু মাঘৰ সংক্ৰান্তিৰ দিনা গা-পা ধুই 'বিলাগুৰ' জ্বলাই আৰু গৰুৰ উন্নতি আৰু গঞা ৰাইজৰ মঙ্গল কামনা কৰে। তাৰ পিছদিনা সকলোৱে ভোজ-ভাত খায়। আচলতে এই অনুষ্ঠানৰ গৰুৰ উন্নতি কামনা কৰা কথাই প্ৰমাণ কৰে যে, এই অনুষ্ঠান কৃষি অনুষ্ঠানেই।

অসমৰ মিচিংসকলৰ ' আলি আই লিংগা' উৎসৱো প্ৰাচীন কৃষি উৎসৱেই। প্ৰাচীন কালত কোৰ বা লোহাৰ সঁজুলিৰে খেতি কৰা হৈছিল বাবেই খেতিৰ আৰম্ভণীতে কোৰ বা লোহাৰ সঁজুলিক পূজা কৰি লৈছিল। উৎসৱৰ দিনা কৌপাতত কোৰ মেৰাই আপং ছটিয়াই। লিংগা বিহুৰ দিনা পুৱা কুকুৰা ডাকতে ঘৰে ঘৰে বৰকাঁহ বজায়। মিছিংসকলৰ বিশ্বাস বৰকাঁহৰ মাজত মেঘদেৱতা সাৰ পায়, বৰষুণ হয় আৰু তেতিয়া পৃথিৱী শস্য শ্যামলা হয়।

মিছিংসকলে খেতিৰ আৰম্ভণিত যিদৰে আলি আই লিংগা পাতে; সেইদৰে খেতিৰ শেষত অৰ্থাৎ ভাদ মাহত পৰাগ বা নৰাছিগা বিহু পালন কৰে।

**ভূত-প্ৰেত ঃ-**অসমীয়া সৰ্বসাধাৰণ ৰাইজে অপদেৱতা বহুতো প্ৰকাৰৰ বুলি বিশ্বাস কৰে। তাৰ ভিতৰত ভূত,প্ৰেত, যখ, যখিনী, মহ, যখ, কন্ধ, দ'ত, ধনগুলৈ, চামোন, পিশাচ, বাৰ্ক, বীৰা, জলদেৱতা আৰু বুঢ়া-ডাঙৰীয়াই প্ৰধান। বুঢ়া-ডাঙৰীয়াক অপদেৱতাৰ শাৰীত নেপেলোৱাহে অৱশ্যে উচিত।কাৰণ বুঢ়া ডাঙৰীয়াই কাৰো অপকাৰ নকৰে।

ভূত-প্ৰেত-পিশাচৰ আচল ঠাই শ্মশান আৰু কবৰস্থান হ'লেও মানুহৰ গাত লম্ভিবৰ কাৰণে ডাঙৰ, জোপোহা গছ, খাল, পোতা-পুখুৰী, এৰাবাৰী আদিত থাকেহি। দিনবাৰ বেয়া হ'লে, বিশেষকৈ শনিবাৰে, মঙ্গলবাৰে, সন্ধিয়া বা ভৰদুপৰীয়া অশৰীৰিবোৰ পিয়া পি দি ফুৰাৰ সময়ত মানুহ কাষেদি গ'লে অশৰীৰি থকা গছৰ গুৰিত বৰপানী বা সৰুপানী ছুলে অথবা অশৰীৰিবোৰে ইচ্ছা কৰি পেলোৱা ছাঁ গচকিলে দোষ লাগে অৰ্থাৎ অশৰীৰিয়ে অপকাৰ কৰিবলৈ মানুহৰ গাত লম্ভে। সাধাৰণতে এই অপশক্তিবোৰ অদৃশ্য হৈ থাকে আৰু অদৃশ্য ৰূপতে সিহঁতে কাম কৰে। মানুহৰ চকুৰ আঁতৰত ভৰদূপৰীয়া, কাল-সন্ধিয়া, আঁউসীৰ আন্ধাৰ অথবা ছঁয়ামঁয়া জোনাকত এই শক্তিবোৰে নিজৰূপ লৈ থাকোতে মানুহে হঠাতে কেতিয়াবা দেখা পায়।

ভূত-প্ৰেতে ইচ্ছা কৰি বিভিন্ন আকৃতি ল'ব পাৰে। ৰাতি অকলশৰে বাঁহনিৰ মাজেদি ঘৰলৈ বাট বুলা মানুহৰ আগতে ভূতে বাঁহ এডালৰ আগ মাটিত পেলাই দি আগভেটি ধৰে। বাঁহৰ আগটোৰ তলেদি গ'লে হেঁচা মাৰি ধৰাৰ ভয়, নেওচি গ'লেও এচাৰি পেলোৱাৰ ভয়। সাহসী মানুহে তেতিয়াই লগুণ লোৱা মানুহ হ'লে গায়ত্ৰীমন্ত্ৰ জপ কৰে, নহ'লে মাটিৰ চপৰাৰ ওপৰত সৰুপানী ছুই বাঁহডালৰ গাত পৰাকৈ দলিয়াই দিলে ভূত অন্তৰ্ধান হয়।

গাত ভূত-প্ৰেত আদি অপশক্তি লাগিলে মানুহটো বা মানুহজনী জলকা লাগে। মুখেৰে নামাতে চকুলৈ চাই কথা নকয়। কিছুমানৰ তমোময় জ্বৰ উঠে। বহি শুই থকাৰপৰা দৌৰ মাৰে। কথাবোৰ অসংলগ্ন বা ভুল হয়। ভূত লগা কিছুমান মানুহৰ চাৰি - পাঁচজনমান মানুহে খাব পৰা ভাত খাইও ভোক নুগুচে। কিছুমানে একেবাৰে নোখোৱা হয়।

এনেধৰণৰ অজস্ৰ অপশক্তিৰ প্ৰতিকাৰ কৰিবলৈ গাঁৱে ভূঁয়ে সৰু বৰ বেজ থাকে। ভূত আদি লম্ভা মানুহৰ ধৰণ-কৰণ দেখিয়েই বেজে বুজি পায়। কিছুমান ভূত খেদিবলৈ বেজে সৌকা জাৰিলে মানুহটো এনেকুৱাকৈ কোৱাই যে ভূত অত্ৰাহি লৈ পলাবলৈ বাধ্য হয়। কিছুমান বেজে ভূত নোযোৱা যেন দেখিলে কোবোৱাৰ মাত্ৰা বঢ়াই দিয়ে, শুকান জলকীয়া পুৰি শুঙায়, ঠাচ ঠাচ কৰে গালত চৰ মাৰি 'যাবি নে নাযাব' বুলি ভূতক সৈ কঢ়ায়। ভূতে এৰা দি চিন দেখুৱাই অৰ্থাৎ ওচৰৰ গছৰ ডাল এটা মটক কৰে ভাঙি থৈ নতুবা কলগছ এজোপাকে হুকম কৰে ভাঙি থৈ চিন দেখুৱাই পলাই যায়। কিছুমান বেজে ভূত গুচাবলৈ শনিবাৰে মঙ্গলবাৰে পেৰা কেঁচা মিঠাতেল, বা সৰিয়হ লৈ ক'লা-ৰঙা-বগা সূতাৰে দোল বাটি, তেল সৰিয়হ সূতা একেলগে মিহলাই মন্ত্ৰেৰে জাৰি সেই দোল ডিঙি বা হাতত বান্ধি দিয়ে, তেল আৰু সৰিয়হ খাবলৈ আৰু গাত ঘঁহিবলৈ দিয়ে। তেতিয়া ভূতে এৰা দিয়ে আৰু মানুহ জ্ঞানহীন হৈ প্ৰথমে পৰি গৈ পিছত ভাল হয়। ✧✧



# গোবিন্দ ককাৰ গুণানুকীৰ্ত্তন

❑ হেম প্ৰকাশ মাউত
স্নাতক ৩য় বাৰ্ষিক

গোবিন্দ ককা বৰ একা-চেকা মানুহ। একা -চেকা মানে তেওঁৰ মহিমা পোৱাই টান। পলকতে ৰুষ্ট, ক্ষন্তেকতে তুষ্ট। তেওঁ জীৱন সাগৰখনত বৰ্ত্তমানে সত্তৰ বছৰ পাৰ কৰি এসত্তৰত ভৰি দিছে। কিন্তু ককাৰ বৰ দুখ। দুখটো হ'ল তেওঁৰ সংসাৰ সাগৰত সহযোগী হ'বলৈ কোনো পো-জী নাই। মাত্ৰ আপোন বুলিবলৈ সহচৰী গেন্ধেলী আইতা। মানে ককাৰ সহধৰ্মিনী। পিছে গেন্ধেলী আইতাৰ লগত ককাৰ যি সংসাৰ, সেয়াও সতকাই বুজা টান। আও-ভাও বুজাটোৱেই সমস্যা। কি মৰসাহত আইতাই ককালৈ বিয়া হৈ আহিছিল নাজানো। দেখাত ককাৰ সংসাৰখন তেনেই নিমজ, চকচকীয়া, টপা মূৰটোৰ দৰেই। দুয়োৰে মাজত এনে কিছুমান উল্লেখনীয় ঘটনা ঘটি গৈছে যে ইয়াৰ বিষয়ে নক'লে ককাৰ জীৱনটো আপুন একোৱেই নুবুজিব। বাৰু শুনকচোন তেওঁৰ পাৰ হৈ অহা সময়খিনিত ঘটা কেইটামান স্মৰণীয় ঘটনা।

গোবিন্দ ককাই বোলে বহু পলমকৈহে মানে ধৰক পঞ্চলিচ বছৰমান বয়সতহে বিয়া কৰাই আনে গেন্ধেলী বুঢ়ীক। বিয়াৰ প্ৰথম দিনাই লাগিল নহয় কেৰোণটো। আইতাই ন-সাজেৰে ককাৰ ওচৰত চুচুক-চামাককৈ আহি বহিলহি। বয়স হ'লেও ন- কইনাৰ কথা দিয়কচোন, লাজ কৰিবই। ককাই মিচিকিয়া হাঁহিৰে আইতাক ক'লে - 'গেন্ধেলী তোমাক কিন্তু মই বেচ ঠগিলো। কাৰণ মোৰ মূৰটো যে দেখিছা ক'লা ৰঙৰ চুলিবোৰ আঁচলতে এইবোৰ ক'লা নহয়। শুদ্ধ বগা। মই কলপ লগাইহে তোমাক ভুলালো। আইতাই তপৰাই মাত লগালে - 'আপুনি মোক কি ঠগিলে মোৰ যে মুখত দাঁত এটাও নাই সকলো সৰিল পিছে মই লগোৱা দাঁতৰ মিচিকিয়া হাঁহিৰেই আপোনাক ভুলালো।' কথা শুনি ককাৰ চকু একেবাৰে কঁপালত উঠিল।

বিয়াৰ প্ৰথম নিশাৰ কথা। ৰাতি খাই-বৈ উঠি ককা আৰু আইতাই চালপিৰাত বাগৰ দিলে। ককাৰ এটা নিয়ম আছে শুবৰ সময়ত সদায়ে মুখেৰে ঈশ্বৰক স্মৰণ কৰে। সেই দিনাও ককাই বিছনাত বাগৰি হৰিক স্মৰণৰ হেতু ঘোষা এঁফাকি গাই শেষত ক'লে - 'হে গোবিন্দ, হে গোবিন্দ' দেখিছা আৰু।' আইতাই ভাৱিলে যে, ককাই শুবৰ সময়ত নিজৰ নামটো কাঢ়ে। গতিকে আইতাই পলম নকৰি নিজৰ নামটোকে উচ্ছাৰণ কৰিলে - 'হে গেন্ধেলী, হে গেন্ধেলী দেখিছা আৰু।"

আমাৰ গোবিন্দ ককাৰ এটা অতি বেয়া স্বভাৱ আছে। সেইয়া হ'ল তেওঁৰ কথাবিলাক মনত নৰয়। ইয়াৰ বাবে আইতাৰ লগত বহুবাৰ কাজিয়া হৈছে। কিন্তু ককা সলনি হোৱা নাই। কাজিয়াৰ শেষৰ ফালে কি কাৰণেনো খং উঠিছিল সেয়াকে পাহৰে। এদিন আইতাই বজাৰ কৰিবলৈ বস্তুৰ তালিকা এখন কাগজত লেখি ককাৰ হাতত দিলে আৰু যাতে একো বস্তু পাহৰি নাহে তাক পুনৰবাৰ বুজাই দিলে। হাতত মোনালৈ ককাই তালিকা খনেৰে খৰ খোজেৰে বজাৰ কৰিবলৈ গ'লগৈ। বজাৰৰ পৰা ঘৰলৈ খৰ-খেদাকৈ আহিল। মনতে ভাৱি আহিল আইতাক আজি বুজাই দিব যে তেওঁ একো বস্তু কিনিবলৈ পাহৰি নগ'ল। পিছে ঘৰত আহি পাইহে গম পালে যে ককাই বজাৰ কৰা মোনাটোকে পাহৰি আহিলে।

আন এদিনৰ কথা। ককাৰ বস্তু পাহৰা স্বভাৱৰ পৰিৱৰ্ত্তন নহ'ল। ককা আৰু আইতা এদিন ফুৰিবলৈ গৈছিল। তেওঁলোকে ফুৰি-চাকি ঘৰ পাওঁতে বহু পলম হ'ল। ঘৰলৈ আহি ককাৰ যিহে লম্ফ-জম্ফ। আইতাক ধমক দি ক'লে "হেৰা, তুমি মোক সদায়ে বস্তু পাহৰি অহাৰ কথা কোৱা আজি দেখিলানে মই যিটো ছাটি নিছিলো কাষলটিৰ তলতে

লৈ ফুৰিছো । এইটো চোৰা ।' কথা শুনি আইতা অবাক - "হেৰ গোসাঁই এই মানুহজনৰ হ'ল কি ? আজি আমি ফুৰিবলৈ যাওঁতে ঘৰৰ পৰা ছাটিয়ে নিয়া নাছিলো ।' পিছে সেই ছাটিটোনো ক'ৰ পৰা বুটলি ল'লে । সেইটোও ককাই মনত পেলাব নোৱাৰিলে ।

কিছুমান সৰু সৰু কথাতে ককা আৰু আইতাৰ মাজত কাজিয়া হৈ দুয়োৰে মাত -কথা বন্ধ হয় । এই ক্ষেত্ৰত ককাৰ বেছি অসুবিধা । এদিন এনেদৰে মাত-কথা বন্ধ হৈ ককাই গধূলি ভাত-পানী নোখোৱাকৈয়ে বিছনাত পৰিল । পিছদিনা ককাৰ বিশেষ কামত ক'ৰবালৈ যাব লগিয়া আছে । উপাই নাই কি কৰিব । সোনকালে শুই নুঠিলে নহয় । ককাই এটা বুদ্ধি কৰিলে । বিছনাৰ কাষতে এটুকুৰা কাগজত আইতাই পোৱাকৈ লিখি ৰাখিলে - 'ৰাতিপুৱা সোনকালে জগাই দিবা ।' পিছদিনাখন ককাৰ উঠা পলমেই হ'ল । ককাৰ পুনৰ খং উঠিল । খং কৰিলেনো কি হ'ব একো ক'বও নোৱাৰো । ইফালে সিফালে কৰি থাকোতে তেওঁ বিছনাতে এখন কাগজৰ টুকুৰা আৱিষ্কাৰ কৰিলে । তাত লিখা আছিল - "হেৰি ৰাতি পুৱাল সোনকালে উঠক ।"

এনেদৰে বহুকেইদিন পাৰ হ'ল । কোনেও আগধৰি নামাতে । ককাই ভাৱিছে আইতাই প্ৰথমে মাত -বোল কৰক, আইতাও আকোৰগোঁজ । ককাৰ এই ক্ষেত্ৰত বেছি অসুবিধা হ'ল । এটা বুদ্ধি কৰি ককাই ভাৱিলে যে আজি যেনেতেনে গেন্ধেলীৰ মাত উলিয়াব । এই ভাৱিয়ে ককাৰ গপ । সেইদিনা বৰ চোকা ৰ'দ । ককাই এটা জ্বলা চাকি লৈ গোটেই ঘৰটোৰ চাৰিওফালে বাহিৰে ভিতৰে কিবা এটা বিচাৰি ফুৰিছে । বহু সময় এনেদৰে বিচাৰি ফুৰাত আইতাই ভাৱিলে বুঢ়াক আজি পালে কিহে । দিন দুপৰতে হাতত চাকি লৈ কি বিচাৰিছে । বুঢ়ীয়ে ভেকাহি মাৰি বুঢ়াক গালি পৰিলে - "হেৰি আপুনি পগলা হৈছে নেকি ? কথা নাই বতৰা নাই হাতত চাকি লৈ এই দুপৰীয়াখন কি বিচাৰিছে ?" বুঢ়াই হাঁহি এটা মাৰি উত্তৰ দিলে - "পালো পালো মই অত পৰে বিচৰা বস্তুটো পালো । তোমাৰ মাতষাৰকে ইমান সময়ে বিচাৰি আছিলো ।" সিদিনাৰপৰা দুয়ো পুনৰ মাত-বোল আৰম্ভ হ'ল ।

এদিন গোবিন্দ ককা ৰেলত উঠি ফুৰিবৰ মন গ'ল । ভৱা মতেই কাম । টিকট কিনি তেওঁ যথাস্থানত বহিলে । যাত্ৰা আৰম্ভ হ'ল । মাজ বাটতে টিকট পৰিদৰ্শকে আহি টিকট বিচাৰিলে । দুৰ্ভাগ্য ক্ৰমে আমাৰ ককাৰ টিকটতো ক'ৰবাত হেৰাল । বহুত বিচাৰ-খোচাৰ কৰিও টিকট নাপালে । তেতিয়া টিকট পৰিদৰ্শকে কথাটো বুজিলে যে বুঢ়া মানুহ কেনেবাকৈ টিকত হেৰুৱালে বা ক'ৰবাত থৈ পাহৰিলে । তেওঁ ককাক ক'লে- ' হ'ব দেউতা আপোনাৰ কথা বুজিছো; টিকট নিশ্চয় হেৰাইছে । আপুনি চিন্তা নকৰিব বহি থাকক' । কিন্তু ককাৰ উঠিলে খং - আৰু ক'লে, কেনেকৈ হ'ব ? মই ক'ত নামিম টিকটটোতহে লেখা আছে ।' ❖❖





# শৰীৰ চৰ্চা আৰু প্ৰাত্যহিক জীৱনত ইয়াৰ গুৰুত্ব

❑ কৃষ্ণজ্যোতি ফুকন
উঃ মাঃ ২য় বৰ্ষ ❑

"স্বাস্থ্যই মূল সম্পদ " এই বাণী সৰ্বজন বিদিত আৰু বিশ্বৰ সৰ্বত্ৰ স্বীকৃত । অৰ্থাৎ এজন ব্যক্তিয়ে স্বাস্থ্য সম্পদৰ ওপৰত নিৰ্ভৰ কৰিহে অন্যান্য দিশত উন্নতিৰ জখলাত আগবাঢ়ি যাব পাৰে । তাৰোপৰি এখন সমাজ বা এখন দেশ প্ৰগতিৰ দিশত আগবাঢ়িবলৈ হ'লে প্ৰথমতে সেই সমাজ, সেই দেশৰ প্ৰতিজন ব্যক্তি সু-স্বাস্থ্যৰ অধিকাৰী হোৱাটো অপৰিহাৰ্য্য । সেয়েহে ব্যক্তিগত আৰু সামাজিক স্বাৰ্থতে, প্ৰত্যেকেই শাৰীৰিক সবলতা আৰু সৌন্দৰ্য্য অটুট ৰাখিবলৈ শৰীৰ চৰ্চা কৰাটো নিত্যান্তই প্ৰয়োজনীয় । শৰীৰ চৰ্চাৰ প্ৰচলন অতীজতো আছিল যদিও বৰ্ত্তমানৰ পৰিবৰ্ত্তিত সামাজিক আৰু প্ৰদূষিত প্ৰাকৃতিক পৰিৱেশত ইয়াৰ গুৰুত্ব অনেক গুণে বৃদ্ধি পাইছে । আজিৰ সমাজত শৰীৰ চৰ্চা কেৱল মাত্ৰ যুৱকসকলৰ কাৰণেই যে প্ৰয়োজনীয় এনে নহয়, যুৱতী সকলৰ কাৰণেও সমানেই বা কোনো ক্ষেত্ৰত অধিক প্ৰয়োজনীয় ।

শৰীৰটোৱেই হৈছে মানুহৰ সাধনাৰ ভিত্তিভূমি । সেই কাৰণেই বোধ হয় শাস্ত্ৰত কোৱা আছে " শৰীৰ মাদ্যং ঘলু ধৰ্ম সাধনম্" মানুহৰ এই ভিত্তিভূমি যদি সুদৃঢ় হয় তেনেহ'লে এই ভিত্তিৰ ওপৰত উচ্চস্তৰৰ জীৱন সৌধ গঢ়ি তোলা সম্ভৱপৰ । জীয়াই থাকিবলৈ হ'লে এটা সুস্থ শৰীৰ আৰু সুস্থ মনৰ আৱশ্যক হয় । দুৰ্বল আৰু অক্ষম স্বাস্থ্য লৈ আজিৰ যুগত জীয়াই থকাটো জটিল । এজন মানুহে নিজকে কেতিয়াও সুখী বুলি ক'ব নোৱাৰে যদিহে তেওঁ শৰীৰ আৰু মন দুয়োটাই সুস্থ কৰি ৰাখিব নোৱাৰে । সেয়েহে আধুনিক জীৱন যাত্ৰাত প্ৰতিজন মানুহে এটি সুস্থ সৱল মনৰ গৰাকী হোৱাটো কামনা কৰে । শিক্ষা, খেল-ধেমালি, শাৰীৰিক ব্যায়াম আদিয়ে এজন মানুহক সুস্থ সৱল মনৰ অধিকাৰী হোৱাত অৰিহণা যোগায় । "While education is the food of mind, games are the food of body." (Plato) মহান সমাজ দাৰ্শনিক প্লেটোৰ উক্তি মতে আমি একমত হৈ ক'ব পাৰো যে পাঠ্য পুথি শিক্ষাৰ লগত ক্ৰীড়া বিষয়ৰ শিক্ষাও সমানে গুৰুত্বপূৰ্ণ ।

"Health is a state of complete physical, mental and social welbeing and not merely the absence of disease or informity." বিশ্ব স্বাস্থ্য সংস্থাই দিয়া সংজ্ঞা মতে - স্বাস্থ্য কেৱল শৰীৰ ৰোগমুক্ত আৰু আচল অৱস্থাই নহয়, ই হৈছে শৰীৰ, মন আৰু সমাজৰ সম্পূৰ্ণ সুস্থ অৱস্থা । অসুস্থ শৰীৰে মনকো অসুস্থ কৰি তোলে । অসুস্থ মনৰপৰা সুস্থ চিন্তা কেতিয়াও কল্পনা কৰিব নোৱাৰি । ক্ৰীড়াই মানৱ শৰীৰ তথা মনৰ উৎকৰ্ষ সাধন কৰাৰ লগতে বিশ্ব ভাতৃত্ব বোধ গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে ।

বৰ্ত্তমান সমাজত দেখা দিয়া অপৰাধমূলক কাৰ্য্যকলাপবোৰ এখন সুস্থ, সৱল সমাজৰ লক্ষণ নহয় । বৰ্ত্তমানৰ এই গোটেই সমাজ খনতেই ঘুণে ধৰিছে । এই অসুস্থ সমাজখন আৰু কিমান দূৰ ধাৱমান হ'ব সেইটো অন্য এক বিচাৰ্য্যৰ বিষয় । অসুস্থ মানসিকতাৰে গঢ়লোৱা এই অসুস্থ সমাজখনক ভাল পথলৈ আনিবলৈ হ'লে এই সমাজৰ প্ৰত্যেক নাগৰিকৰ মন সুস্থ হ'ব লাগিব আৰু প্ৰয়োজন হ'ব এক সুস্থ পৰিৱেশৰ । সুস্থ মন শাৰীৰিক স্বাস্থ্যৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল । শাৰীৰিক স্বাস্থ্য মানে শৰীৰৰ সকলো অংগ-প্ৰত্যঙ্গ আৰু ইন্দ্ৰিয়ৰ ওপৰত থকা নিজৰ নিয়ন্ত্ৰণ ।

"A sound mind can live only in a sound body. Therefore, games are very important for keeping the body sound. It is a fact that "HEALTH IS WEALTH." ( Swami Vivekanand.") ক্ৰীড়া অনুশীলনে এজন ব্যক্তিৰ সকলো দিশতে ব্যক্তিশীল কৰি গঢ়ি তোলে । স্বাস্থ্য উন্নতি সাধনে ব্যক্তিৰ মানসিক উৎকৰ্ষও সাধন কৰাত সহায় কৰে । আনহাতে দেখা যায় আধুনিক সভ্যতাৰ মাজত ভাতৃত্ববোধ গঢ়ি তোলাত বিভিন্ন মাধ্যমৰ লগতে ক্ৰীড়াই হৈছে সৰ্বটো প্ৰকাৰৰ উত্তম মাধ্যম । ইয়াক আমি অস্বীকাৰ কৰিব নোৱাৰো । ক্ৰীড়া মাধ্যমে ভিন্ন সমাজৰ মাজত একতাবোধ গঢ়ি তোলাত ফলপ্ৰসু হোৱা দেখা যায় । যিহেতু ক্ৰীড়া মাধ্যমত সাধাৰণতে কোনো বৰ্ণ-বৈষম্যতা নাই । উচ্চ-নীচ, জাতি-ধৰ্মভেদে সকলোৰে বাবে মুক্তভাৱে বিচৰণ কৰিব পৰা এক বাস্তৱ মাধ্যম । ভৱিষ্যতৰ অপাৰ সম্ভাৱনাৰ স্বাক্ষৰ বহন কৰা নবীন পুৰুষ, তৰুণ-তৰুণীসকলক একেটা মঞ্চতে পোৱা যায় ।

যি দিনাই মানুহৰ চিন্তাধাৰা সুস্থ হ'ব সেইদিনাৰেপৰা সমাজখনে এক শুদ্ধ পথত আগবাঢ়িব পাৰিব । মুষ্টিমেয় কেইজনমান সুস্থ সৱল মনৰ গৰাকীৰদ্বাৰা সমাজৰ আমূল পৰিবৰ্ত্তন কেতিয়াও সম্ভৱ নহয় । সমাজৰ সকলো স্তৰৰ মানুহ যেনে- ৰাজনীতিবিদ, শিক্ষাবিদ আদি সকলোৱে একেটা মঞ্চতে গোটখাই শৰীৰ চৰ্চা, সুস্থ মনৰ ধাৰণাটো বাস্তৱত ৰূপায়িত কৰিব নোৱাৰাৰ বাবেই, শৰীৰ চৰ্চা, মন সুস্থ ৰাখিবপৰা বিষয় বস্তুবোৰ ৰাষ্ট্ৰৰ কাৰ্য্যসূচীত অন্তৰ্ভুক্ত কৰিব লাগে । স্কুল, কলেজত ছাত্ৰ -ছাত্ৰীৰ পাঠ্যক্ৰমৰ লগতে শৰীৰ চৰ্চা বিষয়টোও বাধ্যতামূলক হিচাবে সন্নিবিষ্ট কৰিব পাৰিলেহে দেশৰ প্ৰত্যেকজন নাগৰিকৰ সুস্থ-সৱল আৰু কাৰ্য্যক্ষম হৈ উঠিব আৰু মানসিক বিকাশ ঘটিব । এই ক্ষেত্ৰত আমাৰ দেশৰ অভিভাৱক সকলৰো দৃষ্টিভংগীৰ মৌলিক পৰিবৰ্ত্তন একান্ত প্ৰয়োজন ।

যেতিয়ালৈকে শৰীৰ, মন সুস্থ কৰিব নোৱাৰি তেতিয়ালৈকে দেশখনত সুস্থ নাগৰিক তৈয়াৰ কৰিব নোৱাৰি । মানসিক অৱক্ষয়ৰোধ কৰিব পাৰিলেহে সমাজ সুস্থ হ'ব আৰু সমাজত চলি থকা অপৰাধ দুৰ্নীতিৰ শাম কাটিব । দেশ তেতিয়াহে প্ৰগতিৰ পথত আগবাঢ়িব পাৰিব । ❖❖

(সহায় লৈ )

# অপৰাধ প্ৰৱণতাঃ কাৰণ আৰু প্ৰতিকাৰ

❑ পংকজ বৰুৱা
স্নাতক ৩য় বৰ্ষ

অপৰাধপ্ৰৱণ মনোভাৱ মানৱ জীৱনৰ যি কোনো স্তৰতে লক্ষ্য কৰা যায় যদিও সেয়া কৈশোৰৰ ক্ষেত্ৰত হ'লে সমাজৰ বাবে অধিক অনিষ্টকৰ হৈ পৰে । কৈশোৰৰ অপৰাধ প্ৰৱণতা সমাজৰ এক ডাঙৰ ব্যাধি । সমাজৰ প্ৰচলিত নিয়ম কানুন আৰু স্বাভাৱিক পৰিৱেশত নিজকে খাপ খুৱাই ল'ব নোৱাৰা কৈশোৰৰ মাজতে এই প্ৰৱণতা লক্ষ্য কৰা যায় । চুৰি,ডকাইতি, ৰাগীয়াল দ্ৰব্য সেৱন, যৌন অপৰাধ ইত্যাদি অসামাজিক কাৰ্যকলাপত লিপ্ত হৈ পৰা কিশোৰ-কিশোৰীৰ ক্ষেত্ৰত নিৰ্দিষ্ট কেইটামান কাৰকৰ প্ৰভাৱ বাৰুকৈয়ে লক্ষ্য কৰা যায় ।

অসুস্থ ঘৰুৱা পৰিৱেশ এই ক্ষেত্ৰত প্ৰধানকৈ জগৰীয়া । সন্তানৰ প্ৰতি মাত্ৰাধিক অনুশাসন বা অনুশাসনহীনতা, দৰিদ্ৰতা, স্বামী-স্ত্ৰীৰ কন্দল, বিভিন্ন ক্ষেত্ৰত দুৰ্নীতি ইত্যাদিবোৰে সন্তানক বহু সময়ত অপৰাধ প্ৰৱণতালৈ ঠেলি দিয়ে । একেদৰে বিদ্যালয়ৰ অসুস্থ পৰিৱেশ যেনে কঠোৰ শাস্তিমূলক ব্যৱস্থা বা শিক্ষকৰ সহানুভূতিহীনতা, খেলা-ধূলাৰ পৰিৱেশৰ অভাৱ ইত্যাদিয়েও এই ক্ষেত্ৰত অৰিহণা যোগায় ।

সামাজিক পৰিৱেশলৈ চকু দিলে দেখা যায় অৰ্থনৈতিক ভাৱে দুৰ্দশাগ্ৰস্ত পৰিয়াল চৰকাৰী চিকিৎসা, শিক্ষাব্যৱস্থা ইত্যাদিৰ অভাৱতো বহু সন্তানে প্ৰচলিত ব্যৱস্থাটোৰ বিৰুদ্ধে বিদ্ৰোহ কৰে । ইয়াৰ লগে লগে ভয়াবহ নিৱনুৱা সমস্যা আৰু বিশেষকৈ আজিৰ যুগৰ সহজে ধন ঘটাৰ কৌশল (easy money culture) আদিও এই ক্ষেত্ৰত দায়ী । একেদৰে বংশগতিৰ প্ৰভাৱো মন কৰিবলগীয়া। অৱশ্যে বংশগতিৰ প্ৰভাৱতকৈ এই ক্ষেত্ৰত সামাজিক পৰিৱেশক অধিক জগৰীয়া কৰিব পাৰি । কিয়নো পৰিৱেশৰ সুস্থ প্ৰভাৱে বংশগতিৰ কু-প্ৰভাৱ বহু পৰিমাণে হ্ৰাস কৰিব পাৰে ।

অপৰাধ প্ৰৱণতাৰ ভয়াবহ দিশটোলৈ লক্ষ্য ৰাখি ইয়াক প্ৰতিকাৰ কৰা সমাজৰ স্বাৰ্থতে প্ৰয়োজন । সন্তানক উপযুক্ত ভাৱে গঢ় দিয়াৰ ক্ষেত্ৰত পিতৃ-মাতৃ সজাগ হোৱাটো বিশেষভাৱে প্ৰয়োজনীয় । দ্বিতীয়তে উপযুক্ত যৌন শিক্ষা, খেলা-ধূলা, নৈতিক শিক্ষা আদিৰ লগতে শিক্ষকৰ সহানুভূতিশীলতাও বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰও অতি প্ৰয়োজনীয় । একেদৰে সুস্থ সামাজিক পৰিৱেশৰ বাবে সমাজৰ সকলো লোক সচেতন হোৱাৰ লগতে চৰকাৰৰ তৰফৰপৰা বিনামূলীয়া শিক্ষা দান, চিকিৎসা, খেলা-ধূলাৰ সুবিধা ইত্যাদি আগবঢ়াব লাগিব । ৰাগিয়াল দ্ৰব্য সেৱন, অশ্লীল সাহিত্য- কথাছবি ইত্যাদিৰ বিৰুদ্ধে প্ৰতিজন লোকেই সজাগ হোৱা প্ৰয়োজন । শিক্ষক সকলেও চৰকাৰী কৰ্ম সংস্থানৰ বাবে বাট চাই নাথাকি বিভিন্ন চৰকাৰী সুবিধা সমূহৰ জৰিয়তে আত্ম প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰিলে তেওঁলোকক অনুকৰণ কৰি অনুজসকল আগবাঢ়ি আহিব পাৰে ।

শেষত ক'ব পাৰি অপৰাধ প্ৰৱণতা ৰোধ কৰাৰ বাবে বিভিন্ন চৰকাৰী ব্যৱস্থাতকৈয়ো অধিক প্ৰয়োজন জনসাধাৰণৰ সজাগতা । এক উন্নত সামাজিক দৃষ্টিভংগী আৰু সকলো শ্ৰেণীৰ লোকৰেই সহযোগীতাতহে এয়া নিৰ্মূল কৰা সম্ভৱ । এই ক্ষেত্ৰত উপযুক্ত শিক্ষা ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে । ❖❖

> এজন নিৰ্দোষীয়ে শাস্তি পাব লগা হোৱাতকৈ দহজন দোষীক সাৰি যাবলৈ দিয়াই ভাল ।
>
> -ব্লেকষ্টন
>
> মানুহে জীৱনত যিখিনি পায়, সেয়া লৈ সন্তুষ্ট থাকিব নোখোজে, নোপোৱাখিনি লৈ হাহাঁকাৰ কৰি ফুৰে।
>
> - এৰিক ফ'ম



# জাতীয় জীৱনত পুথিভঁৰালৰ ভূমিকা

ময়ুৰী বৰঠাকুৰ
স্নাতক ৩য় বৰ্ষ

নজনা কথা জনাৰ, নেদেখা বস্তু চোৱাৰ কৌতূহল মানুহৰ স্বভাৱজাত ধৰ্ম। জ্ঞানৰ প্ৰতি এই অসীম আগ্ৰহে সামাজিক তথা জাতীয় জীৱনৰ ক্ৰমোন্নতিৰ কথাকেই সূচায়। এই জ্ঞানৰ বাবেই আৱশ্যক পুথি অধ্যয়নৰ। পুথি এখন কেইটামান আখৰৰ সমষ্টিয়েই নহয়। এটা জাতিৰ সভ্যতা সংস্কৃতি!

চিন্তাধাৰা, আবেগ, অনুভূতি আদি যুগমীয়া কৰাত পুথি অথবা কিতাপে এক বিশিষ্ট আসন অধিকাৰ কৰি আছে। এটা জাতিৰ জাতীয় জীৱনৰ ভেঁটি সুদৃঢ় কৰিবলৈ একোখন ভাল কিতাপে যিদৰে প্ৰভাৱ পেলাব পাৰে, তেনেদৰে প্ৰভাৱ পেলাবলৈ আন একোৱেই সামৰ্থ নাই।

পুথিভঁৰালক জ্ঞানৰ মন্দিৰ বুলি কোৱা হয়। সভ্যতাৰ পুৰণি দিনবোৰত পুথিসমূহ হাতে লিখা অৱস্থাত আছিল! সভ্যতাৰ ক্ৰমোন্নতি ছপাকলৰ আৱিষ্কাৰ নোহোৱা সময়তো পুথিভঁৰালৰ আৱশ্যকতা প্ৰাচীন ভাৰতীয় সমাজে উপলব্ধি কৰিছিল। আলেকজেন্দ্ৰীয়ান পুথিভঁৰালৰ আৰু নালন্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালেই উৎকৃষ্ট পটন্তৰ। সামাজিক জীৱনৰ উৎকৰ্ষতাৰ বাবে পুথিভঁৰাল এক বলিষ্ঠ পদক্ষেপ হিচাপে পৰিগণিত হ'ল। পুথিভঁৰালৰ আৱিষ্কাৰে মানৱজাতিৰ সভ্যতা সংস্কৃতিৰ বুৰঞ্জীৰ এটি নতুন যুগৰ সূচনা কৰিলে।

পুথিভঁৰালৰ উৎকৃষ্ট লিখনীসমৃদ্ধ মহৎ গ্ৰন্থাৱলীৰ মাজত সোমাই মনীষীসকলৰ জীৱনধাৰা, কাৰ্য্যপ্ৰণালী আদিৰ বিষয়ে জ্ঞান লাভ কৰাৰ লগতে পঢ়ুৱৈয়ে স্বকীয় জীৱনো এক নতুন আলোকেৰে উদ্ভাসিত কৰি তুলিব পাৰে। সেয়ে প্ৰকৃত পঢ়ুৱৈৰ মনত পুথিভঁৰাল একোখনি তীৰ্থস্থান। প্ৰাচীন যুগৰ সামাজিক ৰীতি-নীতি, মানৱীয় চিন্তাধাৰা, সুকুমাৰ, কলা-ভাস্কৰ্য আদি পুথিভঁৰালত থুপ খাই আছে। গতিকে ক'ব পাৰি পুথিভঁৰালৰ সামাজিক ঐতিহ্য আৰু কৃষ্টি-সভ্যতাৰ অন্যতম বাহক।

ই আজৰি সময় কটোৱাৰ এটি সুন্দৰ উপায়, দুখৰ সময়ত ই আনন্দৰ সামগ্ৰী সঞ্চাৰণৰ শক্তিশালী আহিলা। সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে সুস্থ নাগৰিক জীৱন যাপন কৰি ঐক্যবদ্ধতাৰে সামাজিক প্ৰাণী হিচাপে সমাজত এটি উন্নত পৰিৱেশ ৰচনা কৰাত পুথিভঁৰালৰপৰা পোৱা সহায়ৰ তুলনা নাই। গতিকে ক'ব পাৰি যে, পুথিভঁৰাল জাতীয় জীৱনৰ ঐশ্বৰ্য্য আৰু সৰ্ব্বোৎকৃষ্ট সম্পদ। পঢ়াশলীয়া পুথিভঁৰাল শিক্ষানুষ্ঠানৰ আত্মাস্বৰূপ। পুথিভঁৰাল যিহেতু জ্ঞানৰ মন্দিৰ, সেয়ে তেনেধৰণেই ইয়াৰ পৰিৱেশ গঢ়ি তুলিব লাগে। শিক্ষাৰ উদ্দেশ্য আগত ৰাখি শিক্ষাৰ্থীৰ সৰ্ব্বাঙ্গীন বিকাশৰ বাবে পঢ়াশালীৰ পুথিভঁৰালত সাহিত্য, বিজ্ঞান, ৰাজনীতি, অৰ্থনীতি, ধৰ্মীয় পুথি, অভিধান, জীৱনী, নীতিমূলক আখ্যান আদি শিক্ষাৰ্থীৰ উপযোগী সকলো বিষয়ৰ পুথি থকা উচিত।

পুথিভঁৰালসমূহে সাময়িকভাৱে চৰকাৰী অনুদান পালেও ব্যক্তিৰ আৰ্থিক অনুদান আদিৰ ওপৰত নিৰ্ভৰ কৰি ব্যক্তিৰ সমূহীয়া প্ৰচেষ্টাত ব্যক্তিগতভাৱেই পৰিচালিত হয়। পঢ়ুৱৈৰ জ্ঞান লাভত সহায়ক হোৱাৰ লগতে নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ লাভ কৰি সামাজিক উন্নয়নৰ প্ৰতি যাতে অনুৰাগ জন্মে মনস্তাত্মিক দিশৰপৰা নিৰীক্ষণ কৰি এনে ধৰণৰ কিতাপ যথেষ্ট পৰিমাণে পুথিভঁৰালত থকা উচিত। সাহিত্যৰ সৈতে জীৱন আৰু সমাজৰ ওতঃপ্ৰোত সম্বন্ধ বিদ্যমান, গতিকে একোজন প্ৰকৃত অধ্যয়নশীল ব্যক্তিয়ে সময়ত একোটা জাতীয় জীৱনৰ ৰূপান্তৰ আনিব পাৰে।

এজন ব্যক্তিৰ অক্ষৰ জ্ঞান থাকিলে স্কুল-কলেজৰ শিক্ষা নোলোৱাকৈ অকল পুথিভঁৰালৰ যোগেদিয়েই নিজকে নিজে শিক্ষা ল'ব পাৰে।

গতিকে একোটাকৈ পুথিভঁৰাল প্ৰতিষ্ঠাৰ অভিযানৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচীৰে চৰকাৰৰ সামাজিক শিক্ষাবিভাগ আগবাঢ়ি অহা উচিত। লগতে এই পুথিভঁৰালসমূহৰ জনপ্ৰিয়তাৰ বাবে মনস্তাত্বিক বিশ্লেষণেৰে গ্ৰাম্যলোকৰ জীৱনধাৰাৰ লগত মিল ৰাখি আঞ্চলিক ভাষাত উপযোগী আৰু আকৰ্ষণীয় নতুন নতুন তথ্যসমূহ বিভিন্ন পুথি, আলোচনী, বাতৰি কাকত আদি প্ৰকাশৰ বাবে লিখকৰ লগত প্ৰকাশন বিভাগ সচেষ্ট হোৱা উচিত। দেশৰ প্ৰতিজন শিক্ষিত ব্যক্তি, সমাজ আৰু চৰকাৰৰ সন্মিলিত প্ৰচেষ্টাইহে এই কামত অনুপ্ৰেৰণা যোগোৱাত সফল হ'ব পাৰিব।

গতিকে ক'ব পাৰি পুথিভঁৰাল জাতীয় সজাগতাৰো অন্যতম আহিলা, ৰাষ্ট্ৰৰ মহত্তম বন্ধু আৰু মানৱপ্ৰাণৰ আন্ধাৰ কোনত জ্বলি উঠা এক অলৌকিক শক্তিসম্পন্ন স্বৰ্গীয় জ্যোতি।

—o—o—o—

গল্প

# প্ৰতিবাদী পদক্ষেপ

মিছ মমতা শইকীয়া
উঃমাঃ ২য় বৰ্ষ

ঃ আৰে আভা ! ক'ৰ পৰা ?

ঃ অঁ মানসী ! মই ঘৰলৈ আহিছিলো বিশেষ কাম এটাত । ভালনে তোৰ ?

ঃ অঁ, ভালেই । কিন্তু তইচোন একেবাৰে খীণাই মেলি শেষ হৈ গলি, কিবা অসুখ হৈছিল নেকি তোৰ ?

ঃ নাই এনেয়ে খীণাইছো । আভাই লাহেকৈ উত্তৰ দিলে ।

ঃ ৱাৰু আহ সৌ হোটেলখনতে বহি কথা পাতো । তোক যে এনেদৰে হঠাৎ লগ পাই কিমান ভাল লাগিছে বুজাই ক'ব নোৱাৰিম । ইচ, তোক লগ পায় বিকাশৰ কথা সুধিবলৈকে পাহৰিছো । ভালনে বিকাশৰ ? আভাৰ হাঁহি থকা মুখখন হঠাৎ ক'লা পৰি গ'ল । কিবা এটা লুকুৱাবৰ চেষ্টা কৰাৰ দৰে ক'লে যে ভালেই ।

ঃ কিন্তু আভা তই হঠাৎ কিয় ইমান কমপ্লেক্সড হৈ গলি বিকাশৰ কিবা হৈছে নেকি ?

ঃ নাই নাই কি হ'ব ? একো হোৱা নাই ।

মানসীয়ে বুজিলে কিবা এটা নিশ্চয় ঘটিছে ; যিটো তাইৰ আগত আভাই লুকুৱাবৰ চেষ্টা কৰিছে । কিন্তু তাইক এই বিষয়ে পুনৰ একো নুসুধিলে ।

ঃ ৱাৰু আভা মই এতিয়া কলেজলৈ ওলাই আহিছো । ক্লাছৰ টাইম হৈছে । কলেজৰপৰা আহি তইতৰ ঘৰলৈ গৈ আছোঁ । তই এতিয়া ক'লৈ যাবি ?

ঃ নাই ঘূৰিম ইয়াৰ পৰাই ।এনেয়ে ওলাই আহিছিলো ।

ঃ বল তেন্তে ।

হোটেলখনৰ পৰা ওলাই আহি দুয়ো দুফালে গতি কৰিলে ।

আভা মানসী দুয়োজনী এসময়ৰ অন্তৰঙ্গ বান্ধৱী আছিল । একেখন কলেজত পঢ়িছিল একেটা বিষয়তে মেজৰ লৈ । বৰ্ত্তমান আভাৰ বিয়া হৈ গৈছে জুনিয়ৰ ইঞ্জিনিয়াৰ বিকাশ দুৱৰাৰ লগত । মানসী বৰ্ত্তমানেও অবিবাহিতা । তাই স্থানীয় কলেজখনতে অধ্যাপনা কৰে ।

আবেলি মানসীয়ে আভাহঁতৰ ঘৰলৈ বুলি ওলাই গ'ল । আভাহঁতৰ পদুলি মুখৰ পৰাই তাই লক্ষ্য কৰিলে বাৰাণ্ডাত আভাৰ দেউতাক আমন জিমনকৈ বহি আছে । মুখত এটা দুশ্চিন্তাৰ ভাৱ । মানসীয়ে লাহেকৈ গেটখন খুলি সোমাই গ'ল । হঠাতে মানসিক দেখি দেউতাক হতভম্ব হোৱাৰ দৰে হ'ল ।

ঃ অ' মানসী ! আহাঁ আহাঁ

মানসী দেউতাকৰ পাছে পাছে ড্ৰয়িংৰুমলৈ সোমাই গ'ল । দেউতাকে চোফা এখনৰ ফালে আঙুলিয়াই ক'লেঃ 'বহা' । মানসী বহি পৰিল ।

ঃ বহুদিনৰ মূৰত আহিলা, ঘৰত সকলোৱে ভালনে ? দেউতাকে সুধিলে ।

ঃ 'অ' ভালেই । আপোনাৰ ভালনে ?' মানসীয়ে সুধিলে ।

ঃ অ' আছো আৰু ! ৱাৰু তুমি বহা মই আভাক মাতি দিও । এইবুলি দেউতাক ভিতৰলৈ সোমাই গ'ল । এসময়ত মানসী এইখন ঘৰলৈ প্ৰায়ে আহিছিল । আভা আছিল তাইৰ প্ৰাণৰ বান্ধৱী । কলেজলৈ আহোঁতে আভাহঁতৰ ঘৰত সোমাই দুয়োজনী একেলগে কলেজলৈ গৈছিল । এদিন এজনী কলেজলৈ যাব নোৱাৰিলে আনজনীও নগৈছিল । ক্লাছৰুম, কমনৰুম, কলেজ কেণ্টিন আদি সকলোতে দুয়োজনীক একেলগে দেখা গৈছিল । কিন্তু দিন সদায় একেদৰে নাযায় । আভাৰ জীৱনলৈ এক প্ৰত্যাহ্বান আহিল । প্ৰত্যাহ্বান মানে আভাক জোৰ কৰিয়েই ঘৰখনে চহৰৰ এজন আধুনিক শিক্ষাৰে শিক্ষিত ল'ৰালৈ বিয়া দিবলৈ ঠিক কৰিলে । তেতিয়া আভা স্নাতক ২য় বৰ্ষৰ ছাত্ৰী । বিয়াৰ কথা গম পাই আভাই খুউব কান্দিছিল । তাই ভালদৰে পঢ়া-শুনা কৰি সমাজত এখন উচ্চ আসন অলংকৃত কৰাৰ যি সপোন দেখিছিল সেই সপোন থানবান হৈ ভাঙি যোৱাৰ ভয়ত মানসীৰ কোলাত মূৰ থৈ উচুপি উচুপি কান্দিছিল । মানসীয়ে তাইক বুজাইছিল ।

ঃ অ' আভা, তোৰ দেউতাৰৰ এনে আচৰণত মই বৰ আচৰিত হৈছো । তেওঁ এজন জনা-শুনা লোক হৈও কিয় এনে সিদ্ধান্ত কৰিছে মই যে একো বুজা নাই । আজিৰ যুগত নাৰীয়ে চাকৰি কৰি ধন ঘটাটো দূৰৰে কথা নিজৰ নিৰাপত্তাৰ বাবে পঢ়িব লাগিব । তোৰ দেউতাই জানো নেজানে যে প্ৰতিদিনে কিমান নাৰী যৌতুক টকা-পইচা আদিৰ বাবে আনৰ হাতত বলি হ'ব লগা হৈছে অথবা নিৰ্যাতিত হ'ব লগা হৈছে । কিন্তু নাৰীৰ যদি নিৰাপত্তা থাকে তেনেহ'লে তেওঁলোকে কেতিয়াও দুৰ্ভোগ ভূগিব লগা নহয় । আৰু শুন আভা ! তোৰ বিয়া হ'বলৈ বহুত বয়স আছে । তই আগতে নিজক প্ৰতিষ্ঠা কৰ ।' আভাই মাথো কান্দি কান্দি কৈছিল ।

ঃ চা মানসী তই যি ক'ব বিচাৰিছ, মই সকলো বুজি পাইছো । কিন্তু এইবোৰ দেউতাই জানো বুজিব । তেওঁৰ কথাত প্ৰতিবাদ কৰাৰ



সাহস মোৰ নাই মানসী । তেওঁ কেতিয়াও নিজৰ মতৰ পৰা বিচলিত নহয় । তেওঁ কেতিয়াও নুবুজে মই যে এই বিয়াত সুখী হ'ব নোৱাৰো । তাৰ পৰিবৰ্তে দেউতাই মোক মাৰি পেলোৱা হ'লেই ভাল আছিল ।

ঃ চা, আভা বিপদত ধৈৰ্য্য ধৰা উচিত । তই ইমান অধৈৰ্য্য হ'লে একো লাভ নহ'ব । তোৰ দেউতাবক তই ভালদৰে বুজাব লাগিব । তই সাহস কৰ । তই কিয় কান্দি কান্দি পাগলী হৈছ ।

ঃ কিন্তু দেউতাক বুজাই একো লাভ নাই ! তইতো দেখিয়ে আহিছ মোৰ দেউতাৰ প্ৰকৃতি । তেওঁ যি কয় সেয়ে হয় । তেওঁ যি কয় সেয়া আমি বিনাপ্ৰতিবাদে মানিব লাগে । লাগিলে তেওঁৰ সিদ্ধান্ত ভুলেই হওক ।

ঃ সকলো সময়তে এনে নিয়ম নাখাটে । এই ক্ষেত্ৰত তোৰ জীৱনৰ প্ৰশ্ন জড়িত হৈ আছে । বিৱাহ অনুষ্ঠানটো এদিনীয়া কিন্তু বিবাহিত জীৱন চিৰদিনীয়া । সেয়ে এনে এটা সিদ্ধান্ত একপক্ষীয় ভাৱে গ্ৰহণ কৰাটো যুক্তি সংগত হ'ব নোৱাৰে । মনত ৰাখিবি আভা বিবাহ তই কৰাবি, তোৰ দেউতাৰে নহয় ।

আভাই মানসীৰ অগ্নিৰ দৰে জ্বলি উঠা কথাবোৰ বন্ধ কৰিবৰ বাবে তাইৰ মুখত হাতখন দি ক'লে -

ঃ আৰু নকবি মানসী, মই সেইবোৰ কেতিয়াও প্ৰতিবাদ জনাব নোৱাৰো, লাগিলে মোৰ জীৱনটোৱেই নষ্ট হৈ যাওক । মই সেই পৰিৱেশত জন্ম হোৱা নাই মানসী ।

ঃ ৱাৰু তোৰ হৈ মই কথা পাতিম তোৰ দেউতাৰৰ লগত । চাওঁচোন কি হয় । মানসীয়ে অলপ ৰূঢ় ভাৱেৰে ক'লে ।

মানসীয়ে আভাৰ দেউতাকৰ সৈতে বহুতো যুক্তিতৰ্ক কৰিলে, বহুতো বুজালে কিন্তু আভাৰ দেউতাক নাচোৰবান্দা । তেওঁ মাথোঁ ক'লে -

ঃ চোৱা মানসী, তুমি মোৰ জী তুল্য । তুমি ভাবা নেকি যে কোনোৱা দেউতাকে নিজ সন্তানৰ অমংগল বা অহিত চিন্তা কৰিব পাৰে । তাৰউপৰি, পিতৃ হিচাবে মোৰ এটা দায়িত্ব আছে । কেৱল আভাই নহয়, তাইৰ তলৰ আৰু দুজনীক বিয়া দিয়া দায়িত্ব আছে মোৰ ওপৰত । সেয়ে এই ক্ষেত্ৰত তুমি মোক আৰু একো নোকোৱাই ভাল হ'ব ।

কোনোমতে কন্যাদায়গ্ৰস্ততাৰ পৰা হাত সাৰিব বিচৰা অবিৱেচক আভাৰ দেউতাকৰ ওচৰৰ পৰা সেইদিনা মানসী ক্ষোভেৰে আঁতৰি আহিছিল আৰু সেইদিন ধৰি মানসী আভাহঁতৰ ঘৰলৈ অহা নাছিল । আনকি আভাৰ বিয়াতো নাহিল । আভাৰ বিয়াৰ পাছত আভা আৰু মানসীয়ে চিঠিৰ দ্বাৰা কথা পাতিছিল । কিন্তু বিকাশৰ হস্তক্ষেপত তাকো বাদ দিছিল আভাই । কেতিয়াবা ঘৰলৈ আহিলে ভনীয়েকৰ লগত মনে মনে মানসীৰ ওচৰলৈ আহিছিল আৰু তাইৰ দুখৰ কথাবোৰ কৈ কান্দিছিল । বছ সিমানেই । কিন্তু আভাৰ বাবেই আজি মানসী এইখন ঘৰলৈ আকৌ আহিব লগা হ'ল ।

আভা লাহেকৈ পৰ্দাখন দাঙি ওলাই আহিল । চকু কেইটা চলচলীয়া । মানসীয়ে বুজিবলৈ বাকী নাথাকিল যে সাংঘাতিক কিবা এটা হৈছে ?

ঃ আভা ! তোৰ হৈছে কি ?

আভাই এইবাৰ বৈ থাকিব নোৱাৰিলে । মানসীৰ ডিঙিত ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে ।

আভাৰ কান্দোনত মাক-দেউতাক আৰু ভনীয়েকহঁতো ওলাই আহিল । আটাইৰে মুখবোৰ বেজেৰুৱা । মুহূৰ্ত্তে কোঠাতো যেন বিষাদৰ ভাৱে আৱৰি পেলালে । মানসী কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিল । উপায়হীন হৈ ক'লে ঃ এই আভা ! কি হ'ল তোৰ, কচোন ? কান্দিছ কিয় ? শোকাৰ্ত্ত কণ্ঠে দেউতাকে ক'লে-

ঃ কি ক'ম মানসী ! সকলো মোৰেই দোষ ।

মূয়ে তাইৰ জীৱনত দুৰ্দিনৰ বংসানি গোটেই জীৱনৰ বাবে জুই লগাই দিলো । তাইক ময়ে ধ্বংস কৰিলো ।এই বুলি কৈ তেওঁ চকুপানী মোহাৰিলে ।

ঃ মানসীয়ে কথাবোৰ একো বুজিব নোৱাৰি চিঞৰি উঠিল । আপোনালোকে কথাবোৰ খুলি নকয় কিয় ? কি হৈছে আভাৰ ?

ঃ বিকাশে আকৌ পাঁচ লাখ টকা দাবী কৰিছে । তাই যদি পাঁচ লাখ টকা নিব নোৱাৰে তেনেহ'লে তাইৰ --- । বাকীখিনি কথা দেউতাকে আৰু ক'ব নোৱাৰিলে । কান্দোনে তেওঁৰ কণ্ঠ ৰোধ কৰি ধৰিলে । দেউতাকৰ কথা শুনি মানসীৰ মূৰটো গৰম হৈ গ'ল । তাই চিঞৰি ক'বৰ মন গ'ল কিয় আপুনিয়েচোন আজৰি হ'বৰ বাবেই আভাক উজ্জ্বল প্ৰতিভাক বিকশিত হ'ব নিদি টকা-পইচাৰ লালসাত পৰি ইঞ্জিনীয়াৰ বিকাশ দুৱৰা হাতত আভাক অৰ্পন কৰিছিল । আপুনিয়েটো কৈছিল, প্ৰতিজন দেউতাকে নিজৰ সন্তানৰ ভালটোহে কামনা কৰে । ক্ষন্তেকীয়া ধন-দৌলতৰ লোভত নিজৰ ছোৱালীজনীৰ ভৱিষ্যতৰ কথা চিন্তা নকৰি অবিবেচকৰ দৰে একপক্ষীয় সিদ্ধান্ত লৈ তাই জীৱনৰ সকলো সপোন ধূলিসাৎ কৰি দিলে । এতিয়া কিয় আপুনি হাৰ মানিব লগা হৈছে ? কিয় আপোনাৰ সেই আগৰ মেজাজী ব্যৱহাৰ এতিয়া নেদেখুৱাই ; কিন্তু মানসীয়ে সেইবোৰ একো ক'ব নোৱাৰিলে । কাৰণ এইবোৰ কৈ এতিয়া আৰু একো লাভ নাই । মানুহে যেতিয়ালৈকে মুখ থেকেচা খাই নপৰে তেতিয়ালৈকে তাৰ যান্ত্ৰণাৰ কথা আনে এশবাৰ ক'লেও বুজি নাপায় । তেওঁৰো সেই একেই অৱস্থা । এতিয়া তেওঁ নিশ্চয় সকলো বুজি পাইছে । হয়তু এতিয়া তেওঁৰ মানসপটত এবাৰ হ'লেও জিলিকি উঠিছে সেই দিনটোৰ কথা, যিদিনা আভাৰ বিয়াক লৈ মানসী আৰু তেওঁৰ মাজত প্ৰচণ্ড তৰ্কাতৰ্কি চলিছিল ।

ঃ এই আভা চাওঁ এনেদৰে কান্দি থাকিলে কি হ'ব । ব'ল তোৰ

ৰুমলৈ ব'ল । এইবুলি কৈ মানসীয়ে আভাৰ চকুপানীখিনি মচি দিলে আৰু আভাক তাইৰ ৰুমলৈ টানি লৈ গ'ল । কোঠাত সোমাই মানসীয়ে ক'বলৈ ধৰিলে ।

ঃ এইবোৰ আজিৰ দিনত সদায় ঘটি থকা ঘটনা । গতিকে ইয়াৰ প্ৰতিৰোধৰ বাবে আমি নাৰীসকলে প্ৰতিবাদ কৰিব লাগে । সেয়েহে এদিন তোক প্ৰতিবাদ কৰিবলৈ কৈছিলো । কিন্তু তই নকৰিলি তথাপিও তোক মই কথা দিছো, তই চিন্তা নকৰিবি, ইয়াৰ বাবে মই উচিত ব্যৱস্থা লম । এতিয়া তই কাপোৰ-কানি পিন্ধি ওলা । আমি অলপ ফুৰি আহিম ।

ঃ মোৰ সকলো শেষ হৈ গৈছে মানসী । মোৰ এতিয়া ফুৰিবলৈ যোৱাৰ মানসিকতা অকনো নাই, আভাই ক'লে ।

ঃ ইচ্ এইজনী ইমান পাগলী হৈছ কিয় ? সকলো ঠিক হৈ যাব । তই একো চিন্তা নকৰিবি । বল একো নহয়, মনটো ভাল লাগিব - মানসীয়ে ক'লে-

আভাই যাওঁ নাযাওঁকৈ বাথৰুমৰ পিনে ওলাই গ'ল । মানসীয়ে ৰুমটোৰ চাৰিওফালে চকু ফুৰালে । হঠাৎ তাইৰ চকু পৰিল ৱালত ওলমি থকা একপি ফটোত । সেই কপি ফটো তাই আৰু মানসী দুয়োজনীয়ে সৰস্বতী পূজাৰ দিনা মাৰিছিল । আভাৰ মুখত বিৰিঙি আছে এক সেউজীয়া হাঁহি, দুচকুত গভীৰ নীলা; কিন্তু আজি ক'ত হেৰাই গ'ল সেই দুচকুৰ উজ্জ্বল নীলা ! কোনে সানি দিলে তাইৰ সেই হাঁহিত বিষাদৰ বোল ! অজানিতে মানসীৰ দুচকুৱেদি দুটোপ লোতক বাগৰি আহিল ।

এনেতে কাৰোবাৰ পদধ্বনিত তাই লৰালৰিকৈ চকুহাল মচি পেলালে । পৰ্দা দাঙি আভা সোমাই আহিল । এনেতে আভাৰ মাকে দুকাপ চাহ লৈ ৰুমলৈ আহিল । তেওঁক চাহ অনা দেখি মানসীয়ে ক'লে ।-

"ইচ্ আপুনি ইমান কষ্ট কৰি কিয় চাহ কৰিব লাগে । মই ভাত খায়ে আহিছিলো ।

ঃ খাব পাৰিবা । একেবাৰে খালি চাহ , খোৱা । আভাৰ মাকে ক'লে ।

ইতিমধ্যে আভাৰ ওলোৱা হৈ গ'ল । দুয়ো চাহ খাই যাবলৈ বুলি মাক-দেউতাকক মাত লগাই ওলাই আহিল ।

ৰাস্তাত গৈ থাঁকোতে হঠাৎ সিহঁতে মৃণালক লগ পালে । মৃণালে বাইক এখন লৈ আহি আছিল । সিহঁতক দেখি সি ৰৈ গ'ল । মানসী মৃণালৰ বাগদত্তা । মৃণাল আৰু মানসীয়ে একেখন কলেজতে অধ্যাপনা কৰে ।

ঃ কেনি আহিছিলা ? মানসীয়ে সুধিলে ।

ঃ অলপ বজাৰৰ পিনে আহিছিলোঁ । অ, আভা, তুমি কেতিয়া আহিলা ? মৃণালে সুধিলে ।

ঃ মই যোৱাকালি আহিছিলো । ভালনে তোমাৰ ?

ঃ ভালেই - ।

বাৰু মৃণাল তোমাক লগ পালো ভালেই হ'ল । বলা, তোমাৰ লগত এক বিশেষ জৰুৰী কথা আছে । মানসীয়ে ক'লে । কিন্তু যাবা ক'লৈ ? মৃণালে সুধিলে । ব'লা সৌ হোটেলখনলৈকে যাওঁ । মানসীয়ে ক'লে ।

ঃ ব'লা তেন্তে ।

মানসী আৰু আভা হোটেলখনৰ পিনে গ'ল । মৃণালেও হোটেলৰ আগতে বাইকখন থৈ ভিতৰলৈ সোমাই গ'ল । হোটেলৰ এটা ৰুমত বহি আভাৰ সকলো কথা মানসীয়ে মৃণালক জনালে । তাৰ পাছত তিনিওৰে মাজত গভীৰ আলোচনা হ'ল ।

মৃণালে আভাক পৰামৰ্শ দিলে আভাই যাতে মুক্তে কণ্ঠে বিকাশক জনাই দিয়ে যে তাইৰ দেউতাকে বিকাশক এটকাও দিব নোৱাৰে ।

আভা অলপ শংকিত হ'ল । তাই ক'লে ঃ কিন্তু বিকাশ বৰ জেদী যি কয় তাকে কৰে । সি সচাঁয়ে মোক মাৰি পেলাব ।

ঃ তুমি তাৰ কথাবোৰত ইমান ভয় খোৱাৰ কাৰণ নাই । চাওঁচোন , সি তোমাক কেনেদৰে মাৰিব পাৰে ? তুমি সেই নৰ পিশাচটোৰ সৈতে তোমাৰ সোণোৱালী জীৱনৰ দিনবোৰ নষ্ট কৰিব নালাগে । আমি আছো তোমাৰ পাছত । তুমি একো চিন্তা নকৰিবা । প্ৰয়োজন হ'লে আমি পুলিচৰ সহায় লম ।

'পুলিচ !'

এইবোৰ তুমি কি কৈছা মৃণাল ! মই জানি-শুনি তেওঁক কেনেদৰে পুলিচৰ হাতত গটাই দিম ।

ভুলটো তাতেই আভা । যিজনে নিজৰ ধৰম পত্নীক টকা-পইচাৰ বিনিময়ত মৰাৰ ভাবুকি পৰ্যন্ত দিব পাৰে আৰু সেইজন ডকাইতকে তুমি ধৰম পতি বুলি সেৱা কৰি থাকিবা । এইবোৰ কি যুক্তিৰ কথা । তুমি বুঢ়ী হৈ যোৱা নাই আভা । তোমাৰ সন্মুখত এতিয়াও সুন্দৰ ভৱিষ্যত পৰি আছে । যিজনে তোমাক কোনো দিনে আপোন বুলি ভৱা নাই, যিজনে টকা-পইচাৰ লালসাত পতি-পত্নীৰ পৱিত্ৰ সম্বন্ধলৈ ল'ৰা-ধেমালি কৰিব পাৰে তেনে এজন লোকক কি যুক্তিৰে পতি বুলি ভাৱিবা । সময় এতিয়াও আছে তোমাৰ হাতত । বিকাশ নহ'লেও তোমাৰ জীৱনলৈ ফাগুন আহিব । তুমি কঠোৰ হ'বলৈ শিকা । অনৰ্গল ভাৱে কৈ গ'ল কথাবোৰ মৃণালে ।

কিন্তু সমাজে জানো মোক আদৰি ল'ব মৃণাল ?

ঃ সমাজ ! কোনখন সমাজৰ কথা কৈছা তুমি আভা ! যি খন সমাজৰ বিবেক বোলা বস্তুটোৱেই নাই সেই সমাজৰ কথাকে কৈছা নেকি ? সেইখন সমাজত তুমি ৰবফৰ দৰে শুভ্ৰ হয়ো সুখী কৰিব নোৱাৰা । যিখন সমাজে এজনী নাৰীৰ নিৰ্য্যাতনৰ কথা নাভাৱি মুখা পিন্ধা বিকাশহঁতৰ দৰে মানুহবোৰক সকলো দোষ মাফ কৰি তোমাৰ নিচিনাবোৰক উপলুঙা কৰি, হীন চকুৰে চাই ঠাট্টা কৰাৰ বাদে আন একো দিব নোৱাৰে । সেইখন সমাজ তোমাৰদৰে নাৰীৰ বাবে নহয়, বিকাশৰ দৰে পিশাচবোৰৰ বাবেহে । মই ভাৱো তুমি এনে এখন সমাজৰ কথা চিন্তা নকৰি নিজৰ ভৱিষ্যতৰ কথা চিন্তা কৰাটোহে তোমাৰ কৰ্ত্তব্য হোৱা উচিত । তোমাৰ এই সৎ আদৰ্শত অনুপ্ৰাণিত হৈ তোমাৰদৰে আন দহগৰাকীয়েও বিকাশহঁতৰ দৰে পিশাচবোৰৰ হাতৰপৰা পৰিত্ৰাণ পাব ।

অৱশেষত আভাই মৃণাল আৰু মানসীৰ আঁচনি মতে কাম কৰি যাবলৈ সিদ্ধান্ত কৰি বিকাশৰ কাষলৈ ৰাওনা হ'ল । মৃণালে বিকাশৰ ঘৰত দুজন গুপ্তচৰ নিয়োগ কৰিলে ।

এদিনাখন ৰাতি বিকাশ সুৰামত্ত হৈ আহি আভাৰ ওপৰত শাৰীৰিক নিৰ্য্যাতন কৰিলে । টকা ননাৰ বাবে অৰাইচ মাত মাতি মাতি তাইক মৰিয়াবলৈ ধৰিলে । তাইৰ গাৰপৰা তেজ ওলাই আহিল । সিমানটো সি শান্ত হোৱা নাই । এইবাৰ তাৰ পকেটত থকা পিষ্টলটো উলিয়াই আভাৰ পিনে টোৱাঁলে । আভাই ভয়তে এটা বিকট চিঞৰ মাৰিল । এনেতে এজন আৰক্ষী বিষয়া পুলিচসহ সিহঁতৰ ৰুমৰ পিনে থকা বাথৰুমৰ দুৱাৰেদি সোমাই আহি বিকাশৰ গাৰ ওপৰত জপিয়াই পৰিল আৰু তাৰ পিষ্টলটো কাঢ়ি ল'লে । অকস্মাতে হৈ যোৱা ঘটনাটোত বিকাশে অকনো ত'ত ধৰিবই নোৱাৰিলে ।

ঃ ইউ আৰ আণ্ডাৰ এৰেষ্ট মিঃ বিকাশ দুৱৰা আৰক্ষী বিষয়াজনে ক'লে ।

লগে লগে দুজন কনিষ্টবলে বিকাশৰ হাত দুখন বান্ধি পেলালে ।

*উপসংহাৰ ঃ বহুতদিন আভাৰ একো খবৰ পোৱা নাছিল মানসীয়ে । আচলতে তাইৰো আজৰি ওলোৱা নাছিল । ৰাতিপুৱাই মৃণালক ভাত-পানী দি নিজেও স্কুললৈ ওলাই যাবৰ হয়েই । সিদিনা হঠাতেই আভা আহি ওলালহি । মুখখন তাইৰ উজ্জ্বল । তাইহেনো চাকৰি কৰিব । নগাৱৰ হোজাইৰ এচ অ' এদ কলেজত চাকৰি পাইছে তাই । ইচ্ছা জীৱনটো অনাথসকলৰ মাজতে কটাই দিয়াৰ । মানসীৰ পৰা পৰামৰ্শ ল'বলৈহে আহিছে তাই । মানসীয়ে না কৰাৰ যুক্তি নেদেখিলে । তাই নিজে যেতিয়া মন কৰিছে, হয়তো বিৱাহিত জীৱনত নোপোৱাখিনি তাই তাতেই বিচাৰি পাব কণ কণ শিশুহঁতৰ মাজত । সুধিছিল বিকাশৰ কথা । সি এতিয়াও জেলতে আছে । কেতিয়া মুকলি হ'ব জানানে ? চাকৰিৰ পৰা ইতিমধ্যেই নিলম্বিত হ'ল সি । জেলৰ পৰা অহাৰ পিছত বাৰু তাৰ শুধৰণি হ'বনে ? হয়তো হ'বও পাৰে, কিন্তু আভাৰ ? আভাৰ জানো মত সলনি হ'ব ?* ❖❖



গল্প

# দুঃস্বপ্ন

❑ উৎপল খনিকৰ
স্নাতক তৃতীয় বাৰ্ষিক

অৱশেষত অৰুণিমাহঁতে ঘৰটোৰ এটা পাৰ্ট ভাৰা দিয়াটোকে ঠিক কৰিলে । এনেয়েও ঘৰটো যথেষ্ট ডাঙৰ । ভাৰা দিলে লগ এটাও হয়, পইচাৰ কথাটোও আছে । বাওঁফালৰ কোঠা দুটাকে দিব পৰা যাব । কিন্তু অৰুণিমাৰ কাৰণে সমস্যা হৈছে দিব কেনেকুৱা মানুহক ! আজি কালি ভাৰা ঘৰ পোৱা আৰু মনে বিচৰামতে ভাৰাতীয়া পোৱা সমানেই কঠিন । কেৱল দুজনীয়া পৰিয়ালক দিয়াত অৰুণিমাৰ আপত্তি নাই । কিন্তু এবাহ ল'ৰা-ছোৱালীৰে সৈতে কাৰোবাক দিব নোৱাৰি । আনহাতে নজনা নুশুনা কোনোবা ডেকা ল'ৰাকো দিয়াৰ তাইৰ মন নাই । আজিকালি মানুহক বিশ্বাস কৰাই টান ।

গিৰিয়েক পৰাণৰ বাবে বাৰাণ্ডাত বহি চুৰুটাৰটো গুঠি থাকোতে এইবোৰ কথাকে ভাৱি আছিল তাই । বুৰঞ্জীত মেজৰ লৈ বি. এ. পাছ কৰাৰ পিছতে এক প্ৰকাৰ ঘৰৰ নিৰ্দেশতে তাই পৰাণৰ লগত বিয়াত বহিছিল । প্ৰৱল ইচ্ছাসত্বেও এম এ পঢ়াটো নহ'লগৈ । আৰ্থিক দিশটো দেউতাকে যেনেতেনে চম্ভালি ল'লেহেঁতেন । কিন্তু মোমায়েকে বন্দৱস্ত কৰি দিয়া পৰাণ ফুকন নামৰ ল'ৰাজনক দেউতাকেও এৰি দিয়াৰ ইচ্ছা নকৰিলে । নিতান্ত গতানুগতিকভাৱে তাইবো এদিন বিয়া হৈ গ'ল পৰাণৰ লগত । কিন্তু আজি কেইদিনমানৰপৰা তাই অনুভৱ কৰিছে তাই আচলতে প্ৰাইভেটকৈ হ'লেও এম এ টো কৰি পেলোৱা উচিত । পৰাণক কোৱাত কোনো আপত্তি কৰা নাই । কেনেবাকৈ বুৰঞ্জীৰ অধ্যাপক এজনক ভাৰাতীয়া হিচাপে পাই যোৱাহেঁতেন .... ।

গেটখন খোলাৰ শব্দত তাই বাস্তৱলৈ ঘূৰি আহিল । গিৰিয়েক পৰাণ আহি পালেহি । উলখিনি সামৰি তাই পৰাণৰ বাবে ব্যস্ত হৈ পৰিল ।

'হেৰা, তোমাৰে ভাগ্য বুজিছা, ভাল মানুহ এজন পাইছো । কালি যে কলেজৰ ল'ৰা এজন আহিছিল তোমাৰ ওচৰলৈ আজি মানুহজনক লৈ অফিছ পালেগৈ । ইন্টাৰেষ্টিঙ কি জানা --- হিষ্ট্ৰীৰ প্ৰফেচাৰ কিবা বৰুৱা ।

"হিষ্ট্ৰীৰ প্ৰফেচাৰ ---" অৰুণিমাৰ যেন বিশ্বাস হোৱা নাই ।

অ' কলেজত নতুনকৈ সোমাইছে । মই ফাইনেলেই কৰি পেলালো । অকলশৰীয়া মানুহ যেতিয়া বৰ দিগদাৰীও নাই । চাহ খাই থাকোতেই পৰাণে কৈ গ'ল ।

ৰাতিপুৱাই অৰুণিমাই ৰুম দুটা পৰিষ্কাৰ কৰি পেলালে । টেবুল -চকী এযোৰ আৰু বিছনাৰ বাবে খাট এখন আছেই । বাকীখিনি তেওঁৰ নিজৰ কথা ।

দুপৰীয়াটো কিছু উৎকন্ঠাতে গ'ল । আবেলি সময়ত কথা দিয়া মতেই পৰাণে মানুহজন লৈ আহিল ।

"এয়া অৰুণিমা, মোৰ মিচেচ---" পৰাণে চিনাকি কৰাই দিলে । কিন্তু --- চমকি উঠিল তাই । নমস্কাৰ দিবলৈও যেন অৰুণিমাই পাহৰি গ'ল । এয়া দেখোন সীমান্ত বৰুৱা । সীমান্ত বৰুৱা যে সিহঁতৰ ঘৰ ভাৰা ল'বলৈ আহিব তাই সপোনতো ভবা নাছিল । নিজকে সম্বৰণ কৰিবলৈ কিছু সময় ল'লে তাইৰ । 'বহক' বুলি কৈয়েই তাই সোমাই আহিল, কি কৰিব তাই এতিয়া ...? ঘৰটো দিয়া ভাল হ'বনে ? ইফালে পৰাণে তেওঁক ইতিমধ্যে কথা দিলেই দেখোন । কিন্তু সীমান্ত এইটো ঘৰত থাকিলে তাইৰ বাবে জানো সুবিধা হ'ব ? যদি পৰাণৰ ওচৰত ধৰা পৰি যায় । তাই ঠিকেই মন কৰিছে, একেই আছে সীমান্ত, সেই একে চকু, একেই মিচিকিয়া হাঁহি, অলপ শকত হৈছে আগতকৈ ।

" আচলতে কথা কি জানে বৰুৱা, আপুনি ঘৰটোত থাকি কেনেকুৱা পায় নাজানো, আমাৰ এওঁ কিন্তু ভালেই পাব । বুজিছে হিষ্ট্ৰিত প্ৰাইভেটকৈ এম.এ কৰাৰ বৰ মন । আপুনি থাকিব যেতিয়া অলপ চাই দিব পাৰিব । অৱশ্যে সুবিধা পালে ময়ো ভাগ ল'ম আলোচনাত । সময় কটাবলৈ বাদাম নোচোৱালেও হ'ব - হা-হা-- । দুয়ো হাঁহি উঠিল ।

" হ'ব বাৰু পাৰিলে নিশ্চয় চাই দিম, আলোচনাও কৰিম ।" এতিয়া পিছে আহো মই , কালিলৈ বিছনা পত্ৰ খিনি লৈ আহিম" কোঠা দুটাত চকু ফুৰাই সীমান্ত সেইদিনা বিদায় লৈ যাওঁতে অৰুণিমাই মাথো চাই থাকিল । পৰাণো ওলাই গ'ল বজাৰৰ ফালে । বাৰাণ্ডাৰ চকীখনতে বহি পৰিল তাই । নাভাবো বুলি থাকিলেও জোৰকৈ পাহৰিবৰ চেষ্টা কৰিও নোৱাৰিলে তাই ।

কলেজত ভৰি দিয়াৰ এবছৰ মানৰ পিছতে তাই লগ পাইছিল সীমান্তক । সীমান্ত বৰুৱাক । কলেজখনৰে মেধাৱী ছাত্ৰ হিচাবে জনাজাত সীমান্তই আছিল তাইৰ জীৱনৰ প্ৰথম পুৰুষ । প্ৰায় ৬ বছৰ কৰিছিল নতুন জীৱন । পিছলৈ সীমান্তৰ খবৰ তাই পোৱা নাছিল । পৰাণৰ মৰমৰ উমত তাই সকলো পাহৰি আৰম্ভ হঠাতে সীমান্তক দেখি তাই যিমান আচৰিত হৈছিল, সীমান্ত কিন্তু



প্ৰায় স্বাভাৱিক আছিল । তাৰমানে সি জানি বুজিয়েই আহিছে নেকি ? লগত কাম কৰা সৰু ল'ৰা এটা লৈ আহিছে, কিন্তু সীমান্তই এতিয়াও কিয় বিয়া পতা নাই ? তেনেহ'লে তাইক এতিয়াও সি ---- ছি---- কি কথাবোৰনো ভাৱিছে তাই । সিদিনা সীমান্তৰ ৰুম দুটাত সোমাই চকু দিছিল তাই । বেছ পৰিপাটীকৈয়ে ৰাখিছে । আগৰেপৰাই সকলো কামতে চিজিল আছিল সীমান্ত ।

তীব্ৰ মানসিক অন্তৰ্দ্বন্দ্বত ভূগিছে অৰুণিমা । আচলতে ঘৰটো ভাৰালৈ দিয়াটোৱেই ভুল হ'ল বোধকৰো । ৰাতিও টোপনি নাইকিয়া হ'ল তাইৰ । গভীৰ টোপনিত পৰি থকা পৰাণৰ মুখখনলৈ চাই ভাৱি থাকে তাই । এই সংঘাত কিয় আহিল তাইৰ জীৱনলৈ ? সীমান্তৰ অন্তৰ তাইৰ কাৰণে এতিয়াও ব্যাকুল ; কিন্তু এয়া জানো সম্ভৱ ? পিছ মুহূৰ্ত্ততে ভাৱে জীৱনটো আৰম্ভ হৈছেহে তাইৰ । বহু দূৰেইটো যাবলৈ আছে । পৰাণৰ লগত বিয়া হ'লেও মনে বিচৰা সকলোখিনি তাই নাই পোৱা পৰাণৰ পৰা । কিন্তু সীমান্ত যে বৈ গ'ল তাইৰ বাবেই । বহুদিন ভাৱিছে তাই । তাই নাথাকিলেও পৰাণ হয়তো চলি থাকিব । মানুহজনেই তেনেকুৱা । কিন্তু সীমান্ত --- সি পাৰিব জানো --- সি নিজেই কৈছে কলেজৰ চাকৰি এৰি এ চি এছ অফিচাৰ হিচাবে জইন কৰিবগৈ । আজি চাৰি দিন হ'ল সীমান্ত গুৱাহাটীলৈ গৈছে । ঘূৰি আহি তাইৰ পৰা চূড়ান্ত সিদ্ধান্তটো জানিবলৈ বিচাৰিব । ইতিমধ্যেই অৰুণিমাই প্ৰায় ঠিক কৰি পেলাইছে ডাইভোৰ্চ কৰাৰ কথাটো । পৰাণৰ ওচৰত জীৱনটো ব্যৰ্থ কৰি কটাই দিয়াতকৈ সীমান্তৰ মাজত যে তাই সকলো বিচাৰি পাব । ডাক্তৰে ইতিমধ্যেই ঘোষণা কৰিছে যে দোষ পৰাণৰহে । সন্তান জন্ম দিওৱাৰ ক্ষমতা তাৰ নাই ।

বাহিৰত কিনকিনিয়া বৰষুণ । দুদিন ধৰি দিয়া বৰষুণজাকে ঠাণ্ডাৰ ভাৱ এটা আনি দিছে । কথাবোৰ জুকিয়াই ল'ব পৰা নাই । সীমান্তই তাইক বুজাই কৈছে, ডাইভোৰ্চ কৰিলেও সেয়া কোনো পাপ নহয় তাইৰ বাবে । আৰু অপবাদ মাথো দুদিনৰ বস্তু । পিছত মানুহে সকলো পাহৰি যাব । কিন্তু তাইৰ বিবেকে এতিয়াও মুকলি কৈ সন্মতি জনোৱা নাই । সন্তান জন্ম দিয়াৰ ক্ষমতা নাথাকিলেও পৰাণ তাইৰ স্বামী । এৰি যোৱাটো উচিত হ'ব জানো ? কিন্তু তাইক নাপালে তাইৰ সীমান্তও যে শেষ হৈ যাব । আকৌ মাতৃত্বৰ উপলব্ধি নোহোৱাকৈ নাৰীৰ জীৱন জানো পূৰ্ণ হ'ব পাৰে ? আৰু সীমান্তৰ কাৰণে এতিয়াও ইমান চিন্তা হৈছে যেতিয়া তাই তাৰমানে পৰাণক সম্পূৰ্ণ নিজৰ বুলি আকোৱালি ল'ব পৰা নাই । পৰহিলৈ সীমান্ত আহিব । ঘৰটো এৰি দিয়াৰ লগতে তাই কি সিদ্ধান্ত ল'লে সেয়া জানিবলৈ বিচাৰিব । আদালতৰ কামখিনি সিয়েই কৰাই দিব, মাথো তাই সন্মতি জনালেই হ'ল ।

এয়া, সীমান্ত বৰুৱাৰ টেক্সিখন ওলাই গৈছে, " তুমি যোৱাগৈ সীমান্ত আৰু আমনি কৰি মোৰ জীৱনটো ধ্বংস নকৰিবা । ভুল কৰিব খুজিছিলো । পাৰিলে ক্ষমা কৰি দিবা । মোক এনেকৈয়ে থাকিবলৈ দিয়া, প্লিজ----" । কান্দোনত ভাগি পৰা অৰুণিমাক সীমান্তই সান্তনা দিব পৰা নাছিল । " মই আহিলো, তুমি সুখেৰে থাকা, মোৰ বাবে সেয়াই হ'ব শান্তিৰ অঞ্জলি । লাহে লাহে নামি গৈছিল সি বাৰাণ্ডাৰ পৰা । সীমান্তই এৰি যোৱা ৰুমটোৰ দুৱাৰখন বন্ধ কৰি বহু সময় জুৰি মাথো কান্দিছিল অৰুণিমাই । কি হৈছিল বাৰু তাইৰ সঁচাকৈ ? পৰাণে বাৰু কি কৰিলেহেঁতেন তাই গুছি যোৱাৰ পিছত ...?

ৱাল ক্লকটোৱে চাৰি বজাৰ সংকেত দিলে । বিছনাৰ পৰা নামি আহিল তাই । বাথৰুমত গৈ মুখখন ঠাণ্ডা পানীৰে ধুই পেলালে । পৰাণ আহিবৰ হৈছে । চাহকাপ কৰি দিব লাগিব । হৈ যোৱা ঘটনা খিনি এটা দুঃস্বপ্ন যেনেই লাগিল তাইৰ । কালিলৈ কাতি বিহু । তুলসীৰ ভেঁটি এটাও বান্ধিব লাগিব । চোতাললৈ নামি আহিল তাই । শালিকা চৰাই দুটাই তাইৰ উপস্থিতি গ্ৰাহ্য নকৰি নিজৰ মাজতে ধেমালি কৰি আছে । মনটো এক সজীৱ আনন্দত বুৰ গ'ল তাইৰ । ❖❖

---

*"ফুলিবলৈ ধৰাৰ আনন্দত ফুলৰ কলিটিয়ে মিচিকিয়াই হাঁহে, কিন্তু সি নাজানে সেয়া যে তাৰ মৃত্যুৰেই আগজাননী"*

---

*"চক্ৰৱৎ পৰিৱৰ্ত্তন্তে সুখানি চ দুখানি চ "*
*" সুখ আৰু দুখ জীৱনত চকৰিৰ দৰেই ঘূৰি আছে । দুখৰ পিছতেই সুখৰ দিন আহে, প্ৰয়োজন মাথো সামান্য ধৈৰ্য্যৰ "*

---

*"মরিতে চাহিনা আমি এই সুন্দর ভূৱনে*
*মানুষের মাঝে আমি বাচিবার চাই"*
*- ৰবীন্দ্ৰনাথ*

গল্প

# অপেক্ষা

*সুশীলা দেউৰী*
*স্নাতক তৃতীয় বাৰ্ষিক*

একেলেঠাৰিয়ে ৫টা ক্লাচ কৰি বৰ ক্লান্ত অনুভৱ কৰিলে শিখাই। বুধবাৰৰ দিনা তাইৰ বেছি ক্লাচ থাকে বাবে তাই সেইদিনা বৰ ভাগৰুৱা হৈ ঘূৰে ঘৰলৈ । আজি তাই ভীষণ বিমৰ্ষ। দেহ-মন দুয়োটাই তাইক অৱশ কৰি পেলাইছে। কলেজৰপৰা আহি কাপোৰ নসলোৱাকৈয়ে তাইৰ নিৰ্দিষ্ট চকীখনত বহি পৰিল।

হঠাৎ প্ৰণৱক লগ পাই যাব বুলি তাই সপোনতো ভবা নাছিল। শিখাৰ মনটো উৰা মাৰিছে ছবছৰ আগৰ ঘটনাবোৰলৈ। কিযে ৰঙীণ আছিল সেই দিনবোৰ। অতীতবোৰ সঁচাই ৰঙীণ। তাতোকৈ ৰঙীণ আছিল সেই কৃষ্ণচূড়া জোপাৰ তলত গোপনে ভাস্কৰক লগপোৱা মুহূৰ্ত্তবোৰ। চন্দ্ৰা, মণিষা আৰু মল্লিকাহঁতৰ এসোপা সঁচা মৰম, ভাস্কৰৰ নিবিড় ভালপোৱা প্ৰণৱ, যোগান্তহঁতৰ অভিমান ভৰা ধেমালী এইবোৰে শিখাৰ জীৱন ধন্য কৰি তুলিছিল।

আজি প্ৰণৱক লগ পাই ছবছৰৰ আগৰ ঘটনাবোৰ তাইৰ মনৰ দাপোনত ভাহি উঠিছে। পকা থেকেৰাৰ দৰে শিখাজনীৰ জীৱনত বহু যুৱকৰ প্ৰভাৱ পৰিছিল। তাৰে ভিতৰত ভাস্কৰ অন্যতম বুলি তাই গণ্য কৰিছিল। হৃদয়ক জাগ্ৰত কৰিবপৰা একমাত্ৰ যুৱক আছিল ভাস্কৰ, য'ত তাই বিছাৰি পাইছিল জীৱনটো সুন্দৰভাৱে উপভোগ কৰাৰ আশা। এৰা আশাৰ বন্দী হৈয়ে মানুহ জীয়াই থাকে। আশাত বন্দী হৈয়ে মানুহে ভাল আৰু বেয়া দুয়োটা দিশতে বহুদূৰ আগবাঢ়ি যায় ক'ব নোৱাৰাকৈয়ে। শিখাও ৰংচঙীয়া পৃথিৱীৰ মায়াজালত পৰি আশাত বন্দী হৈ প্ৰেমৰ সাগৰত বহুদূৰ আগবাঢ়ি গ'ল। কথাতে কয় প্ৰেমৰ নৈ বোৱাই দিবা; কিন্তু ডুবি নাযাবা। কিন্তু শিখা ডুবি গ'ল। সেই সময়তে তাই দেখিছিল পৃথিৱীখন বৰ সহজ নহয়। বৰ জটিল। পৃথিৱীখন ৰংচঙীয়া নহয়; ইয়াৰ এটা কুৰূপা দিশো আছে। তাইৰদৰে দুখীয়া ছোৱালীবোৰৰ নিস্বাৰ্থ প্ৰেম আজিৰ যুগত মূল্যহীন। মূল্যহীন এচাম অভিজাত্য ৰক্ষণশীল মাক-দেউতাকৰ ওচৰত সেয়ে তাই প্ৰথমবাৰলৈ থমকি ৰব লগাত পৰিল।

ভাস্কৰ বৰুৱা। সুঠাম দেহৰ সুন্দৰ স্বাস্থ্যৰ এটি ল'ৰা, যাৰ এটা বলিষ্ঠ বিচাৰ শক্তি আছে, এটা উদাৰ শক্তিশালী মন আছে। এখন মৰম-কোমল অন্তৰ আছে। ৰক্ষণশীল ধনী মাক-দেউতাকৰ একমাত্ৰ সন্তান যদিও দুখীয়াৰ অন্তৰৰ যাতনা বুজি পোৱা বহল বুকুৰ এটি যুক্তিনিষ্ঠ, পৰিছন্ন দৃষ্টিভংগী আছে। পৃথিৱীৰ ৰঙীণ জীৱনৰ ওঠৰটা বসন্ত পাৰ কৰি এদিন কলেজত ভৰি দিলে। ৰঙীণ পৃথিৱীৰ ৰঙীণ ৰসত সিও এদিন ডুবি গৈছিল কলেজলৈ যোৱা প্ৰথম দিনাই সি লগ পাইছিল মৰমলগা শিখাক। প্ৰথম দৃষ্টিতেই সি তাইৰ চকুত ধৰা পৰি গৈছিল। লগৰ ল'ৰাজনক সুধি সি গম পালে Economicsত মেজৰ। বেচ চোকা ছোৱালী ভাস্কৰ যিদৰে মুগ্ধ হৈছিল শিখাৰ ডাঙৰ ডাঙৰ সজল চকুদুটা আৰু হাঁহি হাঁহি কোৱা মিঠা মিঠা কথাবোৰত সেইদৰে শিখাও ভাল পাইছিল ভাস্কৰৰ গান-চিনেমা, খেলা লৈ ব্যস্ত হুলস্থূলীয়া স্বভাৱটো। ক'ব নোৱাৰাকৈয়ে দুয়ো দুয়োকে ভাল পাই পেলাইছিল।

তাৰ পিছত দিনবোৰ গতানুগতিকভাৱে পাৰ হৈ গৈছিল।. প্ৰণৱ, যোগান্তহঁতৰ সহায়-সহযোগত তাইৰ হৃদয়ত পদুম ফুলিছিল। সিহঁত এনেদৰে মিলি গৈছিল যেন আটাইকেইটাৰে এখন হৃদয়; যেন অভিন্ন। শিখাৰ দুখত দুখী আৰু সুখত যেন সুখী হৈছিল যেন লাগিছিল। সিহঁতৰ মাজত থাকি শিখাই ঘৰখনৰ অৱস্থাটোৰ কথা খন্তেকলৈ পাহৰি পেলাইছিল। মাকৰ উপাৰ্জনেৰে যেনে-তেনে জোৰা-টাপলি মৰা ঘৰখনৰ কথা তাই পাহৰি পেলায়। তাই যেতিয়া হায়াৰ চেকেণ্ডাৰী ফাইনেল বৰ্ষৰ ছোৱালী তেতিয়াই তাইৰ দেউতাক গুচি গৈছিল কোনোবা অচিন দেশলৈ। উঃ কিযে কষ্টকৰ আছিল দিনবোৰ। অশেষ কষ্টৰ মূৰকত যেনিবা মাকৰ শিক্ষয়িত্ৰী চাকৰিটো পাই গৈছিল। শিখাই সকাহ পাইছিল। তথাপিও কেৱল মাকৰ উপাৰ্জনেৰে ঘৰখন চলাও কিছু অসুবিধাই দেখা দিছিল। গতিকে তাই ৰাতিপুৱা-গধূলি ট্ৰিউচন লৈছিল। তাইৰ একমাত্ৰ আশা কেনেকৈ ভায়েক ৰাজীৱক মানুহ কৰি তুলিব পাৰে। সেয়ে তাই ব'ৰ সাৱধানতাৰে আগবাঢ়িব বিচাৰে। প্ৰেমৰ নামত প্ৰতাৰিত হ'ব নিবিচাৰে।

এদিন শিখাই ভাস্কৰক কৈছিল "ভাস্কৰ তুমি দেউতাৰৰ একমাত্ৰ সন্তান তেনেস্থলত তোমাৰ দেউতাই মোৰদৰে নিম্ন পৰিয়ালৰ ছোৱালী এজনীক বোৱাৰী হিচাপে নিবলৈ মান্তি হ'ব জানো? তোমাৰ মোৰ ভালপোৱাবোৰ যেন সদায়ে স্বপ্ন হৈয়ে ৰব। ভাস্কৰে কৈছিল "তুমি তেনেকৈ নকবা শিখা। আমি মানুহ। এয়াই আমাৰ আজিৰ পৰিচয়। আমাৰ ভালপোৱাৰ মাজত ধনী-দুখীয়া, উচ্চ-নীচৰ কোনো প্ৰভেদ থাকি ৰ'ব নোৱাৰিব শিখা। তুমি মোক এনে কথা আৰু কেতিয়াও নকবা। প্ৰবোধ নিয়াইছিল শিখাক। তথাপিও শিখা কেতিয়াবা থমকিবৰ লগাত পৰিছিল। সেয়ে প্ৰায়ে ভাস্কৰক এনেবোৰ কথা শুনাইছিল। অৱশ্যে ভাস্কৰে প্ৰায়ে শিখাক তাৰ দেউতাকৰ স্বভাৱৰ বিষয়ে কৈছিল কেৱল ধন চিনি পোৱা বাপেকৰ একমাত্ৰ পুত্ৰ কেনেদৰে যে মনৰ ইমান অমিল। আচৰিত হৈছিল শিখা।

এনেদৰে দিনবোৰ বাগৰিছিল। তাই ক্ষণ গণিছিল সময়লৈ। দিনবোৰ গৈ মাহ আৰু মাহবোৰ গৈ বছৰত পৰিণত হৈছিল। সেইদিনা এনেয়ে লাগবান্ধ নোহোৱা কথা পাতি আছিল ভাস্কৰ আৰু শিখাই। কথাৰ মাজতে তাই পুনৰ কৈ পেলাইছিল ভাস্কৰহঁতৰ অভিজাত্যৰ কথা। ভাস্কৰক অনুৰোধ কৰিছিল দেউতাকৰ আত্মসন্মানত কুঠাৰাঘাত নকৰিবলৈ। ভাস্কৰে একো কোৱা নাছিল। অন্যফালে চাই তাই আৰু বহু কিবা-কিবি কৈছিল ভাস্কৰক। কিন্তু সেইবোৰ ভাস্কৰৰ কাণত পৰিলনে নাই তাই ক'ব নোৱাৰে। ইমানপৰ মৌন হৈ থকা ভাস্কৰলৈ ঘূৰি চাই দেখিলে ভাস্কৰ তাত নাই। ইফালে-সিফালে চাইও তাই ভাস্কৰক নেদেখি গুচি আহিছিল ক্লাছ ৰূমলৈ। ক্লাচৰূমতো নেদেখি প্ৰণৱক সুধিবলৈ আগবাঢ়ি যাওঁতে তাই দেখিলে প্ৰণৱে তাইলৈ এখন চিঠি আগবঢ়াই দিছে। অজানিতে তাইৰ বুকুখন কঁপি উঠিল। খপজপকৈ চিঠিখন খুলি তাই দেখিলে ভাস্কৰে তাইলৈ দিছে। তাই এইয়া কি পঢ়িছে। পুনৰ আকৌ পঢ়িবৰ বাবে তাই ডাঙৰকৈ চকুমেলি ধৰিছে--"তুমি যদি বিছৰা নিশ্চয় সময়ত লগ পাম যদিহে জীয়াই থাকো — ইতি তোমাৰ ......। তাই আৰু পঢ়িব নোৱাৰা হ'ল। দুচকুৰে ধাৰসাৰে চকুলো ববলৈ ধৰিলে। তেনেহলে কি ভাস্কৰে উগ্ৰপন্থীত যোগ দিব। তাই চকুৰে ধোৱা-কোঁৱা দেখিলে। তাইৰ বাবেই আজি ভাস্কৰে উগ্ৰপন্থীত যোগ দিলে। কিমান নিষ্ঠুৰ তাই, কিমান নিৰ্দয়া। ভাস্কৰৰ গভীৰ প্ৰেম বুজিও তাই কিয় এনে নিদাৰুণ কথাবোৰ বাৰে বাৰে শুনাইছিল। কিয় এনেদৰে তাৰ অন্তৰত আঘাত হানিছিল। তাই কান্দি কান্দি শিতানৰ গাৰু তিয়াই পেলাইছিল।

তাইৰ বিশ্বাস আছিল তাইৰ ভাস্কৰ এদিন ঘূৰি আহিব। পুনৰ তাইক সঞ্জীৱিত কৰি তুলিবহি। তাই ভগৱানক সদায় প্ৰাৰ্থনা কৰিছিল যেন তাইৰ ভাস্কৰক কুশলে ৰাখে। লাহে লাহে তাই সুস্থিৰ হৈ উঠিল। পৰীক্ষালৈ মাত্ৰ দুমাহ বাকী। পঢ়াৰ প্ৰতি যিমানেই মন দিছে যিমানেই ভাস্কৰলৈ মনত পৰিছে। আজি ভাস্কৰ থকা হ'লে সিও একেলগে পৰীক্ষালৈ সাজু হ'লহেঁতেন। তাই আশা কৰিছিল অন্তঃ পৰীক্ষাৰ শুভেচ্ছা দিবলৈ ভাস্কৰ যেনেকৈ হ'লেও তাইৰ ওচৰলৈ আহিব। কিন্তু পৰীক্ষাৰ আগমুহূৰ্ত্তলৈকে অপেক্ষা কৰিও ভাস্কৰক দেখিবলৈ নাপালে। এদিন পৰীক্ষা শেষ হ'ল। সকলোকে চিৰবিদায় দি তাই ঘৰলৈ ঘূৰিল নিৰাসমনে।

ইফালে ভায়েকৰ খৰচ বাঢ়ি গৈছে। তাই আগতকৈ বেছি ট্ৰিউচন ল'লে। নিজক ব্যস্ত ৰাখিব বিচাৰে শিখাই। তথাপিও কেতিয়াবা তাই আনমনা হৈ পৰে। তাই ভবা নাছিল ভাস্কৰে যে কেতিয়াবা এনে সিদ্ধান্ত ল'ব। ভাস্কৰৰ অভিমানী মুখখনলৈ বাৰে বাৰে মনত পৰে। নিজৰ ওপৰতে ধিক্কাৰ জন্মে। শিখাৰ ৰিজাল্ট ইতিমধ্যে ওলাইছিল, তাই ফাৰ্ষ্টক্লাছ ছেকেণ্ড হৈ পাছ কৰিলে। তাইৰ ৰিজাল্টত মাক পৰম সুখী হৈছিল; কিন্তু সুখী হ'বপৰা নাছিল শিখা। ৰিজাল্ট পোৱা পিছৰেপৰা তাই অধিক দহিবলৈ ধৰিছিলে। মাক আৰু ভায়েকৰ আঁৰে আঁৰে খুউব কান্দিছিল। ভগৱানক কাতৰ প্ৰাৰ্থনা জনাইছিল তাইৰ ভাস্কৰক যেন ওচৰলৈ আনি দিয়ে।

খুউব সোনকালে তাইৰ নিতাই হাইয়াৰ ছেকেণ্ডাৰী স্কুলত "এপইন্টমেন্ট" হৈ গ'ল। আৰ্থিক অভাৱৰ বাবেই তাই মাষ্টাৰ ডিগ্ৰী পঢ়াৰ হেঁপাহ দমাই ৰাখিলে। তাইৰ উন্নতিত মাক অত্যন্ত সুখী হৈছিল। কিন্তু শিখা যেন সম্পূৰ্ণ সুখী হ'বপৰা নাই। যেন ক'ৰবাত ভুল হৈ গ'ল। কিবা এক শূন্যতা। অবুজ উদাসীনতা। হঠাৎ মাকৰ মাতত তাই উচপ খাই উঠিল। তাই এতিয়া বাস্তবলৈ ঘূৰি আহিছে। ছেঃ কিবোৰ যে ভাৱি আছিল তাই। মাকে বাৰু কি ভাবিছে। তাই হাতৰ ঘড়ীলৈ চালে ৩-৩০। তাই ল'ৰালৰিকৈ বাথৰূম লৈ গৈ হাত মুখ ধুই আহিল আৰু মাত্ৰ আধা ঘণ্টা। অলপ পিছতে আহিব তাইৰ ভাস্কৰ। আজি সম্পূৰ্ণ ছবছৰৰ মূৰত তাই ভাস্কৰক লগ পাব। ভাস্কৰ অহাৰ খবৰটোকে প্ৰণৱে দিছিল। তাই মনতে ভাৱিলে ভাস্কৰক এনেদৰে কেতিয়াও এৰি নিদিয়ে। কেতিয়াও......।

❖❖❖

গল্প

# ধুমুহাৰ শেষত

❑ দেৱব্ৰত গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

ৱালক্লকটোৱে টং টংকৈ বাৰ বজাৰ সংকেত দিলে । টোপনি অহা নাই মোৰ; বিছনাখনতে চাটি-ফুটি কৰি আছোঁ । আজি টোপনি নাহিবই বোধকৰোঁ । লাইটতো জ্বলাব খুজিও জ্বলোৱা নাই, আন্ধাৰেই ভাল । বিয়াঘৰৰপৰা গান, ফটকাৰ শব্দ তেতিয়াও ভাঁহি আহি আছে । ফটকাবোৰ যেন তাত নহয় মোৰ বুকুতহে ফুটিছে । সোঁৱৰাই দিছে সপোন লগা সেই অতীতৰ দিনবোৰক । সীমাহীন দুখত ভাগিপৰা মোৰ অবুজ মনটোক সান্ত্বনা দিবলৈ আজি কোনোবা থকাহেঁতেন । কিয় এনে হ'ল বাৰু ? ইমান ডাঙৰ দোষ কৰিছিলোনে মই যে, এনেকৈ শাস্তি ভুগিবলগীয়া হ'ল । খিৰিকিখন মেলি দিলোঁ এইবাৰ ঠাণ্ডা বতাহ এছাটি সোমাই আহিল । এৰা আঘোণ সোমোৱাৰ লগে লগে শীতেও আগজাননী দিছেহি । বাহিৰত ফৰিংফুটা জোনাক, আকাশখন তৰাৰে জকমকাই আছে । ডাৱৰৰ কণিকা এটাও নাই; কিন্তু এই মুহূৰ্ত্তত মই কামনা কৰিছিলোঁ এজাক ধুমুহা বৰষুণৰ । অন্তৰৰ ধুমুহাজাক কিছু কমকৈ অনুভৱ কৰিলোহেঁতেন চাগৈ ।

নাই পৰি থাকিব নোৱাৰি । দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিলোঁ । বিয়াঘৰৰ পোহৰে চৌদিশ পোহৰাই ৰাখিছে। বাৰাণ্ডাৰ আৰামী চকীখনতে বহি পৰিলোঁ । আগফালৰ শেৱালী জোপাৰপৰা ধুনীয়া গোন্ধ এটা আহিছে । গছপাতবোৰ ৰিব্ ৰিব্ বতাহত লৰি আছে । মলয়াৰ সুকোমল স্বাৰ্থত ধেমালি কৰিছে চাগৈ । এৰা এদিন এই সময়ৰ স্পৰ্শতে মোৰো জানো দেহ-মন উঠলি উঠা নাছিল । কাৰণ তেতিয়া মোৰ কাষত অনামিকা আছিল । ওৰেটো জীৱনৰ বাবে সুখ-দুখৰ সমভাগী হোৱাৰ প্ৰতিশ্ৰুতি দিয়া অনামিকাৰ সান্নিধ্যত সঁচাকৈয়ে সকলো পাহৰি থাকিব পাৰিছিলোঁ । মোৰ দৰে তাইৰো একে অনুভৱেই হৈছিল; কিন্তু তাৰ পিছতেই এয়া কি হৈ গ'ল সঁচাকৈ ? দোষ কাৰ আছিল বাৰু ? মোৰ নে তাইৰ... নে ভাগ্যৰ... । এৰা আন একো নাথাকিলে ভাগ্যকেই দোষা যায় । মোৰ ক্ষেত্ৰতো সেয়াই হৈছিল; কিন্তু মই এতিয়াও বুজি নাপালোঁ তাই ইমান সোনকালে কেনেকৈ পাহৰি যাব পাৰিলে ? মইতো নোৱাৰিলোঁ, ছোৱালীবোৰৰ কাৰণে এইবোৰ নিচেই সাধাৰণ কথা নেকি বাৰু ? কিন্তু তাইতো তেনেকুৱা নাছিল । চাৰিটা বছৰতো কম সময় নহয় । এই চাৰিটা বছৰ তাৰমানে মোৰ লগত অভিনয়হে কৰিলে নেকি ? কিন্তু ভাৱ অনুভূতি একালৰ সেই মিঠা স্মৃতি সযতনে সাঁচি ৰখা সেই কেঁচা দিনবোৰৰ জীৱন্ত দলিলবোৰ... সেইবোৰেতো মিছা কথা নকয়...

'কি হ'ল, একদমচোন মন-চন মাৰি বহি আছে । গা ভাল নহয় নেকি ?' দিনৰ দুটামান বাজিছিল । কলেজৰ মেগাজিনখনৰ কাৰণে গল্প, এটা লিখিব লাগে; সম্পাদকে কৈ আছে । বাৰাণ্ডাৰ টেবুলখনতে বহীখন থৈ চিন্তা কৰি আছোঁ কি লিখিবপৰা যায় । গেটখন খুলি অকস্মাতেই সোমাই আহিছিল অনামিকা ।

'আহা, আহা, দুপৰীয়াখন ক'ৰপৰা ওলালাহি ?' চকীখন আগবঢ়াই দি তাইক বহিবলৈ দিলোঁ ।

'বেয়া পাইছে নহয় ?' আচলতে অলপ আমনি কৰিম বুলিয়েই আহিলোঁ ।' চুলিকোচাত হাতখন ফুৰাই বহি পৰিল তাই ।

'বেয়া পোৱা, ভাল পোৱাৰে সকলোবোৰ আৰম্ভ নকৰিবাচোন আৰু মই ভালপোৱা বেয়া পোৱাবোৰৰ জানো কিবা অৰ্থ আছে ?'

'মানে ... ?'

মানে একো নাই, বাৰু বাদ দিয়া, ইমান চিৰিয়াচ হ'ব নাপায় । তোমাৰ খবৰ কোৱাচোন পৰীক্ষা কেনেকুৱা হ'ল ? বিহু ফাংচনো কৰিছা বোলে ?'

কিছু সময় নামাতিলে তাই । মন কৰিলোঁ, মনটো তাইৰ কিবা কাৰণত মৰা । তাইক ড্ৰইংৰুমলৈ মাতি আনি ফেনখন চলাই দিলোঁ ।

'বৰমা নাই... ?' তাইৰ অপ্ৰতিভ প্ৰশ্ন ।

'আছে ভিতৰতে তাঁতশালত লাগি আছে ।'

'দ্বিপেনদা কথা এটা সোধো ?'

'সোধা, পাৰিলে উত্তৰ দিয়াৰ চেষ্টা কৰিম ।' নোৱৰা যেন দেখিলে সৈ কাঢ়ি দিম । নহ'লে ২ নং প্ৰশ্ন কিবা আছে নেকি বিচাৰিম ।'

'জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা কি ?'

আচৰিত প্ৰশ্ন, তাইৰপৰা এইটো সময়ত এনে এটা প্ৰশ্ন আশা কৰা নাছিলোঁ । কি ভাৱি বা সুধিছে সেয়াও বুজিবপৰা নাই । চকুলৈকে চাই আছে একে থৰে ।

'সোধাৰ কাৰণটো মই নিশ্চয় জানিব পাৰোঁ ?'

'সেয়া পিছত জানিব, আগতে কওঁকচোন ।'

'মোৰ ধাৰণা কি সেয়া তোমাৰ লগত নিমিলিবও পাৰে। আপত্তি কৰিবা নেকি ?'

'প্ৰত্যেকৰে ব্যক্তিগত ধাৰণা থাকে, থকাটোৱেই স্বাভাৱিক ।'

'লাইফ ইজ জাষ্ট এ ষ্ট্ৰাগ'ল ।'

প্ৰত্যাহবানেৰে ভৰা এই সংগ্ৰামত জয়ী হ'বৰ কাৰণে নিজকে প্ৰস্তুত কৰি তোলাটোৱেই হ'ল সময়ৰ সদ্ব্যৱহাৰ । আমি আহাৰ খাই আছোঁ, দুসাজ বা দুদিন লঘোনে থকা, আহাৰৰ প্ৰয়োজনীয়তা তেতিয়াহে বুজিবা, জীৱনৰ সফলতাও ঠিক তেনেকুৱাই । সংঘাত নাপালে ইয়াক বুজা নাযায় । অসাৰ সংসাৰ অৰ্জন মই সমৰ্থন নকৰোঁ । তুমি নিজৰ কাম কৰি যোৱা, সময়ে সুফল কঢ়িয়াই আনিব । আশা কৰোঁ হৈছে উত্তৰটো ?'

'দহৰ ভিতৰত পাঁচ নম্বৰ' তাই খিল-খিলাই হাঁহি উঠিল।'

'বাৰু এতিয়া জানিব পাৰোঁনে এনে আবতৰীয়া প্ৰশ্নৰ কাৰণটো কি ?'

'জীৱনক ভাল পাবৰ ইচ্ছা কৰিছোঁ ।'

'ভাল কথা, মোৰ শুভেচ্ছা থাকিল ।'

'অকল শুভেচ্ছা বিচৰা নাই মই' ক্ষন্তেক ওপৰলৈ চাই ৰ'ল তাই । 'আপুনি মোক আজিও বুজি নাপালে সঁচাকৈ ?'

ক্ষন্তেক সময় কাৰো মুখত কথা নাই; কিন্তু নীৰৱতাৰ মাজেৰেও বহু কথা পতা যায় । কিছুসময়ৰ পিছতে তাই বিদায় লৈছিল পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতি আদায় কৰি । পাইছিলোঁ, বহুবাৰ পাইছিলোঁ, লুইতৰ পাৰত বহি কথা পাতিছিলোঁ, লগ হৈছিলোঁ পদূলিৰ সেই শেৱালীজোপাৰ তলত, কলেজত বহুদিন, বহুবাৰ । ভাল লাগিছিল তাইৰ অভিমানভৰা কথাবোৰ, সততে চিন্তিত হৈ পৰা মুখখন । সপোন ৰচিছিলোঁ সোণালী ভৱিষ্যতৰ, বহুত কিবাকিবিয়েই ভাৱি পেলাইছিলোঁ । লাহে লাহে দুয়োখন ঘৰত গম পাইছিল আমাৰ সম্পৰ্কৰ কথা; কিন্তু মই সচেষ্ট আছিলোঁ ঘৰখন কিছু থানথিত নলগালৈকে অধিক আগবাঢ়িব নোৱাৰি । ভৱামতেই ডাঙৰজনী ভন্টীক বিয়া দিব পাৰি কিছু সকাহ পাইছিলোঁ । সৰুজনী ভন্টী নৱমীয়ে মেট্ৰিক দিছিলহে, তাইৰ কাৰণে বিশেষ ভাৱিবলগীয়া নাছিল । পঢ়া-শুনাতো বেয়া নাছিল তাই । সময়বোৰ পাৰ হৈছিল পাখি লগা কাঁড়ৰ গতিৰে । বহু চেষ্টাৰ মূৰত প্ৰয়াত দেউতাৰ স্কুলখনতে যোগদান কৰিছিলোঁ; কিন্তু তাৰ পিছতে... এৰা তাৰ পিছতে হিচাপত মোৰ ভুল লাগিছিল। ভুল কৰিছিল অনামিকাই । একমাত্ৰ দুহিতাক স্কুল শিক্ষকৰ হাতত দেউতাকে গটাবৰ ইচ্ছা কৰা নাছিল । কোনোবা প্ৰশান্ত বৰুৱা নামৰ ডাক্তৰৰ লগত অনামিকাৰ বন্দবস্ত খাটাং হৈছিল; কিন্তু জীৱনৰ সৰ্বস্ব সপি দিবলৈ প্ৰস্তুত থকা ছোৱালীজনীয়ে সামান্য প্ৰতিবাদো নকৰিলে । নাৰী চৰিত্ৰৰ এই দিশটো মোৰদৰে হয়তো বহুতৰ বাবেই দুৰ্বোধ্য; কিন্তু অনামিকা জানো সঁচাকৈয়ে সুখী হ'ব পাৰিব ? হয়তো পাৰিব, নহয় মোৰহে ভুল হৈছে । বস্তুবাদী জগতখনত সকলোৰে বাবে টকা-পইচা, সা-সম্পতিয়ে হ'ল সুখৰ আধাৰ । সকলো পোৱাৰ পিছতো যে, মানুহৰ আৰু কিবা থাকিব পাৰে, সেয়ানো কেইজনে অনুভৱ কৰে ? অনামিকাও সেই মিছিলৰে অংশ ।

ভাৱি পোৱা নাই কি কৰা উচিত হ'ব ? ইটোৰ পিছত সিটোকৈ চিগাৰেটে চকু মুহি আছে । কিছু দিনৰপৰা মনতো ক'তো বহুৱাবপৰা নাই । মৰমৰ গীটাৰখন, যিখনত মোৰ হাতৰ বুলনিত সৃষ্টি হোৱা শব্দই হাজাৰজনক মুগ্ধ কৰি ৰাখে, আজি বহুদিন হাতৰ পৰশেই পৰা নাই । মা আৰু ভন্টীয়ে মোৰ অৱস্থাটো মন নকৰা নহয়, আচলতে নিজক লুকাই ৰাখিবও পৰা নাই; কিন্তু মা বা ভন্টীয়েনো কি কৰিব পাৰে য'ত ময়েই নোৱাৰিলোঁ ?

'ৰদা, তই শোৱা নাই এতিয়াও ?' ভন্টী আহি কেতিয়া যে, কাষত থিয় হৈছিলহি, গমেই পোৱা নাই ।

'তই বিয়ালৈ গধূলি যাম বুলি নগ'লি নেকি ?'

'তই ইয়াত মন-চন মাৰি বহি থাকিবি আৰু মই তাত ধেমালি কৰি থাকিম ? কি পাইছ মোক ?'

'বাৰু বাদ দে, মাৰ টোপনি গ'লনে ? যদি টোপনি গ'ল তই এটা কাম কৰচোন, কাৰাকৈ চাহ একাপ বনাব পাৰিবি ?'

'এতিয়া চাহ খালে তই শুবি কেতিয়া ?' তাইৰ কণ্ঠত অনুযোগৰ সুৰ ।

'শুম শুম, চাহকাপ হ'লে অলপ ভাল লাগিব ।' বিনাপ্ৰতিবাদে তাই ভিতৰ সোমাল । খং উঠিল নিজৰ ওপৰতে, মোৰ কাৰণে মা আৰু ভন্টীয়ে কিয় কষ্ট খাব লাগে। ঘৰৰ ডাঙৰ ল'ৰা হিচাপে এয়া জানো মোৰ উচিত হৈছে ? অনামিকা মোৰহে বাগদত্তা আছিল; কিন্তু তাৰ কাৰণে মা-ভন্টীয়ে কিয় কষ্ট খাব লাগে ? বন্ধু ৰমেনৰ লগত ভন্টীৰ বিয়াখন ঠিক হৈয়ে আছে, সিও স্কুলতে কাম কৰে । মা আৰু ভন্টীৰ আশা আছিল মোৰ বিয়াখন আগতে পতাৰ; কিন্তু সেয়া নহ'লগৈ যেতিয়া... । ৰমেনৰ লগত কথাটো পাতি সোনকালেই দিনটো ঠিক কৰাটো ভাল হ'ব । এইবোৰ ক্ষেত্ৰত ৰৈ থকাটো প্ৰকৃততে উচিত নহয় । কালিলৈকে ৰমেনৰ ঘৰৰ লগতো কথাটো পাতিম; কিন্তু তাৰ পিছত ... তাৰ পিছত অন্ততঃ সমাজখনক দেখুৱাবৰ বাবেই ময়োতো কিবা এটা কৰিব লাগিব । এৰা কৰিব লাগিব, সমাজে কি ভাৱে, সেয়া পিছৰ কথা কিন্তু মাৰ মনত সান্ত্বনা দিবৰ কাৰণেই কোনোবা এঠাইত মই মত দিব লাগিব । ভন্টীয়ে তাইৰ লগৰ কোনোবা এজনীৰ কথা মাৰ আগত কৈ আছে । এই কেইদিন মোৰ মনৰ অৱস্থা দেখিয়েই মোক ক'বলৈ সাহস কৰা নাই । তাইক সুধিম এতিয়া । প্ৰথমে পাৰিম বুলি ভাৱিছিলোঁ যদিও এতিয়া দেখিছোঁ গোটেই জীৱনটো এনেকৈ কটোৱাটো সম্ভৱ নহ'বগৈ । মা সদায় নাথাকে । ভন্টীও আতৰি যাবগৈ -- ক্ৰমে ব্যস্ত হৈ পৰিব নিজৰ সংসাৰক লৈ, এৰা ইচ্ছা নাথাকিলেও এটা সময়ত সকলোবোৰ নিজক লৈয়েই ব্যস্ত হৈ পৰিব লগা হয় । বস্তুবাদী জগতখনৰ এয়াই স্বাভাৱিক নিয়ম । 'পাৰে পাৰে খোজ নিদিবা, সোঁতৰ লগত সংগ্ৰাম কৰিবলৈ শিকা সেয়াহে প্ৰকৃত মানুহৰ লক্ষণ ।' কোনে জানো কৈছিল মনত নপৰিল ।

আন্ধাৰতে ভন্টীৰ মুখলৈ চালোঁ । একো ধৰিব নোৱাৰিলোঁ । মোৰ সন্মতিৰ বাবেই ৰৈ আছে যেতিয়া মাৰ সৈতে কথা পাতি মানুহ ঘৰৰ সৈতে কথাটো ফাইনেল কৰি পেলাবলৈ ক'ম । তাৰ পিছতে তাইৰ খনৰো লেঠাটো মাৰি পেলাব লাগিব । ৰমেনহঁতৰ ঘৰৰ লগত মায়ে ইতিমধ্যে সকলো পাতিছেই ।

চাহ কাপত চুমুক দি মনটো ভাল লাগি গ'ল । চাহকাপ বৰ ভালকৈ বনাইছে ভন্টীয়ে । ❑

গল্প

# স্বীকৃতি

❑ সুৰভী দাস
স্নাতক দ্বিতীয় বাৰ্ষিক, (অসমীয়া বিভাগ)

বৰষাৰ চিঠিখন পায়েই জপিয়াই উঠিলো । একে উশাহতে কেইবাৰমান পঢ়ি মাৰ ওচৰলৈ দৌৰ মাৰিলো । " মা অ' মা চোৱানা বেগেতে, বৰষাৰ চিঠি । সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা স্ব-ৰচিত গল্প প্ৰতিযোগিতাত বৰষা শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে বিবেচিত হৈছে ; আৰু কি জানা, পোন্ধৰ তাৰিখে জিলা ভিত্তিত সভা এখন অনুষ্ঠিত হ'ব আৰু তেতিয়া তাইক পুৰস্কৃত কৰিব । সেই সভাত বিভিন্ন মন্ত্ৰী বিষয়াৰ লগতে সাহিত্য সভাৰ সভাপতিও উপস্থিত থাকিব ; আৰু সেইদিনটোৰ বাবে তাই মোক নিমন্ত্ৰণ কৰিছে ।"

পাকঘৰৰ পৰা মা লৰালৰিকৈ ওলাই আহিল । মোৰ হাতৰপৰা চিঠিখন লৈ দুশাৰীমান পঢ়ি মোক সুধিলে, "সভাখননো কিমান তাৰিখে অ ?" উৎসাহিত হৈ ক'লো, " পোন্ধৰ তাৰিখে মা ।" মোৰ উত্তৰত বোধহয় মা সন্তুষ্ট হোৱা নাছিল । আকৌ সুধিলে ঃ "পোন্ধৰ তাৰিখ মানে তোৰ অসমীয়া নে ইংৰাজীৰ ?" এইবাৰ মোৰো দুগুণ উৎসাহিত হোৱাৰ পাল । ক'লো, " ইংৰাজীৰ পোন্ধৰ ফেব্ৰুৱাৰী ?" এইবাৰ মাৰ খেলিমেলি লাগিল । ইংৰাজীৰ পোন্ধৰ তাৰিখ হ'লে অসমীয়া কেইতাৰিখ হ'ব মাই নাজানে । গতিকে ওলোটাই মোকেই সুধিলে , ";বোলো ফেব্ৰুৱাৰী পোন্ধৰ তাৰিখ হ'লে ফাগুনৰ কেইদিন যাব অ' মাজনী ?"

কি বিপদ । ফেব্ৰুৱাৰীৰ পোন্ধৰ তাৰিখত ফাগুনৰ কেইদিন যায় মোৰো জনা নাছিল । নাছিল নাই । অনুমানতে কিবা এটা কওঁ বুলিও দেখোন ক'ব নোৱাৰিলো । ছেঃ অসমীয়াত অনাৰ্ছ লোৱা বুলি মিছাতেহে যহাই ফুৰো । লাজে-অপমানে মই বোবা হৈ পৰিলো । মই এনেদৰে নীৰৱ হৈ পৰা দেখি মাৰ বোধহয় খঙেই উঠিছিল । ভেকাহি মাৰি ক'লে, " চা এইজনীৰ কাণ্ডখন ! কেলেণ্ডাৰ চাই তাৰিখটোও ক'ব নোৱাৰা হ'ল ।"

মাৰ কথাতহে মোৰ বুদ্ধিৰ চুঙাত বুদ্ধি উদয় হ'ল । কেলেণ্ডাৰ চাওঁ বুলি চাব খোজোতেই ভাইটিয়ে ভিতৰৰপৰা মাত লগালে, "মা ফেব্ৰুৱাৰী পোন্ধৰ তাৰিখে ফাগুনৰ তিনি তাৰিখ হ'ব ।" ভাইটিৰ মাতত অলপ ইতিকিঙৰ সুৰ । বুজিলো ভাইটিয়ে মোকেই শুনাইছে । ভিতৰি ভিতৰি ভীষণ লাজ পালো যদিও বাহিৰত তাক প্ৰকাশ নকৰিলো । ওভোটাই তাকহে ক'লো, " সামান্য তাৰিখ এটা কওঁতেই ইমান ফুটনিনে ?" সিফালে ভাইটিয়ে আকৌ কাট্ মাৰিলে । সামান্য তাৰিখ এটাকে ক'ব নোৱাৰে, ইফালে অসমীয়াত অনাৰ্ছ । মাৰ এইবাৰ সঁচাসৰ্চিকৈ খং উঠিল । হুৰহুৰাই ক'লে ঃ ব তহঁতক । খালি কাজিয়া আৰু কাজিয়া । কাম নাই বন নাই কেৱল কুকুৰ-মেকুৰীৰ দৰে কেং কেঙাই থাকিবি ।"

"নহয় অ' মা । তাৰ মুখখন দিনক দিনে বাঢ়ি গৈছে । পঢ়া-শুনাৰ ধাণ্ডা নাই । কেৱল কোনে কি কয় তাকে শুনি থাকিব ।" এইবুলি ভাইটিৰ দোষ-ক্ৰটীবোৰ খুচৰি মাৰ আগত অলপ বেছিকৈ লগালো । মুঠৰ ওপৰত ভাইটিৰ বিপক্ষে মাৰ ওচৰত এটা বক্তৃতা দিলো । মোৰ বক্তৃতা শুনি মাই কোন পক্ষ ল'লে বুজি নাপালো । বোধহয় দুয়োৰে মাজত সহৰস্থান কৰিলে । ক'লে ঃ " বাদ দে সেইবোৰ । এতিয়াই সেই সভাখনলৈ যোৱাৰ কথাহে চিন্তা কৰ ।" মাৰ এই কথাষাৰে মোক লজ্জিত কৰা যেন লাগিল ।

মায়ে বহুদিন কৈ আহিছে গল্প,কবিতা লিখিবৰ বাবে মাৰ কথাবিলাক বৰ গুৰুত্বসহকাৰে লোৱা নাছিলো যদিও একেবাৰে নভবাও নহয়, মাজে - সময়ে ভাৱো, মই গল্প-কবিতা লিখিবৰ বাবে চেষ্টা কৰিম । কিন্তু লিখোঁ বুলি চেষ্টা কৰিও লিখিব পৰা নাছিলো । মনত আশংকা হয় কিজানি মোৰ লিখনীবিলাক প্ৰকাশৰ উপযোগী নহয় ! সেয়ে কেতিয়াবা মন গ'লে অলপমান লিখি চাওঁ আৰু ভাল নলগা যেন দেখিলে ফালি পেলাওঁ । কলেজৰ আলোচনীৰ বাবে যেতিয়া গল্প,কবিতা আৰু প্ৰবন্ধ বিচাৰে তেতিয়া ভাৱোঁ প্ৰকাশৰ উপযোগী নহ'লেও এইবাৰ কিবা এটা লিখি চাম । কিন্তু ভবা কথা বিলাক বাস্তৱত ৰূপ দিব নোৱাৰোঁ । যেতিয়া আলোচনীত বন্ধু-বান্ধৱীৰ গল্প, কবিতা আৰু প্ৰবন্ধ প্ৰকাশ পাই তেতিয়া মই আনন্দিত হোৱাৰ লগতে অনুতপ্তও হ'ব লগা হয় ।

মাৰ পৰা মই প্ৰায়েই কথা শুনিব লগা হয় । আলোচনী বিলাক পঢ়িলেই মায়ে আৰম্ভ কৰি দিয়ে, " সেইবোৰ তোতকৈ সৰু ল'ৰা-ছোৱালীয়ে গল্প,প্ৰবন্ধ আৰু কবিতা লিখিছে আৰু তই তাকেই চাই বিছনাত পৰি আছ । অসমীয়াত অনাৰ্ছ লৈছো বুলি পঢ়া টেবুলৰ পৰা উঠিবই নিবিচাৰ । কি পঢ়িছনো ! আজিলৈকে চুটি গল্প এটাকে লিখি প্ৰকাশ কৰিব পৰা নাই ।" সেই মুহূৰ্ত্তত মই ভীষণ লাজ পাওঁ । মাৰ কথাত প্ৰতিবাদ কৰিব নোৱাৰি তলমূৰ কৰি ৰওঁ ।

বৰষাৰ চিঠি পাই মই যিমান উৎসাহিত হৈছিলো মাৰ কথাবিলাক মনলৈ অহাত উৎসাহবিলাক নাইকিয়া হৈ আহিব ধৰিছে । ভাৱি আছো সেই সভাখনলৈ যামনে নেযাম ? বৰষাৰ সফলতাত শুভেচ্ছা যাচিবলৈ যোৱাৰ ইচ্ছা আছিল । কিন্তু যেতিয়াই নিজৰ অসফলতাৰ কথা মনলৈ আহে তেতিয়াই অন্তৰ্দ্বন্দ্বত ভূগিব লগা হয় ।

চিঠিখন পোৱাৰপৰা ভাইটিয়ে ঠাট্টাৰ সুৰত কিবা-কিবি কথাবিলাক কৈ মোক ব্যতিব্যস্ত কৰি তুলিছে । সি মাক শুনাই সদায় ক'ব ধৰিছে, " বান্ধৱীয়েৰাৰ পুৰস্কাৰৰ সমভাগী হ'বলৈ প্ৰস্তুতি চলাইছনে ? কেইদিনমানৰ আগতে যাবি কিন্তু । তেতিয়াহে যদি পুৰস্কাৰৰ আধা অংশ তোক দিয়ে ।" এইবিলাক কথা ভাইটিৰ মুখৰপৰা শুনি ভিতৰি ভিতৰি অস্থিৰ হৈ পৰিছোঁ ।

মোৰ এই নিজৰেই সৃষ্টি অস্থিৰতাখিনিৰ বাবে সকলোৰে অলক্ষিতে বিহ্বল হৈ পৰিব লগা হৈছে । মনৰ নিভৃত কোণত বিভিন্ন চিন্তাই বৈ বৈ ভুমুকি মাৰিব ধৰিছে । কি কৰিম, মোৰ স্ব-ৰচিত গল্প, কবিতা আৰু প্ৰবন্ধ যিকোনো এটা প্ৰকাশৰ উপযোগী কৰি তুলিব পাৰিমনে নোৱাৰিম ! মোৰ এই চিন্তাবিলাক ঘূৰ্ণী বতাহৰ দৰে বলিব ধৰিছে ।

জানুৱাৰীৰ শেষ । ৰাতি নৌপুৱাওতেই সাত বাজে । ইফালে ফেৰফেৰীয়া বতাহে হাড়লৈকে কঁপাই তুলিছে । গাটো ধোওঁ বুলিও ধুব পৰা নাই অথনিৰে পৰা । কালি জাৰৰ বাবে গা ধোৱাই নহ'ল । ঘৰত থকা হ'লে মাৰ পৰা গালি অলপ শুনিব লগা হ'লহেঁতেন । কিন্তু মেছত নিজৰ ইচ্ছামতেই যি মন যায় তাকেই কৰিব পাৰিছো । এই হাড় কঁপোৱা ঠাণ্ডাতে নীতি নিয়ম বিলাকৰপৰা ৰক্ষা পৰাৰ লগতে আহুকলীয়া চাইনাচাইটিছডালৰ পৰাও ৰক্ষা পৰিছো । মায়েতো কেৱল নিয়ম-নীতিক লৈয়ে ব্যস্ত। অমুকটো নকৰিবি, নাপায় । তমুকটো নকৰিবি, নাপায় । তেন্তে পাই কিটো ? এদিন গা নোধোৱাটোও জানো পাপৰ কথা হ'ব পাৰে ?

আজি কলেজত ক্লাছ এটাও নহ'ল । কলেজ শিক্ষক কৰ্মচাৰীৰ অনশন ধৰ্মঘট । ভালেই হ'ল । লগৰখিনিৰ লগত বৰষাৰ কথাটো পাতিবলৈ সুবিধা এটা পালো । ধৰিত্ৰী, পিংকী , জোনমণি, বিজিত, প্ৰান্তিক, সীমান্ত, লোহিত আটাইবোৰকে ক'লো বৰষাৰ সাফল্যৰ কথা । বৰষা আৰু মোৰ বন্ধুত্বৰ কথা সিহঁতে আগৰে পৰাই জানে । সেইবাবেই কলেজৰ কেন্টিনত সৰু-সুৰা পাৰ্টী এটা দিবলগীয়া হ'ল ।

ভাৱি আছো বৰষাৰ কথাবোৰ । আগষ্ট মাহৰ এটা উত্তপ্ত দুপৰীয়া । অসহ্য গৰমত ক্লাছ ৰূমত বহি থাকিব নোৱাৰি আমি আটাইবোৰ ওলাই আহিছিলো বাহিৰলৈ । হাইস্কুলীয়া স্বভাৱ তেতিয়াও আঁতৰা নাছিল আমাৰ কোনোজনীৰেপৰা । কলেজলৈ যোৱা মাথো কেইদিনমান হৈছেহে । নতুন দিনৰ নতুন সপোনে আচ্ছন্ন কৰি ৰাখিছিল আটাইবোৰকে । দুই একৰ বাহিৰে আমি সকলোৰে অচিনাকী ।

তাইয়ো ওলাই আহিছিল । কিন্তু তাইৰ ফালে চাই যে সকলোৱে হাঁহি আছে । কাণ্ড কি ? ৰহস্য উদ্ঘাটন কৰিবলৈ বেছি সময় নালাগিল । কাগজ এখনত কিবা কিবি লিখি তাইৰ পিঠিত লেবেল লগাই দিছে কোনোবাই তাইৰ অজ্ঞাতে । বেছি সময় ৰং চাবলৈ মোৰ ইচ্ছা নগ'ল । পিঠিৰ লেবেলখন আনি তাইক দেখুৱালো আৰু ঘটনাটো বুজাই ক'লো । আঃ সেই মুহূৰ্ত্তত লাজত যে তাইৰ মুখৰ বৰণ কেনেকুৱা হৈছিল ! বেচেৰীয়ে লাজতে মৰি যোৱা যেন পাইছিল । কমন ৰূমত বহি তাই বহু সময় উচুপি আছিল । শেষত যেনিবা মোৰ বুজনি শুনি তাই শান্ত হ'ল । নাম-ধাম সোধাত গম পালো বৰষা তাইৰ নাম ।

এনেকৈয়ে আমাৰ বন্ধুত্বৰ সুত্ৰপাত হৈছিল । পিছলৈ ই গভীৰৰ পৰা গভীৰতৰ হ'লগৈ । ইজনীয়ে -সিজনীৰ মনৰ ভাৱবোৰ প্ৰকাশ কৰি খুউব সুখী হৈছিলো । হায়াৰ ছেকেণ্ডাৰী পাছ কৰি কি বিষয় লৈ পঢ়িম তেতিয়াই সিদ্ধান্ত লৈছিলো । অসমীয়াত অনাৰ্ছ লৈ পঢ়া উদ্দেশ্য দুয়োজনীৰে আছিল । মোৰ এই অসমীয়া বিষয়ত আগ্ৰহ থকাৰ কথা প্ৰথম তাইৰ আগতেই ব্যক্ত কৰিছিলো । তাইয়ো প্ৰথমে মোৰ আগতে ব্যক্ত কৰিছিল তাইৰ উদ্দেশ্যৰ কথা ।

হায়াৰ ছেকেণ্ডাৰী ফাইনেলত তাই ২য় বিভাগত উত্তীৰ্ণ হ'ল আৰু মাক -দেউতাকৰ কথামতে ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ কলেজত এড্‌মিশ্বন ল'লে । আৰু মই তৃতীয় বিভাগত উত্তীৰ্ণ হৈ হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়তে নামভৰ্ত্তি কৰিলো । তেতিয়াৰ পৰাই আমাৰ দুয়োজনীৰ মাজত দেখা দেখি কম হয় যদিও চিঠিৰ আদান-প্ৰদান নিয়মীয়াকৈ চলি আছিল । চিঠিৰ দ্বাৰাই সকলো খবৰ পাই আছিলো । মাজতে অলপদিন বৰষাৰ ব্যস্ততাৰ বাবে চিঠিৰ আদান-প্ৰদান কমাই দিছিলো । তাইৰ এই সফলতাৰ বাতৰি কঢ়িয়াই অনাৰ চিঠিখন বহুদিন বিৰতিৰ পিছতহে পাইছো ।

চৈধ্য তাৰিখৰ দিনা গধূলি জুহালৰ কাষতে বহি লাজ অপমান কাটি কৰি মাক সুধিছো বৰষাহঁতৰ ঘৰলৈ যোৱাৰ কথা । " তোৰ নিজৰ ইচ্ছা । মই বাধা নিদিও । ভাল কামত যাবলে ওলাইছ যেতিয়া যা আৰু সেই ভাল কামবিলাক নিজেও কৰি দেখুৱাবলৈ বৰষাৰ পৰাই শিকিবলে চেষ্টা কৰিবি ।" মাৰ কথাবিলাক মৌন হৈ শুনি আছিলো । আৰু মাক কৈছিলো, তুমিও মোৰ লগত যাব লাগিব ।" মায়ে ভাইটিকে লগত লৈ যাবলৈ ক'লে ।

ভাইটি যিটোহে , সুবিধা পালেই ইতিকিং কৰিবলৈ লাগি যায় । তাতে বৰষাৰ ঘৰলৈ যাবৰ বাবে লগ ধৰাত আৰু বেছি কথা শুনাই থাকিল । ইমান সৰু ল'ৰাটো হৈ মোক বৰ বৰ কথা কোৱাতহে মই সঁচাই লাজ পালো । অনুতপ্ত হৈ সেইদিনাই প্ৰতিজ্ঞা কৰিছিলো, এদিন নহয় এদিন মোৰ স্ব-ৰচিত গল্প, কবিতা, প্ৰবন্ধ আৰু উপন্যাস প্ৰকাশৰ উপযোগী কৰি তুলিম ।

আৰু এয়া কলেজৰ আলোচনীখনত ওলোৱা মোৰ প্ৰথম গল্পটো দেখি মনটো উৰুলিকৃত হৈ উঠিছে । অন্ততঃ মা আৰু ভাইটিক এইবাৰ দেখুৱাব পাৰিম । ❖❖

গল্প

# সাফল্যৰ নেপথ্যত

❑ পূৰৱী বড়া
স্নাতক প্ৰথম বাৰ্ষিক

বছৰেকীয়া মহাবিদ্যালয় সপ্তাহৰ সাহিত্য বিভাগৰ শ্ৰেষ্ঠ পুৰস্কাৰটো গ্ৰহণ কৰি পলাশে সকলোৰে অজানিতে এটি হুমুনিয়াহ কাঢ়িলে । নিৰৱে বৈ অহা চকুলো টুপি মচি লৈ সি নিজৰ আসনত বহিলগৈ । লগৰ বন্ধু-বান্ধৱী কেইজনমানে জনাই গ'লহি আন্তৰিক অভিনন্দন । কিন্তু কোনেও নেজানিলে এই সফলতাৰ আঁৰত থকা পলাশৰ বেদনা খিনিৰ কথা । সি অধ্যয়ন কৰি থকা এই মহাবিদ্যালয়খনৰ বছৰেকীয়া মহাবিদ্যালয় সপ্তাহৰ আজি পুৰস্কাৰ বিতৰণী সভা । পুৰস্কাৰ বিতৰণী পৰ্ব শেষ হোৱাৰ পাছত সভাপতিৰ আসনত থকা প্ৰিন্সিপাল ছাৰে এটা দীঘলীয়া সাৰগৰ্ভ বক্তৃতা আৰম্ভ কৰিছিল । কিন্তু সি তাত মনোযোগ দিব নোৱাৰিলে । তাৰ মনটোৱে উৰা মাৰিলে অতীতৰ মধুৰ দিনবোৰৰ পম খেদি ।

পলাশ তেতিয়া উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ । ঘৰুৱা সমস্যাৰ বাবে প্ৰথম বৰ্ষত সি কলেজলৈ নিয়মীয়াকৈ যাব পৰা নাছিল বাবে ল'ৰা-ছোৱালীবিলাকৰ লগত বিশেষ বন্ধুত্বও গঢ়ি উঠা নাছিল । কিন্তু পৰীক্ষাৰ গুৰুত্ব উপলব্ধি কৰি সি দ্বিতীয় বৰ্ষত নিয়মীয়াকৈ ক্লাছ কৰিবলৈ গৈছিল । তেতিয়াই আন বন্ধু-বান্ধৱীসকলৰ লগতে চিনাকি হৈছিল একে ক্লাছৰে ছাত্ৰী জুৰিৰ লগত । কিয় জানো প্ৰথম চিনাকিতেই তাইক ভাল লাগি গৈছিল পলাশৰ । অতি কম দিনৰ ভিতৰতে জুৰিৰ লগত তাৰ ঘনিষ্ঠতা বাঢ়ি গৈছিল । প্ৰথম দিনাৰ ভাললগা ভাৱটো পাছলৈ ভালপোৱালৈ পৰিৱৰ্তন হৈছিল । কিন্তু অতীত জীৱনৰ তিক্ত অভিজ্ঞতাৰ কথা সুঁৱৰি সি থমকি ৰবলৈ বাধ্য হৈছিল । অতীতৰ অভিজ্ঞতাৱে সি ভাৱিবলৈ বাধ্য হৈছিল আজিৰ ল'ৰা-ছোৱালীবোৰ বিশেষকৈ ছোৱালীবোৰৰ মনত প্ৰেম-ভালপোৱাৰ মূল্যৰ কথা । কিন্তু বিবেকে বাধা দিলেও জুৰিৰ আকুল আহ্বানক তাৰ মনে নেওচা দিব নোৱাৰিলে । এইদৰে সি জুৰিৰ সতে প্ৰেম সাগৰত সাতুৰি যাবলৈ প্ৰস্তুত হ'ল ।

এদিন দুদিনকৈ দিনবোৰ যিমানে বাগৰি গৈছিল সিহঁতৰ ভালপোৱাও ক্ৰমে তীব্ৰৰ পৰা তীব্ৰতৰ হৈ পৰিছিল আৰু তেনেদৰে আগবাঢ়ি গৈ থাকোতেই এদিন জুৰিয়ে তাইৰ সৰ্বস্ব সপি দিছিল পলাশৰ ওচৰত । যিদিনা সি জুৰি ঘৰলৈ ৰাতি থকাকৈ গৈছিল সেইদিনা জুৰিৰ বায়েক বা ককায়েক কোনো এজন ঘৰত নাছিল । কাষৰ কোঠালিত শুই থকা মাক আৰু ৰুগীয়া দেউতাকৰ উপস্থিতিক আওকান কৰি তাই পলাশৰ ওচৰলৈ আহিছিল এজনী অভিসাৰিকা হৈ । সেই নিশাত সিহঁতে ইজনে-সিজনক কৰিছিল স্বামী-স্ত্ৰীৰ দৰে ব্যৱহাৰ ।

এনেদৰে দিন বাগৰি গৈ আছিল । ওচৰ চাপি আহিছিল ভোগালী বিহু । সেই সময়তে জুৰিৰ দেউতাকৰ বেমাৰ বেছি হোৱাৰ বাবে তাইৰ ঘৰখনত বিহু বুলি কোনো উচ্ছাস পৰিলক্ষিত হোৱা নাছিল । বিহুৰ দুদিনমানৰ পাছতেই তাইৰ দেউতাকে মৃত্যুক সাৱটি লৈছিল । ঘৰখনৰ উপাৰ্জনৰ বাটকটীয়া জনৰ মৃত্যু হোৱাত তাইৰ ঘৰখনৰ লগতে পলাশেও দুখত ম্ৰিয়মান হৈ পৰিছিল । কিন্তু অৱশ্যামভাৱী জন্ম-মৃত্যুৰ কথা চিন্তা কৰি সি নিজকে নিজে সান্তনা দিয়াৰ লগতে জুৰিকো সান্তনা দিবলৈ প্ৰয়াস কৰিছিল ।

কেইবাদিনৰ মূৰত পলাশ গৈছিল জুৰিহঁতৰ ঘৰলৈ । কিন্তু সেইদিনা সি জুৰিক আৱিষ্কাৰ কৰিছিল আন এটা ৰূপত । দেউতাকৰ মৃত্যুক স্বাভাৱিক ভাৱে ল'ব নোৱাৰি তাইৰ এই পৰিৱৰ্তন হৈছে বুলি সান্তনা লভি সি সেইদিনা ঘৰলৈ গুচি আহিছিল যদিও এক অজান আশঙ্কাত তাৰ বুকুখন কপি উঠিছিল । তাই দিয়া প্ৰতিশ্ৰুতি বিলাকেও পলাশক সেইদিনা আশস্ত কৰিবপৰা নাছিল । এনেকৈয়ে সিহঁতৰ মাজৰ ভালপোৱাত ঘূণে ধৰিবলৈ আৰম্ভ কৰিছিল । আৰু এই ক্ষেত্ৰত আগ-ভাগ লৈছিল জুৰিয়ে । পলাশে অশেষ চেষ্টা কৰিছিল দুয়োৰে মাজৰ ভালপোৱাক পুনৰ সু-দৃঢ় কৰিবলৈ । কিন্তু তাৰ সেই প্ৰচেষ্টাৰ বিপৰীতে অজস্ৰ মৰম-ভালপোৱাক ভৰিৰে গছকি থৈ তাৰ কাষৰপৰা চিৰদিনৰ বাবে আঁতৰি গৈছিল জুৰি ।

অশেষ দুখ-কষ্টৰ মাজেৰে জীৱনটো গঢ় দিবলৈ চেষ্টা কৰা পলাশৰ জীৱনলৈ জুৰিৰ বিচ্ছেদে কলীয়া ডাৱৰ নমাই আনিছিল । মানসিকভাৱে সি সম্পূৰ্ণ ভাগি পৰিছিল আৰু আশা কৰাতকৈ বহু বেছিকৈ বেয়া হৈছিল তাৰ পৰীক্ষাৰ ফলাফল । বন্ধু মহলে তাক সান্তনা দিছিল ভাগি নপৰিবলৈ । কিন্তু দিনবোৰ যিমানেই বাগৰি গৈছিল সিমানেই বেছি নিসংগতা অনুভৱ কৰিছিল সি । মাজে মাজে সি বহু দূৰৰ ক'ৰবালৈ আঁতৰি যোৱাৰ কথা ভাৱিছিল ঘৰ এৰি । কিন্তু মাক- দেউতাকৰ প্ৰতি থকা তাৰ দায়িত্বৰ কথা ভাৱি সি কাম কৰিব পৰা নাছিল । সেইবাবেই সি তাৰ নিসংগতা দূৰ কৰিবলৈ সংগী কৰি লৈছিল কবিতাক । কবিতাৰ মাজতেই পলাশে বিচাৰি পাইছিল জীয়াই থকা সাৰ্থকতা । এই নতুন পৃথিৱীখনত ভৰি দি অতীতৰ দুখবোৰ পাহৰি থাকিবলৈ চেষ্টা কৰিছিল । অন্তৰৰ নিভৃত কোণত পঞ্জীভূত হৈ থকা বেদনাখিনি গল্প-কবিতাৰ মাজেৰে প্ৰকাশ পাইছিল । এটা দুটাকৈ কেইবাটাও গল্প,কবিতা লিখি উলিয়াইছিল সি । প্ৰকাশ পাইছিল কেইবাখনো আলোচনীত । কিন্তু এই সাফল্যই তাক গভীৰ দুখেহে আৱৰি ধৰিছিল ।

লাহে লাহে সি কল্পনা ৰাজ্যখনতৰ পৰা বাস্তৱ জগতলৈ ঘূৰি আহিল । প্ৰিন্সিপাল ছাৰৰ ভাষণ ইতিমধ্যে শেষ হৈছিল । ছাৰে ভাষণত কি ক'লে সি একো গম নাপালে । লগৰ বন্ধু-বান্ধৱীসকলৰ লগতে সিও ঘৰলৈ বুলি খোজ ল'লে । আজি তাৰ নিজকে এজন সৈনিকৰ দৰে লাগিল; যিজনে যুদ্ধক্ষেত্ৰত সতীৰ্থসকলক হেৰুওৱাৰ প্ৰচণ্ড দুখ বুকুৰ মাজত লৈ যুদ্ধ জয়ৰ গৌৰৱেৰে নিজ গৃহাভিমুখে খোজ লৈছে । ❖❖



গল্প

# বিশ্বাসঘাতক

মঃ চহিদুৰ ৰহমান
স্নাতক ২য় বৰ্ষ

ঘটনাটোৱে সমগ্ৰ অঞ্চলটোতে এক চাঞ্চল্যৰ সৃষ্টি কৰিলে। মইহে কিছু দেৰিকৈ গম পালো। ৰাতিপুৱা কাগজখন আনিবলৈ চাৰি আলিলৈ যাওঁতে আচম্বিতে পোৱা বাতৰিটোৱে মোৰ সমগ্ৰ সত্তাটোকে জোকাৰি পেলালে। মন কৰিলোঁ নিশান্তহঁতৰ ঘৰলৈ সোঁত বৈছে মানুহৰ কিন্তু সি নিশান্তই কিয় কৰিলে এইটো কাম? ঘৰখনক, সমাজখনক সি প্ৰতিদান এয়াহে দিলে? সামান্য দায়বদ্ধতাও অনুভৱ নকৰিলে কিয়...কিন্তু সিটো তেনেকুৱা ল'ৰা নাছিল...আজিলৈকে কোনো কথাতে তাক পিছ হুহকি অহা দেখা নাই। সেয়া তাৰ স্বভাৱেই নাছিল। তেন্তে..............?

হয়, কোনোদিনেই নভবা ঘটনাটোৱেই হ'ল। নিশান্তই আত্মহত্যা কৰিলে। কোঠাৰ ভিতৰতে চিলিঙ ফেনখনত ওলমি দিলে সি। ২৩ টা বসন্ত গৰকি অহা এটা ডেকা জীৱনৰ সমস্ত আশা-আকাংক্ষা, ভৱিষ্যতৰ সম্ভাৱনা সকলো এটা গাঁঠিতেই শেষ হৈ গ'ল। নাই অস্বাভাৱিক একো দেখা নাছিলো, পৰহি গধূলিও তাক লগ পাইছিলো। মিউজিকৰ ক্লাচ কৰি ঘূৰি আহিছিল সি। অৱশ্যে ভাগৰ লাগি আহিছে বুলি বিশেষ কথা নপতাকৈয়ে সি ঘৰমুৱা হৈছিল। ভাল গীতাৰ বজাইছিল সি। ছয় কিল'মিটাৰ দূৰৰ ফুকনপাৰাত নতুনকৈ পতা সঙ্গীত বিদ্যালয়খনত গীতাৰ শিকাইছিল সি। বহি থকা ল'ৰা মুঠেই নাছিল সি। বি. এ পাছ কৰাৰ পিছৰ বছৰতে বি. এড ডিগ্ৰীও লৈছিল। তাৰ মাজতে দেউতাকৰ দোকানখনতো চকু দিছিল। এজনী মাত্ৰ ভনীয়েকৰ সৈতে সিহঁতৰ দেখাত এটা সুখী পৰিয়াল। ইমান ডাঙৰ মানসিক আঘাত পালেনে যে জীয়াই থকাটোৱেই অৰ্থহীন হৈ পৰিল? হয়তো তাক বুজি পোৱাত আমাৰ ভুল হৈছিল। ভিতৰি হয়তো এক গভীৰ মানসিক অন্তৰ্দ্বন্দ্বত ভুগি আছিল, যিটো বাহিৰত সি কোনোদিনেই প্ৰকাশ হবলৈ দিয়া নাছিল।

ভৰি দুটা ক'ব নোৱাৰাকৈয়ে সিহঁতৰ ঘৰৰফালে আগবাঢ়ি গ'ল। চাৰিওফালে জুম বান্ধিছে মানুহৰ। অনুমান ভিত্তিক মন্তব্যৰ টুকুৰা। সম্ভাব্য পিছৰ পৰিস্থিতি, মৃতদেহৰ পঞ্জিচন, দুই একৰ মূৰত ৰহস্যৰ গোন্ধ, ভিন্নজনৰ ভিন্ন মত। "আজি কেইদিনমানৰপৰা তাক মন কৰিছো নহয়, মনটো একেবাৰে মাৰি থাকে।"

"ইমান পঢ়া-শুনা কৰি সি এইটোহে কৰিলে?"

"আজি-কালি ইহঁতবোৰৰ কিবা এটা হ'ল বুজিছা সিদিনা আমাৰ ষ্টাফৰ এজনৰ ছোৱালীজনীয়েও কিবা অলপ খাই দিছিলে নহয়, পিছত কোনোমতে বাচিল যেনিবা।"

মানুহৰ জুমফালি আগবাঢ়ি গ'লে। পুলিছে ইতিমধ্যে মৃতদেহ মৰ্গলৈ নিয়াৰ ব্যৱস্থা কৰিছিল। সাক্ষীৰ চহী লৈছিল। চুবুৰীৰ কেইগৰাকীমানে মাটিতে শুইপৰা মাকক বেঢ়ি আছিল। দেউতাকে কিন্তু যথেষ্ট ধৈৰ্য্যৰে পুলিছৰ প্ৰশ্নৰ উত্তৰ দি আছিল। নাচাও বুলি ভাবিও শেষবাৰৰ কাৰণে নিশান্তৰ মুখখন চাই ল'লো। সি গ'লগৈ সঁচাকৈয়ে। আনৰ যিকোনো সমস্যাকে সততে মূৰ পাতি লোৱা, শিক্ষকতা কৰাৰ সপোন দেখা, ঘৰখনৰ দায়িত্ব লোৱাৰ উপৰি আৰ্তজনক সততে সহায় কৰা নিশান্ত মোৰ বন্ধুৱেই নাছিল, বহু সময়ত পথ প্ৰদৰ্শকো আছিল।

পুলিচৰ গাড়ীখনত মৃতদেহৰ কাষত বহি যাওঁতে এইবোৰ কথাই মনলৈ আহি আছিল। কাকত আলোচনীত ক্ষুৰধাৰ লিখনিৰ যোগেদিয়েই সমাজৰ ভুল-ক্ৰটী আঁতৰাব বিচৰা নিশান্তই শেষত নিজেই ভুল কৰি পেলালে। জীৱনৰ হিচাবটোত কোনোবাখিনিত তাৰ ভুল হৈ গ'ল। কিন্তু এজন সৎ নিষ্ঠাবান উদীয়মান লিখক হিচাবে তাৰপৰা সমাজে জানো এয়াকে বিচাৰিছিল? তেনেহ'লে সমাজৰ লগত সি এই বিশ্বাসঘাতকতা কিয় কৰিলে? অন্তত ঃ তাৰদৰে এজন যুৱকৰ পক্ষে উচিত নাছিল। কিন্তু আমিবোৰ? আমিবোৰে তেনেহ'লে কি কৰিছো? সমাজৰ কাম কৰাৰ ঠিকা তাক কোনেও দিয়া নাছিল। সি নিজেই অংশীদাৰ হৈছিল। সি বাৰু তাৰ বক্তিগত মানসিক সংঘাতৰ বলি হ'ল, কিন্তু আমিবোৰতো হোৱা নাই; কিন্তু সমাজৰ প্ৰতি বাকীসকল ইমান দায়িত্বহীন কিয়? ক্ষয়িষ্ণু সমাজখনৰ সন্মুখত পৰি থকা দায়িত্ববোৰ আওকাণ কৰা আমি প্ৰতিজনেই তেনেহ'লে একোজন বিশ্বাসঘাতক নহয় জানো? মৰ্গৰ নিৰ্দিষ্ট কোঠাটোৰ বাহিৰত থিয় হৈ থাকি এই প্ৰশ্নটোৱে বাৰে বাৰে ভুমুকি মাৰিছে। নিশান্তই নোৱাৰিলে; কিন্তু আমি দেখোন চেষ্টাও কৰা নাই। এৰা, ভুল হৈছে আমাৰ। সময়টো এতিয়াও উকলি যোৱা নাই।

নতুন দায়িত্বভাৰ আহি পৰাত মনটো কিছু মুকলিহে লাগিল।

—০—

গল্প

# বনলতা

দ্বিপেন শইকীয়া
স্নাতক ২ য় বৰ্ষ

কি কৰা উচিত ৰত্নই ঠাৱৰ কৰিবই পৰা নাই? পইচাখিনি সি ল'ব জানো মানুহজনৰপৰা? কিন্তু নললেও যে তাৰ মৰমৰ বনলতাৰ জীৱনৰ সংশয়। তাইক এৰি দেখোন সি থাকিবই নোৱাৰে। কিমান হৈছেনো বয়স.......দুবছৰ......শাওনে এবছৰ, যোৱাটো শাওনত দুবছৰ...ও দুবছৰ চাৰিমাহ হৈছে। মাত দুই এটাকৈ ফুটিছে। থুনুক-থানাককৈ ঘৰখনত ইফালে-সিফালে খোজ কাঢ়ি তাৰ বনাক দেখিলে সকলো পাহৰি থাকিব পাৰে সি। ঘৈণীয়েক জবাৰো কম কষ্টখন হোৱা নাই তাইৰ লগত। অৱশ্যে মাইকীমানুহে এইবিলাক কাম পাৰিবই। আহে বোধকৰোঁ। বনা অহাৰ পৰাই ৰত্নৰ ঘৰখনৰ ৰূপটোৱেই যেন কিছু সলনি হৈ গ'ল। তাৰ মনত পৰিল ছোৱালীজনীক বুটলি অনাৰ প্ৰথম দিনটোলৈ।

শাওনমহীয়া পথাৰ। বৈ হাঁচি এটা মাৰিবলৈও সময় নাথাকে। খুউব সোনকালেই ৰত্ন পথাৰলৈ যায়। অৱশ্যে সিয়েইহে যে যায় সেয়া নহয়। গাওঁখনৰ সকলো খেতিয়কেই যায়; কিন্তু ৰত্নৰ কথাটো অলপ বেলেগ। সাধাৰণতে পোহৰ ভালকৈ হোৱাৰ আগতেই সি পথাৰ পায়গৈ। কজলা আৰু মানিকীক লৈ সি এডৰামান মাটি চহোৱাৰ পিছতহে বাকীবোৰ মানে নগেন, দাইটি, ডম্বৰু, দীন আটাইবোৰ পথাৰ পায়গৈ। সেইদিনাও ওলাই গৈছিল সি যথেষ্ট সোনকালেই। চৰাই চিৰিকটিয়ে তেতিয়াও কোঢাল আৰম্ভ কৰাই নাছিল। আলিমূৰৰ আঁহতজোপাৰ কাষেদি নামিব খুজিও সি ৰৈ দিলে। কেউফালে নিজান পৰিৱেশ এটা। আঁহতজোপাৰ ওচৰতে ঠিক যেন কেঁচুৱাৰ কান্দোন এটা। হঠাৎ চকুত পৰিল কেইহাতমান দূৰতে বগা কাপোৰেৰে মেৰিওৱা কিবা এটা পৰি আছে, কান্দোনটো যেন তাৰপৰাই আহিছে। প্ৰথমে সেয়া অপদেৱতাৰ কাম বুলি সি উভতিবই খুজিছিল। দুদিনমানৰ আগতে জবায়ো বৰ বেয়া সপোন এটা দেখিছিল। মানুহজনীয়ে মনটো প্ৰায়ে মাৰি থাকিবলৈ লৈছে, আগৰদৰে ওলাই সোমাই নুফুৰা হৈছে। কথাটো সি মন নকৰা নহয়। গাৱৰে নৰাম কাইটিক সোধাত নামঘৰত শৰাই এখন দিয়াৰ কথাহে ক'লে। কোনোবা মৃতকৰো দোষ হ'ব পাৰে। পৰহি সেইমতেই সি শৰাই এখন দিয়াৰ পিছত অৱশ্যে মনটো মুকলি লাগিছে।

"হে প্ৰভু এয়া কি? এইটো দেখোন কেঁচুৱা" স্তম্ভিত হৈ ৰ'ল ৰত্ন। চেৰেউ ফেৰেউকৈ কান্দি আছে কেঁচুৱাটোৱে; কিন্তু কাৰ বা কেঁচুৱা, এইখিনিয়েইবা পালেহি কেনেকৈ! বগা দামী কাপোৰ এখনেৰে বিছনাৰ দৰে কৰি পেলাই থৈছে কেঁচুৱাটো। ভৰি আৰু গালখনত বোধকৰোঁ কিহবাই কামুৰিলে, তেজ ওলাই আছে। দেহি ঐ জন্ম লৈয়েই এনে যান্ত্ৰণা বাৰু ভোগ কৰিব লাগেনে? কোন নৰকীয়েনো বাৰু এই কাণ্ড কৰিলে?

বেছি ভাবি থাকি লাভ নাই। কেঁচুৱাটো দাঙি ললেগৈ। গঞাক খবৰটো দি ডাক্তৰখানালৈ নিব লাগিব। এয়া তাক নিশচয় ভগৱানেহে দিছে। সন্তানহীন জবাৰ আকুল মিনতি নেদেখাজনে শুনিলে বোধকৰোঁ।

মূহুৰ্ততে কথাটো ৰাষ্ট্ৰ হৈ গ'ল। ৰত্নই পথাৰলৈ যাওঁতে হেনো সন্তান এটি পালে। নৰাম, বোধেন, যোগ, কনপাই, ৰূপা মাষ্টৰনী ইত্যাদিৰে ৰত্নৰ ঘৰ ভৰি পৰিল। সততে ৰসিক বোধেনে মাত লগালে--'চাবা আকৌ ৰজা জনকেও সীতাক এইদৰেহে পাইছিল, এয়া আজিৰ সীতাও হ'ব পাৰে।

নাই বৰ বেছি দিগদাৰী সি নাইপোৱা। সিহঁত দুয়োৰে মৰমৰ উমত সোনকালেই ডাঙৰ হৈ পৰিল কেঁচুৱাটি। খোজ কাঢ়িব পৰা হ'ল। মাত দুই এটাকৈ ফুটিবলৈ ল'লে। ইমান যে উৎপতীয়া হৈছে। জবাই আজৰিয়ে নোপোৱা হ'ল। ৰত্নই মন কৰে, জবাৰ মনত আজিকালি সেই বিষাদৰ ভাৱটো মুঠেই নাই। বনলতা নামটো জবায়েই দিয়া। যেনে হলেও দুশ্ৰেণী পঢ়া তিৰোতা বনত পোৱা কাৰণেই হেনো বনলতা হ'ব লাগে। ৰত্নই আপত্তি নকৰিলে। নামতনো কি আহে যায়। ছোৱালীজনীয়ে পাইছে সেয়াই যথেষ্ট। তাৰো দায়িত্ব বাঢ়িল। কাপোৰ কানিৰপৰা আৰম্ভ কৰি খেলনা বস্তুলৈকে সকলোখিনি সি যোগাৰ কৰি দিছে। আৰু দুবছৰমান গলে স্কুলত নাম লগাই দিব লাগিব। তাই পঢ়ি-শুনি চাকৰি কৰিলে তাৰ কেনেকুৱা লাগিব বাৰু? কিন্তু এই মানুহজনৰ কথাটো কি কৰা যায়।

আজি প্ৰায় এবছৰমানেই হ'ল টাউনৰ কোনোবা মানুহ এজন গাড়ী লৈ আহে, ৰত্নৰ ঘৰলৈ আহে। আহিলেই বনলতাৰ কাৰণে কিবা-কিবি লৈ অহাই নহয়, ৰত্নক পইচাও দি যায়। মানুহজন কোন প্ৰকৃততে ৰত্নই নাজানে। কোনোবা অনাথ শিশু কল্যাণ সমিতিৰ সদস্য বুলি কয়। প্ৰতিবাৰতেই জোৰ কৰি হলেও ছোৱালীজনীৰ বাবে খৰছা তাক দি যায়। ৰত্নৰ চিন্তা এতিয়াহে বাঢ়িল। আজি এমাহমানৰপৰা বনলতাৰ গাটো বেয়া, ডাক্তৰে কৈছে পেটত কিবা টিউমাৰ হৈছে। ৰত্নই ভালকৈ বুজি নাপায়, যিটো পাইছে সেয়া হৈছে অতি সোনকালেই বাহিৰলৈ নি অপাৰেচন নকৰালে তাৰ বনলতাৰ জীৱনৰেই সংশয়। কিন্তু ইমান পইচা সি পাই ক'ৰপৰা? আৰু পালেই যেনিবা সেইবোৰ নিচিনা নজনা পৰৰ দেশত কি কৰিবগৈ সি, কোন যাব তাৰ লগত। ক'ত জানো খবৰ পালে পৰহি সেই মানুহজন পুনৰ আহি ওলালহি। ৰত্নৰপৰা সবিশেষ লৈ সকলো দায়িত্ব নিজেই ল'লে। তেওঁ চিনাকিও আছে হেনো, ৰত্নই ইচ্ছা কৰিলে সিও লগত যাব পাৰিব। অপাৰেচন যে অতি জৰুৰী সেয়াও তাক বুজাই দিলে।

এতিয়া কি কৰা উচিত। জবাৰ সৈতে আলোচনা কৰি সি একো উপায় উলিয়াব পৰা নাই। জবাৰ ভয় জানোচা মানুহজনৰ মতলবটো বেলেগ। যদি পিছত বনাক কাঢ়ি নিয়ে। গাৱঁৰ ডেকামখাই আকৌ কথাটো আনধৰণেহে লৈছে। দিলীপ, হৰেনহঁতে পৰহিলে মানুহজন আহিলেই নামঘৰত মেল চপোৱাৰ সিদ্ধান্ত লৈছে। মেলতে হেনো সকলো নিষ্পত্তি কৰা হ'ব। ইহঁতবোৰক কথাটো কৈ বেয়াহে হ'ল নেকি বাৰু? কিন্তু নক'লেনো সি অকলে কি কৰিব? আৰু মানুহজন কোনোবা অনুষ্ঠানৰ সদস্য বুলিহে কৈছে, তথাপি...ডাঙৰ কথা এইবোৰ লৈ আলোচনা, তৰ্ক-বিতৰ্ক মাৰি থাকিলে ইফালে তাৰ বনা যে কোনোবা অজান দেশলৈ গুছি যাবগৈ। সি তেন্তে কি কৰা উচিত? কালিলৈকে সি মানুহজনক বিচাৰি ওলাই যাবনেকি? আজি জবাৰ সৈতেও কথাটো আকৌ এবাৰ পাতি চাব। কিবা উপায় এটা উলিয়াব লাগিব।



গল্প

# অনিমা অকলশৰীয়া নহয়

❑ নীতু মণি দত্ত
উঃমাঃ প্ৰথম বাৰ্ষিক

আজি অনিমা বৰুৱাৰ চাকৰি জীৱনৰ অন্তিম দিন । আজি পয়ত্ৰিশ বছৰ অফিচত চাকৰি কৰাৰ পাছত তেওঁ অৱসৰ গ্ৰহণ কৰিব । অনিমা বৰুৱাৰ ল'ৰা-ছোৱালী এহাল । পুতেক সীমান্তই দিল্লীত চাকৰি কৰে আৰু জীয়েক সীমাও চিলঙত থাকে । তাইক বিয়া দিয়া পাঁচ বছৰেই হ'ল । তাইৰ এজনী তিনি বছৰীয়া ছোৱালী আছে । স্বামী অবিনাশ বৰুৱাৰ মৃত্যু হোৱা পঁচিশ বছৰেই হ'ল । তথাপিও তেওঁ সময়েই পোৱা নাছিল । দিনবিলাক ব্যস্ততাৰ মাজেৰেই পাৰ কৰিছিল । আজি কিন্তু বৰ অকলশৰীয়া অনুভৱ কৰিছে । অতীতৰ কিছুমান স্মৃতিয়েও তেওঁক আগুৰি ধৰিছেহি । যিবিলাক আগতে কেতিয়াও ভৱা নাছিল, ভাৱিবলৈ অৱশ্যে সময়ো নাছিল ।

কলেজত পঢ়াৰ দিনৰেপৰা ভাল পাইছিল অবিনাশক । ইঞ্জিনীয়াৰ অৱিনাশ বৰুৱাক । আনুষ্ঠানিক শিক্ষা শেষ কৰি শিক্ষা বিভাগতে এটা চাকৰি যোগাৰ কৰি ল'লে । ঘৰৰ মানুহে ওচৰৰে এজন অধ্যাপকলৈ বিয়া দিবলৈ যা-যোগাৰ কৰিছিল । কিন্তু অনিমাৰ প্ৰৱল আপত্তিত সেয়া হৈ নুঠিল । ককায়েকৰ অনেক বুজনীয়েও অনিমা বৰুৱাৰ মত সলনি কৰাব নাছিল । ঘৰৰ পৰা অনুমতি নোপোৱাৰ বাবে অৱশেষত গোপনে বিয়া হ'ল অবিনাশৰ লগত । চিৰজীৱনৰ বাবে বান্ধ খাইছিল তেওঁ । বিয়াৰ দুবছৰৰ পাছত সিহঁতৰ মাজলৈ সীমান্ত নামৰ কণমানি কেচুৱা এটা আহিল । তিনি বছৰমান সিহঁতৰ সংসাৰ সুখেৰেই চলিছিল । বিয়াৰ পাছতো অনিমায়ে চাকৰি কৰিয়ে আছিল । দিন যোৱাৰ লগে লগে অনিমায়ে ককায়েকে কোৱা কথা উপলব্ধি কৰিবলৈ ধৰিলে । অবিনাশ টকাৰ প্ৰতি বেছি লোভীয়া হ'ল । ক'ত কেনেকৈ দুৰ্নীতি কৰি টকা ঘটিব পাৰি তাৰ চিন্তাহে বেছিকৈ কৰা হ'ল । মদ খাই মাতাল হৈ ৰাতি দেৰিকৈ ঘৰ সোমাইহি । এইবিলাকৰ প্ৰতিবাদ কৰিলে তাইৰ ওপৰতহে হাত তোলে । এইবিলাক কাৰ্য্যৰ কাৰণে অবিনাশক কেইবাবাৰো উগ্ৰপন্থীয়ে এইবিলাক কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ ক'লে । কিন্তু অবিনাশৰ এইবিলাক কথালৈ কাণসাৰেই নাই । অনিমাৰ এতিয়াও মনত আছে এদিন অবিনাশ ঘৰত নথকা সময়ত এগৰাকী অচিনাকি মানুহ অনিমাহঁতৰ ঘৰলৈ আহিল আৰু ক'লে যে মই আপোনাৰ স্বামীৰ সন্তানৰ মাক হ'বলৈ ওলাইছো । তেওঁ মোক এগৰাকী পত্নীৰ সমানেই আসন দিয়ে । মহিলাগৰাকীয়ে অনিমাক আৰু কিবা কিবি কৈছিল যদিও তাইৰ কাণত নোসোমাল । তাই শিলপৰা কপৌৰ দৰে থৰ হৈ গ'ল । তথাপিতো তাই ভাৱিলে একমাত্ৰ সন্তানটোৰ কাৰণে তাই এই পৃথিৱীত জীয়াই থাকিব লাগিব । এই ঘটনাৰ দিন ধৰি অবিনাশ ঘৰলৈ নহা হ'ল । তাই জানিব পাৰিলে সেই মহিলা গৰাকীৰ লগত অবিনাশ ভাৰা ঘৰত থাকে । এই ঘটনাৰ কথা গম পাই অনিমাৰ ঘৰৰ মানুহো আহিছিল । তাইক আইনৰ সহায় ল'বলৈও কৈছিল । কিন্তু তাই তেনে কৰিব নিবিচাৰিলে । তাইৰ আশা এদিন অবিনাশে নিজৰ ভুল বুজি নিশ্চয় অনিমাৰ ওচৰত ক্ষমা বিচাৰিবহি আৰু এদিন সঁচাকৈয়ে অবিনাশে এটি নৱজাত শিশুক লৈ ৰাতি সাতমান বজাত ঘৰ সোমাইছিলহি । অবিনাশে অনিমাৰ ওচৰত ক্ষমা বিচাৰিলে । অনিমাৰ ওচৰত অবিনাশ কিমান অপৰাধী তাকো ক'লে । অবিনাশে আৰু ক'লে যে 'এই কেঁচুৱাজনী জন্ম দিয়েই ৰীণাৰ মৃত্যু হ'ল । অনিমাই অবিনাশক একো নক'লে , খঙো নকৰিলে । অনিমায়ে কেচুৱাজনীক নিজৰ সন্তানৰ দৰে ৰাখিবলৈ স্থিৰ কৰিলে । কেচুৱাজনীয়েতো একো ভুল কৰা নাছিল । তেওঁলোকৰ সংসাৰখন আকৌ আগৰ দৰে হ'ল । সীমান্তয়ে ভনীয়েকক পাই বৰ ভাল পালে । অনিমায়ো ছোৱালীজনী আপ-দাল কৰিব কাৰণে এজনী কাম কৰা ছোৱালী ৰাখিলে । সীমান্তও স্কুললৈ যাব পৰা হ'ল । কেচুৱা জনীৰ নাম অবিনাশে সীমা থ'লে । অবিনাশে কিন্তু তেতিয়াও দুৰ্নীতি পৰা আঁতৰি অহা নাছিল । অবিনাশে ল'ৰাটোক স্কুললৈ অনা-নিয়া কৰে । এদিন সীমান্তক স্কুলতে থৈ আহোঁতে দুজন স্কুটাৰত অহা যুৱকে অবিনাশক নিচেই ওচৰৰ পৰা গুলীয়াই থৈ গ'ল । অবিনাশৰ থিতাতে মৃত্যু হ'ল । তাৰ পাছতো অনিমায়ে ধৈৰ্য্য নেহেৰুৱাই ল'ৰা-ছোৱালীহালক ডাঙৰ কৰিলে , নিজৰ চাকৰিও চলাই গ'ল । পুতেক সীমান্তই এতিয়া দিল্লীত চাকৰি কৰে । জীয়েকে বি.এ. পাছ কৰি নিজৰ পছন্দ মতে বিয়া কৰালে । তাই বেচেৰীয়ে এতিয়াও নাজানে তাই আচল মাক কোন ?

টেক্সি আহি পোৱাতহে অনিমাৰ তন্ময়তা ভাগিল । আজি চাকৰি জীৱনৰ অন্তিম দিন কাৰণে অফিচৰ পৰা টেক্সি এখন দিছে অহা-যোৱাৰ বাবে । অনিমাই লৰা লৰিকৈ গাড়ীত উঠিলগৈ । অফিচত গৈ দেখিলে সকলোৱে তাইলৈ আশ্ৰুসিক্ত নয়নেৰে চাই আছে । তাইক সকলোৱে কিবা-কিবি উপহাৰ দিছে । কিছুমানে ধৰ্ম-পুথি, কিছুমানে গল্প -উপন্যাসৰ কিতাপ ইত্যাদি । সকলোৱে তাইৰ ওপৰত কিছু কিছু কথা কৈছে । তাই কাণত কিন্তু একো কথা নোসোমাল । অনিমাক এটা অকলশৰীয়া অনুভৱে হেঁচা মাৰি ধৰিছেহি । আবেলি তিনি মান বজাত অনিমায়ে সকলোৱে পৰা বিদায় হৈ টেক্সিত উঠিলহি । ঘৰ পায় গেটখন খুলি দেখিলে যে পুতেক-জীয়েক আৰু নাতিনীয়েক বাৰাণ্ডাত বহি আছে । অনিমাক দেখি গেটৰ ওচৰলৈ আগবাঢ়ি আহিছে । অনিমায়ে সিহঁতলৈ চাই শেতা হাঁহি এটা মাৰিলে । পুতেক সীমান্তই ক'লে 'মা' তুমি অকলশৰীয়া হ'বা বুলিয়েই মই দিল্লীৰপৰা বদলি হৈ আহিছো ।' জীয়েক সীমাইও ক'লে ' আমি এই চহৰতে ঘৰ বনাম মা । ঘৰ সম্পূৰ্ণ নোলোৱালৈকে তোমাৰ লগতে থাকিম ।' অনিমা আনন্দতে চকুলো ওলাই আহিল । তেওঁ মনতে ভাৱিলে মই ইমানদিনে মিছাকৈয়ে অকলশৰীয়া বুলি ভাৱি আছিলোঁ । অনিমালৈ চাই 'আইতা' বুলি মাত লগোৱা নাতিনীয়েককো কোলাত তুলি ল'লে আৰু পুতেক -জীয়েকক ক'লে 'ব'লা' ভিতৰলৈ যাওঁ । ইয়াতে কথা পাতি থাকিবা নেকি ? সকলোৱে ভিতৰলৈ বুলি খোজ ল'লে। ✧✧

গল্প

# উপলব্ধি


কবিতা শইকীয়া
স্নাতক ২য় বৰ্ষ


সৰু ভনীয়েকৰ চিঠিখন পঢ়ি ৰমেনৰ মন এক দুখ আৰু অপৰাধ বোধেৰে ভৰি পৰিল। সি চাকৰিত সোমোৱাৰ পৰা এটা বছৰে সপ্তম শ্ৰেণীত পঢ়ি থকা সৰু ভনীয়েকক একোকে দিব পৰা নাই। লগৰ আন দহজনী ছোৱালীক দেখি তাইৰো এটা ভাল ফ্ৰক পিন্ধিবলৈ, এজোৰ চিক্‌মিকীয়া চেণ্ডেল ভৰিত সোমাবলৈ জানো মন নাযায় ? এয়া বাস্তৱ সত্য। এই সত্যক সিও নুবুজা নহয়, বুজে।

চিঠিখন ৰমেনে পুনৰ মেলি ল'লে। এইবাৰ আহোঁতে মোলৈ ৰঙা ফ্ৰক এটা আনিবি। নহ'লে বেয়া পাম। জান ককাইদেউ। মোৰ লগৰ ছোৱালীবোৰে কয়, 'ববি, তোমাৰ চাকৰি কৰা ককাইদেউ আহিলে তোমালৈ ছাগে বহুত কিবাকিবি আনে নহয়নে ?'

'মই কওঁ, আনেতো। এইবাৰ মোলৈ ফ্ৰক এটা আনিছিল। মোৰ পিছত মনে মনে হাঁহি উঠে। ক'তা মোক আজিলৈকে একো এটা দিয়া নাই।'

ৰমেনে ক'ব নোৱাৰাকৈ চকুযোৰ সজল হৈ আহিল। বুকুৰ ভিতৰখনত সি যেন এটা বিষ অনুভৱ কৰিলে। সৰলমনা সৰু ভনীয়েকজনীয়ে ভাৱিছে ছাগৈ সি চাকৰি কৰি বহু টকা পায়। বহুত সুখ আৰু আনন্দতে খাই-বৈ দিনবোৰ কটাইছে। পিছে সিহে জানে সি এটা তৰাং পানীৰ মাছ। মাহেকৰ মূৰত পোৱা সামান্য টকা কেইটাৰে নিজৰ খোৱা-বোৱাৰ বাবে কিছু ৰাখি বাপেক বলোৰামলৈ প্ৰতি মাহে ডেৰশকৈ পঠিয়াই। তাৰ পাছত আৰু অন্য চিন্তা কৰিবলৈ মন নেযায়। সি যে অনেক চেষ্টাৰ মূৰত এই হোমগাৰ্ডৰ চাকৰিটো পাইছে- সেয়ে বহুত।

বৰলুইত হাইস্কুলত সপ্তম শ্ৰেণীলৈকে পঢ়াৰ পাছত আৰু সি আগবাঢ়িব নোৱাৰিলে। কিতাপৰ আখৰবোৰ একোটা ভয়লগা দৈত্যযেন হৈ তাৰ আগত নাচিবলৈ ধৰিলে। স্কুলখন তাৰ বাবে এখন বন্দীশাল যেন লাগিল। সেইবোৰ কথা মনত পৰিলে মাজে-সময়ে ৰমেনৰ মনটোত বেজাৰ লাগে। তাৰ লগৰ বহুত কেইটা ল'ৰা আজি জীৱনত সু-প্ৰতিষ্ঠিত।

বাপেকৰ কথা ভাৱিলে ৰমেনৰ বৰ দুখ লাগে। তাৰপৰা কিমান যে আশা কৰিছিল। এন্ধাৰ ঘৰখনলৈ কঢ়িয়াই লৈ আহিব বুলি মুঠি মুঠি জোনাক। ৰমেন পঢ়ি-শুনি, জ্ঞানীয়ো নহ'ল। হ'ল আজি অ'ত কালি ত'ত কৰি ফুৰা এজন হোমগাৰ্ড। সিহঁতক আনকি থানাৰ চিপাহীকেইটায়ো গণ্য কৰিব নোখোজে। কি শনিয়ে পাইছিল বাৰু তাক স্কুল এৰিবলৈ। ৰমেনে মনতে ঠিক কৰিলে এইবাৰ পূজাত ভনীয়েকলৈ কিবা কিবি নিব লাগিব। সৰু ছোৱালী বেচেৰী। তাইৰটো জীৱনৰ কঠিনতাৰ লগত এতিয়াও পৰিচয় ঘটা নাই।

কথাবোৰ অকলশৰে ভাবি থাকোঁতে কেতিয়া ৰমেনৰ টোপনি আহিল সি নিজেই ক'ব নোৱাৰিলে। লগৰ ফুকন বোলাজনে হেঁচুকি জগাই দিয়াতহে সি সাৰ পালে।

ঃ ঐ উঠ, থানালৈ যাব লাগিব।

ঃ এই ৰাতিখন আকৌ কিয় ?

ঃ আমাৰ আকৌ দিন-ৰাতি ক'ত আছে অ' ? প্ৰয়োজন হ'লেই আমি দৌৰ মাৰিব লাগিব।

ৰমেনে ভাবিলে - এৰা সিহঁতৰ কি দিন-ৰাতি, ভাগৰ-জিৰণি আছে ? মাজে মাজে তাৰ গাটো বৰ বিষায়। কেম্পৰ মজিয়াত বিচনা কৰি শোঁওতে দেহাই কি কষ্ট পাই সেয়া, আনে কি বুজিব !

লৰালৰিকৈ খাই-বৈ ৰমেন ফুকনৰ লগত থানালৈ ওলাই গ'ল সম্পূৰ্ণ হোমগাৰ্ড হৈ। থানাত গৈ সি যি দৃশ্য দেখিলে যে গাৰ তাৰ শিয়ৰি উঠিল। এজনী গাভৰু বোৱাৰী, বয়স সাতাইশমান হ'ব কিজানি। গিৰিয়েকৰ লগত ঘটা দীৰ্ঘদিনীয়া মতানৈক্যৰ বাবেই বোলে তাই চিপজৰী লগাই আত্মহত্যা কৰিলে।

স্বামীৰ অত্যাচাৰত তাই লোকৰ ঘৰত কাম-বন কৰি দুই-চাৰি টকা গোটাব লগা হৈছিল। কথাবোৰ তাইৰ প্ৰতিবেশীৰপৰা পুলিচে সংগ্ৰহ কৰিছিল।

মৃতদেহ লৈ তিনিচুকীয়ালৈ গৈ থাকোঁতে ৰমেনে মনে মনে ভাৱিছিল জীৱন ইমান নিৰ্মম, ইমান জটিল। অভাৱে মানুহৰ জীৱনৰ সকলো ৰং কাঢ়ি লৈ যায়। অকস্মাৎ মনত পৰিল তাৰ ভনীয়েকলৈ। তাইক ভাল ঠাইত বিয়া দিব লাগিব য'ত অভাৱে তাইৰ সুখৰ হাঁহি কাঢ়ি লৈ যাব নোৱাৰিব।

ৰাতিপুৱা ক্লান্ত হৈ ৰমেন ঘূৰি আহি ৰঙাগড়া থানা পালেহি। থানাৰ পৰা কেম্পলৈ আহিয়েই পোছাক পাতি তিয়াই ভালদৰে গা-পা ধুলে সি। এমুঠি খাই সি দীঘল হৈ পৰিল বিচনাত।

তিনিচুকীয়াত সিহঁতৰ গাৱঁৰে পলাশক লগ পাই সি ঘৰৰ বতৰা ল'লে। ডাঙৰ ভনীয়েক পাপৰিক শিৱসাগৰৰ কোনোবা এঘৰে চাবলৈ আহিছে। খবৰটো শুনি ৰমেনৰ মনটো ভালো লাগিল, বেয়াও লাগিল। পাপৰিক উপযুক্ত বয়সতে এঘৰলৈ উলিয়াই দিব পাৰিলে ভাল কথা। তাৰ বাপেকৰ শৰীৰৰ ওপৰতো বয়সৰ অত্যাচাৰ লাহে লাহে চলিবলৈ আৰম্ভ কৰিছে। কিন্তু সমস্যা হ'ল টকা-পইচাৰ। সিহঁতৰ দৰে নিম্ন মধ্যবিত্ত লোকৰ ছোৱালী এজনীক বিয়া দিয়াতো মুখেৰে কোৱাৰ দৰে সহজ নহয়। মূৰৰ ওপৰত যেন কোনোবাই গধূৰ শিল এছটা তুলি দিলে - এনে ভাৱ হ'ল তাৰ।

চাৰিদিন মানৰ পাছত সি বাপেকৰ এখন দীঘলীয়া চিঠি পালে লিখিছে - ' শিৱসাগৰৰ ল'ৰাজন ভাল। কটঁত বৰকেৰাণি কৰে ঘৰৰ অৱস্থা বেয়া নহয়। বছৰ জোৰাই খায়ো ভঁৰালৰ ধান বেচিবও পাৰে। ল'ৰাৰ বাপেক অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী। এই আটাইবোৰ কথা জুকিয়াই ৰমেনৰ বাপেকে বিয়াখন হোৱাটোকে কামনা কৰিছে। পাৰিলে অহা বহাগতে দিব লাগে। আগতীয়াকৈ টকা-পইচা গোটোৱাৰ পৰামৰ্শ দিয়া শাৰী এটাও লিখিছিল চিঠিত। পঢ়ি ৰমেনে দীঘলকৈ উশাহ এটা টানিলে। ভাবিলে এটা গধূৰ দায়িত্ব। সাহসেৰে কান্ধ পাতি লোৱাতহে পৌৰুষত্ব লুকাই আছে। বৰশীৰ মাছ এৰাই গ'লে সি সতকাই পুনৰ নোখোটে, সিও নুবুজা নহয়। শৰতৰ দুজনী ভনীয়েকক আজিলৈকে কতো গতাব নোৱাৰাত ঘৰতে বুঢ়ী হোৱাৰ উপক্ৰম হৈছে। এই দুৰ্ভাগ্য যেন তাৰ ভনীয়েকহঁতৰ জীৱনলৈ নাহে। মনটো দৃঢ় কৰিলে, চাৰিমাহত নিজে কষ্ট কৰি চলি হ'লেও টকা-পইচা গোটাবই লাগিব।

ৰমেনে মনতে ভনীয়েকৰ বিয়াৰ এখন ছবি আঁকি চালে। কইনাৰ সাজত ভনীয়েকক কেনে লাগিব। সি কি কি কৰিব, দৰাজন কেনে হ'ব ..... ইত্যাদি ইত্যাদি। মনটো পিছে তাৰ বৰ গধূৰ গধূৰ লাগি আছিল। টকা-পইচাৰ চিন্তাই প্ৰধানকৈ তাক জুৰুলা কৰিছে। কিছুমান আজে-বাজে খৰচ কৰি পইচা শৰাধ কৰাৰ বাবে নিজকে এতিয়া তাৰ অপৰাধী যেন লাগিছে। সৰু ভনীয়েকৰ এটা ভাল ফ্ৰক, এযোৰ চেণ্ডেল নাই অথচ সি প্ৰয়োজনীয় পোছাক-পাতি থকা সত্ত্বেও ওপৰঞ্চি দুই-তিনিটা লংপেণ্ট চিলাইছে। ডিমাপুৰলৈ গৈ এটা টেপ ৰেকৰ্ডাৰ কিনিছে। কি বিশেষ প্ৰয়োজন আছিল তাৰ এইটোৰ ? মাজে মাজে অভাৱী ঘৰখনৰ কথা পাহৰি সি কল্পনাৰ আকাশত উৰি ফুৰিছে। দেউতাকে তাপলি মৰা কানি-কাপোৰ পিন্ধি গাৱঁৰ মেল, সবাহলৈ গৈছে আৰু সি ইয়াত কেতিয়াবা নিচা কৰি ৰেডিঅ'ৰ হিন্দী গীতৰ তালে তালে চিঞৰ-বাখৰ কৰিছে। এইবোৰ কথাই এতিয়া ৰমেনক খুলি খুলি খাইছে। সৰু ভনীয়েক আৰু দেউতাকৰ চিঠিয়ে তাৰ বিবেকক বাৰুকৈয়ে জোকাৰি দিছে।

'কি অ' চুপ-চাপ ৰ'লি দেখোন। কি ভাবিছ আমি জানিব পাৰোঁ নে ? ধেমেলীয়া অজয়ৰ কথাষাৰ শুনি সি চমকি উঠিল। হয়তো ! তাৰ মনৰ ধুমুহাছাটিৰ কথাতো সিহঁতক কোৱা হোৱা নাই !! ক'বওতো নোৱাৰে সকলো কথা সকলোকে। তথাপিটো সি ক'লে 'চৰায়ে সদায় নিজৰ ডেউকাৰৰ শক্তি অনুসৰি উৰা মাৰে। আমিও, মানে মই মোৰ নিজৰ কথা কৈছোঁ।' তেনে কৰা উচিত। ভন্টীৰ চিঠিখনে মোৰ এই সত্য উপলব্ধি কৰিবলৈ শিকাইছে।' ৰমেনৰ মুখৰ গহীন কথা শুনি অজয়ৰ লগতে বাকী কেইটাও অবাক হ'ল।

'কালিলৈ মই টেপ ৰেকৰ্ডাৰটো বিক্ৰী কৰি দিম। সেইখিনি টকাই অন্ততঃ বিয়াৰ যা-যোগাৰ কৰাত দেউতাক সহায় কৰিব ? হোমগাৰ্ড অজয়ে মন কৰিলে কথাখিনি কওঁতে ৰমেনৰ মাতটো অলপ কঁপি কঁপি ওলাইছিল। বাহিৰত তেতিয়া এজাক বৰষুণ পৰিছিল। হুৰমূৰকৈ সোমাই অহা বতাহ জাকে তাৰ কথাখিনি উৰুৱাই নিলে বহু দূৰলৈ ............ ।□

## জানিবলগীয়া

- সাহিত্য একাডেমীৰ প্ৰথম অসমীয়া সভাপতিজন কোন ?
- বিৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য।
- 'পঞ্চবেদ' কাক আখ্যা দিয়া হয় ?
- নাট্য শাস্ত্ৰক।
- 'কুকুৰীকণাৰ আঠমঙলা' নাটকখন কোনে লিখে ?
- মিত্ৰদেৱ মহন্ত।
- প্ৰথম অসমীয়া স্কুলীয়া আলোচনীখনৰ নাম কি ?
- ১৯১৯ চনত যোৰহাট নৰ্মাল স্কুলৰপৰা প্ৰকাশিত 'প্ৰভাত'।

সংগ্ৰাহক ঃ একলব্য বৰগোহাঁই

গল্প

# আৱৰ্তন

পূৰ্ণ কোঁৱৰ
স্নাতক প্ৰথম বৰ্ষ

অফিছৰপৰা ওলায়েই ফুকন বাহিৰে বাহিৰে মাজৰ বজাৰখনত সোমাল। বহুদিন ভাল মাছ অকণমান খোৱা হোৱা নাই। এই লৈ ফুকননীৰো অসন্তোষ। ডাঙৰটো ল'ৰা দীপুৱে মাছ আছে বুলি কলে বৰ আগ্ৰহ কৰে। মাছ যে ফুকনে নিকিনে সেয়া নহয় বৰং দেখিলেই কিনে। কিন্তু আজি এমাহমানেই হ'ল ফুকননীৰ অসুখৰ বাবে খোৱা-বোৱাত কাৰো ৰুচি নাইকিয়া হ'ল। সাধাৰণতে ঘৰৰ মানুহগৰাকী কাম-বন কৰিব নোৱাৰাকৈ কিছুদিন পৰি থাকিব লগা হ'লে সাধাৰণ দহজনৰ যি হয়, ফুকনৰো অৱস্থা একেটাই হ'ল। ৰাতিপুৱাটোও পানী ধৰাৰপৰা ল'ৰাক গা-ধুৱাই টিফিন বান্ধি স্কুলত থৈ অহা, গা-পা-ধুই নিজে ৰন্ধা ভাতকেইটাৰ মন্দ অকনমান ফুকননীক দি নিজেও কাণে-নাকে গুজি অফিছলৈ ওলাই যোৱা, দুপৰীয়া ছুটীৰ সময়ত দীপুক স্কুটাৰেৰে পুনৰ ঘৰত থৈ অহা, গেছৰ বাবে লাইন পতা, ইত্যাদিবিলাকৰ মাজত ফুকনৰ এনেকুৱাকৈ সোমাই পৰিল যে বাহিৰৰ পৃথিৱীখনত কৈ হৈছে তেওঁ নাজানে। কেতিয়াবা বাতৰি কাকতখনো অফিছতহে লুটিয়াই চায়।

"মই খাব নোৱাৰিলো কাৰণেই মাছ-তাচ অকণো ঘৰলৈ আনিব নাপায়নে? দীপুটোৱে ইমান আশা কৰে। নহ'লে অলপ দিনৰ কাৰণে নিৰ্মলাকে মাতি পথাও নেকি? আপোনাৰো অলপ সুবিধা হ'ব।" ফুকননীয়ে প্ৰায়ে অনুযোগ কৰে। আচলতে ৰন্ধাৰ এলাহত নহয়, ফুকননীক মন্দ ভাত খুৱাই নিজে মাছ খাবলৈ ফুকনৰ বৰ মন নাই। ডাক্তৰৰ মতে আৰু এসপ্তাহৰ পিছতে আগৰদৰে খাব পৰা হ'বগৈ। খুলখালিয়েক নিৰ্মলাক অনাৰ কথা ফুকননীয়ে কি আছে যদিও ফুকনেহে মন কৰা নাই। বি, এ পাছ কৰি ঘৰতে এনেই থকা নিৰ্মলাক ফুকনে মাতিলে একেদিনাই আহিব। কিন্তু লাভ একো নহ'ব। ববকাট চুলিকোচাৰে সৈতে স্পটিং, লংপেণ্ট পিন্ধি ভালপোৱা নিৰ্মলাক আনি লোৱা মানে আৰু অলপ জঞ্জাল চপাইহে লোৱা হ'ব। দিনটোৰ বেছিভাগ সময় ড্ৰেচিং টেবুল আৰু টি, ভিৰ সন্মুখত কটোৱা নিৰ্মলাই তেওঁক যে কামত সহায় কৰি নিদিয়ে সেই বিষয়ে ফুকন খাটাং। কালি হঠাতে মাক আহি ওলোৱাত অৱশ্যে যথেষ্ট সকাহ পাইছে ফুকনে। দীপুৱো আজৰি সময়খিনি আইতাকৰ ওচৰতে কাটি যাব।

" কি হে ফুকন, মাছ ল'লে নেকি?" কলনিৰ গগৈ আহি ওচৰতে থিয় হৈছিলহি, ফুকনে গমেই নাপায়।

"নাই চাইছোহে বৰ দাম দেখোন, আপুনি ললে হবলা?

পুথি কেইটামান পাই লৈ থৈছো। আপোনালোকৰ কথা বেলেগ, আমি আৰু পুঠি খলিহনাতেই জীৱনটো কটাব লাগিব।" হাঁহি হাঁহি ক'লে যদিও গগৈৰ কথাৰ সুৰটো ফুকনে ভাল নাপালে। এই মানুহটো কিয় জানো ফুকনে সমূলি সহ্য কৰিব নোৱাৰে। অত্যন্ত কৃপণ বুলি নাম আছে মানুহটোৰ। সুবিধা পালেই ফুকনৰ অফিছতযে বাহিৰা পইচা-পাতিও আছে সেয়া উনুকিয়াবলৈ নাপাহৰে।

বাৰু আপুনি ললে যেতিয়া বলক মই অলপ সিফালে চাও" বজাৰখনৰ মাজেৰে ফুকন আগবাঢ়িল। মাছৰ দাম হৈছে বুলিতো বিক্ৰী নোহোৱাকৈ থকা নাই। অকল জানো মাছৰে দাম? কোনটো বস্তুৰনো দাম নবঢ়াকৈ আছে। যদি কমিছে সেয়া মানুহৰ দামহে কমিছে।

মাকৰ হাতখন সঁচাকৈয়ে ভাল। চিতল মাছৰ আঞ্জাৰে সৈতে ফুকনে বেছ তৃপ্তিৰেই খালে ভাতকেইটা। মাক কালি অহাৰপৰা ৰ'বলৈ পোৱা নাই। নাই বুলিলেও ঘৰখনৰ ইটো-সিটো কাম দেখোন ওলায়েই থাকে। মাইকীমানুহ গৰাকী ঘৰত নাথাকিলে বা কৰিব নোৱৰা হ'লেহে অনুভৱ কৰা যায়। দিনটোৰ ব্যস্ততাৰ অন্তত ঘৰলৈ আহি নিজে চাহকাপ কৰি খাবৰ ধৈৰ্য্য বহুতৰে নাথাকে। সেইবোৰ ভাবিয়েই কেইবাটাও প্ৰস্তাৱ অহা সত্বেও চাকৰি কৰা ছোৱালী ফুকনে বিয়া নকৰালে। গিৰিয়েক-ঘৈণীয়েক দুয়ো চাকৰি কৰা ঘৰবোৰৰ অৱস্থা ফুকনে নেদেখা নহয়। সহকৰ্মী কটকী আৰু তেওঁতকৈ পিছত সোমোৱা মিচেচ বৰুৱা, বৰাই, ফুকনে গম পাই থাকে। এল, ডি এছিছষ্টেণ্ট মিচেচ বৰুৱাৰ চলাৰ যি ধৰণ-কৰণ, দৰ্মহাৰ পইচাৰে তেওঁকে আটেগেনে নাই সন্দেহ। ফুকনৰ যুক্তি হ'ল মাইকী মানুহৰ প্ৰকৃত কৰ্ত্তব্য হ'ল ঘৰখন চম্ভালা। আৰু পইচাৰ কাৰণে চাকৰি কৰিবলৈ দিয়াটোও তেওঁ পছন্দ নকৰে। নিজৰ উপাৰ্জনৰ পইচাৰে যদি খুৱাব নোৱাৰিব বুলি ভাবে, তেনেহলে বিয়া পাতিবই নালাগে।

কিন্তু এতিয়া ফুকনৰ সমস্যাটো কিছু সুকীয়া। কামকৰা সৰু ছোৱালী এজনী লাগে। লাগে মানে সোনকালেই লাগে। ফুকননীয়ে কৈ আছিল যদিও তেওঁ প্ৰথমে বৰ ভাল কৰা নাছিল। কিন্তু এতিয়া দেখিছে নহ'বগৈ। খবৰ তেওঁ নকৰা নহয়, কিন্তু লাগ বুলিয়েই ভাল ছোৱালী এজনী পায় ক'ৰপৰা। আজি এমাহমান যথেষ্ট বিচাৰিছে তেওঁ। অফিছৰ সহকৰ্মীৰপৰা ধৰি বজাৰৰ ঘোষৰ দোকানলৈকে সকলোৱে গম পাইছে যে ফুকনৰ ঘৰত কাম কৰা ছোৱালী এজনী লাগে। গাভৰু ছোৱালী ৰখাটোও এটা সমস্যা। ক'ত কি ঘটনা কৰে ঠিক নাই। সেইকাৰণে হয় একেবাৰে বয়সস্থ নহলে সৰু ছোৱালী বিচাৰিছে তেওঁ।

আজি দেওঁবাৰ কাৰণে অলপ ৰক্ষা। ৰাতিপুৱা আগফালৰ সৰু ঠাই টুকুৰাও লগোৱা কবি পুলি কেইটা খোচৰতে ফুকনে ভাবি আছে কথাবোৰ। বজাৰৰপৰা নিকিনিলে নহয় যদিও বাৰীখনত কিবা এটা কৰাটো সৰুকালৰে অভ্যাস। গাৱঁৰ ঘৰত থাকোতে দেউতাকৰ লগত যঠেষ্ট কৰিছিল তেওঁ। দেউতাক অজিত ফুকন সচাঁকৈয়ে কৰ্মী মানুহ আছিল। অভ্যাসটো তেওঁৰপৰাই হোৱা। আঠপুৰা মাটিত খেতি কৰাৰ উপৰিও বাৰীৰ পাচলি লোকক বিলাব পাৰিছিল তেওঁলোকৰ ঘৰখনে। গৰু-ছাগলীৰে ভৰি আছিল ঘৰখন। অথচ ইমানখিনি কৰিও সামাজিক কাম কাজতো মানুহজন আগৰণুৱা আছিল। এতিয়াও ফুকনৰ তলৰ দুজন ভায়েকে যিপাৰে চম্ভালিছে। দুয়োজনকে বিয়া পাতি দিয়াৰ পিছতহে ফুকন কোৱাৰ্টাৰত নিগাজীকৈ থাকিবলৈ লৈছে।

মাকক কিছুদিনৰ কাৰণে ৰাখি থোৱাটোকে ফুকনে ঠিক কৰিলে। বেমাৰ আজাৰ এটা হলে চিকিৎসাৰো সুবিধা। আৰু কামকৰা ছোৱালীজনী পোৱাৰ পিছত যদি মাকে মন কৰে ফুকনে গাড়ীৰে গৈ থৈ আহিবগৈ। কিন্তু মাক সিমানদিনলৈ থাকিব জানো? লগৰ দুগৰাকীৰ লগত আবেলি কথা এষাৰ পাতিবলৈ নাপালে কিবা ভাল নাপাব তেওঁলোকে। মাঘ বিহুৰ কাৰণে জা-জলপান এমুঠি যোগাৰ কৰিবৰ হ'ল—আজি ৰাতিপুৱা কথাষাৰ উলিয়াই দিলেই। দীপুৰ পৰীক্ষা হোৱাৰ পিছত ফুকননীক কিছুদিন গাৱঁৰ ঘৰতে থৈ আহিবগৈ নেকি? দীপুৱেও ভাল পাব। কিন্তু ফুকননী যাব জানো? সুধি চাব তেওঁক। মাককে ক'ব কথাষাৰ।

গা-পা ধুই ফুকন ওলাই যাবলৈ সাজু হ'ল। কৰ্ট ফিল্ডত আজিৰপৰা হেঙুল থিয়েটাৰ আছে। টিকট তিনিটা কৰি আনিব লাগিব। মাকক দেখুৱাব লাগিব। পাৰিলে কালিলৈ এপাক বজাৰৰ ফালেও লৈ যাব। কেইদিনমান থাককচোন লগতে।

স্কুটাৰখন ষ্টাৰ্ট দিলে ফুকনে।

———০০০———

❖ শায়েৰী ❖

*তেৰে লিয়ে হুঁ বেছেন কিতনি,*
*সনম ক্যা তুঝে হে পতা,*
*অৱ তোহে জিনা মুচকিল*
*মেৰি জান তেৰে বিনা*
*(তোমাক পাবলৈ অধীৰ হৈ গৈছো,*
*তুমি জানো খবৰ ৰাখিছা,*
*এতিয়া তোমাৰ অবিহনে জীয়াই থকাটোৰেই সমস্যা হৈছে।)*

গল্প

# অস্থিৰ হিমালয়

❑ কন্দৰ্প লাহন
স্নাতক ২য় বাৰ্ষিক

কিছু উদাস মনেৰে প্ৰিয়মে খিৰীকিৰে আকাশলৈ চালে। অ'ত ত'ত দুই এচপৰা ডাৱৰ আপোনমনে উটি ভাহিঁ ফুৰিছে। প্ৰতি চপৰা ডাৱৰ সি মনোযোগেৰে চাবলৈ ধৰিলে ; জানোছা কৰ'বাত দীপকক দেখা পায়। নিজৰ বাতুলতাত তাৰ নিজৰেই হাঁহি উঠিল। সি জানে এই অলীক কল্পনাৰ কোনো বাস্তৱ ৰূপ নাই। তথাপি কেতিয়াবা কল্পনা কৰিও এক বিশেষ তৃপ্তি লভা যায়।

দীপকৰ ঘটনাটোক প্ৰিয়মে এতিয়াও সহজভাৱে ল'ব পৰা নাই। এটা ভয়াবহ দুঃস্বপ্ন বুলি পাহৰিবলৈ যত্ন কৰিলেও দীপকৰ স্মৃতিয়ে আহি যেন বেছিঁকৈহে আমনি কৰেহি। সময়ৰ হিচাপত ত্ৰিশটা দিনেও তাৰ মনত দীপকৰ স্মৃতি অলপো ম্লান কৰিব পৰা নাই।

এতিয়ালৈকে প্ৰিয়মে জীৱনত পোৱা দুটা মৰ্মান্তিক আঘাত এটা হ'ল অন্তৰংগ বন্ধু দীপকৰ ঘটনাতো, আৰু আনটো হ'ল মাকৰ আকস্মিক মৃত্যু। মাকৰ আকস্মিক মৃত্যুয়ে তাক অতিকৈ বিচলিত কৰি তুলিছিল। মৃত্যুৰ আগদিনালৈকে স্বাভাৱিকভাৱে কাম-বন কৰি দপ্‌দপাই থকা সমাজসেৱী মাকৰ আকস্মিক মৃত্যুত সমবেদনা জ্ঞাপন কৰিবলৈ বহু মানুহ আহিছিল। মাককে জীৱনৰ সৰ্বস্ব বুলি ভৱা প্ৰিয়মে মাকক সৰুতে কৈছিল, 'মা, তোৰ কিবা হ'লে তই যদি কেতিয়াবা মৰি থাক, মোৰ কি হ'ব ? তোৰ লগতে ময়ো মৰি থাকিম।' মাকে শিশুসুলভ প্ৰশ্ন বুলি ভাৱি তাক ধমকি দিছিল, 'এইটোৰ মুখত কি কথা ওলাইছে শুনিছনে ! কি অমংগলীয়া কথা কৈছ ? হে'ৰ তই ডাঙৰ হৈ কিবা চাকৰি-বাকৰি এটা লৈ বিয়া বাৰু পাতি ল। নাতি-পুতিৰ মুখ নোচোৱাকৈ মই মৰিম বুলি ভাৱিছ নেকি ?' সেইজনী মাকে কেৱল তাৰ চাকৰি হোৱাহে চাই যাবলৈ পালে। তাৰ চাকৰি হোৱাৰ দিনা মাকৰ কি ফূৰ্ত্তি ! আলিবাটে পাৰ হৈ যোৱা সকলো মানুহকে মাতি চাহ-মিঠাই খুৱাই তাৰ শুভ সংবাদটো দিহে তৎ পাইছিল। মাকৰ লগতে মৰি থাকিম বুলি কোৱা প্ৰিয়মে কিন্তু সেইদিনা মাকৰ লগতে মৰি থাকিব নোৱাৰিলে। কি এক অব্যক্ত বেদনাই তাৰ চকুপানী ওলোৱা বাটো ৰুদ্ধ কৰি ৰাখিলে ! মাকৰ মৃত্যুত তাৰ হৃদয়ৰ গভীৰতাত যিডোখৰ ক্ষতৰ সৃষ্টি হ'ল, সেই ডোখৰ শুকাবলৈ নেপাওঁতেই, দীপকৰ ঘটনাটোৱে যেন নিৰ্দয়ভাৱে খুচৰিহে দিলে। নিজৰ অজানিতে গভীৰ হুমুনিয়াহ ওলাই আহিল। ফ্লেছবেকৰ দৰে আগৰ ঘটনাবোৰ তাৰ মনলৈ ভাঁহি আহিল।

সেইদিনা আছিল ডিচেম্বৰ মাহৰ সাত তাৰিখ। বৃহস্পতি বাৰ। দিনটো তাৰ বাবে আনন্দৰ বুলিয়েই প্ৰিয়মে ভাৱি আছিল। সেই দিনটোতে জীৱনৰ এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত প্ৰায় অকলেই লৈ পেলাইছিল। সি কাম কৰা বেংকটোৰ ওচৰতে সম্বন্ধীয়া দদায়েক অনন্ত গগৈৰ ব্যক্তিগত ছাত্ৰী নিবাসটো। ছাত্ৰী নিবাসটোত প্ৰায় বিছজনীমান ছোৱালী থাকে। কোনোবা এটি ক্ষণত তাৰ চকু দুটা সেই নিবাসটোৰে কোনোবা এযুৱি চকুত মাথো এটি মূহুৰ্ত্তৰ বাবে স্থাপিত হৈছিল। তাৰ দেহত, মনত এক অজান পুলক বাগৰি গৈছিল, দেহ-মন ৰোমাঞ্চিত হৈ উঠিছিল। ধেনুভিৰীয়া চেলাউৰি যোৰৰ সৈতে বহল চকুৰ গৰাকিনী গৰাকী অপূৰ্ব সুন্দৰী বুলি হয়তো কাৰোবাৰ সৌন্দয্য পিয়াসী মনে স্বীকৃতি দিবলৈ নিবিচাৰিব পাৰে। আধুনিকতাৰ শাৰীত থ'ব পৰা নাযায়। আধুনিকা হোৱাৰ প্ৰচেষ্টাৰ কথা প্ৰথম দৰ্শনতে বুজিব পাৰি। গালৰ বাওঁফালে থকা এটি তিলে যেন মুখৰ কমনীয়তা কিছু বৃদ্ধি কৰিছে। লাহী দেহা অবয়বেৰে ছোৱালীজনীৰ নাম সি পিছলৈ জানিছিল। তাইৰ নাম চন্দ্ৰিকা গগৈ, স্থানীয় কলেজখনৰ স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰী। চন্দ্ৰিকাক কেতিয়াবা ওচৰতে দেখিলে তাৰ মনটো বৰ দুৰ্বল হৈ পৰে। যেন চকু তুলি চোৱাৰ শক্তিকনো নিঃশেষ হৈ যায়। তাৰ মনৰ মাজত চলি থকা এই ধুমুহাৰ কথা কাকো কোৱা নাই ; আন নেলাগে দীপককো কোৱা নাই। মধুৰ এই অনুভূতি সি অকলে মনত সাৱটি ৰাখিব খোজে।

চন্দ্ৰিকাৰ লগত চিনাকি হোৱাৰ সুযোগ দদায়েক অনন্ত গগৈয়েই এদিন তাক দিছিল। নিজৰ গা ভাল নথকাৰ বাবে দদায়েকে তাক নিবাসটোৰ ছোৱালীবোৰৰ সুবিধা-অসুবিধাৰ বুজ ল'বলৈ পঠাইছিল। হাতলৈ হঠাতে আহি পৰা সুৱৰ্ণ সুযোগটোৰ সদ্‌ব্যৱহাৰ কৰি সি চন্দ্ৰিকাৰ লগত চিনাকি হ'ল। সি এটা কথা লক্ষ্য কৰিলে, চন্দ্ৰিকাৰ ক্ষেত্ৰত 'ধুনীয়া' বিশেষণটো কেৱল মুখ মণ্ডলতে থুপ খাই থকা নাই, স্বভাৱ আচৰণ আদি সকলোতে যেন পৰিব্যাপ্ত হৈ আছে।

লাহে লাহে বাঢ়ি অহা ঘনিষ্ঠতাৰ জৰিয়তে প্ৰিয়মে চন্দ্ৰিকাৰ মনৰ ভাৱসমূহ অধ্যয়ন কৰিবলৈ সক্ষম হৈ উঠিছিল। হয়তো তাৰেই ফলশ্ৰুতিত চন্দ্ৰিকাই তাৰ প্ৰেমত সঁহাৰি জনাইছিল। সেইদিনা আনন্দৰ আতিশয্য সি অকলে সহ্য কৰিব নোৱাৰি তাৰ ভাগ দীপককো দিয়াৰ মানসেৰে সিহঁতৰ ঘৰলৈ ঢাপলি মেলিলে। দীপকে নিশ্চিত ভাৱেই তাক গালি পাৰিব। তেনে এটা কথাও তাৰ পৰা লুকুৱাই থোৱাৰ বাবে পাৰিলেও পাৰক, গালি শুনাৰ প্ৰস্তুতি লৈয়ে সি তাৰ ওচৰলৈ আহিছে। কথাবোৰ ভাৱি ভাৱি সি কেতিয়া দীপকহঁতৰ ঘৰ পালেহি ধৰিবই নোৱাৰিলে। কিন্তু দীপকহঁতৰ ঘৰটো ইমান নীৰৱ -নিস্তব্ধ কিয় ? নীৰৱ -নিস্তব্ধ পৰিৱেশটোত প্ৰিয়মে কিবা অস্বাভাৱিকতাৰ উমান পালে। আনদিনা হোৱা হ'লে দীপকৰ মৰমৰ ভনীয়েক চিংকুৰ মাত দূৰৰ পৰাই শুনিলেহেঁতেন। ইফালে -সিফালে চাওঁতে দীপকহঁতৰ ঘৰত কাম কৰা ভোলা প্ৰিয়মৰ চকুত পৰিল। তাৰো দেখোন মনটো মৰা। কিবা অঘটন ঘটিল নেকি ? 'ভোলা কাই, অ ভোলা কাই।' ভোলাই তাৰ ফালে ঘূৰি চালে, 'অ, প্ৰিয়ম বোপা, তুমি এতিয়াহে খবৰ পালা নেকি ? অলপ আগতে অহা হ'লে দীপকবোপাক ঘৰতে পালাহিহেঁতেন। এই অলপ আগতেহে নিছে।' 'নিছে ! কলৈ নিছে ? তাৰ কিবা হৈছে নেকি ?' ব্যগ্ৰতাৰে সি ভোলাৰ ওচৰ চাপি আহিল। ভোলাৰ মুখত বিস্ময়ৰ ভাৱ পৰিস্ফুট হৈ উঠিল, 'কি ? তুমি তাৰমানে গম নোপোৱা ! মই আ'ক তুমি জানা বুলিহে। কালিলৈকে ভালেই আছিল। আজি পুৱাহে চাহ খাবৰ সময়তে হঠাতে বোপাৰ পেটৰ বি ষ আৰম্ভ হ'ল। ল'ৰাটোৱে বিষত বাগৰি ফুৰিছিল, লগতে ভীষণ জ্বৰ। কঁপালত হাতখন দিলে যেন দেই পুৰিহে নিব। এতিয়া মেডিকেললৈকে লৈ গৈছে। হে ভগৱান, বোপাক তুমি সোনকালে ভাল কৰি তোলা।' অদৃশ্যজনক উদ্দেশি ভোলাই সেৱা এটি কৰিলে। দীপকক মেডিকেললৈ নিয়া খবৰ পাই প্ৰিয়ম তাত এখন্তেকো নৰ'ল। সাঁচতীয়া টকা দুহেজাৰ লৈ পোনেই মেডিকেল পালেগৈ।

কোনোবা ৰোগীৰ মৃত্যু কাতৰ চিঞৰ, ঔষধৰ তীব্ৰ গোন্ধ, ডাক্তৰ-নাৰ্চৰ ব্যস্ততাৰ মাজেৰে সি যেনেতেনে দীপক থকা ১৭নং পেয়িং কেবিনটো বিচাৰি উলিয়ালেগৈ। দীপকে ৰুমতে দেউতাকক সৰু সৰু মাতেৰে কিবা কৈ আছিল। এই অতি কম সময়ৰ ভিতৰতে দীপকৰ দৈহিক আৰু মানসিক প্ৰাণ প্ৰাচুৰ্য্য যেন বহুখিনি হ্ৰাস পালে। এইটো দীপক যেন কালিলৈকে তাৰ লগত হাঁহি ধেমালি কৰি ফুৰা দীপক নহয়। প্ৰিয়মৰ বুকুখনৰ কোনোবা এডোখৰ বিষাই উঠিল। অশেষ কষ্টেৰে অন্তৰৰ আৱেগ অনুভূতি চেপি ৰাখি সি দীপকক মাত লগালে, 'দীপক ভাল পাইছনে ? হঠাতে তোৰ কি হৈ গ'ল ? দেউতাকৰ লগতে দীপকেও মূৰ তুলি চালে, ' অ, প্ৰিয়ম আহিলি। আহ ! এতিয়া অলপ ভাল পাইছো।' ৰাতিপুৱা হঠাতে পেটৰ বি ষ আৰম্ভ হ'ল। ডাক্তৰে বেজী -চেজী দিলতহে ভাল পাইছো। পিছে তই ক'ৰপৰা আহিলি ? মোৰ খবৰ ক'ত পালি ?' ' তহঁতৰ ঘৰলৈ গৈহে ভোলা কাইৰ মুখত তোৰ খবৰ পালো। খবৰটো পাইয়ে তোৰ ওচৰলৈ দৌৰি আহিছো।' লগত নিয়া আপেল -আঙুৰখিনি উলিয়াই উত্তৰ দিলে প্ৰিয়মে।

নিশাটো দীপকৰ লগত প্ৰিয়মেই থাকিল। নিশা অচিনাকী পৰিৱেশত প্ৰিয়মৰ অকণো টোপনি নাহিল। পাছদিনা দুপৰীয়া এটা মৃদু গুঞ্জনৰ শব্দ শুনি প্ৰিয়মে বাহিৰ ওলাই চালে। দুটা ৱাৰ্ডবয়ে ষ্ট্ৰেচাৰ ঠেলি আনিছে। বোধ হয় কোনোবা ইমাৰ্জেন্সি ৱাৰ্ডৰ ৰোগী ! ভাৱিলে প্ৰিয়মে। ৰোগীজনক কেইবাজনো ডাক্তৰ নাৰ্ছে বেৰি ধৰি ব্যস্ত হৈ ষ্ট্ৰেচাৰ খনৰ লগতে গৈ আছে। ৰোগীজনৰ কষ্ট উপশম কৰাৰ ডাক্তৰ -নাৰ্ছৰ এই সন্মিলিত প্ৰচেষ্টাক দেখি প্ৰিয়মৰ মনটো কিবা ভাল লাগি গ'ল। তেওঁলোকক দেৱতাৰ লগত তুলনা কৰিবলৈ মন গ'ল প্ৰিয়মৰ।

'কেবিন নং ১৭ ৰ Attendant কোন আছে ?' কোনোবাই মতা শুনি প্ৰিয়মে লৰালৰিকৈ কেবিনৰ ভিতৰলৈ সোমাই গ'ল। ডাক্তৰ এজনে দীপকক পৰীক্ষা কৰি আছে। কাষতে এজনী নাৰ্ছ থিয় হৈ আছে। 'ছাৰ মাতিছিল ?' সন্ত্ৰমেৰে সুধিলে প্ৰিয়মে। ' Patient অৰ Attendant আপুনি নেকি ? আপুনি মোৰ লগত অলপ আহিবচোন।' ডাক্তৰজনৰ লগতে প্ৰিয়ম তেওঁৰ ৰুমলৈ গ'ল।

অলপ আগতে দেৱতাৰ লগত তুলনা কৰিবলৈ মন যোৱা ডাক্তৰজনক সেইমুহূৰ্ত্তত দেৱতা নহয় অসুৰৰ লগতহে তুলনা কৰিবলৈ মন গ'ল প্ৰিয়মৰ। ডাক্তৰবোৰৰ কোনো অনুভূতি বোলা বস্তু নাই নেকি ? ইমান নিৰ্দয় কথা এটা ইমান সহজভাৱে কৈ দিব পাৰিলে ! প্ৰিয়মৰ কাণত যেন একেলগে হাজাৰ ভোমোৰাই গুঞ্জনহে তুলিছে। ভাৱাক্ৰান্ত মন এটা লৈ কোনোমতে সি ডাক্তৰৰ ৰুমৰপৰা ওলাই আহিল। সি ভাৱি নাপালে এতিয়া কি কৰা যায় ? দূৰত হঠাতে দীপকৰ মাক-দেউতাকক চিংকুৰ সতে মেডিকেললৈ অহা দেখি তাৰ মনটোৱে হাঁহাকাৰ কৰি উঠিল। দীপকৰ মাক-দেউতাকক কোন সতেৰে সি দীপকৰ কথা ক'ব ? পলায়ণৰ মনোভাৱেৰে সি তেওঁলোকক দেখা নিদিয়াকৈ ওচৰৰ পাণ দোকান এখনলৈ গৈ পাঁচ মিনিটৰ Relaxation ৰ কাৰণে এটা চিগাৰেট জ্বলাই ল'লে।

মনটো অলপ শান্ত হোৱাত প্ৰিয়ম কেবিনলৈ ঘূৰি গ'ল। মাকে দীপকক ভাত খাবলৈ দিছে। দীপকক দেখি প্ৰিয়মৰ বুকুখন মোচৰ খাই উঠিল। মনটো পুনৰ অশান্ত হৈ উঠিল। প্ৰিয়মৰ এই অস্বাভাৱিকতা দীপকৰ মাকৰ চকুত সহজে ধৰা পৰি গ'ল। 'তোমাৰ গাটো ভাল লগা নাই নেকি প্ৰিয়ম। জ্বৰ-ছৰ হৈছে নেকি ?' তেওঁ প্ৰিয়মৰ কঁপালত হাত দি চালে। 'নাই নাই ভালেই। মূৰটো অলপ কামোৰাৰ নিচিনা কৰাৰ বাবে চাহ এটোপা খাবলৈ গৈছিলো। আপোনালোক কেতিয়া আহি পালেহি ?' দীপকৰ মাকে প্ৰিয়মৰ প্ৰশ্নৰ উত্তৰ দিলে যদিও মনৰ পৰা সন্দেহৰ ভাৱ আঁতৰি নগ'ল। তেওঁৰ অনুভৱ হ'ল প্ৰিয়মৰ যেন কিবা অসুখ হৈছে। নিশা যথেষ্ট কষ্টও হ'ল কিজানি তাৰ - ভাৱিলে তেওঁ।

অলপ সময়ৰ পাছত দীপকৰ দেউতাকে প্ৰিয়মক চাহ খাবলৈ লগ ধৰি লৈ গ'ল। বাটত দীপকৰ দেউতাকে তাক সুধিলে, ' প্ৰিয়ম ডাক্তৰে দীপকৰ অসুখৰ কথা কিবা কৈছে নেকি।' 'নাই এতিয়ালৈকে একো কোৱা নাই। অথনি ডাক্তৰ আহিছিল, কিন্তু এই বিষয়ে একো নক'লে।' মিছা মাতিলে প্ৰিয়মে, কোন সতেৰে সি দীপকৰ দেউতাকক ক'ব যে, তেওঁৰ একমাত্ৰ পুত্ৰ-সন্তান, আশা-আকাংখ্যাৰ থল দীপক আজি আসন্ন মৃত্যুৰ দুৱাৰডলীত উপস্থিত। কি দৰে ক'ব যে ডাক্তৰে সন্দেহ ক্ৰমে তাৰ তেজ পৰীক্ষা কৰাত HIV ধৰা পৰে। তাৰ AIDS হৈছে। এতিয়া সি সাধাৰণ অসুখ এটাতে মৃত্যুক সাৱটি ল'ব লাগিব। এতিয়া ৰোগ প্ৰতিৰোধ ক্ষমতা সম্পূৰ্ণ ৰূপে সি হেৰুৱাই পেলাইছে।

নিজৰ ভাৱত তন্ময় হৈ থাকোতে দীপকে যে তাৰফালে একেৰাহে মন কৰি আছে প্ৰিয়মে লক্ষ্যই কৰা নাছিল। দীপকৰ চাৱনি সহ্য কৰিব নোৱাৰি প্ৰিয়মে কৈ উঠিছিল 'দীপক, এনেদৰে কি চাই আছ ?' তাৰ প্ৰশ্নৰ উত্তৰ লগে লগে নিদি দীপকে তাৰ দৃষ্টি

চলি থকা ফেনখনৰ ফালে ঘূৰাই নিলে। ফেনখনতে দৃষ্টি আৱদ্ধ ৰাখি দীপকে লাহে লাহে ক'লে, 'তহঁত সকলোৱে মোক যি ফাঁকি দি আছ তাৰ কণমানো বেশতোৰ মুখত লাগি আছে নেকি চাইছো। তহঁতৰ ফাকি সফল হ'লেও, এই ফাকিয়ে মোক সুস্থ কৰি তুলিব নোৱাৰে। সকলো মানুহেই দেখোন মৰে, মই যেনিবা দুদিন আগতে ---।' দীপকৰ কথা শেষ হ'বলৈ নিদি প্ৰিয়মে 'দীপক' বুলি তাৰ মুখখন বন্ধ কৰি ধৰিলে। তই এইবোৰ কি আজে-বাজে কথা বলকিছ্ হুঁ। তই ভাল হ'বই লাগিব। তোৰ ভাল নহ'বলৈ কি ডাঙৰ বেমাৰ হৈছে? তই সোনকালেই ভাল হৈ উঠিবি।' হাতখন লাহেকৈ সি দীপকৰ মুখৰ পৰা এৰুৱাই আনিলে। দীপকৰ ওঁঠত জান-নেজান হাঁহি এটিৰ অস্পষ্ট আভাস এটি উদ্ভাসিত হৈ উঠিল। তাৰ হাঁহিটোৱে যেন প্ৰিয়ম, নিজৰ মাক-দেউতাক, ডাক্তৰ সকলোকে তাচ্ছিল্যহে কৰিছে। প্ৰিয়ম তাৰ হাঁহিটোত উচপ খাই উঠিল।

বহুত সময় কাৰো মুখত কোনো কথা নাই। নীৰৱতা ভংগ কৰি প্ৰিয়মেই মাত লগালে। 'তই ভাল হ'বই লাগিব দীপক। আনৰ কাৰণে নহ'লেও তই অন্ততঃ অঞ্জনাৰ কথা ভাৱিয়েই ভাল হব লাগিব।'

'অঞ্জনা।' অস্ফুট স্বৰেৰে দীপকে উচ্চাৰণ কৰিলে। 'তাই বাৰু কিয় এতিয়াও অহা নাই?' মাতত দৃঢ়তা সানি প্ৰিয়মে উত্তৰ দিলে, 'আহিব আহিব। খবৰ পঠিয়াইছে যেতিয়া নিশ্চয় আহিব। কিবা ডাঙৰ অসুবিধা হ'ব পাৰে। হ'লেও আজি কাইলৈৰ ভিতৰতে ওলাবহি।' আকৌ বহু পৰ কাৰো মুখত কোনো কথা বতৰা নাই। মাজতে এটা সৰু লৰাই চাহ লাগিব নেকি সুধি গ'লহি। দীপকে লাহে লাহে মাত লগালে, 'প্ৰিয়ম তই বন্ধু হিচাপে তোৰ মৃত্যুমুখী বন্ধুৰ শেষ অনুৰোধ এটা ৰাখিবি?' দীপকে জোৰেৰে চেপা মাৰি ধৰা হাতখন প্ৰিয়মেও সমান জোৰেৰে চেপা মাৰি ধৰি ক'লে, 'তোৰ এটা কিয়, এশটা অনুৰোধ, অনুৰোধ নহয় দাবী বুলি ক মই মানিবলৈ সাজু আছো।'মই মৰিম বুলি কোনো দুখ কৰা নাই। কিন্তু অঞ্জনাৰ প্ৰেমক মই কিদৰে বিশ্বাসঘাটকতা কৰো ক। মোৰ অবিহনে তাইৰ কি হ'ব?' দীপকৰ মাত ক্ৰমান্বয়ে থোকা থুকি হৈ আহিল। 'মোৰ অবিহনে মোৰ হৈ তই তাইৰ প্ৰেমক জীয়াই ৰাখিব পাৰিবি? ক প্ৰিয়ম পাৰিবি?' প্ৰিয়মে ভাৱি নেপালে কি উত্তৰ দিব তাক। এহাতে চন্দ্ৰিকা, আনহাতে মৃত্যুমুখী বন্ধুৰ কাতৰ অনুৰোধ, দীপকৰ হাতখন জোৰেৰে চেপামাৰি ধৰি সি হুক হুকাই উঠিল।

প্ৰিয়মৰ বন্ধুত্ব, ডাক্তৰৰ প্ৰচেষ্টা, মাক-দেউতাক- চিংকুৰ মৰম -চেনেহ সকলোকে নেওছি দীপকে চিৰশান্তিক আঁকোৱালি ল'লে। দীপকৰ মৃতদেহ ঘৰলৈ লৈ অনা হ'ল। ঘৰত উঠা কান্দোনৰ ৰোল সহ্য কৰিব নোৱাৰি প্ৰিয়ম বাহিৰলৈ ওলাই গ'ল। অন্যমনস্ক হৈ সি কিমান দূৰ গ'ল ক'ব নোৱাৰিলে। কাৰোবাৰ ঘৰত ডেক বাজিছে।

'মৃত্যু আহে কেতিয়া
কোনে জানে
নেজানে আনে, নেজানে
কোনেও'

তাৰ মনলৈ দীপকৰ জীৰ্ণ-শীৰ্ণ মুখখন আকৌ আহিল। তাৰ অনুৰোধটোৰ কথাও মনলৈ আহিল।

ওচৰতে গাড়ী এখন ব্ৰেক মাৰি ৰোৱা শুনি প্ৰিয়ম উচপ খাই উঠিল। এখন পুলিচৰ জীপ তাৰ ওচৰতে ব্ৰেক মাৰি ৰাখি পুলিচ এজনে তাকে সুধিছে,' দীপক হাজৰিকাৰ ঘৰটো কেনি আছে?' পুলিচৰ মুখত দীপকৰ নাম শুনি প্ৰিয়ম উচপ খাই উঠিল। 'কিবা অঘটন ঘটিল নেকি? বলক মইয়ো দীপকৰ ঘৰলৈ যাওঁ। পুলিচ এজনে তাক লগতে বহুৱাই ল'লে। Second Officer জনেই মাত লগালে। 'থানা খনৰপৰা অলপ আঁতৰতে এক্সিডেন্ট এটা হ'ল বুজিছেনে? ছটা মানুহ লগে লগে মৰিল। তাৰে এজনী জীয়ৰী ছোৱালী। ছোৱালীজনীৰ বেগতে দীপক চাংমাই ঠিকনাটো পোৱা গ'ল। সেয়েহে বোলো তেওঁলোকৰ ঘৰৰ মানুহে Dead body চিনাক্তকৰণ কৰিব পাৰেইবা বুলিয়েই তেওঁলোকৰ ঘৰলৈ আহিছো।' গাড়ী আহি দীপকহঁতৰ ঘৰ পালেহি। কান্দোনৰ ৰোল দেখি পুলিচ বিষয়া জনে সুধিলে, 'কোনোবা মৰিল নেকি?' প্ৰিয়মে সেইপিনে চাই শোকাৰ্ত্ত মনেৰে উত্তৰ দিলে, 'আপুনি যিজন দীপকক বিচাৰি আহিছিল সেই দীপকৰে কালি মৃত্যু হ'ল।' 'So Sad' বুলি পুলিচ বিষয়াজনে পিন্ধি থকা টুপীটো হাতলৈ আনিলে।

পুলিচ বিষয়াজনৰ লগত মৃতদেহ চিনাক্ত কৰণ কৰিবলৈ ওচৰৰে এটা ল'ৰাৰ লগত প্ৰিয়মেই ওলাল। মৃতদেহৰ মুখখনৰ কাপোৰখন এটা চিপাহীয়ে আঁতৰাই দিয়াত সি উচপ খাই উঠিল। তাৰ ভৰিৰ তলৰ মাটিডোখৰ যেন কঁপি উঠিল। এয়া! এয়াচোন অঞ্জনা! দীপকৰ খবৰ ল'বলৈ আহোতে তাই নিজেই এটা খবৰ হৈ পৰিল। সি জড় হৈ পৰিল। তাৰ যেন কোনো অনুভূতি নাই, সি যেন তেজ মঙহেৰে গঢ়া মানুহ নহয়। পুলিচে অঞ্জনাৰ বেগত সিহঁতৰ ঘৰৰ ফোন নম্বৰটো পালে। প্ৰিয়মৰ লগত যোৱা ল'ৰাটোৱেই ওচৰৰ P.C.O এটাৰপৰা অঞ্জনাৰ ঘৰলৈ ফোন কৰি মৰ্মন্তুদ খবৰটো দিলে।

প্ৰায় পাঁচঘন্টাৰ পাছত অঞ্জনাৰ ককায়েক দেউতাকহঁতে গাড়ী লৈ থানা পালেহি। মাকে থানাত অঞ্জনাৰ মৃতদেহ দেখিয়েই যি কান্দোন আৰম্ভ কৰিলে কৰিলেই। মৃতদেহ পোষ্টমৰ্টেম কৰাৰ পাছত থানালৈ পুনৰ অনা হ'ল। ইতিমধ্যে থানাত দীপকহঁতৰ ফালৰো বহুত মানুহ গোট খাইছে। যাবতীয় কামসমূহ কৰি থানাৰ পৰা মৃতদেহ চমজি লওঁতে নিশাই হ'ল।

দুয়োঘৰ মানুহে অলপ সময় গুণা গঁথা কৰাৰ পিছত দীপক-অঞ্জনাৰ মৃতদেহ একে ঠাইতে সংকাৰ কৰাৰ ব্যৱস্থা কৰা হ'ল। দীপকৰ চিতাৰ কাষতে আৰু এখন চিতা সাজি উলিওৱা হ'ল। দুটী বিদেহী আত্মাৰ শান্তিৰ কাৰণে সকলোৱে ক্ষন্তেক সময় মৌনতা অবলম্বন কৰিলে।

চিতা জুইৰপৰা ওলোৱা ধোৱাখিনিৰ দৰেই সকলোৰে মনবোৰ ক'লা হৈ পৰিল। দুইকুৰা চিতাজুইৰ ধোঁৱা খিনি ওপৰলৈ কুণ্ডলী পকাই এক হৈ যোৱাটো সকলোৱে চাই থাকিল।

খিৰীকিৰে বৰষুণৰ টোপাল দুটা মান গাত পৰাতহে প্ৰিয়মৰ সম্বিত ঘূৰি আহিল। তাৰ দুখতে যেন সমানে দুখী হৈ আকাশেও চকু পানী টুকিছে। চকুৰ গুৰিত বিৰিঙি উঠা চকু পানীৰ টোপাল দুটা হাতেৰে লাহেকৈ মোহাৰি প্ৰিয়ম ভিতৰলৈ সোমাই গ'ল। ✧✧



গল্প

# চিৰতা

ইন্দুভূষণ গোস্বামী
স্নাতক ২য় বৰ্ষ

ক্লাচ চলি আছিল ইকনমিক্সৰ। এখন হাত লেকচাৰ ষ্টেণ্ডত ৰাখি বৰুৱাচাৰে এক বিশেষ ভংগীমাত বুজাই আছে। এনেয়ে বৰ ভাল লাগে বৰুৱা ছাৰৰ ক্লাচকেইটা। ল'ৰা-ছোৱালীয়ে আমনি নোপোৱাকৈ সুন্দৰকৈ কথাবিলাক কৈ যায়। কিবা সুধিব বিচাৰিলেও কাকো নিৰ্দিষ্টকৈ আঙুলিয়াই নিদিয়ে, প্ৰশ্নটো দলিয়াই দিয়ে সকলোৰে মাজলৈ। কোনেও একো নামাতিলেও চাৰৰ আপত্তি নাই। নিজেই কৈ দিয়ে। মুঠতে কলেজত বৰুৱা চাৰৰ ক্লাচকেইটা আন ল'ৰা-ছোৱালীৰ দৰে আমাৰো বৰ হেঁপাহৰ। ভাল লাগে চাৰৰ কথা-বতৰা, খোজ-কাটল আটাইবোৰ কথাই।

কিন্তু ক্লাচত আজি মইহে মনটো মুঠেই বহুৱাব পৰা নাই। চাৰৰ কথা শুনি যে আমনি পাইছো সেয়া নহয়। আমনি পাবলৈ চাৰেনো কি কৈছে সেইবোৰ মোৰ কাণত একো সোমোৱাই নাই। অলপ আগতে ভাস্কৰে কোৱা কথাষাৰহে মোৰ মূৰত খুন্দিয়াই আছে।

ঃ অ'ই, ভাল খবৰ আছে; আগতে ক, চাহ খুৱাবিনে নাই?' কলেজৰ গেটখন পাৰ হৈ সোমাই আহোতেই ভাস্কৰে পিঠিত এটা মস্ত ঢকা মাৰিলে।

তাৰ চকুলৈ চালোঁ, সঁচাকৈয়ে কৈছেনে, ধেমালিহে কৰিছে ধৰিব নোৱাৰিলোঁ।

ঃ ভাল খবৰ! মোৰ? ৰাতিপুৱাই চুপতি আৰম্ভ কৰিলিয়েই। তাৰ কথাত বিশেষ গুৰুত্ব দিয়া যেন নেদেখুৱালোঁ।

ঃ অ'ই বেল, তোৰ আৰু নহ'বগৈ বুজিছ। শুন এইটো চাঞ্চ এৰিলে পিছত পস্তাবি কিন্তু। হেৰ' কলেজলৈ আহিছ, অলপ বাহিৰৰ বতাহো ল'বিচোন।'

তাৰ কথাবোৰ একো বুজি নাপালোঁ। ভাল খবৰ মানে কিহলৈ পোনাইছে সিহে জানে। এনেয়ে ল'ৰাটো বেছ স্মাৰ্ট। প্লে বয়ৰ ইমেজ এটাও আছে। ক্লাচৰ ছোৱালীবোৰৰ লগতো বেছ বন্ধুত্ব জমাইছে সি; কিন্তু দীপক, পংকজহঁতৰ মুখতো দেখোন কৌতুকৰ হাঁহি।

অৱশেষত চুক্তিমতেই ১১-৩০ বজাত বড়া কেন্টিনত আটাইকেইটা গোট খালোহি; কিন্তু অকল ভাস্কৰেই নহয়, দীপক, পংকজহঁতেও মহা উৎসাহেৰে মোক যিটো 'ভাল খবৰ' দিলে, সেইটোৰ বাবে মই সঁচাকৈয়ে প্ৰস্তুত নাছিলোঁ। অনিতা কাকতি নামৰ ছোৱালীজনী আমাৰ ক্লাচৰে। দেখাত বেচ মৰম লগা। পঢ়া-শুনাতো বেচ চোকা বুলি গম পাইছোঁ। মই অৱশ্যে মাতি পোৱা নাই। অনিতা বা আন কোনোবা বুলি নহয়, ছোৱালীৰপৰা পৰাপক্ষত মই আঁতৰি থাকোঁ। বহুতে সেয়া মোৰ কমপ্লেক্স বুলিয়েই কয়, ভাস্কৰহঁতৰ ভাষাত সেয়া মোৰ 'অভং' স্বভাৱৰে এটা দিশ। কিন্তু ইহঁতবোৰক বুজাই লাভো নাই গতিকে মনে মনে থাকোঁ। কিন্তু এই খবৰটোৱেহে মোক সঁচাকৈয়ে ভবাই তুলিলে। অনিতাই হেনো আজি কেইদিনমানৰপৰা কলেজত মোৰ ফালে চাই থাকিবলৈ লৈছে। লগৰ দুই-এজনীও জানে কথাটো। পৰহি ভাস্কৰক মাতি নি মোৰ ঘৰ ক'ত, কিয় ইমান লাজকুৰীয়া ইত্যাদি ঢেৰ কিবাকিবি সুধিছে। এতিয়া মই ক'লেই ভাস্কৰে নি মোক চিনাকি কৰাই দিব।

হাঁহি ধেমালি কৰি কেন্টিনৰ পৰা উঠি আহিলোঁ যদিও মই হে আগৰদৰে সহজ হ'ব নোৱাৰিলোঁ। কথাটো সঁচানেকি বাৰু? ইহঁতে কোৱা কথাকেইটা দেখোন মিছা যেন লগা নাই। হ'বও পাৰে। কিন্তু তাই আনৰ আগত কৈ ফুৰাটোহে মই বুজি পোৱা নাই। কিবা থাকিলে পোনে পোনে দেখোন মোকেই ক'বহি পাৰে। মোৰ মনটো বুজিবৰ চেষ্টা কৰিছে চাগে, হ'বও পাৰে।

টংকৈ বেলটো পৰাৰ শব্দতহে মোৰ সম্বিত ঘূৰি আহিল। বৰুৱা চাৰে ইতিমধ্যে যাবলৈ সাজু হৈছিল। ক্লাচৰ সময়খিনি কেনেকৈ গ'ল গমেই নাপালোঁ। অনিতাক এবাৰ চাবৰ কাৰণে মনটো উচপিচাই আছিল। ছোৱালীখিনি বহি থকাৰ ফালে এবাৰ চাই পঠিয়ালোঁ। কিন্তু ...... হায় প্ৰভু কি দেখাইছা এয়া ....... ছোৱালীজনীয়ে দেখোন মোলৈকে চাই আছে। কাণ-মূৰ এইবাৰ সঁচাকৈয়ে ৰঙা পৰিল। গাটোও অলপ গৰম গৰম যেন অনুভৱ কৰিলোঁ।

ওলাই আহিলোঁ ৰুমৰপৰা। পিছৰ ক্লাচটো অফ। ক'ত যোৱা যায়। ছোৱালীজনী মতাই আনি কেন্টিনতে বহোগৈ নেকি? নহয় ঠিক নহ'ব, তাই নিজে আহক, মই কিয় যাম। ভৰিদুখন ক'ব নোৱাৰাকৈয়ে লাইব্ৰেৰীৰ ফালে আগবাঢ়ি গ'ল। ৰিডিং ৰুমতে জনমভূমিখন লৈ বহি পৰিলোঁ। অনিতাই প্ৰকৃততে কি বিচাৰিছে। যদি চিনাকি হ'বই বিচাৰিছে সেয়ানো কি ডাঙৰ কথা। মাতিলেই হ'ল। কিন্তু তাকে নকৰি ইহঁতবোৰৰ আগত কৈ ফুৰিছে কিয়? মোকতো অকলে লগ কৰিও ক'ব পাৰে। লাজ কৰিছে ছাগৈ। এৰা লাজ কৰিবও পাৰে। ছোৱালীবোৰৰ লাজ এনেয়ে বেছি হেনো। যি নহওক ভাস্কৰকে ক'ব লাগিব। এইবোৰ কাম সি হে পাৰিব। লাইব্ৰেৰীতে হওক, কেণ্টিনতে হওক ক'ৰবাত ছোৱালীজনী লগ কৰিব লাগিব। ভাল টেবুল টেনিচ খেলে বুলি শুনিছোঁ। ঘৰ বা ক'ত। বৰ ধনী মানুহৰ ঘৰৰ হ'লে দেখোন মোৰ অলপ অসুবিধাই হ'ব। বাৰু সেইবোৰ পিছৰ কথা। আগতে চিনাকি হৈ লওঁচোন।

কলেজত বাৰু সকলোৱে জেকাব নেকি ? কিন্তু ইহঁতবোৰেতো গম পালেই । ভাস্কৰ, দীপকহঁতে আৰু বা কাক কৈছে । কলেজ উইকত টেবুল টেনিচৰ খেলকেইখন খেলাই দিবলৈ মোক সেই কাৰণেহে ইমান জোৰ কৰিছিল নেকি বাৰু ? কিন্তু যাক উপলক্ষ্য কৰি ইমানবোৰ ঘটনা, সেই নায়কজনেই দেখোন মঞ্চৰ পৰা আঁতৰি আছোঁ । নাই এনেকৈ নহ'ব, কিবা এটা ফয়চলা সোনকালে কৰি পেলোৱাটো ভাল হ'ব । তাই যদি মোক জীৱনটোৰ কাৰণেই বিচাৰে কৈ দিম মোৰো একো আপত্তি নাই বুলি । পিছৰখিনি যি হয় হৈ থাকিব ।

ঃ 'অই, তোক বিচাৰি গোটেইখন চলাথ কৰিছোঁ, তই আহি মনে মনে ইয়াত সোমাই আছহি । কি হ'ল কবিতা-চবিতা আৰম্ভ কৰিছ নেকি ? ' ভাস্কৰ আৰু পংকজ হুৰমূৰকৈ সোমাই আহিল ।

ঃ 'মনে মনে থকা নাই, কাগজখন চাইছোঁ । তহঁতক বিচাৰিছিলোঁ নাপালোঁ ।'

ঃ 'ব'ল ব'ল এতিয়া ইয়াত লেকচাৰ মাৰি থাকিলে নহ'ব । অনিতা আৰু শিখাক কেন্টিনত ৰ'বলৈ কৈ আহিছোঁ । আজি ফাইনেল হৈ যাব ।' পংকজে লৰালৰি লগালে ।

ঃ 'ৰ'বি, এতিয়া ফুকন ছাৰৰ ইংৰাজী ক্লাচটো নকৰ নেকি ?'

ঃ ক্লাচটো নহয়, ফুকন চাৰ নাই , ইউনিভাৰচিটিলৈ গৈছে। ব'ল ব'ল দেৰি কৰি থাকিব নোৱাৰি ।'

আটাইকেইটা এইবাৰ কেন্টিন অভিমুখে আগবাঢ়িলোঁ । মূৰটো এবাৰ ঠিক কৰি কোঁচ খাই থকা চুৱেটাৰটো টানি ঠিক কৰি ল'লোঁ। বাইদেৱে গুঠি দিয়া নতুন চুৱেটাৰ । ৰ'দটো ভালকৈয়ে ওলাইছে । ওঁঠ দুখন অলপ শুকোৱা যেন লাগিল । বুকুখনো অলপ টিপ্ টিপ কৰা যেন পাইছোঁ । কি কথানো পাতিম বাৰু ? মনলৈ দেখোন একো নহাই হ'ল । ইহঁতবোৰো থাকিব যেতিয়া আজি একো নপতাই ভাল হ'ব । আজি চিনাকিতে শেষ কৰিম ।

ক'তা কোনো নাই দেখোন । কেন্টিনত বহি ইফালে সিফালে চালোঁ । ইহঁতে ধেমালিহে কৰিছে নেকি বাৰু ?

ঃ আহিব আহিব, ৰ । অলপ ধৈৰ্য্য ধৰ । তেনেকুৱা ফাং ফুং ছোৱালী নহয়টো যে আগৰে পৰাই বহি ফেলফেলাই হাঁহি থাকিব ।' পৰম অভিজ্ঞৰ দৰে পংকজে আটাইকে ক'লে ।

কেন্টিন বয় বুলু আহি ওচৰত হাজিৰ হ'লহি ।

ঃ পাঁচ কাপমান চাহ ভালকৈ বনাচোন । অলপ পাছত আনিবি।' ভাস্কৰৰ কথাত চিৰপৰিচিত হাঁহিটো মাৰি বুলু ভিতৰ সোমালগৈ ।

ঃ সেয়া আহিলে আহিলে' পংকজৰ কথাত চাই দেখিলোঁ সঁচাকৈয়ে অনিতা আৰু শিখা সোমাই আহিছে ।

ঃ বহা বহা, তোমালোকৰ কাৰণেই ৰৈ আছোঁ । ইহঁতে আকৌ যাওঁ যাওঁ কৰিছিলেই ।' ভাস্কৰে কাক ইংগিত কৰিছে বুজি পালো যদিও মনে মনে আছোঁ ।

ধুনীয়াকৈ হাঁহি এটা মাৰি দুয়োজনী বহি পৰিল । হাঁহিলে সঁচাই ধুনীয়ে দেখি ছোৱালীবোৰক ।

ঃ এই প্ৰণয়, তইতো চিনি পাৱই । মাত-বোলহে নাই বোধকৰোঁ । বেলেগে চিনাকি কৰি দিব লাগিব জানো ?' ভাস্কৰে আৰম্ভ কৰিলেই ।

ঃ ইমান মুডত থাকে, মাতিবলৈ ভয়েই লাগে ।' হাঁহি হাঁহিয়েই শিখাই কথাষাৰ ক'লে ।

মই একো মতা নাই । আচলতে কিনো কওঁ ভাৱিয়েই পোৱা নাই । অনিতাও কিছু গহীন হৈ আছে । মোৰ নিচিনাই অৱস্থা তাইৰো হৈছে ছাগে । পিন্ধি থকা নীলা ৰঙৰ চুৱেটাৰটো এনেয়ে এবাৰ টানি লৈছে ।

ঃ 'লগৰ এটা অলপ মুডত থকা ভাল । নহ'লে দেখোন কোনেও পাত্তাকে নিদিয়ে ।' চাহকাপ হাতত লৈ পংজে টিপ্পনি এৰিলে।

ঃ 'তোমাৰ ঘৰলৈ কিমান দূৰ হয় ইয়াৰপৰা ?' অনিতাই প্ৰথম মুখ খুলিলে ।

ঃ 'মোৰ ? মোৰ হয় ধৰা চাৰি কিলোমিটাৰ মানেই হ'ব । চাইকেল কৰিয়েই অহা-যোৱা কৰোঁ ।' পিছৰ কথাষাৰ বঢ়াইহে ক'লো নেকি .. চাইকেলত আহো নে মটৰ গাড়ীত আহো তাই দেখোন দেখিয়েই থাকে । চাহ কাপ মুখলৈ নিওঁতেই তালুখন পুৰি নিয়া যেন লাগিল । ভাগ্য ভাল চৰ্চৰণি খোৱা নাই ।

ঃ 'বাৰু আন এটা কথা সোধো বেয়া পাবা নেকি ?' অনিতাই সামান্য লৰচৰ কৰি বহিল । মন কৰিলোঁ সাধাৰণতে নাৰ্ভাচ নকৰা ভাস্কৰেও বাহিৰৰ ফালেহে চাইছে । পংকজে একান্তমনে চাহকাপ লক্ষ্য কৰি আছে । যেন চাহ নহয় নতুন যন্ত্ৰ এটাহে পৰীক্ষা কৰিছে।

ঃ 'সোধা বেয়া কিয় পাম, নাপাওঁ ।'-নিজৰ মাতটোৱেই ফিচফিচনিৰ দৰে লাগিল । আচলতে ইমান পোনপটীয়াকৈ কথাষাৰ সুধিব বুলি ইহঁতেও হয়তো ভৱা নাছিল । কিছু আঁতৰৰ পৰা বুলুৱেও আমাৰ ফালে চাই আছে । সিও কিবা সন্দেহ কৰিছে নেকি বাৰু ? অনুমান কৰিলোঁ কপালখন কিছু ঘামিছে ।

ঃ তোমাৰ চুৱেটাৰটো বেছ খাপ খাই পৰিছে । ৰংটোও বৰ মৰম লগা । আচ্ছা কোনে গুঠিছে চুৱেটাৰটো ?' হে ৰাম অনিতাই প্ৰকৃততে কি সুধিব বিচাৰিছে বাৰু ?

ঃ 'বাইদেৱে গুঠি দিয়া ।' মাতষাৰ বৰ তলীৰ পৰা অহা যেন লাগিল ।

ঃ 'আচলতে কি জানা, তোমাৰ চুৱেটাৰৰ ডিজাইনটো খুউব ভাল লাগিছে মোৰ । তোমাক আজি কেইবাদিনৰ পৰা লক্ষ্য কৰি আছোঁ, সুধিবলৈহে সুবিধা পোৱা নাই । ভাইটিটোৰ কাৰণে চুৱেটাৰ এটা আৰম্ভ কৰিছোঁ । ডিজাইনটো কি দিম ভাবি পোৱা নাই । বাইদেৱে ভাল গুঠিছে কিন্তু । একেবাৰে নতুন ডিজাইন ।' অনিতাই কিছু হাউলি চুৱেটাৰটো চোৱাত লাগিল ।

পিছৰ কথাবোৰ মোৰ কাণত নোসোমাল । মন কৰিলোঁ ভাস্কৰৰো কপাল কিছু কোঁচ খাইছে । দীঘলকৈ উশাহ এটা এৰি পংকজে বাহিৰলৈ চাই আছে । শিখাই ডিজাইনটোৰ কথা অনিতাক কিবা এটা কৈছে । তাৰমানে এইকেইদিন চুৱেটাৰটোৰ ডিজাইনটোৰ কাৰণেহে মোক তাই লক্ষ্য কৰি আছিল । কিন্তু ইহঁতকেইটাৰ মাত-বোল নাইকিয়া হ'ল যে । তাৰমানে চুৱেটাৰৰ পাৰ্টি খাবলৈহে গোটখোৱা হ'ল । কিয় জানো জেপটোত হাত দিবলৈ মন নগ'ল । □□



# বৰ্ণালৈ এখন চিঠিৰে

দিব্য গগৈ
*স্নাতক প্ৰথম বৰ্ষ (অসমীয়া)*

মৰমৰ বৰ্ণা,

আচৰিত হ'বি ছাগে মোৰ সুদীৰ্ঘ এই চিঠিখন পাই । এৰা, আচৰিত হোৱাই কথা । আজি বাৰ বছৰৰ পাছতহে তোলৈ মোৰ মনত পৰিল । জান, বৰ্ণা, আজি মোৰ নিজকে খুউব আত্মকেন্দ্ৰিক যেন বোধ হৈছে, তয়ো ছাগৈ ভাৱিছ তেনেদৰেই । তথাপি মইযে আজি তোলৈ লিখিবই লাগিব এই সুদীৰ্ঘ চিঠিখন ।

বৰ্ণা, তহঁতৰ দৰে শুভাকাংক্ষীবোৰলৈ আচলতে মোৰ প্ৰায়ে মনত পৰে, কিন্তু কি জান, জীৱনলৈ আহি থকা কিছুমান নিষ্ঠুৰ সত্যই তহঁতৰ মৰমৰ পৰা মোক আঁতৰি থাকিবলৈ বাধ্য কৰাইছিল । মানুহ পৰিস্থিতিৰ দাস । ময়ো তাৰ ব্যতিক্ৰম হ'ব নোৱাৰিলোঁ বৰ্ণা । "The life of man is full of ups and downs." কিন্তু কি জান মোৰ বাবে কেৱল পতনহে আছিল । সেইবাবেই তোক আৰু তোৰ দৰে অন্য বহুতো শুভাকাংক্ষীকে মই পাহৰিবলৈ শিকা নাছিলোঁ । শিকিছিলোঁ মাত্ৰ নীৰৱে ভাল পাবলৈহে । তাতো যে মজা আছে বৰ্ণা ।

বৰ্ণা, তই বাৰু কুশলে আছনে আৰু তোৰ সংসাৰখন ? তই বৰ ভাগ্যৱতীও । তই যে মোলৈ এবাৰ চিঠিত লিখিছিলি মোৰ মেৰেজৰ বিষয়ে, বুজিছ এই ভাগ্যৱতীৰ জীৱনত সেয়া আৰু নহ'ল। মানুহে ভাল পাব পৰা একো এটাই কৰা নহ'ল মোৰ । ভাল আৰু বেয়া এই কথাবোৰ মোৰ কাষত একেবাৰে অৰ্থহীন হৈ পৰিল । বৰ্ণা আজি এই মুহূৰ্তটোৱে হয়তো মোৰ জীৱনৰ শেষ মুহূৰ্ত ! সেইবাবেই আজি মই তোলৈ লিখিবলৈ বহি পৰিছোঁ মোৰ জীৱনৰ জীয়া সত্যবোৰ বৰ্ণা ।

মই তেতিয়া যৌৱনৰ কোলাত লুকা-ভাকু খেলা গাভৰু । হাঁহিব পৰা হাঁহি হাঁহি দৌৰি ফুৰাৰ সময়, কিন্তু সেই বয়সতো মই হাঁহিব পৰা নাছিলোঁ । বন্দী জীৱনত শিকিছিলোঁ কেৱল কান্দিবলৈহে সংঘাতৰ তাৰণাত হৈ পৰিছিলোঁ বাক্ৰুদ্ধ । হাইস্কুলৰ শেষান্ত পৰীক্ষা দিয়েই তহঁতৰ কাষৰপৰা যি আঁতৰি আহিলোঁ সেয়াই আছিল মোৰ সোণোৱালী জীৱনৰ শেষ স্তৰ । লগে লগে আৰম্ভ হ'ল জীৱনৰ কঠোৰ সংগ্ৰাম । মোৰ দেউতা আছিল ৰেলৱে ডিপাৰ্টমেণ্টৰ এজন উচ্চ পদস্থ চাকৰীয়াল । মই ভূমিষ্ঠ হোৱাৰ কিছুদিনৰ পাছতে মা শান্তিধামলৈ গুচি গ'ল । দেউতাৰ ডিঙিত আঁৰি থৈ গ'ল এমা-ডিমা চাৰিটা ল'ৰা-ছোৱালী । লাহে লাহে দেউতাৰ গভীৰ মৰম আৰু আপডালত আমিবোৰ খুপি খুপি ডাঙৰ হ'লোঁ । মোৰ বাহিৰে বাকী ককাইদেউ আৰু বাইদেউহঁতে ঘৰত থাকিয়ে পঢ়িছিল । কেৱল মোক হে বাহিৰত থৈ পঢ়াইছিল । লাহে লাহে দাদা আৰু বাইদেউহঁত কলেজ পালোঁগৈ । দেউতাৰ উপস্থিতিত আমিবোৰে পাহৰি থাকিছিলোঁ মাৰ অনুপস্থিতি । কিন্তু আমাৰ সেই সুখ ভগৱানৰ হয়তো সহ্য হোৱা নাছিল । লাহে লাহে আমিবোৰ সুলকি পৰিছিলোঁ দেউতাৰ স্নেহৰ আশ্ৰয়ৰ পৰা । আমাৰ মেট্ৰিক পৰীক্ষাৰ শেষ দিনা যে মই এখন চিঠি পাইছিলোঁ ঘৰৰপৰা আৰু তহঁতৰপৰা লুকুৱাই ৰাখিছিলোঁ, সেই চিঠিখনৰ কথা তোৰ চাগে মনত নাই নহয় বৰ্ণা ! সেই চিঠিখনত আছিল মোৰ ঘৰখনৰ এখন ভগ্ন ছবি ? নিষ্ঠুৰ সত্যবোৰ ।

জান বৰ্ণা, মোৰ বাইদেউ যেতিয়া প্ৰথম কলেজলৈ গৈছিল তেতিয়া দাদা দুজন গুচি গৈছিল M.A.পঢ়িবলৈ । ভৰ যৌৱনত ভৰি দিয়া বাইদেউজনীক লৈ দেউতাৰ খুউব কষ্ট হৈছিল । বাইদেউ আছিল সৌন্দৰ্য্যৰ ৰাণীৰ দৰে । কোনো যুৱকৰ লোলুপ দৃষ্টিৰ পৰা সাৰি যোৱা নাছিল তাইৰ ৰূপ-যৌৱন ।

তেতিয়া আছিল জুন মাহৰ ২৩ তাৰিখ । দেউতাৰ অফিচলৈ বঙাই গাৱঁৰ পৰা বদলি হৈ আহিছিল উচ্চ পদবীৰ বিষয়া অভিজিত দত্ত নামৰ তৰুণ যুৱক । কিছুদিনৰ ভিতৰতে দেউতাৰ লগত অভিজিতৰ বেচ সুহৃদয়তাও গঢ়ি উঠিছিল । লাহে লাহে দেউতাৰ লগত অভিজিত আমাৰ ঘৰলৈ আহিবলৈ ধৰিলে । বাইদেউৰ ৰূপত সি পাগল হৈ পৰিছিল । মাত্ৰ এটা মাহৰ আহ-জাহৰ শেষতে অভিজিতে প্ৰতিশ্ৰুতি দিছিল বাইদেউক নিজৰ কৰি লোৱাৰ । বাইদেউ তেতিয়া আবেগৰ হাতত ধৰি খোজ কঢ়া ছোৱালী । অভিজিতে তাইকো কৰি পেলাইছিল পাগল । অভিজিত আছিল প্ৰকৃততে এটা দালাল । সি মানুহৰ মৰম ভাল পোৱাক হৃদয়ৰ গভীৰতা জুখিব নোৱাৰে । দেউতাক সি কি কৰি পেলাইছিল নাজানো, সকলো সময়তে দেউতা অভিজিতৰ কথা মতেহে চলিবলৈ লৈছিল । দেউতাৰ হাতলৈ অসৎ উপায়েৰে অজস্ৰ টকাও আহিবলৈ ধৰিছিল । তাতোকৈ ডাঙৰ কথা দেউতা লাহে লাহে পৰিণত হৈছিল এটা জঘন্য মদাহীত । দেউতাৰ অদ্ভুত পৰিবৰ্তন হৈছিল । ঘৰ, ল'ৰা-ছোৱালী, ভৱিষ্যৎ, সমাজ; দায়িত্ব সকলোবোৰ বিসৰ্জন দিছিল দেউতাই । দৰমহাৰ আধাতকৈও অধিক টকা শেষ কৰি দিছিল মদৰ লগত । দেউতাৰ পৰিবৰ্তনে ডাঙৰ দাদাৰ পঢ়াৰ হাবিয়াস শেষ কৰি দিলে । ইউনিভাৰচিটিৰ পঢ়া এৰি ডাঙৰ দাদা গুচি আহিব লগা হ'ল । ঘৰখনত ডাঙৰ দাদা আৰু দেউতাৰ মাজত তীব্ৰ বাক্বিতণ্ডা সাধাৰণ কথা হৈ পৰিছিল । যাৰ পৰিণতিত ঘৰখনৰ

স্বাভাৱিক পৰিৱেশটো লাহে লাহে ধ্বংস হৈ গৈছিল । দেউতাই আচলতে মদক খাব পৰা নাছিল, মদেহে দেউতাক খাইছিল । দেউতাৰ ভাৱ-চিন্তাবোৰো বোধহয় শেষ হৈ আহিছিল । দেউতা মাতাল হৈ থকা অৱস্থাতে দেউতা আৰু দাদাৰ মাজত এদিন কাজিয়াই চূড়ান্ত ৰূপ লৈছিল । দাদায়ে আগৰ ঘৰখনক ফিৰাই আনিবলৈ দেউতাক অনুৰোধ কৰিছিল । কিন্তু দেউতাৰ নিজৰ ভাৱ-চিন্তা কাহানিবাই লোপ পাইছিল। সেইবাবেই অতীষ্ঠ হৈ দেউতাই ডাঙৰ দাদাক লোৰ ৰডেৰে কেইবা মাৰো দিছিল । দাদাৰ সংজ্ঞাহীন ৰক্তাক্ত দেহটো পকা মজিয়াত বাগৰি পৰিছিল, বাইদেৱে আতংকত গগন ফালিছিল, অথচ দেউতা আছিল নিৰ্বাক, নিশ্চল । কাষৰ মানুহবোৰৰ তত্ত্বাৱধানত দাদাক চিকিৎসাললৈ নিয়া হ'ল যদিও ডাক্তৰে ঘোষণা কৰিলে দাদাৰ মগজুৰ গুৰুতৰ জখম হৈছে । স্মৃতি আৰু চিন্তাশক্তি একেবাৰে লোপ পোৱাৰ আশংকা আছে । বাস্তৱত সেয়াই হ'ল বৰ্ণা । আমাৰ দ্বিতীয় এজনী মাতৃৰ অৱসান হ'ল । দাদাৰ অবিহনে আমিবোৰ অন্ধ হৈ পৰিছিলোঁ যিহেতু দেউতা থাকিও নথকাৰ দৰে হৈছিল । বহুতো খৰধৰকৈ আহিও মই আৰু সৰু দাদাই ডাঙৰ দাদাক সুস্থ অৱস্থাত নাপালোঁহি । মানসিক তাড়ণাত জৰ্জৰিত হৈ অভিজিতৰ ভ্ৰুণ কঢ়িয়াই ফুৰা বাইদেৱেও আত্মহত্যা কৰিলে শেষত । আমাৰ অনুপস্থিতিতে সকলো শেষ হৈ গৈছিল বৰ্ণা । মই চকুৰে ধোঁৱা-কোঁৱা দেখিলোঁ । এফালে মদাহী দেউতা আনফালে মতিভ্ৰম দাদা আৰু মৃত বাইদেউ । মই মাতিবও পৰা নাছিলোঁ, কান্দিবও পৰা নাছিলোঁ । সৰু দাদাই মোক সাৱটি ধৰি কন্দাতহে মই সম্বিত ঘূৰাই পাইছিলোঁ । বাইদেউৰ প্ৰতি মোৰ পুতৌ হৈছিল । বেচেৰী, সতীত্ব চুৰি কৰি সমাজৰ চকুত তাইক কুমাৰী মাতৃ সজাই পলাই গৈছিল ধূৰ্ত্ত অভিজিত আৰু শেষ কৰি গৈছিল আমাৰ জীয়াই থকাৰ সকলো সম্বল । সৰু দাদাও যাযাবৰী হৈ গ'ল । মইও আৰু মই হৈ নাথাকিলোঁ। আত্মগোপন কৰি ঘূৰি ফুৰিলোঁ অভিজিতৰ সন্ধানত । মোৰ লগ আছিল দেউতাৰ কোনোদিন ব্যৱহাৰ নকৰা পিষ্টলটো । সুদীৰ্ঘ বাৰটা বছৰৰ মূৰত মই তাক লগ পাই গ'লোঁ । ভাল সংসাৰ আছে, অট্টালিকা আছে, চাকৰি আছে, অথচ সি হৈ পৰিল মোৰ ৰূপ যৌৱনৰ পাগল প্ৰেমিক । মই অভিনয় কৰিলোঁ তাৰ লগত । মোৰ জালত সি বন্দী হৈ পৰিল । মোৰ মাৰ সোণ খচা ব্যক্তিত্বই সাজি থৈ যোৱা ঘৰখন ধ্বংস কৰাৰ প্ৰতিশোধ ল'বলৈ মই প্ৰতিজ্ঞাবদ্ধ আছিলোঁ । যোৱা কালি দুই বজাত গুৱাহাটী কৰ্টত মোৰ লগত সি বিবাহ পাশত আবদ্ধ হোৱাৰ কথা । মই কথা দিছিলোঁ তাক মোৰ শুভ বিবাহৰ উপলক্ষ্যে মোৰ লগত আনিছিলোঁ বহুদিনৰ বহুৰাতিৰ আতুৰ হৈ থকা পিষ্টলটো । ব্যস্ততাৰে চলি থকা কৰ্টৰ সন্মুখতে পিষ্টলৰ কেওটা গুলীৰে থকা-সৰকা কৰি দিলোঁ । আনৰ দুখে আঘাত হানিব নোৱৰা তাৰ বুকুখন চিৰদিনৰ বাবে আঁতৰাই পঠালোঁ পৃথিৱীৰ বুকুৰপৰা এটা তেজপীয়া ।

বৰ্ণা, সেই বাবেই আজি মই হাঁহিব পাৰিছোঁ কাৰাগাৰৰ কয়েদী হৈয়ো । তইতো এতিয়া উকীল । পাৰিলে মোৰ ওচৰলৈ আহি যাবিচোন । মই জানো মোৰ ফাঁচী হ'বই । গতিকে প্লীজ বৰ্ণা, মোৰ দাদা দুটাৰ পাৰিলে অলপ বিচাৰ ল'বি । সিহঁত দুয়োটাই এতিয়া যাযাবৰী । পাৰিলে অভিজিতৰ হত্যাৰ খবৰটো সিহঁতকো দিবি । অন্ততঃ সিহঁতে হাঁহিব পাৰিব । আহোঁ

ইতি
তোৰ শুভাকাংখী 'গীতা'

## জানিবলগীয়া

ছপা হৈ প্ৰকাশ হোৱা প্ৰথম অসমীয়া বুৰঞ্জীখন কি ?
'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী' ।
চলচ্চিত্ৰৰ ৰূপ লোৱা প্ৰথম অসমীয়া চুটি গল্পটি কি ?
কমলেশ্বৰ চলিহাৰ 'ৰূপহী' ।
অসমীয়া বৈষ্ণৱ সাহিত্যৰ প্ৰথম পুথিখন কি ?
'হৰিশ্চন্দ্ৰ উপাখ্যান' ।
'ৱাৰ এণ্ড পিচ'ৰ লেখক কোন ?
লিও টলষ্টয় ।
অসম সাহিত্য সভাৰ প্ৰথম সম্পাদক কোন আছিল ?
শৰৎ চন্দ্ৰ গোস্বামী

সংগ্ৰাহক : একলব্য বৰগোহাঁই



# ওমলা ঘৰ

❑ দিগন্ত গগৈ
অধ্যাপক, অসমীয়া বিভাগ



নৈপৰীয়া সুহুৰি এটাৰ স'তে
মই কেতিয়াবা কোনেও গম নোপোৱাকৈ
পথাৰৰ বঁকিয়াইদি অথবা, হাবিতলীয়া বাটেদি
ওমলা ঘৰলৈ ঢাপলি মেলোঁ ।
পদূলিমুখৰপৰাই
ওপজা-মাটিৰ নিবিড় নিমন্ত্ৰণে মোক
আগবঢ়াই নিয়েহি আৰু বকুলতলৰ বালিঘৰত
আথে-বেথে বহিবলৈ দি মোলৈ আগবঢ়াই দিয়ে
এশবাই ধেমালিৰ গুৱা-পাণ ।

মই যোৱা গম পালেই কাষ চাপি আহে
হেৰোৱা দিনৰ অনেক জাৰ-জহ, বাৰিষা -খৰালি ।
অন্তৰংগ আলাপত সিহঁতে মোক কৈ শুনায় -
গৰুৰ নেজত ধৰি ভৰ বাৰিষা নৈপাৰ হোৱা
গৰখীয়া ল'ৰাৰ টাংগুটি, টেঙাবল খেলৰ কাহিনী অথবা
জিকাফুলা সন্ধিয়া জোনাকৰ দলিচাত বহি আইতাই কোৱা
ফুলকোঁৱৰ, মণিকোঁৱৰৰ সাধু ।
কাহানিবাই এৰি থৈ অহা ব'দ-বৰষুণ, জোনাক -আন্ধাৰৰ
সোঁৱৰণীয়ে হাতত ধৰি পিতৃপিতৃকৈ দেখুৱায়
ফটাকানিৰে দৰা-কইনা খেলা ৰৰঘৰৰ পিৰালি অথবা
নাৰিকলৰ কোটোৰাত ধূলিৰে ভাত ৰন্ধা
ভঁৰাল তলৰ আখল ঘৰ ।

আৰু আহিবৰ সময়ত সিহঁতে মোক উপহাৰ দিয়ে
পিতায়ে কহাই সমাৰ তিনিসী বোৱা
দিনবাৰ চাই আয়ে গোছ লোৱা শইচৰ পথাৰৰ
এমুঠি ৰসাল আবেদন অথবা
কঠীয়াতলিৰ একাজলি চিনাকি গোন্ধ ।

মই সদায়ে আহিবৰ সময়ত ওমলা ঘৰত
পাহৰি এৰি থৈ আহোঁ কিছু দুখ
আৰু ক'ব নোৱৰাকৈয়ে মনৰ হাঁচতিত বান্ধি আনো
এখন ফৰকাল আকাশৰ ঠিকনা অথবা
এটা নিচুকনি গীতৰ মিঠা সুৰ । ❖❖



# নিৰ্জনতাত কিছুপৰ

❑ সোণমণি শেনচোৱা
উঃমাঃ দ্বিতীয় বৰ্ষ

প্ৰতিজনে থৈ দিয়ে বুকুৰ মাজত এখন সেউজ উপত্যকা
সেই উপত্যকাত বিচৰণ কৰে নিৰ্ভয়ে শৰীৰি -অশৰীৰি
প্ৰতিজনৰে বুকুৰ মাজেদি বৈ যায় দেখোন নদীখন
মাহ হালধিৰ গোন্ধেৰে আমোল মোলোৱা নদীৰ পানীত
নিমিষতে উজাৰ খাই পৰে একো একোটা লৰালিৰ গান ।
সেই সেউজ উপত্যকাত প্ৰতিজনে গুণ গুণাই থাকে
ব'দৰ স্তৱক ------ ।
হঠাৎ থানবান হয় নদীৰ কজলা পানীত
এখন ৰামধেনু ।
ডাৱৰে নেপাতে কথা সংগোপন মমতাৰে আকাশৰ স'তে
তেওঁলোকৰ বুকুৰ উপত্যকাত বেলি ডুবে । আন্ধাৰে
খামুচি নিয়ে পোহৰৰ যত অহংকাৰ । ওঁঠৰ পৰা
উভতি যায় ৰ'দৰ গান । খন্তেকতে আয়োজন শেষ হয়
বসন্তৰ গছ-লতিকাৰ । নিজান পৰে বুকুৰ মাজৰ
গুণ গুণ । আমোল মোল ফুলৰ বাগিচাত থৰ হৈ পৰি ৰয়
পখিলাৰ শৱদেহ ।
কোনো মাতাল দৈত্যই যেন ভাঙি ছিঙি থৈ যায়
হৃদয়ৰ টোকোৰা পঁজা,নুমাই তুলসী চাকি ।
হেৰাই জোনৰ মুখৰ অমল প্ৰতীতি ।
ইয়াত এতিয়া কেৱল নিৰ্জনতা, নিথৰ নিৰ্জনতা
য'ত হৃদয়ৰ স্পন্দনো শিল অথবা শিলৰ দৰে । ✧✧

# জননী

❑ মৃণাল দত্ত
স্নাতক দ্বিতীয় বৰ্ষ

শ্বহীদৰ তেজেৰে গঢ়ি তোলা মোৰ জননী
এতিয়া এক জলন্ত অনুকল্পন ।
ইয়াৰ প্ৰতিটো আত্মাই ৰিঙিয়াই থাকে
স্বাধীনতাৰ প্ৰজ্ঞা ।
প্ৰতিটো চিঞৰে সঁকীয়াই থাকে
মানৱীয়তাৰ সংজ্ঞা
আৰু মই---
আধুনিকতাৰ আলপৈচানেৰে
আৰ্থ-সামাজিকতাৰ
এক সাহসিক মন্ত্ৰ
সেই বাবেই
স্ব-প্ৰতিভাবোৰ
এতিয়া লুপ্তপ্ৰায় মন্ত্ৰৰ দৰে
একোটা নিস্প্ৰভ ছন্দ ।
মোৰ জননী খন
কটকটীয়া কৰিবৰ বাবে
ভাইটোৱে তেজ দিলে স্বচ্ছন্দে বিসৰ্জন
জীয়াই থকাৰ প্ৰলাপ বকি
ভৰ্ন্টিজনীও এতিয়া ধৰ্ষিতা
তাৰ মানে অবাধ আচৰণ
বৰ্ত্তমান সভ্যতা । ✧✧



# কৃষকৰ কবিতা

❑ নিৰ্মল দত্ত
স্নাতক ১ম বৰ্ষ

ই এক কৃষকৰ কবিতা,
নাঙলৰ সীৰলুত দেখে
জীৱন সংগ্ৰামৰ আখৰা
সপোন সখীৰ বিকশিত সম্ভাৱনা ।
ই এক কৃষকৰ কবিতা ।

কৃষকৰ প্ৰৱল আশা
বিশাল পথাৰত সিঁচি দিয়াৰ
সেউজ আলোক সনা অগণন
সুকোমল বীজৰ মালিতা
কৃষকৰ প্ৰৱল আশা ।

শান্ত আৰু সম্প্ৰীতিৰ সঁজাতী দল
কৃষক বনুৱা সকল ধাৱমান
কান্ধত ধৰণী বিদৰা তীক্ষ্ণ
অস্ত্ৰ আৰু ক্ষুধাৰ সমল
শান্তি সম্প্ৰীতিৰ সজাতী দল ।

সেউজীয়া পথাৰত বেহু পাতে
শৰতৰ কলীয়া ডাৱৰ বিনাশী
সোণালী কাবেং সজাব
নতুন উৎসাহ আৰু কামনাৰে
সেউজীয়া পথাৰত্ত বেহু পাতে ।

ৰচে এক মুক্তিৰ সাধনা
ভোকাতুৰ আৰু শোষিত জনক
এমুঠি পোহৰ বিলোৱা
পূজাৰ এক লঘু অৰ্চনা
ৰচে এক মুক্তিৰ সাধনা ❖❖

# বন্দনা

❑ জয়ন্ত গগৈ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

এইয়ে আমাৰ নিতাই কলেজ
শিক্ষা গ্ৰহণৰ ঠাই ,
সম্প্ৰদায়ৰ নাই ভেদা-ভেদ
সকলোটিয়েই যায় ।
অনুষ্ঠানৰ বাবে বহুজন লোকে
অশেষ চেষ্টা কৰি গ'ল,
সেই হেতুকে আমাৰ অঞ্চলত
মহাবিদ্যালয় খনি হ'ল ।
আউনিআটী সত্ৰৰ সত্ৰাধিকাৰে
ভৱনৰ দান দিলে,
সেই বাবেই তেওঁৰ নামতে
নামকৰণ কৰিলে ॥
সম্প্ৰীতিৰ সেতু বান্ধি সকলোৱে
হাতে কামে লাগি গ'ল,
সেয়েহে আজি ইমান সোনকালে
কলেজৰ উন্নতি হ'ল ॥
হে ভগৱান মিনতি জনাইছো
আমাক দিয়া আশীৰ্বাদ,
সকলো ছাত্ৰই সমস্বৰে কওঁ
নিতাই কলেজ জিন্দাবাদ ॥ ❖❖



# সময় গতিশীল

❑ খগেন গগৈ

স্নাতক ২য় বৰ্ষ

কিমাননো শুনিবি আই
বিষাদৰ গান ?
এনেকৈনো বাট চাবি আই
আৰু কত দিন ?

বিহাৰ আঁচলেৰে
চিৰ চেনেহী মোৰ আই
চকুলো নুটুকিবি তই ।

তোৰ সন্তান আজি ভীৰু নহয়
তোৰ সন্তান আজি কাপুৰুষো নহয়,
পৰিচয় দিবি এদিন সাহসৰ
ৰুধিব দুষ্কৃতিৰ সোঁত
সময় যে গতিশীল ❖



# সংগ্ৰাম

❑ জীমা বেগম

স্নাতক ৩য় বৰ্ষ

জীৱন মানে যদি সংগ্ৰাম হয়
আমি কোন পথৰ যাত্ৰী হ'ম ?
দুখীয়া নিচলাসকলৰ
আছেনে বাৰু এই পৃথিৱীত ঘৰ ?
সংগ্ৰাম, সংগ্ৰাম সংগ্ৰাম ;
কৰিম কিমান বাৰু ।
সকলো বাধা অতিক্ৰম কৰি
আমি হ'ম মহাপ্ৰয়াণৰ যাত্ৰী
তাত নাই ঘাত-প্ৰতিঘাত
আছে শান্তিৰ আশ্ৰয় ।
হ'বানে মহাপ্ৰয়াণৰ যাত্ৰী তুমি
আহা আগবাঢ়ি আহা
যাম আমি একেলগ হৈ ❖❖



# স্বাধীনতা

❑ দীপক দত্ত

স্নাতক ৩য় বৰ্ষ

তেজেৰে জীপাল কৰা মোৰ স্বদেশৰ মাটিত
মোৰ আত্ম বলিদানৰ কথাই নেলেখিবা
তেজ ফুল জুইফুল ফুলা
মোৰ স্বদেশৰ পথাৰত
হে মোৰ উত্তৰ পুৰুষ
সেউজ সন্তৰ কৰি তোলা
মোৰ স্বদেশ স্বকাল ।
যুদ্ধ ভূমিৰ শুকান মাটি সিক্ত কৰি
তেজেৰে নদীখন বোৱাই দি
নিজ হাতেৰে বন্ধু বন্ধুৰ
চিতা জুই জ্বলাই দি
তোমালোকৰ চিতাৰ বেদীত
সিঁচি দিছোঁ তেজৰ ফুল ।

সতীৰ্থ সংগ্ৰামী তোমালোকৰ
সূৰ্য্য প্ৰেমৰ প্ৰতিজ্ঞাৰে কঢ়িয়াই নিয়া
যুক্তিৰ নিচানখন মই উকৰাই যাম
সেয়েহে ঘোষণা কৰিছোঁ এটা নিষিদ্ধ শব্দ
স্বাধীনতা ।
দেশ মোৰ জাতি মোৰ মাটি মোৰ
এইয়ে মোৰ জন্মস্বত্বৰ অধিকাৰ
মই ইয়াক পাবই লাগিব
তাৰ নাম স্বাধীনতা ❖





# মোৰ আশা

❑ লোহিত গগৈ

স্নাতক ২য় বৰ্ষ

দুখৰ আন্ধাৰে আৱৰা,
হৃদয়ত মোৰ,
ব'বনে কেতিয়াবা,
পোহৰৰ মলয়া ?

অন্ধকাৰাচ্ছন্ন মনাকাশত মোৰ,
জ্বলিবনে কেতিয়াবা ,
গিৰি-মল্লিকাৰ দৰে প্ৰেম,
সাহস, ধৈৰ্য্য আৰু শান্তিৰ শলিতা ?

জন্মিবনে কেতিয়াবা,
এটা কঠিন জীৱনক ভালপোৱা আৰু
উজ্বল কৰাৰ দুৰ্বাৰ হেপাহ ?

ক্ষুদ্ৰ জীৱনক বিশাল কৰাৰ অযুত স্বপ্নলৈ,
আত্মবিশ্বাসৰ বোজা কঢ়িয়াই,
মই আহি আছো মাথোঁ,
সংকীৰ্ণতাৰ মাজেদি ।

মোৰ এই বেদনাৰ,
বিশাল পৰিধি ভেদি,
পামনে বাৰু কেতিয়াবা,
কাংক্ষিত সুখৰ নিজৰা ? ❖❖





# আহ্বান

❑ নিৰ্মল দুৱৰা

স্নাতক ১ম বৰ্ষ

আহ অ' ওলাই আহ
কোন ক'ত আছ ৰণুৱা, বনুৱা -হোজা
আহ, ওলাই আহ ।
হাতে হাতে তুলি ল মন্ময়ৰ ধ্বজা
বুকুত খামুচি ধৰ ওপজা ভাষা
আলৈ আথানি নকৰিবি অ'
আই বাউলী হ'ল

মুক্তিৰ পণেৰে বাখিম জীয়াই
চিৰঞ্জীৱ ! চিৰঞ্জীৱ
আহ অ' ওলাই আহ
স্বদেশৰ প্ৰিয়তম মানুহ
গঢ়িবলৈ দেশ, বাখিবলৈ স্বদেশ
আহ, ওলাই আহ
মোৰ প্ৰিয়তম মানুহ । ❖❖

# হেমন্তৰ গধূলি

❑ ৰিৰন গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

সিদিনাৰ কথা মোৰ মনত পৰিছে,
মৃদুগন্ধি হেমন্তৰ গধূলি,
জোনাকবোৰে মোৰ চৌকাষে নাছিলে
মোৰ সোঁৱে-বাওঁৱ, বাহিৰে ভিতৰে ।

কোনো এক সুবাস আৱেশ লাগি
কঁপি উঠিছিল মোৰ
হৃদয়ৰ তাৰবোৰ জন্ জন্কৈ ।

নৈ নিসঙ্গতাত কোনোবা যেন
নদীময় নাৰী নীলাভ হাতেৰে
মোক আগবঢ়াই নিছিল
অভিমানী পাহৰটোৰ সিফালে ।

আস ! কিমান সুন্দৰ আছিল !
সিদিনাৰ জ্যোৎস্নাভৰা জোনাকবোৰ !!
হেমন্তৰ গধূলি উৰি আহিছিল
কিংশুক ফুলৰ কোমল পাপৰিবোৰ ।

জোনাকবোৰ আজি মোৰ
হাতৰ মুঠিতে হেৰাল
নিয়তিয়ে নিৰৱ নিষ্ঠুৰ হাতেৰে কাঢ়ি নিলে । ✧✧



# বসন্তৰ বিৰিখত

❑ তৰুণী টায়ে
উচ্চতৰ প্ৰাৰম্ভিক বৰ্ষ

বসন্তৰ বিৰিখত যদিও
আছোঁ গীত গাই -
ঠিকনা নুখুজিবা বন্ধু
মোৰ ঠিকনা যে নাই ??
যদিওবা হৃদয়ত বহু বেদনা
মেঘ ফালি আকাশলৈ উৰোঁ
গীত গাই গাই তেওঁকে ধিয়াই
আজি আছোঁ কালি বা ক'ত ?
মোৰ ঠিকনা যে নাই ??
সংগী আছিল মোৰ নিজান বন
ঝিৰি ঝিৰি নিজৰাত
পাখিত পাখি লগাই
ঠিকনা আছিল লিখা -
বুকুৰ ধমনিত তপত চুমাৰে বুৰাই
তেওঁ আজি নাই মোৰ ঠিকনাও নাই
আছোঁ গীত গাই তেওঁকে ধিয়াই
মই এটি নিসংগ চৰাই ;
ঠিকনা নুখুজিবা বন্ধু
মোৰ ঠিকনা যে নাই ??? ✧✧





# বিপ্লৱী বন্ধু

❑ মেৰী চাংমাই

এটা দুৰ্গম পথ
একা বেকা পথটোৰে
তুমি গৈয়ে থাকিবা

বন্ধু -
তুমি নৰ'বা
তুমি গৈয়ে থাকিবা
গৈ গৈ তুমি পাবা
এখন বহল পথাৰ !

বন্ধু -
তাত তুমি দেখা পাবা
শস্যৰ পৰিৱৰ্তে
শত সহস্ৰ জন
বন্ধুৰ মৃতদেহ
আৰু শুনা পাবা
ভগ্নীৰ কৰুণ
আৰ্তনাদ !

বন্ধু -
ভয় নাখাবা
তুমি গৈ থাকিবা
তেতিয়াহে পাবা
তুমি বিচৰা সেই
সুগম পথ

বন্ধু
মোকোঁ মাতিবা
তোমাৰ বিপ্লৱ পথৰ
সংগী হৈ ৰচিম
শান্তিৰ সৰগ
তুমি আৰু মই ! ✧✧



# বসন্ত তুমি নালাগে আহিব

❑ ৰীতা বুঢ়াগোহাঁই
উঃমাঃ২য় বৰ্ষ (ক'লা)

নীল নদীৰ মোহনাত বিচাৰি পালোঁ
তোমাৰ পৃথিৱীৰ ঠিকনা
যিদৰে তুমি বিচাৰি পালা
বন কহুঁৱাৰ আঁৰত
ৰক্তিম বেলিৰ তৰুণ মুখ ।
তোমাক বিচাৰিলেই নদীৰ ঘাটত
নাৱৰীয়া জন ৰৈ নাথাকে ।
শূন্য, উকা ঘাটৰ বালিবোৰৰ দৰেই
চিক্মিকাই থাকে তোমাৰ নাম
দূবৰিৰ সেমেকা দলিচাত
সৰা পাতৰ নিস্তেজ সুবাসত
উন্মনা হ'ল শীতৰ লাজুকী কুমাৰী
কেতিয়াবা তুমি তাইক লগ পালে
দুহাতত
নীলা চিয়াঁহীৰে
লিখি দিবা
'বসন্ত
তুমি নালাগে আহিব' । ✧✧



## আই জননী

❑ মাধুশ্ৰী বৰা
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

হে জননী তোমাৰ বুকুৰ সন্তান আমি
তোমাৰ বুকুৰেই অসমী জীয়ৰী, তোমাৰেই পুত্ৰ আমি
নিৰ্ভীক, সাহসী, স্বদেশপ্ৰেমী।
জননী তোমাক, ৰাখিবৰ বাবে
সহস্ৰজনে কৰিছো সংগ্ৰাম, চলাইছো অবিৰাম প্ৰচেষ্টা
কতজন শ্বহীদ হৈছে, কতজন পঙ্গু হৈছে।
তোমাৰ বুকুৰ নিৰ্ভীক ডেকাসকল ক'তযে হেৰাই গৈছে
তোমাৰ এই অসম কেঁচা তেজেৰে ৰাঙলী হৈছে
তোমাৰ সন্তান সকলো আমি, তোমাৰ প্ৰেৰণাৰেই আছোঁ।
হে জননী, কিদৰে জনাম তোমাক প্ৰণাম ?
কিদৰে পূজিম তোমাক আই
যাচোঁ সহস্ৰবাৰ নমস্কাৰ। ❖❖



## তোমাৰ বাবে

❑ নলিন দিহিঙীয়া
স্নাতক ১ম বৰ্ষ

তোমাৰ বাবে
এটি সপোন ৰচিছোঁ
কণ্ঠত পান কৰিছোঁ
প্ৰেমৰ নীলাভ স্বাদ
কেৱল তোমাৰ বাবে
প্ৰতীক্ষা কৰিছোঁ
কপালীম সন্ধিয়া
শৰতৰ শেৱালিৰ সুবাসৰ
বুকু ভৰি আছে
তোমাৰ পোৱাৰ চাতকী
মন ❖❖

## আইৰ বেদনা

❑ কৰবী বৰা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক

আইৰ বিশাল বক্ষত বাৰে বাৰে আজি
শুনিছো গভীৰ আৰ্তনাদ ;
কিয় বাৰু নুবুজিলে কোনেও এবাৰ
কিয় হ'ল বদন বিষাদ।

অজস্ৰ হৃদয়হীন নৰপশুবোৰে
কাঢ়ি নিলে আমঠু হিয়াৰ ;
অশ্ৰুৰ জলেৰে আজি তিয়াই পেলালে
সতীত্ব কাঢ়ি নিলে বহু অবলাৰ।

সন্ত্ৰাসবাদী, চৰমপন্থী কিম্বা সেনা বাহিনী
কৰে কি কৰ্ম আজি নকৰে বিচাৰ ;
নিৰ্বিবাদে কৰি যায় যত অবিচাৰ
নকৰে কোনেও আজি তাৰ প্ৰতিকাৰ।

অনীতি যত বোৰ চলে এই মুলুকত
কৰিব নোৱাৰি তাৰ কোনো প্ৰতিবাদ ;
জনে জনে ভাগে ভাগে কৰিছে দুৰ্নীতি
কোনে শুনে শোষিতৰ হিয়া ভগা মাত।

এইবোৰ দেখি আজি কান্দিছে জননী
দুখত হেৰাল আইৰ ভাষা ;
শোষণ, ধৰ্ষণ আৰু স্বজন -পোষণ
ধূলিস্যাৎ হয় যেন এয়ে মোৰ আশা ❖❖





## কবিতা

❑ ঘনশ্যাম সন্দিকৈ
স্নাতক ১ম বৰ্ষ

কবিতাই নোহোৱা কবিৰ পাবেনে বাৰু পেটৰ ভোক ?
শোকৰ যেতিয়া বন্যা বৈ আহে
সেই বন্যাক বোধিব পাৰেনে বাৰু তোমাৰ কবিতাই
হে কবি বন্ধু,
শীতৰ ঠেঁটুৰৈ ধৰা ৰাতিত
ঠক্ ঠক্ কৈ কঁপি উঠে যেতিয়া
শত ছিন্ন মূল জনতা
তেতিয়া বাৰু দিব পাৰেনে
শীতৰ প্ৰতিৰোধি আৱৰণ ?

হে কবি বন্ধু,
তোমাৰ কবিতাই
মূৰৰ ওপৰত এখন চালিৰ অভাৱত
যেতিয়া ফুটপাথত পৰি থাকে
শত সহস্ৰ নীৰৱ জনতা
তোমাৰ কবিতাই দিব পাৰেনে
তেওঁলোকক এক মৰমী আশ্ৰয় ?

এতিয়া চাৰিওফালে উৰিছে কেৱল
মৰিশালিৰ ক'লা ধোঁৱা,
বাৰুদৰ গুমগুমনিত
যেন ফাটি পৰিব খুজিছে
নীলাভ আকাশ
শান্তিৰ কপৌজনীও যেন
আজি দিশহাৰা

হে কবি বন্ধু
তোমাৰ কবিতাই আজি বাৰু
মৰিশালিৰ ক'লা ধোঁৱাৰ বিপৰীতে
উৰুৱাব পাৰিবনে বাৰু
ফুল তৰা আৰু বিশ্বাসৰ
প্ৰত্যয় ভৰা গান ❖❖

## উপলব্ধি

❑ পূৰ্ণিমা গগৈ
স্নাতক ২য় বৰ্ষ

মোৰ হৃদয়ত শুনো এক সকৰুণ আৰ্তনাদ
পোহৰৰ মাজত যেন
অন্ধকাৰ সাপ
যেন
সেয়ে মই বাষ্পময়
আছে দেখো তথাপিতো দুচকুত মোৰ
আত্ম প্ৰত্যয়েৰে উদ্দীপ্ত
অকথিত নতুন স্বপ্ন।
সমগ্ৰ সত্তা বিষপা নামহীন বেদনা
সিও দেখোঁ আজি হ'ল
নতুন সান্ত্বনা।
উদাত্ত ভাষা মোৰ কণ্ঠত
দৃষ্টিত নাই মোৰ অকণি সংশয়
হৃদয়ত উত্তৰ-সূৰ্য্য
এই উদয় হয় ❖❖







## অগ্নিগৰ্ভা আই

❑ মৃণাল দত্ত
৩য় বাৰ্ষিক

শোষিত অসমৰ মৰিশালিৰ শান্তিয়েই
যদি আপোনাৰ কামনা ।
তেন্তে পুঁজিবাদ, সমাজবাদ স্বৰ্গত হ'ব
দাস বা গোলাম
স্বৰ্গত দাস নেলাগে বজা হোৱাতকৈ
পৃথিৱীত কচু, ঢেকিয়াই ভাল ॥
অত্যাচাৰ, গ্লানি, পৰাধীনতা অকাল দুৰ্ভিক্ষই
যদি অগ্নিগৰ্ভা অসমৰ ভাগ্য ।
জনমভূমিক আইবুলি চিনোতেই
হওঁ যদি বন্দুকৰ লক্ষ্য ।
তেন্তে নিপীড়িত শোষিত, বহিত শান্তিতকৈ
কঠোৰ সংগ্ৰামেই শ্ৰেয় ॥
ইতিহাসৰ পাতে পাতে লিখিম বৰ্তমান মানুহৰ
সভ্যতাৰ উলংগ চানেকী ।
সেয়ে মই কলমটোত ভৰাই ল'লো
এটোপাল তেজৰঙা চিয়াহী
আলোক সন্ধানী জনতাৰ
এটোপাল সুকয়মুখী চকুপানী । ❖❖

## হৃদয়ৰ মাজত দুখৰ ৰাজত্ব

❑ প্ৰতাপজ্যোতি বৰা
একাদশ শ্ৰেণী

হৃদয়ৰ মাজত 'ফুলি আছিল এপাহি ফুল ।
তেজোস্ময় ফুল, সেই ফুলৰ সুগন্ধি সুবাসে
দিছিল অলেখ কল্পনাৰ ব্যাকুলতা
হঠাৎ ফুল পাহ যেন মৰহিল
সেয়ে মোৰ হৃদয় উমি উমি জ্বলে
প্ৰেমৰ অগনি ।

পৰিছিল মনত সিদিনা ভয়াৰ্ত দিনৰ কথা
মিছা প্ৰতিশ্ৰুতিৰে অন্তৰ প্ৰতাৰণা কৰিবৰ
অজলা মেঘ নামিছিল সিদিনা ক্লান্ত চকু যোৰেৰে
নামি আহিছিল বৃষ্টি ---
বিচাৰিছিলো ফুল পাহক আকাশৰ বিশালতাত
সোণালী শস্যৰ সুবাসত ।
এতিয়া মোৰ হৃদয়ে বিচাৰে প্ৰকৃত ফুল ।
যি ফুলৰ নাই কোনো ঠগ নাই কোনো প্ৰৱঞ্চনা
যি ফুলৰ সুবাসে বৈ যায় জীৱন জুৰি ।
যেন দুঃস্বপ্ন বেদনা ভৰা স্থিৰ নেত্ৰে ।
মোৰ ফুল পাহ অন্য সঞ্জাত আৱদ্ধ ।
সেয়ে হৃদয় যেন মোৰ শৰবিদ্ধ
হৃদয়ৰ মাজত সেয়ে মোৰ দুখৰ বাজত্ব ❖❖





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
## (১৯৯৭-৯৮ বৰ্ষ)

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে দেশ জাতি আৰু মাটিৰ স্বাৰ্থত যিসকল বীৰ-বীৰাংগনাই নিজৰ প্ৰাণ আহুতি দি অসমী আইৰ কোলা শূন্য কৰিলে সেইসকল শ্বহীদলৈ আন্তৰিকতাৰে শ্ৰদ্ধাঞ্জলি যাঁচিলো।

৩/১২/১৭ তাৰিখে আনুষ্ঠানিকভাৱে শপতনামা পাঠ কৰোৱাই মোক দায়িত্বভাৰ অৰ্পন কৰে। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় উন্নতিৰ অৰ্থে বহুতো কাম কৰিম বুলি আশা দিছিলো, সকলোবিলাক কাম মই কৰিব পাৰিলো বুলি মই আত্মগৌৰৱ কৰা নাই। তথাপি চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। সীমিতভাৱে মোৰ কাৰ্য্য কালত যি অলপ-অচৰপ কৰিলো তাৰেই খতিয়ান মোৰ প্ৰতিবেদনত দাঙি ধৰিলোঁ।

### মহাবিদ্যালয় সপ্তাহ

খেলা-ধূলা, শিক্ষা মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ। আমাৰ মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয় ২২/১২/৯৭ তাৰিখৰপৰা। বিভিন্ন বিভাগীয় সম্পাদকসকলে নিষ্ঠাৰে ক্ৰীড়া সপ্তাহটি উদ্‌যাপন কৰে। ছাত্ৰ জিৰণি চ'ৰা, ছাত্ৰী জিৰণি চৰা, সাহিত্য, সংগীত, ক্ৰীড়া, আদিকৰি সমূহ প্ৰতিযোগিতা সুচাৰুৰূপে অনুষ্ঠিত কৰা হয়। দুদিনীয়াকৈ সাংস্কৃতিক সন্ধ্যা কাৰ্যসূচীৰে ২৭/১২/৯৭ তাৰিখে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ সামৰা হয়।

আমাৰ কাৰ্যকালৰ আৰম্ভণিতে জয়সাগৰ কলেজৰ সোণালী জয়ন্তী ট্ৰফী প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়। উক্ত খেলখনত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ হাতত আমাৰ মহাবিদ্যালয় পৰাজিত হয়। খেলবিভাগৰ সম্পাদক শ্ৰীনিখিল হাজৰিকাই মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা লগতে আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মৰিয়নি কলেজক ২-০ গলৰ ব্যৱধানত পৰাজিত কৰি গোন প্ৰথমবাৰৰ বাবে চূড়ান্ত বিজয়ী সন্মান লাভ কৰে ।

২৭/১/৯৮ তাৰিখে মহাবিদ্যালয়ৰ শৈক্ষিক দিশ আৰু মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ ওপৰত এখন সভা আহ্বান কৰা হৈছিল। এই সভাত মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ ওপৰত ভিত্তি কৰি ৯ দফীয়া এটা দাবী অধ্যক্ষ মহোদয়ৰ ওচৰত প্ৰেৰণ কৰা হয়। দাবীসমূহ হ'ল.......

১) মহাবিদ্যালয় চৌহদ বেৰাৰ ব্যৱস্থা কৰা।
২) উচ্চতৰ মাধ্যমিক ১ম বৰ্ষৰ বেৰ আৰু মজিয়াখন পকি কৰা।
৩) মহাবিদ্যালয় ওলোৱা-সোমোৱা পথটো পকিকৰণ কৰক।
৪) আৱাস গৃহলৈ যোৱা এটা পথ নিৰ্মাণ কৰা।
৫) মহাবিদ্যালয়ত এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা।
৬) পুথিভঁৰালৰ কিতাপৰ সংখ্যা বৃদ্ধিকৰা।
৭) শ্ৰেণী কোঠাসমূহত বিজুলি বিছনিৰ ব্যৱস্থা কৰা।
৮) অনাছ শ্ৰেণী কোঠা বৃদ্ধি কৰা।
৮) ছাত্ৰ-ছাত্ৰীয়ে ইউনিফৰ্ম সাজ-পাৰসমূহ পিন্ধি অহাটো বাধ্যতামূলক কৰা।
৯) মহাবিদ্যালয় সকলো ছাত্ৰ-ছাত্ৰীয়ে ইউনিফৰ্ম সাজ-পাৰসমূহ পিন্ধি অহাটো বাধ্যতামূলক কৰা।

ডি. ইউ. জেনেৰেল ছেক্ৰেটাৰী মিটিত মই আৰু উপ-সভাপতিয়ে প্ৰতিনিধিত্ব কৰিছিলোঁ। সেই ৯/২/৯৮ তাৰিখে ডি. ইউ. জেনেৰেল ছেক্ৰেটাৰী মিটিত মই আৰু উপ-সভাপতিয়ে প্ৰতিনিধিত্ব কৰিছিলোঁ। সেই সভাতে মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগৰ ওপৰত আলোচনা কৰা হৈছিল আৰু সেই অভাৱসমূহ অতিশীঘ্ৰে সমাধান কৰিবলৈ দাবী জনোৱা হৈছিল।

পৰম্পৰাগতভাৱে চলি অহা শ্ৰীশ্ৰীবাগেদেৱী বীণাপাণি সৰস্বতী মাতৃৰ সন্তুষ্টিৰ অৰ্থে মহাবিদ্যালয়ত জাক-জমকতাৰে সৰস্বতী পূজা পালন কৰা হয়।

১৫/৫/৯৮ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শিৱসাগৰ জিলা সমিতিৰ সেৱা বাহিনীৰ সহযোগত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত দিহিং মথাউৰিৰ ওপৰত এটা শ্ৰমদান কাৰ্য্যসূচী লোৱা হয়।

ছাত্ৰ একতা সভাৰ সমাজসেৱা সম্পাদক পুলিন দিহিঙ্গীয়াৰ সহযোগত ২, ৩, ৪, ৫ আগষ্টত মহাবিদ্যালয়ৰ ওলোৱা-সোমোৱা পথটো মেৰামতি কৰা হয় আৰু বিভিন্ন ইটা ভাটাত গৈ মহাবিদ্যালয়লৈ ৭ গাড়ী ইটা অনা হয়। এই ক্ষেত্ৰত আমাক ৪ গাড়ী ইটা দি সহায় কৰা চেপন মৌজাৰ মৌজাদাৰ শ্ৰীযুত পদ্মধৰ দেৱক আমি শলাগ ল'ব লাগিব। তেখেতক আমি ছাত্ৰ একতা সভাৰ তৰফৰপৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

৯/৯/৯৮ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ৩৩ তম নৱাগতা আদৰণী সভাখনি বেছ জাক-জমকতাৰে পালন কৰা হয়।

## বৰ্তমান পৰিস্থিতিৰ ওপৰত দুআষাৰ

অসমৰ বৰ্তমান অৱস্থাক লক্ষ্য কৰিলেই আমি হাতাশাত ভূগিবলগীয়াত পৰোঁ। আৰ্থ-সামাজিক সকলো দিশতে অসমৰ আজি মৃতপ্ৰায় অৱস্থা। বিচ্ছিন্নতাবাদী সমস্যা, বড়ো, আহোম, মিছিং, কাৰ্বি, ৰাভা, সোণোৱাল আদি সমূহ জনগোষ্ঠীৰ জাতিগত প্ৰতিষ্ঠাৰ সমস্যা, ভাষা সমস্যা, বিদেশীৰপৰা উদ্ভৱ হোৱা সমস্যা, উশৃংখল যুৱ-মানসিকতা আদিৰে এশ এবুৰি সমস্যাৰে অসম আজি জৰ্জৰিত।

এনে মুঁহুৰ্তত আমাৰ অতিকৈ প্ৰয়োজন আছিল অসমীয়া জাতিটোক নেতৃত্ব দি প্ৰগতিৰ পথেৰে এখোজ আগবাঢ়িবলৈ সমৰ্থবান এটা কৰ্মত বিশ্বাসী, নৈতিক শক্তিৰে শক্তিশালী সংঘবদ্ধ ছাত্ৰ শক্তিৰ। কাৰণ মানুহৰ মাজৰ অন্য কোনো শ্ৰেণী ছাত্ৰ সমাজতকৈ বেছি সংঘবদ্ধ হ'ব নোৱাৰে। শক্তিশালী হ'ব নোৱাৰে। কিন্তু আমাৰ অধিকাংশ ছাত্ৰ শক্তি হয় পথভ্ৰষ্ট, পুৰণিক ভাঙি নতুনক গঢ়াৰ সাহ আজি তেওঁলোকে হেৰুৱাই পেলাইছে। আমি যিদৰে ঐতিহ্যমণ্ডিত কুটীৰ শিল্পক ধ্বংস কৰিলোঁ, সেইদৰে বেলেগ হৈ কোনো কামৰে উপযুক্ততা অৰ্জন কৰিব নোৱাৰিলোঁ। মুঠতে আজি সকলো দিশতে শুনো ধ্বংসৰ, অন্ধকাৰ সুস্পষ্ট পদধ্বনি।

## কৃতজ্ঞতা জ্ঞাপন

......................মোৰ কাৰ্য্যকালত ছাত্ৰ একতা সভাৰ সমূহ কাৰ্য্যসূচী ৰূপায়ন কৰি যাওঁতে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ডম্বৰুধৰ নেওগ ছাৰ আৰু বৰ্তমানৰ অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়া ছাৰ, ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি ৰেৱকান্ত বড়া ছাৰ আৰু মাননীয় শিক্ষাগুৰুসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কাৰ্য্য পৰিচালনা কৰোঁতে মহাবিদ্যালয়সমূহ ছাত্ৰ-ছাত্ৰীয়ে যি সহায় মোক আগবঢ়াল তেওঁলোক সকলোকে আন্তৰিক অফুৰন্ত মৰম আৰু ধন্যবাদ জনালোঁ।

শেষত মহাবিদ্যালয়ৰ সৰ্বতোসৰ্বাংগীন উন্নতি কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিছোঁ।

*"জয়তু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়*
*ছাত্ৰ শক্তি এক হওক"*

ধন্যবাদেৰে

**দীপক দত্ত**
সাধাৰণ সম্পাদক

❖❖❖



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
# (১৯৯৮-৯৯ বৰ্ষ)

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ শ্বহীদে নিজৰ জীৱনকো তুচ্ছজ্ঞান কৰি দেশ মাতৃৰ হকে জীৱন উৎসৰ্গিলে সেইসকল মহান শ্বহীদলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ প্ৰিয় ছাত্ৰ-ছাত্ৰীসকলৰ শুভেচ্ছা আৰু মৰমৰ ফলশ্ৰুতিত ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ সৌ সিদিনা নিজকে বৰ সৌভাগ্যবান যেন লাগিছিল। এই সৌভাগ্যৰ ভাগ ল'বলৈ সুবিধা দিয়া ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি মোৰ কৃতজ্ঞতা সদায়ে থাকিব । এনেহেন মহান দায়িত্ব লৈ কিমান দূৰ সফল হ'ব পাৰিছোঁ তাৰ বিচাৰৰ ভাৰ আপোনাসবৰ কান্ধত এৰিলোঁ । বহুতো ৰঙীণ আশা লৈ এই মহান দায়িত্ব ভাৰ গ্ৰহণ কৰিছিলোঁ। যদিও বিভিন্ন হেঙাৰৰ ফলত সকলোখিনি আশা পূৰণ কৰিব নোৱাৰিলোঁ । সেয়ে আপোনাসবৰ ওচৰত প্ৰথমেই ক্ষমা ভিক্ষা মাগিছোঁ ।

এখন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্ব অতি গধুৰ আৰু গুৰুত্বপূৰ্ণ । এই মহান দায়িত্ব তথা পদৰ পদমৰ্যাদা অটুট ৰাখি এই অঞ্চলটোৰ লগতে মহাবিদ্যালয়খনৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত অলপো কৃপণালি কৰাৰ কথা মনলৈ নাহে । অৱশ্যে কিমান কি কৰিব পাৰিলোঁ নাজানো । বিশেষকৈ এটা বছৰৰ ভিতৰতে সকলোখিনি সমস্যা সমাধান কৰাতো সম্ভৱ নহয় ।

১৯৯৮ চনৰ ৩ ডিচেম্বৰ তাৰিখে আমি কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ আৰু ৮ ডিচেম্বৰ তাৰিখে আনুষ্ঠানিক ভাৱে শপত গ্ৰহণ কৰিছিলোঁ । কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে আমি মহাবিদ্যালয়ৰ বহুদিনীয়া সমস্যাসমূহৰ ওপৰত ছাত্ৰ একতা সভাই আলোচনা কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক অৱগত কৰাইছিলোঁ । আমাৰ মহাবিদ্যালয়খনিৰ বিভিন্ন সমস্যাসমূহৰ ভিতৰত আমি প্ৰথমে অধ্যক্ষ মহোদয়ক এই কেইটা বিষয়ৰ ওপৰত গুৰুত্ব দিবৰ বাবে অনুৰোধ জনাইছিলোঁ।

১। মহাবিদ্যালয়ৰ চাৰিবেৰা নিৰ্মাণ কৰা ।
২। মহাবিদ্যালয়ৰ এটা উন্নত মানৰ পুথিভঁৰালৰ ব্যৱস্থা কৰা ।
৩। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দুটা উন্নত মানৰ জিৰণি চ'ৰা নিৰ্মাণ কৰা।
৪। মহাবিদ্যালয়ৰ ওলোৱা-সোমোৱা পথটো পকিকৰণ কৰা ।
৫। মহাবিদ্যালয়ৰ প্ৰতিটো কোঠাত বিজুলী পাংখাৰ ব্যৱস্থা কৰা ।
৬। মহাবিদ্যালয়ৰ চাইকেল ষ্টেণ্ডটো ডাঙৰ কৰা।
৭। এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা ।

এই সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত আমি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগত আলোচনাত মিলিত হৈছিলোঁ। অধ্যক্ষ মহোদয়ে আমাক প্ৰতিশ্ৰুতি দিছে যে এই বছৰতে এই সমস্যাসমূহ সমাধান কৰিব। মহাবিদ্যালয়ৰ চাৰিবেৰৰ বাবে ইটা আদিও অনা হৈছে আৰু এটি সুখৰ বিষয় আমাৰ কাৰ্যকালতে পুথিভঁৰালৰ বাবেও ৪ লাখ টকা বিশ্ববিদ্যালয়ৰ উন্নয়ন মঞ্জুৰি আয়োগে আগবঢ়াইছে । এই বছৰৰ পূজা বন্ধতে পুথিভঁৰালৰ কামো আৰম্ভ হ'ব। ছাত্ৰী জিৰণি চ'ৰাটো নতুনকৈ নিৰ্মাণ কৰা হয়। প্ৰতিটো কোঠাত বিজুলী পাংখাৰ ব্যৱস্থা কৰা হৈছে । চাইকেল ষ্টেণ্ডটোও ডাঙৰ কৰা হয়। পূজা বন্ধত বাকী কামসমূহ আৰম্ভ কৰা হ'ব বুলি অধ্যক্ষ মহোদয়ে আমাক জনাইছে । আশা ৰাখিছোঁ এই বছৰৰ ভিতৰতে আমাৰ প্ৰতিটো সমস্যা সমাধান হ'ব । আমাৰ মহাবিদ্যালয়ৰ বহুদিনীয়া সমস্যাসমূহৰ ওপৰত আমি অসমৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰিছোঁ। তেখেতেও এই বছৰতে এটি অনুদান আগবঢ়াব বুলি আমাক কথা দিছে । আশা ৰাখিছোঁ তেখেতৰ অনুদানেৰেও আমাৰ সমস্যা কিছু সমাধান কৰিব পৰা যাব ।

নিয়মীয়া অনুষ্ঠানসমূহ ঃ

**মহাবিদ্যালয়ৰ সপ্তাহ ঃ** ইংৰাজী ৫।১।৯৯ তাৰিখৰ পৰা ১১।১।৯৯ তাৰিখলৈকে আমাৰ মহাবিদ্যালয় ক্ৰীড়া সমাৰোহখনি অনুষ্ঠিত কৰা হয়।

**সৰস্বতী পূজা ঃ** বিগত বছৰবিলাকৰ দৰে এই বছৰো ছাত্ৰ একতা সভাৰ উদ্যোগত উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰা হয় ।

**নৱাগত আদৰণী সভা ঃ** ছাত্ৰ একতা সভাৰ উদ্যোগত আমাৰ মহাবিদ্যালয়লৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰি লোৱাৰ উদ্দেশ্যে ইংৰাজী ২০ আগষ্ট ৯৯ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰি নৱাগতসকলক অনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। সভাত বিশিষ্ট অতিথি হিচাপে শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি তথা শিৱসাগৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত ডম্বৰু কাকতিদেৱে যোগদান কৰি সভাৰ গুৰুত্ব বৃদ্ধি কৰে।

**বঁটা বিতৰণী সভা ঃ** মহাবিদ্যালয়ৰ ক্ৰীড়া সমাৰোহৰ বঁটা বিতৰণি সভাখন ১৬ চেপ্টেম্বৰ ৯৯ তাৰিখে অনুষ্ঠিত কৰা হয়। সভাত বিশিষ্ট অতিথি হিচাবে অসম চৰকাৰৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী শ্ৰীযুত প্ৰমোদ গগৈদেৱে ভাষণ দিয়ে। সভাপতিত্ব কৰে অধ্যক্ষ শ্ৰীযুত লোহিত শইকীয়াদেৱে।

**কৃতজ্ঞতা নিবেদন**

মোৰ কাৰ্য্যকালত যিসকল, উপদেষ্টা, শিক্ষাগুৰু, সুহৃদ, আত্মজ, অগ্ৰজ, অনুজ, বন্ধু-বান্ধৱীয়ে তেখেতসকলৰ বিভিন্ন সহায়, সহযোগিতা, দিহা-পৰামৰ্শ দি মোৰ কাৰ্য্যকাল সম্পাদনা কৰাত উৎসাহী কৰিলে তেখেতসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। যিসকল সুপ্ৰিয় বন্ধু-বান্ধৱী অগ্ৰজ, অনুজে মোক নিৰ্বাচনৰ সময়ত বিভিন্ন ধৰণৰ সহায় আগবঢ়াই মোক এই মহান সেৱা আগবঢ়োৱাৰ সুবিধা দিলে সেইসকলক মই কিদৰে কৃতজ্ঞতা জনাম ভাষা বিচাৰি পোৱা নাই — এইসকল সহায়কাৰী ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ সমৰ্থক আৰু প্ৰস্তাৱক অনুজ ভণ্টীদ্বয়লৈ মোৰ কৃতজ্ঞতা শৰাই আগবঢ়াইছো।

**মোৰ ক'ব লগা**

অসমীয়া জাতিৰ প্ৰতিটো ক্ষেত্ৰতে আজি অন্তহীন জলন্ত সমস্যা। সেয়ে নিজে নিজৰ জাতিক, নিজৰ ভাবাক নিজৰ কৃষ্টি-সংস্কৃতিক ৰক্ষণা-বেক্ষণ দিবলৈ সাজু হ'বৰ হ'ল। বৰ্তমান সমাজত চলি থকা হত্যা, ধৰ্ষণ, অপহৰণ বিৰুদ্ধে সকলো ছাত্ৰ-ছাত্ৰীয়ে ঐক্যভাৱেৰে গঢ়ি তুলিব লাগিব সাংস্কৃতিক আৰু অৰ্থনৈতিক গণ আন্দোলন। তেতিয়াহে অদূৰ ভৱিষ্যতত অসমৰ এক সুন্দৰ প্ৰতিছবি পোৱা যাব।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱলৈ জ্ঞাত-অজ্ঞাত ত্ৰুটিৰ বাবে ক্ষমা বিছাৰিছোঁ। লগতে আন্তৰিক স্নেহাশীষ নিবেদিছোঁ। আশা কৰিছোঁ নতুনসকলে এই অনুষ্ঠানটোৰ উন্নতিৰ কাৰণে অকনো কৃপণালি নকৰি এটি উন্নতমানৰ জ্ঞানমন্দিৰ হোৱাত অৰিহণা যোগাব। মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিছোঁ।

*"জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়*
*জয়তু ছাত্ৰ একতা সভা*
*ছাত্ৰ শক্তি এক হওঁক*
*জয় আই অসম"*

নমস্কাৰ

**পঙ্কজ বড়া**
সাধাৰণ সম্পাদক



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ ৰক্ষাৰ বাবে যিসকল বীৰ শ্বহীদে জীৱন আহুতি দিলে সেইসকল মহান শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

১৯৯৮/৯৯ চনৰ বছৰটোৰ বাবে ছাত্ৰ একতা সভাই মোক সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ দিয়া সমূহ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

মই সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰা প্ৰায় এসপ্তাহমান পাছতেই মহাবিদ্যালয় ক্ৰীড়া সমাৰোহ আৰম্ভ হোৱাত বিভিন্ন প্ৰতিযোগিতাৰ লগতে, সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে কাৰ্য্য পৰিচালনাত কিমান সফল হ'লো সেয়া নাজানো। সেই বিচাৰ আপোনালোকৰ। বৰ্তমান মহাবিদ্যালয়ত থকা বাদ্যযন্ত্ৰকেইপদেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যথেষ্ট নহয়। বাদ্য যন্ত্ৰকেইপদৰ অৱস্থা একেবাৰেই ভাল নহয়। সেইবাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট অসুবিধাভোগ কৰি আহিব লগা হৈছে। গতিকে মই বৰ্তমান মহাবিদ্যালয়ৰ প্ৰয়োজনীয় বাদ্যযন্ত্ৰসমূহৰ অভাৱ দূৰ কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা নৱ নিৰ্বাচিত সম্পাদক আৰু ছাত্ৰ একতা সভাই উচিত কাৰ্য্য পন্থা হাতত ল'ব বুলি আশা কৰিলোঁ।

এই সুযোগতে মোৰ কাৰ্যকালত বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মাধৱ মহন্ত চাৰে যি সহায় আগবঢ়ালে তাৰবাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'লো। লগতে বিভিন্ন দিশত মোক সকলো সময়তে সহায় কৰা বন্ধুবৰ্গ শ্ৰীদ্বীপেন শইকীয়া, দিলিপ বড়া, পংকজ বড়া, পুতু গগৈ, পংকজ ৰাজখনিকৰ, উৎপল ভূঞা, প্ৰাঞ্জল দত্ত, অনুজ বড়া, চহিদু ৰহমান, শ্ৰীমতী বশ্মি গগৈ, ইলা চাংমাই, পূৰবী বেজবৰুৱা, তুলুমণি কোঁৱৰ, গায়ত্ৰী দত্ত আৰু অজানিতে কলমৰ আগত বৈ যোৱা সকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

অৱশেষত মহাবিদ্যালয়ৰ সবাংগীন উন্নতি কামনা কৰিলোঁ আৰু মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

ইতি

**শ্ৰীপুলিন দিহিঙ্গীয়া**
সাংস্কৃতিক বিভাগৰ সম্পাদক,

## সংগীত আৰু সাংস্কৃতিক বিভাগৰ ফলাফল

আধুনিক গীত ঃ
প্ৰথম —শ্ৰীদ্বিপেন শইকীয়া
দ্বিতীয় —শ্ৰীদিলীপ বৰা
তৃতীয় —শ্ৰীমতী গায়ত্ৰী দত্ত।

**পাৰ্বতী প্ৰসাদৰ গীত ঃ**
উদগনিমূলক বঁটা —শ্ৰীদ্বিপেন শইকীয়া

লোকগীত ঃ
প্ৰথম —শ্ৰীসুনীল দেউৰী
দ্বিতীয় —শ্ৰীদ্বিপেন শইকীয়া
তৃতীয় —শ্ৰীমতী পূৰ্ণিমা গগৈ।

জ্যোতি সংগীত ঃ
প্ৰথম —শ্ৰীদ্বিপেন শইকীয়া
দ্বিতীয় —শ্ৰীমতী গায়ত্ৰী দত্ত
তৃতীয় —দিলীপ বৰা।

বৰগীত ঃ
উদগনিমূলক বঁটা —শ্ৰীদ্বিপেন শইকীয়া

বাভা সংগীত ঃ
প্ৰথম —শ্ৰীমতী গায়ত্ৰী দত্ত
দ্বিতীয় —শ্ৰীদ্বিপেন শইকীয়া
তৃতীয় —শ্ৰীকুকিল দত্ত

**বনগীত ঃ**
প্ৰথম —শ্ৰীদ্বিপেন শইকীয়া
দ্বিতীয় —শ্ৰীমতী গায়ত্ৰী দত্ত
তৃতীয় —শ্ৰীহেম প্ৰকাশ মাউত

**বিহু নৃত্য ঃ**
প্ৰথম —শ্ৰীমতী দিপিকা বৰুৱা

**শ্ৰেষ্ঠ গায়ক** —১৯৯৮/৯৯ চনৰ বাবে হেমচন্দ্ৰ গোস্বামী মহাবিদ্যালয়ৰ শ্ৰীদ্বিপেন শইকীয়া।

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন (১৯৯৮-৯৯ বৰ্ষ)

জয় জয়তে ১৯৯৮-৯৯ চনৰ কাৰ্য্যকালৰ বাবে মোক হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ হকে সেৱা আগবঢ়াবলৈ যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ তৰফৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে অসমীয়া জাতিৰ সেৱাৰ বাবে আত্মোৎসৰ্গ কৰা মহান শ্বহীদসকললৈ আৰু মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাতা প্ৰয়াত হেমচন্দ্ৰ দেবগোস্বামীদেৱলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

এটা পবিত্ৰ দিনত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া অধ্যক্ষ অধ্যাপক আৰু অধ্যাপিকাৰসকলৰ সন্মুখত শপত গ্ৰহণ কৰি ১৯৯৮-৯৯ চনৰ ছাত্ৰ একতা সভাৰ 'সমাজ সেৱা' সম্পাদকৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। ছাত্ৰ একতা সভাখন সীমিত সদস্যৰদ্বাৰাই গঠিত হোৱাত এক জটিল পৰিস্থিতিৰ মাজেৰে কাৰ্য্যনিৰ্বাহ কৰিব লগা হৈছিল। কিছুক্ষেত্ৰত আমি সফলতা লাভ কৰিছিলোঁ আৰু কিছুক্ষেত্ৰত বিফলতাৰ সন্মুখীন হৈছিলোঁ তথাপি মহাবিদ্যালয় হকে সেৱা আগবঢ়াবলৈ যৎ-পৰোনাস্তি চেষ্টা কৰিছিলোঁ। গতিকে সফলতা-বিফলতাৰ বিচাৰ আপোনাসবৰ হাতত।

'সমাজ সেৱা' সম্পাদক কাৰ্য্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পাছতেই মহাবিদ্যালয়ৰ 'ক্ৰীড়া সপ্তাহ' আৰম্ভ হৈছিল। এই বছৰেকীয়া মহাবিদ্যালয় সপ্তাহ পালন কৰা বাবে খেল পথাৰ পৰিষ্কাৰ কৰা তোৰণ নিৰ্মাণ কৰা কাৰ্য্য 'সমাজ সেৱা' বিভাগৰদ্বাৰা কৰা হৈছিল। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহৰ দৰে শ্ৰীশ্ৰীসৰস্বতী পূজা, নবাগত আদৰণি সভা আৰু বঁটা বিতৰণি সভাত ছাত্ৰ একতা সভাই সেই একেবিলাক দায়িত্বই মোক অৰ্পন কৰিছিল। তদুপৰি মই মহাবিদ্যালয় চৌহদত বৃক্ষৰোপণ কাৰ্য্যসূচী লোৱাৰ এক আলোচনা কৰিছিলোঁ। কিন্তু অধ্যক্ষ মহোদয় অনুমতিক্ৰমে মহাবিদ্যালয়ৰ চাৰি বেৰাৰ কাম হোৱাৰ পাছত এই বৃক্ষৰোপণ কাৰ্য্যসূচী লোৱা হ'ব বুলি জনায়। গতিকে আগন্তুক বৰ্ষটোৰ ছাত্ৰ একতা সভাই এই বৃক্ষৰোপণ কাৰ্য্যসূচী সফল কৰি তুলিব বুলি আশা কৰিলোঁ।

কাৰ্য্যকালটোৰ সকলো কাম-কাজ আগবঢ়াই নিওঁতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াসকল, অধ্যক্ষ মহোদয় আৰু মোৰ প্ৰিয় শিক্ষাগুৰুসকলৰ বহুমূলীয়া উপদেশ আৰু সজ পৰামৰ্শই মোক যি উৎসাহিত কৰিলে তাৰবাবে তেখেতসকললৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। কৰ্মক্ষেত্ৰৰ প্ৰতিটো খোজত বন্ধু-বান্ধবী আৰু ছাত্ৰ-ছাত্ৰীসকলে নিঃস্বাৰ্থ, ঐকান্তিক সহযোগিতা আগবঢ়োৱাৰ ফলত মোৰ কাৰ্য্যকাল সুচাৰুৰূপে শেষ হোৱাত তেওঁলোকলৈ মোৰ তৰফৰপৰা আন্তৰিক অভিনন্দন যাঁচিলো। বিফলতাৰ বাবে জগৰীয়া মোৰ অনিচ্ছাকৃত ভুল-ভ্ৰান্তিখিনিক বন্ধুৰ দৃষ্টিৰে ক্ষমা কৰিব বুলি আশা ৰাখিলোঁ।

সদৌ শেষত মহাবিদ্যালয়খনি সৰ্বাঙ্গীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিলো আৰু লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা নৱ নিৰ্বাচিত সম্পাদক-সম্পাদিকাসকললৈ মোৰ তৰফৰপৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰি 'সমাজ সেৱা' বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

*"জয়তু হেমচন্দ্ৰ দেঃ গোঃ মহাবিদ্যালয়"*

ধন্যবাদেৰে ——

**ম ঃ চহিদুৰ ৰহমান**

সমাজ সেৱা বিভাগৰ সম্পাদক

❖❖❖



# ছাত্ৰ জিৰণী চ'ৰা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন (১৯৯৮-৯৯বৰ্ষ)

জয় জয়তে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ চিৰ নমস্য শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি আৰু বন্ধু-বান্ধৱীসকললৈ ওলগ জনাই মোৰ প্ৰতিবেদন আৰম্ভ কৰিছোঁ।

১৯৯৮-৯৯ চনৰ বাৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহত ছাত্ৰ জিৰণী চ'ৰাৰ সম্পাদকৰ দায়িত্বত থকা খেলসমূহ আছিল ডবা, কেৰম, বেডমিণ্টন, টেবুলটেনিছ আৰু পাঞ্জা। বিভিন্ন খেলসমূহত যোগদান কৰা আৰু পাৰদৰ্শিতা অৰ্জন কৰা খেলুৱৈ বৃন্দলৈ মোৰ হিয়াভৰা ধন্যবাদ যাচিলো আৰু বিজয়ী প্ৰতিযোগীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

এইখিনিতে আমাৰ ছাত্ৰ জিৰণী চ'ৰাটোৰ বিষয়ে ক'ব খুজিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰৰ সংখ্যাৰ তুলনাত কোঠাটোৰ আকাৰ নিচেই সৰু। যাৰ ফলত খেলুৱৈসকলে খেল প্ৰদৰ্শন আৰু ক্ৰীড়াপ্ৰেমী ছাত্ৰসকলে খেল উপভোগ কৰাত অসুবিধা হয়। গতিকে কলেজ কৰ্তৃপক্ষই জিৰণী চ'ৰাটো অলপ ডাঙৰ কৰি ছাত্ৰসকলৰ খেলাৰ মানদণ্ড উন্নত কৰিবলৈ সহায় আগবঢ়াব বুলি আশা ৰাখিলোঁ।

লগতে মোৰ কাম-কাজত সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা তথা দিহা-পৰামৰ্শ দিয়া ছাত্ৰ একতা সভাৰ সভানেত্ৰী বাইদেউ শ্ৰীযুক্তা ভদ্ৰাৱতী গগৈ আৰু মোৰ বিভাগীয় উপদেষ্টা মহোদয় মাননীয় শ্ৰীযুত তৰুণ গগৈ দেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোক সকলো সময়তে সহায় সহযোগ আগবঢ়োৱা প্ৰাঞ্জল দত্ত, ৰুবুল গগৈ, চহিদুৰ ৰহমান, বিকাশ গগৈ, মনোজ চৌহান, ৰাজীৱ চুতীয়া, গৌতম হাজৰিকা, খগেন গগৈ, প্ৰদীপ শেনচোৱা, দিগন্ত শৰ্মা, নেকিব আহমেদ, সৌৰভ দত্ত, জ্যোতি ফুকনলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিলোঁ।

**শ্ৰীবিতু গগৈ**

সম্পাদক, ছাত্ৰ জিৰণী চ'ৰা

**প্ৰতিযোগিতাৰ ফলাফল ঃ**

**টেবুল টেনিছ ঃ**

চেম্পিয়ন —শ্ৰীকানু কোঁৱৰ

ৰাণাৰ্চ আপ —শ্ৰীৰুবুল গগৈ

**কেৰম (চিংগল) ঃ**

চেম্পিয়ন —শ্ৰীপ্ৰদিপ শেনচোৱা

ৰাণাৰ্চ আপ —শ্ৰীউৎপল কোঁৱৰ

**কেৰম (ডাবল) ঃ**

চেম্পিয়ন —শ্ৰীদিগন্ত শৰ্মা/শ্ৰীপ্ৰদীপ শেনচোৱা

ৰাণাৰ্চ আপ —শ্ৰীউৎপল কোঁৱৰ/ শ্ৰীপুতু গগৈ

**বেডমিণ্টন ঃ**

চেম্পিয়ন —মমিনুল্লা আহমেদ

ৰাণাছ আপ —শ্ৰীবিজু গগৈ

**ডবা ঃ**

চেম্পিয়ন —শ্ৰীযাদৱ চুতীয়া

ৰাণাৰ্চ আপ —শ্ৰীপ্ৰদিপ শেনচোৱা

**পাঞ্জা ঃ**

চেম্পিয়ন —তিলেশ্বৰ সন্দিকৈ

ৰাণাৰ্চ আপ —পুতু গগৈ

**শ্ৰেষ্ঠ খেলুৱৈ ঃ**

শ্ৰীপ্ৰদীপ শেনচোৱা

❖❖❖

# ছাত্ৰী জিৰণীচ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন (১৯৯৮-৯৯)

জয়জয়তে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পাছতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মোৰ দায়িত্বত থকা খেলসমূহ অনুষ্ঠিত কৰিবলৈ যোৱাৰ লগে লগে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো যদিও কেইজনমান বন্ধু তথা উপদেষ্টাৰ সহযোগত খেলসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰিছিলোঁ।

খেল-ধেমালি আৰম্ভ হোৱাৰ লগে লগে দেখা যায় প্ৰতিযোগীৰ অভাৱ। কিয়নো এখন মহাবিদ্যালয়ৰ ছাত্ৰী সংখ্যালৈ চাই প্ৰতিযোগীৰ সংখ্যা নিচেই তাকৰ আৰু ই অতি দুখৰ বিষয়। খেলত পুৰস্কাৰ পোৱাতো কোনো ডাঙৰ কথা নহয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাতোহে ডাঙৰ কথা। সকলো প্ৰতিযোগীয়ে যাতে জিকিমেই এই মনোভাৱলৈ যদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে তেন্তে খেলসমূহ যথেষ্ট প্ৰতিদ্বন্দিতাপূৰ্ণ হ'ব।

বিগত বছৰটোত হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভালৈ নিৰ্ব্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ লগতে যিসকল বন্ধু-বান্ধৱীয়ে মোৰ ওচৰে পাজৰে থাকি বিভিন্ন কামত আগবাঢ়ি যোৱাত সহায় কৰিলে সেই সকলোলৈকে পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালৰ সুপৰামৰ্শদাতা মাননীয় উপদেষ্টা মহোদয়া আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। মোৰ কাৰ্য্য কালছোৱাত আপোনালোকক কেনেদৰে সন্তোষ দিব পাৰিলোঁ সেইসকলোবিলাক আপোনালোকৰ বিচাৰ্য্য বিষয়। তথাপি সকলো দোষ-ত্ৰুটি মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিব বিচাৰিছোঁ।

সৰ্ব্বশেষত মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

ধন্যবাদ সহকাৰে——

শ্ৰীমতী নৱনীতা সন্দিকৈ
ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা

# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন (১৯৯৮-৯৯ বৰ্ষ)

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ মাজৰপৰা হেৰাই যোৱা সু-সন্তানসকলৰ পবিত্ৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা সেইজনা মহান ব্যক্তিকো শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

মহাবিদ্যালয়খনৰ সেৱা কৰাৰ বাবে সুবিধা দিয়াত সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সহঃ সাধাৰণ সম্পাদিকা ৰূপে বিজয়ী হোৱাৰ পিছতে অন্যান্য বিষয়ববীয়াৰ সৈতে শপত গ্ৰহণ কৰোঁ। মহাবিদ্যালয়খনৰ বাবে কেইবাটাও আঁচনি যুগুত কৰিছিলোঁ যদিও বিভিন্ন অসুবিধাত সকলোখিনি কৰিব নোৱাৰিলোঁ।

চকুত পৰিছিল মহাবিদ্যালয়খন আগুৰি থকা বিভিন্ন সমস্যাৰাজি। তাৰে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে নিজে কৰি লোৱা আৰু কেতবোৰ দুৰ্বল পৰিকল্পনাৰ বাবে উদ্ভৱ হৈছে। স্থায়ী জিৰণি চ'ৰাৰ অভাৱ আৰু ইয়াৰ বাবেই বাৰাণ্ডাত ছাত্ৰ-ছাত্ৰীৰ জুম, নিয়মীয়া ৰূপত শ্ৰেণীসমূহ নোহোৱা, দিনৰ ১ বজাতেই মহাবিদ্যালয় খালী হৈ পৰা, গ্ৰন্থাগাৰত সা-সুবিধাৰ অভাৱ চৌদিশৰ বেৰা নোহোৱাৰ বাবে গৰু-ছাগলীৰ অবাধ ৰাজত্ব ইত্যাদিবিলাকে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশত বাধা জন্মাই আহিছে। আশাকৰোঁ নতুন ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষই এই দিশত চকু দি ব্যৱস্থা গ্ৰহণ কৰিব।

শেষত কাৰ্য্যকাল চলাই নিয়াত সহায় কৰা সভানেত্ৰী শ্ৰীযুতা ভদ্ৰাৱতী গগৈ বাইদেউ আৰু বিভিন্ন সময়ত সহযোগ কৰা সমূহ বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শ্ৰীমতী ডিম্পী বৰুৱা
সহঃ সাধাৰণ সম্পাদিকা



# ক্ৰীড়াবিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাতা স্বৰ্গীয় হেমচন্দ্ৰ দেৱ গোস্বামীদেৱলৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ সেৱা কৰাত সুযোগ দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অতি ক্ষুদ্ৰ অভিজ্ঞতাৰে মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগত তথা ছাত্ৰ একতা সভাৰ অন্যান্য দিশত আমাৰ কাৰ্য্যকালত কি কৰিব পাৰিছিলোঁ বা কি কৰিব নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।

১৯৯৯ চনৰ ৫ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈকে মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ হৈছিল। এইবাৰ মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়াত বহুতো প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। তেওঁলোকৰ ঐকান্তিক চেষ্টাৰ কাৰণে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয় ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে কাৰ্যভাৰ পৰিচালনা কৰোঁতে বহুতো ভুল-ভ্ৰান্তি ঘটিব পাৰে তাৰ বাবে সমূহ খেলুৱৈ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

মোৰ এবছৰীয়া কাৰ্য্যকালত সকলো দিশতে উৎসাহ দিয়া তথা উপদেশ দি সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকমণ্ডলিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। বিশেষকৈ বিভাগীয় সম্পাদকৰ উপদেষ্টা শ্ৰীযুত ললিত তামুলী চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সকলো দিশতে সহায়-সহযোগ আগবঢ়োৱা বন্ধু শ্ৰীঅমল বড়া, যাদব চুতীয়া, ৰিঞ্জু গগৈ, ছহিদুৰ ৰহমান, লোহিত গগৈ, ৰাজেন চেতিয়া, পংকজ দাদা, দীপক দাদা, উৎপল দাদা, পুলিন দাদা, শৰৎ দাদা (অৰূপ), নেকিব দাদা আৰু কল্পনা ভূঞা,জুলি গগৈ, মণিস্মৃতা দত্ত, সুৰভি দাস, জোনমণি লৈ মোৰ মৰম আৰু হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ, সকলো কাৰ্য্য পৰিচালনা কৰি সহায় আগবঢ়োৱা প্ৰাক্তন ছাত্ৰসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি ছাত্ৰ একতা সভাৰ আৰু ছাত্ৰ শক্তিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি 'জয় আই অসম' পবিত্ৰ ধ্বনিৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

প্ৰাঞ্জলপ্ৰতীম দত্ত
ক্ৰীড়া সম্পাদক

মহাবিদ্যালয়ৰ বিভিন্ন ক্ৰীড়া প্ৰতিযে.গিতাত অংশ গ্ৰহণ কৰি অৰ্হতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকল হ'ল।

**ল'ৰাৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ঃ**

১) শ্ৰীবিতুল শইকীয়া —প্ৰথম
২) শ্ৰীদিনেশ দেউৰী —দ্বিতীয়
৩) শ্ৰীৰাতুল গগৈ —তৃতীয়

**ল'ৰাৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ঃ**

১) শ্ৰীদিনেশ দেউৰী —প্ৰথম
২) শ্ৰীবিতুল শইকীয়া —দ্বিতীয়
৩) শ্ৰীৰাতুল গগৈ —তৃতীয়

**ছোৱালী ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ঃ**

১) শ্ৰীমতী ৰিণ্টুমণি দেউৰী —প্ৰথম
২) শ্ৰীমতী ৰাণুমা দেউৰী —দ্বিতীয়
৩) শ্ৰীজ্যোতি দেউৰী —তৃতীয়

**ছোৱালীৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ঃ**

১) শ্ৰীমতী ৰিণ্টুমণি দেউৰী —প্ৰথম
২) শ্ৰীমতী জোনমণি শেনচোৱা —দ্বিতীয়
৩) শ্ৰীজ্যোতি দেউৰী —তৃতীয়

**ল'ৰাৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ঃ**

১) শ্ৰীদুলাল দেউৰী —প্ৰথম
২) শ্ৰীচুনিল দেউৰী —দ্বিতীয়
৩) শ্ৰীজয়ন্ত গগৈ —তৃতীয়

**ছোৱালীৰ ছটপুট্ প্ৰতিযোগিতাত ঃ**

১) শ্ৰীমতী ৰিণ্টুমণি দেউৰী —প্ৰথম
২) শ্ৰীজোনমণি শেনচোৱা —দ্বিতীয়

ছোৱালীৰ ডিস্কাচ্ প্ৰতিযোগিতাত ঃ

১) শ্ৰীমতী জোনমণি শেনচোৱা —প্ৰথম

২) শ্ৰীৰিন্টুমণি দেউৰী —দ্বিতীয়

ল'ৰাৰ ছটপুট প্ৰতিযোগিতাত ঃ

১) শ্ৰীভূপেন বড়া —প্ৰথম

২) শ্ৰীবিতুল শইকীয়া —দ্বিতীয়

৩) শ্ৰীগিৰিধৰ টায়ে —তৃতীয়

ল'ৰাৰ ডিস্কাচ্ প্ৰতিযোগিতাত ঃ

১) শ্ৰীভূপেন বড়া —প্ৰথম

২) শ্ৰীদিনেশ দেউৰী —দ্বিতীয়

৩) শ্ৰীবিতুপন বড়া—তৃতীয়

ল'ৰাৰ লং জাম্প প্ৰতিযোগিতাত ঃ

১) শ্ৰীবিতুল শইকীয়া —প্ৰথম

২) শ্ৰীকুকিল দত্ত—দ্বিতীয়

৩) শ্ৰীগৌতম হাজৰিকা —তৃতীয়

ছোৱালীৰ লং জাম্প প্ৰতিযোগিতাত ঃ

১) শ্ৰীমতী জোনমণি শেনচোৱা —প্ৰথম

২) শ্ৰীমতী জোনমণি সন্দিকৈ —দ্বিতীয়

ল'ৰাৰ ত্ৰিপুল জাম্প প্ৰতিযোগিতাত ঃ

১) ম. নেকিব আহমেদ —প্ৰথম

২) শ্ৰীবিতুল শইকীয়া —দ্বিতীয়

৩) শ্ৰীগৌতম হাজৰিকা —তৃতীয়

৪) শ্ৰীবিতুপন বড়া —তৃতীয়

ল'ৰাৰ জেভলিন দলিওৱা ঃ

১) শ্ৰীবিতুল শইকীয়া —প্ৰথম

২) শ্ৰীবিতুপন বড়া —দ্বিতীয়

৩) শ্ৰীহেমন্ত বড়া —তৃতীয়

৪) শ্ৰীপ্ৰাঞ্জল দত্ত —তৃতীয়





## তৰ্ক, সাহিত্য আৰু আলোচনী বিভাগৰ ফলাফল

১) অসমীয়া কবিতা আবৃত্তি ঃ

প্ৰথম ঃ শ্ৰীউৎপল খনিকৰ

দ্বিতীয় ঃ শ্ৰীমতী মেৰী চাংমাই

তৃতীয় ঃ শ্ৰীমতী তুলুমণি কোঁৱৰ

শ্ৰীমতী গায়ত্ৰী দত্ত।

২) ইংৰাজী কবিতা আবৃত্তি ঃ

উদ্‌গনি বঁটা ঃ শ্ৰীঘনশ্যাম সন্দিকৈ

৩) আকস্মিক বক্তৃতা ঃ

প্ৰথম ঃ শ্ৰীঘনশ্যাম সন্দিকৈ।

দ্বিতীয় ঃ শ্ৰীমৃদুপৱন বুঢ়াগোহাঁই।

তৃতীয় ঃ শ্ৰীইন্দ্ৰ বুঢ়াগোহাঁই।

৪) তৰ্ক প্ৰতিযোগিতা ঃ

প্ৰথম ঃ মিচ্ মমতা শইকীয়া।

দ্বিতীয় ঃ শ্ৰীঘনশাম সন্দিকৈ

তৃতীয় ঃ শ্ৰীইন্দ্ৰ বুঢ়াগোহাঁই

শ্ৰীমৃদুপৱন বুঢ়াগোহাঁই।

৫) কুইজ প্ৰতিযোগিতা ঃ

প্ৰথম ঃ শ্ৰীঘনশ্যাম সন্দিকৈ

শ্ৰীমতী মমতা শইকীয়া

দ্বিতীয় ঃ শ্ৰীইন্দ্ৰ বুঢ়াগোহাঁই

শ্ৰীমৃদুপৱন বুঢ়াগোহাঁই

৬) স্বৰচিত প্ৰবন্ধ প্ৰতিযোগিতা ঃ

প্ৰথম ঃ বিবেচিত নহ'ল

দ্বিতীয় ঃ শ্ৰীমতী প্ৰজ্ঞাজোনাক দত্ত

তৃতীয় ঃ শ্ৰীমৃদুপৱন বুঢ়াগোহাঁই

৭) চুটি গল্প ঃ

প্ৰথম ঃ বিবেচিত নহ'ল

দ্বিতীয় ঃ বিবেচিত নহ'ল

তৃতীয় ঃ শ্ৰীইন্দ্ৰ বুঢ়াগোহাঁই

মঃ চহিদুৰ ৰহমান

উদ্‌গনিমূলক ঃ শ্ৰীমৃদুপৱন বুঢ়াগোহাঁই

ঃ শ্ৰীবিকাশ গগৈ।

৮) থিতাতে লিখা কবিতা ঃ

প্ৰথম ঃশ্ৰীঘনশ্যাম সন্দিকৈ

দ্বিতীয় ঃ শ্ৰীইন্দ্ৰ বুঢ়াগোহাঁই

শ্ৰীৰিৱন গগৈ

৯) থিতাতে লিখা ৰচনা প্ৰতিযোগিতা ঃ

উদ্‌গনিমূলক ঃ শ্ৰীমৃদুপৱন বুঢ়াগোহাঁই

১০) একাংক নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতা ঃ

উদ্‌গনিমূলক ঃশ্ৰীমৃদুপৱন বুঢ়াগোহাঁই।

❖❖❖

# English Section

## CONTENTS


❑ Job Charnock- The Founder of the city of Calcutta ❖ Dambarudhar Neog — 87

❑ Tragedy : an Introduction ❖ Sudhir Kumar Das — 88

❑ North Estern Region and It's potentialities of Economic Development ❖ Sanjib Kr. Borgohain — 90

❑ Library - A Storehouse of knowledge ❖ Tarun Gogi — 93

❑ The Assam Association : Its Contributions to the National Movement ❖ Reba Kanta Borah — 94

❑ Role of Reference Service in a Library ❖ Nakul chandra Sarmah — 96

❑ The Romantic Period of English Literature ❖ Rajlakshmi Goswami — 98

❑ Orgin And Development Of English Drama ❖ Dulu Oraon — 100




# Job Charnock - The Founder of the City of Calcutta


❑ Dambarudhar Neog
Ex-Principal in-Charge


Last year in the month of March, I happened to be in Calcutta and was fortunate to go to the National Library along with a research scholar for study purpose where I gathered some information about the man said to be responsible for the formation of the city of Calcutta. Some information is also collected from the history branch of Vicotoria Memorial and I take pleasure in presenting in this short article Job Charnock - the founder of the city of Calcutta.

Job Charnock came to India in 1656 as an employee of the British East India Company. He is today given the honour of the founder of the city of Calcutta - The city of Job Charnock. Termed as the soldier of fortune, Job Charnock landed on the 24th day of August in 1690 at one of the Sutanati Ghats. This day was indeed a historic day which ended in the emergence of Calcutta as the capital city of the British domination in India.

It is indeed quite surprising that Job Charnock chose a place like Sutanati, an obscure site - 'quite unhealthy' a low sinking, swampy area, crisis crossed by the creeks at odd places and skirted on the east by a vast stretch of salt water lake. 'The site chosen by Job Charnock was described by Alexander Hamilton, famous as the 18th century Sindbad who travelled by land and sea between the Cape and India between 1688 and 1723, as an 'unhealthy place on the river, for three miles to the north eastward is a salt water lake that overflows in September and October and prodigious number of fish resort hither, but in November and December, when the floods are dissipated, those fishes are left dry, and with their purification affect the air with thick stinking vapors, which the north east winds bring with them to Fort William that they cause a yearly mortality.'

But the site chosen by Job Charnock had some advantages too. On the west of this site there was a river and so the site was navigable all the year round. Because of this site was suitable for trade and good line of defence. The existence of the salt water lake served the same purpose. The site of the eastern bank offered better anchorage. The first bend at Garden Reach opened out good prospect for loading and unloading cargoes. On its opposite site stood Bettor with its busy seasonal markets. Sutanati was fast going to become a cotton mart. But it is not certain whether Charnock had foreseen such advantages. He might have or might not have.

When Job Charnock landed in 1690 Sutanati was then one of the three obscure villages - other two being Kalikata and Gobindpur. It is quite certain to think that Job Charnock was thenhad no idea of the site and he landed. The site landed by Job Charnock was then a little better than a 'swampy jungle, a sort of low and unhealthy marsh.' But the surprising fact is that the British empire founded later in India had its foundation in Eastern India. The main purpose of Job Charnock was trade not territory. He was fully aware of the strength and inner weaknesses of the then reigning Mughal authority. But the time was not ripe then to think for territory and so was content with tradewith India.

The three villages - Sutanati, Kalikata and Gobindpur had dwellers migrated from far and near places. Sutanati with a growing cotton mart, Kalikata with the temple of goddess Kali and Gobindpur with the influx of affluent settlers drew the attraction of the merchants, devotees and place seekers. The most affluent and distinguished settlers had realised the potentialities of the obscure site much earlier than the who has been given the credit in history as the founder to Calcutta.

Job Charnock had died within thirty months of his historic landing at Sutanati Ghat. Before he became the agent of the British East India company in Bengal, he served the company in the ports at Balasore, Patna, Cassimbazar, Hugli and finally at Sutanati. Acquisition of an advantageous site was his first step for the consolidation of the trade, the site destined to be the nucleus of English power in India.

Job Charnock is still remembered as a mausoleum of him was inside the St. John churchyard and a small strip of road named after as the Charnock Place. His name as the founder of Calcutta is still in history. It is indeed an honour for the man as the founder of a historical city - the city of Job Charnock. ❑

# TRAGEDY : AN INTRODUCTION

❑ Sudhir Kumar Das
Lecturer in English

Tragedy is a type of drama in which the chief character undergoes a morally significant struggle which ends disas trously. Probably tragedy originated in Greek religious rituals to celebrate Dionysus in whose honour the chorus dressed as goats or satyrs (the mythical half-goat half-human form) danced and chanted verses. The term 'tragedy' originally meant 'goat song'. In later stages speakers and plots were added. Greek tragedy attained a highly developed poetic form during the 5th century B. C. much before Aristotle analysed and defined it. Aeschylus (525-456 B. C.), the real founder of Greek tragedy had started writing as early as 472 B. C. His play _The Persians_ reflects in particular what all his drama shows in general. If Aeschylus' characters are of heroic stature it may well be because he himself was the product of a heroic age. The struggle and crisis of his own age are the raw material of his drama. His other famous dramas were _Seven Against Thebes_ (467 B. C.), _The Suppliants,_ (490 B. C) and _Prometheus Bound_ (465 B. C.). Euripides (480-407 B.C.) did not share with Aeschylus and Sophocles the classical vision of life with its absolute values and its optimism whereas Sophocles had possessed outward ease, charm and elegance, qualities which perhaps caused and furthered his popularity. Euripides lived a life of intense and introverted individualism which by its very nature lessened the possibility of a great popular success. His plays _Medea_ (431 B. C) regarded as the greatest tragedy. _Electra_ (431 B. C) shows tragedy arising from strong and deep seated loyalties. The most famous of Greek tragedians was Sophocles (496-406 B. C). Although he had written a total of 123 tragedies only 7 of them now survive. Most famous and widely read of them are _Oedipus the King_ and _Antigone._

Aristotle (384-322 B.C) attempted a most comprehensive definition of tragedy in his _Poetrics._

"A tragedy, then, is the imitation of an action that is serious and also, as having magnitude, complete in itself; in language embellished with each kind of artistic ornament, each kind brought in seperately in the parts of the work; on a dramatic, not in a narrative form with incidents arousing pity and fear, wherewith to accomplish its catharsis of such emotions."

In _Poetics_ Aristotle's stress is on form, content and objective of tragedy. He also lays down certain norms on the organization of the tragic plot. It would not be wrong to say that his definition of tragedy is so far the most exhaustive and comprehensive and because of this his views held a sway over playwrights of almost all ages. According to Aristotle an out and out evil person cannot be a atragic hero. He must be basically a good person with a 'hamartia' or tragic flaw in his character. This tragic flaw or error in judgement ultimately causes his fall. So atragic hero is called a colossal figure with clay feets. The ultimate ruination of the tragic protagonist caused by the 'hamartia' evokes pity and fear in us. Pity at his disproportionate and undeserving suffering and fear of a similar error of judgement on our part which would lead us to an identical catastrophe. A catastrophe is that point of time which changes the life of tragic hero from happiness to disaster.



Middle Ages did not have any tragedy worth the name as nobody was aware of classical tragedy of Aristotle's analysis of it. In this period, however, there was the native miracle and morality plays, or the religious plays. With the Elizabethan Age came the golden era of English drama. The most important classical influence on Elizabethan playwrights came from Lucius Annaeus Seneca (4 B. C - 65 A. D). His plays are marked by a certain cultivation of horror for its own sake. In Elizabethan Age there were two main developments in tragedy writing - one is on the academic lines adhering to the classical norms like the theory of unities and chorus and the other was written for the popular stage known as the 'revenge tragedy' or tragedy of blood. These tragedies were replete with Seneca's favorite material ghost, murder, revenge, mutilation and carnage. The earliest example of Senecan tragedy in English was Sackville and Norton's _Gorboduc_ (1562). The other example of English revenge plays are Thomas Kyd's _The Spanish Tragedy_ (1586), _The Jew of Malta_ of Chrisropher Marlowe and John Webster's _The Duchess of Malfi_ and _The White Devil._

However, the best tragedies written in elizabethan period by dramatists like Marlowe, Shakespeare, Chapman, Webster and Fletcher deviate radically from Aristotelian norms. Elizabethan tragedy introduced a new dramatic technique called 'comic relief scene' completely against Aristotelian paradigm. The development of tragicomedy also took place during this period. In the 17th century a new form of hybrid between epic and tragedy called 'heroic tragedy' came into being.

In Elizabethan and 17th century drama all Aristotelian norms may have been thrown into winds but two-they are the status of the hero and the style of writing in verse. The tragic protagonist invariable belonged to a very high rank whose fate affected the fortune of the state. However during 18th century some tragedies were written in prose in which the protagonist belonged to very common class. George Lillo's _The London Merchant_ (1731) depicts the ultimate fall of a merchant's apprentice. Since then many tragedies have appeared in prose depicting middle class or sometimes even working class heroes and heroines. Most visible among such tragedies are Arthur Miller's _All My Sons_ and _Death of a Salesman._ Miller represents Willy Loman, the tragic protagonist, who wages a desperate battle against life and finally gets defeated by the false values of a commercial sodiety.

